


দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 186 ত্ৰিবিংশ বছৰ, সংখ্যা-১৮৬, ৫ জুন, শুকুবাৰ, ২০২৬, ২১ জেঠ, ১৯৪৮ শক, BATORI KAKOT, Friday, 5 June, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা




## ৭০ শতাংশ ভাৰা বৃদ্ধিৰ প্ৰস্তাৱ মটৰ পৰিবহণ সংস্থাৰ

**ষ্টাফ ৰিপ’ৰ্টাৰ, ৪ মে’ ঃ** পশ্চিম এছিয়াত চলি থকা যুদ্ধৰ প্ৰভাৱত দেশজুৰি পেট্ৰ’ল-ডিজেলৰ লগতে অন্যান্য ইন্ধনজাত সামগ্ৰীৰ মূল্যও দ্ৰুতগতিত বৃদ্ধি হয়। অসমতো অসম বিধানসভা নিৰ্বাচনৰ পিছতে পেট্ৰ’ল-ডিজেলৰ দাম বৃদ্ধি কৰাত সৰ্বস্তৰত ইয়াৰ প্ৰভাৱ পৰে। বিশেষকৈ পৰিবহণ খণ্ডত পেট্ৰ’ল-ডিজেলৰ দাম বৃদ্ধিৰ প্ৰভাৱে এক হাহাকাৰ পৰিৱেশৰ সৃষ্টি কৰে। আনুষ্ঠানিকভাৱে ■ এঘাৰ পৃষ্ঠাত

## বৈঠালাংছ’ত চোৰাং কাঠসহ বাহন জব্দ

**বাতৰি কাকত, বৈঠালাংছ’, ৪ মে’ ঃ** প্ৰাকৃতিক সৌন্দৰ্য আৰু প্ৰচুৰ বনজ সম্পদেৰে ভৰপূৰ কাৰ্বি পাহাৰৰ বুকু উদং কৰি একাংশ দুষ্ট চক্ৰই দীৰ্ঘদিনৰে পৰা চলাই আহিছে মূল্যৱান গছ-গছনিৰ চোৰাং কাৰবাৰ। বিশেষকৈ কাৰ্বি আংলঙৰ দঁাতিকাষৰীয়া নগাঁও জিলাৰ মাধৱপাৰা, শিঙিমাৰী আৰু শিমলুগুৰি আদি অঞ্চলৰ একাংশ অসাধু চোৰাং কাঠ ব্যৱসায়ীয়ে স্থানীয় কিছু দুষ্ট প্ৰকৃতিৰ লোকৰ সহযোগত বন বিভাগৰ চকুত ধূলি দি অতি কৌশলেৰে নিতৌ সৰবৰাহ কৰি আহিছে বিয়াগোম বিয়াগোম চোৰাং কাঠৰ কুণ্ডা আৰু ফান্তা। পাহাৰৰ এই অমূল্য সম্পদসমূহ ■ এঘাৰ পৃষ্ঠাত

### সম্প্ৰসাৰণ হ’বলগা মন্ত্ৰী সভাত বিজেপিৰ ১১-অগপৰ এজনৰ নাম অন্তৰ্ভুক্ত

# আজি মন্ত্ৰীৰূপে শপত ল’ব ১২ বিধায়কে



*ভাগ্য ফুলিল অশ্বিনী ৰায় সৰকাৰ, অশোক সিংহল, বিমল বৰা, বিশ্বজিৎ দৈমাৰী, জয়ন্ত মল্লবৰুৱা, কৌশিক ৰায়, কৃষ্ণেন্দু পাল, নিলীমা দেৱী, পীযুষ হাজৰিকা, ডাঃ ৰণোজ পেগু, সুশান্ত বৰগোঁহাই, কেশৱ মহন্তৰ*

**ষ্টাফ ৰিপ’ৰ্টাৰ, ৪ মে’ ঃ** অৱশেষত হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাৰ সম্প্ৰসাৰণত নাম অন্তৰ্ভুক্ত হ’ল ১২ বিধায়ক। পূৰ্বে মুখ্যমন্ত্ৰীসহ ৫ গৰাকী মন্ত্ৰীয়ে শপত লোৱাৰ পিছত কাইলৈ নতুনকৈ আৰু ১২ গৰাকী বিধায়কে মন্ত্ৰী হিচাপে শপত ল’ব। ইয়াৰ ভিতৰত তিনিগৰাকী নতুনকৈ আৰু বাকী ৯ গৰাকী পুৰণা মন্ত্ৰীয়ে আকৌ মন্ত্ৰী হিচাবে শপত ল’ব। কাইলৈ মন্ত্ৰীৰূপে শপত ল’বলগা বিধায়কসকল ক্ৰমে— অশ্বিনী ৰায় সৰকাৰ, অশোক সিংহল, বিমল বৰা, বিশ্বজিত দৈমাৰী, জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কৃষেণ্ডু অধিকাৰী, নিলীমা দেৱী, পীযুষ হাজৰিকা, ডাঃ ৰণোজ পেগু আৰু সুশান্ত বৰগোঁহাইৰ লগতে কেশৱ মহন্ত। কাইলৈ দুপৰীয়া ১২.৪৫ বজাত ■ এঘাৰ পৃষ্ঠাত

### ৰাষ্ট্ৰপতি ট্ৰাম্প প্ৰশাসনত আলোচনা ঃ ৬০খন দেশৰ ওপৰত পৰিব প্ৰভাৱ

## ভাৰতীয় সামগ্ৰীত অতিৰিক্ত ১২.৫ শতাংশ শুল্ক আৰোপ কৰিব আমেৰিকাই



**ৱাশ্বিংটন, ৪ মে’ ঃ** ভাৰতীয় সামগ্ৰীৰ ওপৰত অতিৰিক্ত ১২.৫ শতাংশ শুল্ক আৰোপ কৰাৰ উদ্যোগ লৈছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ চৰকাৰে। বুধবাৰে এই খবৰ প্ৰকাশ পোৱাৰ পিছতে চৰকাৰী নথি-পত্ৰৰ উদ্ধৃতি দি নতুন দিল্লীয়ে এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰালয়ৰ এক বিবৃতিত কোৱা হৈছে যে প্ৰস্তাৱিত শুল্ক গাঁথনি সন্দৰ্ভত আমি আমেৰিকাৰ সৈতে নিয়মীয়াকৈ যোগাযোগ কৰি আছো। দুয়োখন দেশৰ মাজত বাণিজ্যিক চুক্তিৰ আলোচনাও চলি আছে। শুল্কৰ হাৰ এতিয়াও চূড়ান্ত হোৱা নাই। প্ৰকাশিত বাতৰিটোত দাবী কৰা হৈছে যে বলপূৰ্বক শ্ৰমৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে ট্ৰাম্প প্ৰশাসনে ভাৰতকে ধৰি কমেও ৬০খন দেশৰ সামগ্ৰীৰ ওপৰত অতিৰিক্ত শুল্ক আৰোপ কৰাৰ পৰিকল্পনা কৰিছে। শুল্কৰ পৰিমাণ ১০ শতাংশৰ পৰা ১২.৫ শতাংশলৈকে হ’ব পাৰে। ইয়াৰে ভাৰত, চীন, জাপান, দক্ষিণ কোৰিয়া, ব্ৰাজিল, চুইজাৰলেণ্ড আদি দেশৰ ওপৰত ১২.৫ শতাংশ অতিৰিক্ত শুল্ক আৰোপ কৰাৰ পৰিকল্পনা কৰা হৈছে। কিন্তু আমেৰিকাৰ নথি অনুসৰি এই অতিৰিক্ত শুল্ক এতিয়াও কাৰ্যকৰী হোৱা নাই। জনমত আৰু পৰ্যালোচনাৰ পিছতহে সিদ্ধান্ত লোৱা হ’ব। অৰ্থাৎ আমেৰিকাৰ কংগ্ৰেছত আলোচনাৰ অন্তত ট্ৰাম্প প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিব। ■ এঘাৰ পৃষ্ঠাত

## ধনশ্ৰীঘাটত দুই কুইণ্টল ভাংসহ এজনক আটক

**বাতৰি কাকত, ওদালগুৰি, ৪ মে’ ঃ** আজি দিন-দুপৰতে ওদালগুৰি জিলাৰ ওৰাং আৰক্ষী থানাৰ অন্তৰ্গত ধনশ্ৰীঘাটত আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয় ২ কুইন্টল ৮৬ কেজি ৪৮গ্ৰাম ভাং। ওৰাং আৰক্ষী থানাৰ নতুন ভাৰপ্ৰাপ্ত বিষয়া মনোজ কুমাৰ দাসৰ নেতৃত্বত সুৰজিত হাজৰিকা সমন্বিতে আৰক্ষী কনিষ্টবল কঞ্জনা ৰাভা, ২৭নং এপিবিএনৰ বেটেলিয়ন উৎপল সূত্ৰধৰ, মহানন্দ বড়ো, আৰক্ষী হোমগাৰ্ড মাণিক দেই এক গোপন সূত্ৰৰ পম খেদি দিনৰ ১১.২০ মান বজাত মাজবাটৰ পৰা ধনশ্ৰীঘাট হৈ বৰঝাৰ অভিমুখে ■ এঘাৰ পৃষ্ঠাত

### অবৈধ অনুপ্ৰৱেশ-সীমান্ত সুৰক্ষাৰ পৰ্যালোচনা

## ত্ৰিপুৰাত ভাৰত-বাংলাদেশ সীমান্তৰ সুৰক্ষা পৰ্যালোচনা কৰিব কেন্দ্ৰীয় গৃহমন্ত্ৰী



**আগৰতলা, ৪ মে’ ঃ** কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্ত সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে শুকুৰবাৰে ত্ৰিপুৰাত সীমান্ত সুৰক্ষা পৰ্যালোচনা কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বিএছএফ আৰু আন নিৰাপত্তা সংস্থাসমূহৰ সৈতে এক বৈঠকতো মিলিত হ’ব। সীমান্তত অবৈধ অনুপ্ৰৱেশ, সীমান্ত সুৰক্ষাৰ ওপৰত পৰ্যালোচনা কৰা হ’ব। বৃহস্পতিবাৰে আগৰতলাত উপস্থিত হয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। ইফালে, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহাই কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ এই সীমান্ত ভ্ৰমণ ৰাজ্যখনৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। তেওঁ জনায় ■ এঘাৰ পৃষ্ঠাত

### মাতৃৰ মৃত্যুৰ পিছত ফোনকল গ্ৰহণত বিলম্ব

## মুখ্যমন্ত্ৰী- কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালক ক্ষমা-প্ৰাৰ্থনা অখিল গগৈৰ



**ষ্টাফ ৰিপ’ৰ্টাৰ, ৪ মে’ ঃ** মাতৃক হেৰুৱাই দুখত ম্ৰিয়মান হৈ আছে বিধায়ক অখিল গগৈ। পুত্ৰ হিচাপে সকলো ৰীতি-নীতি পাল নৰ লগতে মাতৃক শেষকৃত্য সম্পন্ন কৰি যথেষ্ট বেজাৰত দিন পাৰ কৰিছে ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে। যোৱা বুধবাৰৰে পৰা অখিল গগৈৰ ঘৰলৈ জনতাৰ সোঁত বৈছে। দুখৰ এই সময়ত প্ৰিয় নেতাগৰাকীক মাত এষাৰ দিবলৈ অসমৰ ভিন্ন প্ৰান্তৰ ■ এঘাৰ পৃষ্ঠাত

### নগাঁও জিলা আয়ুক্তৰ প্ৰসংশনীয় প্ৰদক্ষেপ

## দৃষ্টিহীন দম্পতীৰ সহায় হোৱাকৈ তৎকালীনভাৱে প্ৰদান আধাৰ কাৰ্ড


**বাতৰি কাকত, নগাঁও, ৪ জুন ঃ** নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ প্ৰসংশনীয় প্ৰদক্ষেপ। বিগত সময়চোৱাত জিলাখনৰ দুগৰাকী নিবাসীয়ে নিজৰ শাৰীৰিক বাধাগ্ৰস্ততাৰ বাবে বিভিন্ন চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হ’বলগা হোৱা বিষয়টো জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ দৃষ্টিগোচৰ হোৱাৰ পাছতে তেওঁ গ্ৰহণ কৰে যাৱতীয় ব্যৱস্থা। উল্লেখ্য যে, জিলাখনৰ কঠিয়াতলিৰ নিবাসী বিভান চন্দ্ৰ দাস আৰু পপি শইকীয়া দুয়ো জন্মৰে পৰা দৃষ্টিহীন। বৰ্তমান সময়ত ভাৰত চৰকাৰৰ এক অন্যতম প্ৰয়োজনীয় পৰিচয় পত্ৰ হিচাপে ‘আধাৰ’ কাৰ্ডৰ প্ৰয়োজনীয়তাৰ প্ৰতি ■ এঘাৰ পৃষ্ঠাত

## গুৱাহাটীৰৰ গণেশগুৰিত বিনামূলীয়াকৈ ৬ হাজাৰ গছপুলি বিতৰণ

**ষ্টাফ ৰিপ’ৰ্টাৰ, ৪ মে’ ঃ** ছাত্ৰ সুহান মল্লিকৰ প্ৰচেষ্টাত বিশ্ব পৰিৱেশ দিৱসৰ স’তে সংগতি ৰাখি বৃহস্পতিবাৰে প্ৰায় ৬ হাজাৰ গছপুলি গুৱাহাটী জনসাধাৰণক বিনামূলীয়াকৈ বিতৰণ কৰা হয়। গুৱাহাটী: অসমৰ বন আৰু পৰিৱেশ বিভাগৰ গঁড় বন্ধু আৰু গ্ৰীণ হিৰো স্বীকৃতিপ্ৰাপ্ত হাতীগাঁৱৰ লিটিল ফ্লাৱাৰ স্কুলৰ উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ সুহান মল্লিকৰ প্ৰচেষ্টাত বিশ্ব পৰিৱেশ দিৱসৰ স’তে সংগতি ৰাখি বৃহস্পতিবাৰে প্ৰায় ৬ হাজাৰ গছপুলি গুৱাহাটী জনসাধাৰণক বিনামূলীয়াকৈ বিতৰণ কৰা হয়। মহানগৰীৰ গণেশগুৰিৰ গণেশ উদ্যান (হনুমান মন্দিৰৰ সমীপত)ৰ সমুখত গছপুলি বিতৰণ কাৰ্যসূচী মুকলি কৰে ■ এঘাৰ পৃষ্ঠাত

### মৰিগাঁৱৰ মিকিৰভেটাত চাঞ্চল্যকৰ ঘটনা

## প্ৰেম প্ৰত্যাখ্যানৰ বাবেই যুৱতীক হত্যাৰ চেষ্টা



**বাতৰি কাকত, জামুগুৰিহাট, ৪ জুন ঃ** মৰিগাঁও জিলাৰ মিকিৰভেটাত সংঘটিত হৈছে এক চাঞ্চল্যকৰ কাণ্ড। এগৰাকী যুৱতীক হত্যাৰ চেষ্টা প্ৰেমিকৰ। প্ৰেম প্ৰত্যাখান কৰাৰ বাবে যুৱতীগৰাকীক ৰডেৰে আক্ৰমণৰ অভিযোগ প্ৰেমিকৰ বিৰুদ্ধে। ধৃত যুৱকজনৰ নাম ৰিবুল আলী। বুধবাৰে নিশা ■ এঘাৰ পৃষ্ঠাত

### কলকাতাত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল-বংগৰ মুখ্যমন্ত্ৰীৰ বৈঠক

## পশ্চিমবংগৰ সামুদ্ৰিক বিকাশত ১৯,২০৯ কোটি টকা বিনিয়োগ



**কলকাতা, ৪ মে’ ঃ** কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কলকাতাত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীৰ সৈতে সাক্ষাৎ কৰে আৰু ২০৩১ চনৰ ভিতৰত ১৯,২০৯ কোটি টকাৰ প্ৰস্তাৱিত সামুদ্ৰিক বিনিয়োগৰ জৰিয়তে পশ্চিমবংগক পূব ভাৰতৰ সামুদ্ৰিক প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ সম্ভাৱনা সম্পৰ্কে আলোচনা কৰে। এই প্ৰকল্পসমূহে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৬২,৫০০ৰো অধিক সংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লগতে ৰাজ্যখনক পূব ভাৰতৰ এক গুৰুত্বপূৰ্ণ সামুদ্ৰিক আৰু লজিষ্টিকছ প্ৰাণকেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল আৰু মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীৰ এই ■ এঘাৰ পৃষ্ঠাত

## চতিয়াত দুই কিশোৰীক প্ৰেমৰ চলনাৰে যৌন নিৰ্যাতন, অভিযুক্তক গ্ৰেপ্তাৰ আৰক্ষীৰ

**বাতৰি কাকত, জামুগুৰিহাট, ৪ জুন ঃ** চতিয়াত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। চতিয়াৰ ইটাখোলা আৰক্ষী থানাৰ অন্তৰ্গত ডিপলোঙা ২ নং লাইন গাঁৱৰ দুগৰাকী কিশোৰীক প্ৰেমৰ প্ৰলোভন দেখুৱাই প্ৰতাৰণা কৰাৰ লগতে যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাৰে ■ এঘাৰ পৃষ্ঠাত

### প্ৰকৃতি সংৰক্ষণ-সংবৰ্ধনৰ সফল নেতৃত্ব দিছে শৰ্মা চৰকাৰে

## ১ কোটি গছপুলি ৰোপণেৰে বিশ্ব পৰিৱেশ দিৱস উদযাপনৰ প্ৰস্তুতি বিজেপিৰ



**ষ্টাফ ৰিপ’ৰ্টাৰ, ৪ জুন ঃ** কেৱল সৰ্বদিশৰ উন্নয়নেই নহয়, প্ৰকৃতি সংৰক্ষণ আৰু সংবৰ্ধনতো বিশেষ সফলতা কঢ়িয়াইছে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন এনডিএ চৰকাৰে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত কেৱল মুনাফাৰ স্বাৰ্থত চৰকাৰৰ বৰমূৰীয়াসকলে বন ধ্বংস অভিযান চলাইছিল। অবাধে গছ কটা, বনভূমি-জলাশয় বেদখল ইত্যাদি আছিল কংগ্ৰেছ চৰকাৰৰ সময়ৰ নিত্য ■ এঘাৰ পৃষ্ঠাত


### নগাঁও জিলা আয়ুক্তৰ প্ৰসংশনীয় প্ৰদক্ষেপ

## দৃষ্টিহীন দম্পতীৰ সহায় হোৱাকৈ তৎকালীনভাৱে প্ৰদান আধাৰ কাৰ্ড


**বাতৰি কাকত, নগাঁও, ৪ জুন ঃ** নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ প্ৰসংশনীয় প্ৰদক্ষেপ। বিগত সময়চোৱাত জিলাখনৰ দুগৰাকী নিবাসীয়ে নিজৰ শাৰীৰিক বাধাগ্ৰস্ততাৰ বাবে বিভিন্ন চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হ’বলগা হোৱা বিষয়টো জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ দৃষ্টিগোচৰ হোৱাৰ পাছতে তেওঁ গ্ৰহণ কৰে ■ এঘাৰ পৃষ্ঠাত

### প্ৰতি ইউনিটত বাঢ়িল ৭ পইচাকৈ

## গ্ৰাহকক মাধমাৰ সোধাই এ পি ডি চি এলে বৃদ্ধি কৰিলে বিদ্যুৎ মাচুল

**ষ্টাফ ৰিপ’ৰ্টাৰ, ৪ জুন ঃ** পেট্ৰ’ল-ডিজেল, ৰন্ধন গেছৰ পাছত এইবাৰ বৃদ্ধি পালে বিদ্যুৎ মাচুল। ৰাজ্যত সংগোপনে এ পি ডি চি এলয়ে বৃদ্ধি কৰিলে বিদ্যুতৰ মাচুল। প্ৰতি ইউনিটত ২১ পইছাৰ পৰা সৰ্বাধিক ২৮ পইছালৈ বৃদ্ধি কৰিলে মাচুল। জুন মাহৰ বাবে প্ৰতি ইউনিটত বৃদ্ধি ২১ পইছা। জুলাই মাহৰ ১৮ পইছা, আগষ্ট মাহৰ ১৬ পইছা, ছেপ্টেম্বৰ- ■ এঘাৰ পৃষ্ঠাত




### বিশ্ব ধঁপাতবিৰোধী দিৱসত ডাঃ জৰ্জ কৰিমুণ্ডাক্কাল

## ধঁপাত সেৱন হাঁওফাঁওৰ কৰ্কট ৰোগৰ অন্যতম কাৰণ

**ষ্টাফ ৰিপ’ৰ্টাৰ, ৪ জুন ঃ** প্ৰতিটো বিশ্ব ধঁপাতবিৰোধী দিৱসে আমাক পুনৰবাৰ সোঁৱৰাই দিয়ে যে হাঁওফাঁওৰ কৰ্কট ৰোগ প্ৰতিৰোধৰ যাত্ৰা আচলতে ধঁপাত সেৱন ত্যাগ কৰাৰ সিদ্ধান্তৰ পৰাই আৰম্ভ হয়। ধঁপাত সেৱন, বিশেষকৈ ধূমপান যে হাঁওফাঁওৰ কৰ্কট ৰোগৰ অন্যতম প্ৰধান আৰু বৈজ্ঞানিকভাৱে প্ৰতিষ্ঠিত কাৰণ, সেই কথা দীৰ্ঘদিন ধৰি স্বীকৃত হৈ আহিছে। বিভিন্ন গৱেষণাত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছে যে চিগাৰেটৰ ধোঁৱাত হাজাৰ হাজাৰ ৰাসায়নিক উপাদান থাকে। ইয়াৰ ভিতৰত বহু পৰিচিত কৰ্কট সৃষ্টিকাৰী ■ এঘাৰ পৃষ্ঠাত





## বঙাইগাঁৱত বৃক্ষ ৰোপন কাৰ্যসূচী ৰূপায়ণ

**বঙাইগাঁও, ৪ জুন ঃ** বঙাইগাঁও পৌৰসভাৰ উদ্যোগত আৰু সদৌ কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ বঙাইগাঁও জিলা সমিতিৰ সহযোগত চহৰীয়া বৃক্ষ ৰোপন কাৰ্যসূচীৰ অংশ হিচাপে বুধবাৰে বঙাইগাঁও জিলা আদালৰ সন্মুখত বৃক্ষ ৰোপন কাৰ্যসূচী ৰূপায়ণ কৰে। এই বৃক্ষৰোপন কাৰ্যসূচী প্ৰথমে উকিল সন্থাৰ সম্পাদক কৌশিক দাসৰ লগতে যুৱ ছাত্ৰ সন্মিলনীৰ কেন্দ্ৰীয় সভাপতি বিশ্বজিৎ ৰায়, জিলা সমিতিৰ সভাপতি দেৱেন দাস আৰু সাধাৰণ সম্পাদক ধনঞ্জয় ৰায়ৰ উপস্থিতিত শুভাৰম্ভ কৰা হয়। পৰৱৰ্তী পৰ্যায়ত পৌৰসভাৰ উপ সভাপতি শৈলেন সৰকাৰ, বঙাইগাঁও বীৰঝৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্ময় ভট্টাচাৰ্য, বঙাইগাঁও বিদ্যুৎ বিভাগৰ সংমণ্ডল বিষয়া ৰূপজ্যোতি বড়ো, বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবৰ সভাপতি সুজিৎ কুমাৰ ৰায় আৰু বঙাইগাঁও জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি নন্দলাল বৰ্মন আদিকে ধৰি আন স্থানীয় ব্যক্তিৰ দ্বাৰা বৃক্ষৰোপন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীত পৌৰসভাৰ কৰ্মচাৰীও উপস্থিত থাকে ।

# ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী কলী আইথান পৰিচালনা সমিতিৰ প্ৰশংসনীয় পদক্ষেপ

## বিশিষ্ট ব্যক্তি ৬৫ গৰাকী শিক্ষাৰ্থীক সম্বৰ্ধনা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৪ জুন ঃ** ধৰ্মীয় আৰু আধ্যাত্মিক চিন্তা-চৰ্চাৰ সমান্তৰালকৈ নৱ-প্ৰজন্মৰ শৈক্ষিক তথা সামাজিক উত্তৰণৰ লক্ষ্যৰে ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত আইথান প্ৰেক্ষাগৃহত শ্ৰীশ্ৰী কলীয়া থান পৰিচালনা সমিতিৰ সৌজন্যত অনুষ্ঠিত হোৱা বিশেষ কাৰ্যসূচীত অঞ্চলটোৰ সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰা হয়। ইয়াৰ উপৰি সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। কেৱল আধ্যাত্মিক দিশতে আৱদ্ধ নাথাকি উঠি অহা নৱ-প্ৰজন্মক ভৱিষ্যতে সুনাগৰিক ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ আৰু সমাজৰ প্ৰতিটো দিশতে চিন্তা-চৰ্চা কৰিব পৰাকৈ উৎসাহিত কৰাৰ উদ্দেশ্যে অঞ্চলটোৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ মুঠ ৬৫ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। পৰিচালনা সমিতিৰ সভাপতি ভীমকান্ত সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত অঞ্চলটোৰ উন্নয়ন তথা ডিব্ৰুগড় জিলাখনক আগুৱাই নিয়াত বিশেষ অৰিহণা যোগোৱা তথা কলীআই থান পৰিচালনা সমিতিৰ সৈতে ওত:প্ৰোতভাৱে জড়িত হৈ থকা ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনক শ্ৰীশ্ৰী কলী আই থান পৰিচালনা সমিতিৰ হৈ বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ উপৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, বিশিষ্ট ব্যক্তি গুণীন দিহিঙ্গীয়া, জ্যেষ্ঠ সমাজকৰ্মী অঞ্জন গগৈ আৰু থান পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি উপেন বৰুৱাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিক সমাজলৈ আগবঢ়োৱা সেৱাৰ বাবে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইঞ্জিনিয়াৰিং ছায়েন্স এণ্ড টেকন'লজীৰ কম্পিউটাৰ ছায়েন্স বিভাগৰ মূৰব্বী ড° নমী বৰুৱা। বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে মনোহৰী দেৱী কানৈ মহাবিদ্যালয়ৰ অধ্যাপক অনিৰুদ্ধ দত্ত, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক ৰাতুল বুঢ়াগোহাঁই, শিক্ষয়িত্ৰী মমী মহন্ত, পঞ্চায়তৰ সভানেত্ৰী দেৱজানী চুতীয়া, কাউন্সিলাৰ ঊষা গগৈ, সাংস্কৃতিক কৰ্মী ৰুবী গগৈ সন্দিকৈ, ভাৰতী দুৱৰা বৰুৱা, মিনাক্ষী দাস বৰুৱাকে প্ৰমুখ্য কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পৰিচালনা সমিতিৰ যুটীয়া সম্পাদক অঞ্জন চেতিয়াই আঁত ধৰা অনুষ্ঠানত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই থান পৰিচালনা সমিতিৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অধ্যক্ষগৰাকীয়ে কয়, নিজক জনাটোৱেই হ'ল জ্ঞানৰ এটা আৰম্ভণি।আইথান পৰিচালনা সমিতিৰ এই ব্যতিক্ৰমী পদক্ষেপক প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক প্ৰশান্ত ফুকনে শলাগ লয়। আইথানৰ উন্নয়নৰ বাবে সকলোৰে প্ৰচেষ্টা কৰাৰ লগতে উঠি অহা প্ৰজন্মক লৈ পৰিচালনা সমিতিয়ে গ্ৰহণ কৰা এই পদক্ষেপ অতি যোগাত্মক লগতে ডিব্ৰুগড় ভিতৰত এখন শ্ৰেষ্ঠ পৰিচালনা সমিতি বুলি তেওঁ কয়। অনুষ্ঠানত পৰিচালনা সমিতিৰ উপসভাপতি ভুৱন দত্ত, অঞ্জন গগৈ, সদানন্দ গগৈ, সুনীল ৰায়, বিপ্লৱ গগৈ, কুশল শইকীয়াকে প্ৰমুখ্য কৰি পৰিচালনা সমিতিৰ সদস্য আৰু স্থানীয় ৰাইজ আদিউপস্থিত থাকে।

# গোৰ্খা উন্নয়ন পৰিষদে সুৱাগপুৰত ধৰ্মীয় অনুষ্ঠানক টিনপাত বিতৰণ-গোৰ্খা ভৱন উদ্বোধন



**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৪ জুন ঃ** অসম চৰকাৰে ৰাজ্যৰ গোৰ্খা জনগোষ্ঠীৰ উন্নয়নৰ হকে গঠন কৰি দিয়া গোৰ্খা উন্নয়ন পৰিষদে বিগত দিনত উল্লেখনীয় কাম কৰি আহিছে। গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ তথা গোৰ্খাৰ বলিষ্ঠ কণ্ঠ প্ৰেম তামাঙৰ নেতৃত্বত যোৱা কেইবছৰত গোৰ্খা অধ্যুষিত অঞ্চলত বিভিন্ন উন্নয়নমূলক কাম কৰি আহিছে। গোৰ্খা উন্নয়ন পৰিষদৰ ২০২৫-২৬ বাজেটত পৰিষদে ৰাজ্যৰ মঠ মন্দিৰত টিনপাত বিতৰণ কৰি আহিছে। বুধবাৰে সুৱাগপুৰত গোৰ্খা উন্নয়ন পুঁজিৰে নিৰ্মিত গোৰ্খা ভৱন উদ্বোধন কৰে গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে। এই কাৰ্যসূচীত গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে সুৱাগপুৰ অঞ্চলৰ কেইবাটাও ধাৰ্মিক অনুষ্ঠানক টিনপাতো বিতৰণ কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক টেক বাহাদুৰ ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীত গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে তেঁওৰ ভাষণত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন এনডিএ চৰকাৰে ৰাজ্যৰ গোৰ্খাৰ উন্নয়নৰ বাবে বিভিন্ন কাম কৰি অহা বুলি কয় আৰু গোৰ্খা জনগোষ্ঠীৰ কল্যানৰ বাবে বিভিন্ন আঁচনি প্ৰস্তুত কৰা হ'ব বুলি জনায়। হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত গোৰ্খা সকল সকলো ক্ষেত্ৰত সুৰক্ষিত হোৱা বুলিও কয়। কাৰ্যসূচীত উপস্থিত থাকি যুৱ নেতা কৰণ ছেত্ৰীয়ে তেঁওৰ ভাষণত গোৰ্খা উন্নয়ন পৰিষদে বিগত পাঁচ বছৰত গোৰ্খাৰ কল্যানৰ বাবে বিভিন্ন কাম কৰা বুলি কৈ এপিএছচি তথা ইউপিএছছিৰ দৰে কোচিং চেণ্টাৰ আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ দিশত আগুৱাই লৈ যোৱাত গোৰ্খা উন্নয়ন পৰিষদক ধন্যবাদ জ্ঞাপন কৰে। তেঁও গোৰ্খা উন্নয়ন পৰিষদৰ পৰৱৰ্তী অধ্যক্ষৰ বাবে প্ৰেম তামাঙৰ দৰে বলিষ্ঠ নেতাক আৱশ্যক বুলি কয়। সভাত বিভিন্ন প্ৰান্তৰ তিনি শতাধিক লোক উপস্থিত থাকে।

## ৰহাৰ মা বসুন্ধৰী থানৰ আদৰণি তোৰণ মুকলি

**ৰহাৰ পৰা বিৰিঞ্চি কুমাৰ ডেকা, ৪ জুন ঃ** দীৰ্ঘদিনীয়া এটা অভাৱ পূৰণ কৰিলে ৰহাৰ বিধায়ক শশীকান্ত দাসে । নগাঁও জিলাৰ ৰহাৰ কপিলী দক্ষিণপাৰে অৱস্থিত গছপৰা তিনিআলিত ঐতিহাসিক 'মা বসুন্ধৰী থান'ৰ এখন আদৰণি গেট বিধায়কৰ সমষ্টি উন্নয়ন পুজিৰে নিৰ্মাণ কৰি আজি আনুষ্ঠানিকভাৱে মুকলি কৰে । দহ লাখ টকাৰে অতি চাপৰমুখ গৰুবাট মণ্ডল সভাপতি ভাস্কৰ দাস, জিলা জনজাতি মৰ্চাৰ সভাপতি সঞ্জীৱ দেউৰী, যুৱ নেতা লক্ষ্য মেধি, চাপৰমুখ জিলা পৰিষদৰ সদস্যা জোনালিম দাস ডেকা , কমাৰগাঁও সমষ্টিৰ তিৱা পৰিষদৰ সদস্য অজিত পাটৰ,ৰহা আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী অপৰাজিতা দেউৰী, উপসভাপতি প্ৰনৱ বৰকাকতি, বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি সীমান্ত দেউৰী, মিডিয়া আহ্বায়ক সীমান্ত শেখৰ, চাপৰমুখ পঞ্চায়তৰ সভানেত্ৰী মনিষা শইকীয়া, হাটবৰ পঞ্চায়তৰ সভাপতি দিপেন কোঁৱৰ, আমচৈ পঞ্চায়তৰ সভানেত্ৰী সুমিত্ৰা পাটৰ, কাউন্সিলৰ মালা হেতাৰি, প্ৰমীলা পঞ্চায়তৰ কাউন্সিলৰ নিকেশ বিশ্বাস, বিজেপিৰ কমাৰগাঁও মণ্ডল যুৱ মৰ্চাৰ সম্পাদক জয়ন্ত কলিতা, মনোজ বৰাকে আদি কৰি অঞ্চলৰ গণ্য মান্য ব্যক্তি সকলৰ লগতে ধৰ্মপ্ৰাণ ৰাইজ উপস্থিত থাকে।

# শিৱসাগৰত নীলপৱন বৰুৱা-নিৰ্মল প্ৰভা বৰদলৈৰ স্মৰণ

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৪ জুনঃ** 'অসমৰ চিত্ৰকলাৰ এক চহকী পৰম্পৰা থকা স্বতেও আধুনিকতাৰ ধামখুমীয়াত সি কৰবাত হেৰাই যোৱাৰ উপক্ৰম হৈছিল। প্ৰতিমুখে আধুনিক চিন্তাধাৰাৰ প্ৰতিও অসমীয়াৰ উছাহ প্ৰত্যয়জনক নোহোৱা অৱস্থাত নীলপৱন বৰুৱাই শান্তি নিকেতন আৰু থলুৱা চিত্ৰশৈলীৰ অভূতপূৰ্ব সমাহাৰেৰে এই ক্ষেত্ৰক এক পথিকৃতৰ ভূমিকা পালন কৰিছিল। আনহাতে ড° নিৰ্মল প্ৰভা বৰদলৈয়ে হাজাৰ প্ৰত্যাহ্বানকো নেওচি এগৰাকী কবি, গীতিকাৰ আৰু লোকসংস্কৃতিৰ গৱেষক হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ উপৰিও দেৱী, সূৰ্য আৰু শিৱ এই তিনিখন তাত্বিক মননশীল গ্ৰন্থ ৰচনা কৰি গ'ল। জাতীয় অধ্যাপক ড° নিৰ্মল প্ৰভা বৰদলৈ সঁচা অৰ্থত এগৰাকী আজীৱন সাৰস্বত সাধক আছিল। আগন্তুক, শিৱসাগৰে দোলাকাষৰীয়া জ্ঞানজ্যোতি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ ৯০ সংখ্যক ওজপাদিন আৰু ড° নিৰ্মল প্ৰভা বৰদলৈ ২২ সংখ্যক স্মৃতি দিৱসৰ মুখ্য অতিথি চ্যুকাফা চাৰুকলা মহাবিদ্যালয়, শিমলুগুৰিৰ অধ্যক্ষ দিলীপ ফুকনে এইদৰে কয়। সমাজসেৱক চন্দন হাতীমূৰীয়াই গছপুলি ৰোপনেৰে দিনজোৱা কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছতেই প্ৰবীন এথলীট চম্পা বৰুৱাই নিৰ্মল প্ৰভা বৰদলৈৰ আৰু সংগীতৰ সাধক ৰজনী গগৈয়ে নীলপৱন বৰুৱাৰ প্ৰতিচচবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি নিজৰ নিজৰ অনুভৱ ব্যক্ত কৰে। জ্ঞানজ্যোতি কেন্দ্ৰৰ এজাক মইনা-মইনীয়ে ৰজনী গগৈৰ কথা আৰু সুৰেৰে সজোৱা আৰম্ভণী গীত পৰিৱেশন কৰা মূল অনুষ্ঠান উদ্বোধন কৰে গেলেকী ফাইন আৰ্ট কলেজৰ অধ্যক্ষ অসীম কুমাৰ গগৈয়ে। আগন্তুকৰ সভাপতি যোগ গগৈয়ে সঞ্চালনা কৰা এই অনুষ্ঠানত গেলেকী জাতীয় বিদ্যালয়ৰ ছাত্ৰী ৰিম্পী শইকীয়াও এটি মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে। নৱ-প্ৰজন্মৰ কণ্ঠশিল্পী জ্যোতিষ্মান ফুকন, আকাংক্ষা গগৈ আৰু ৰিম্পী শইকীয়াই ড° নিৰ্মল প্ৰভা বৰদলৈৰ ৰচিত জয়ন্ত হাজৰিকা আৰু দিপালী বৰঠাকুৰে কণ্ঠদান কৰা ভালেকেইটা চিৰ সেউজ গীত পৰিৱেশন কৰি সকলোকে মোহাছন্ন কৰি ৰাখে। এওঁলোকক বিশেষভাৱে সহযোগিতা কৰে বৰেণ্য সংগীত শিল্পী প্ৰভাত কোঁৱৰ, চঞ্চল কোঁৱৰ, শৈলেন্দ্ৰ বৰচেতিয়াই। কবি বিপিন হাজৰিকাই ড° বৰদলৈৰ এটি কবিতা আবৃত্তি কৰি আৰু সাংস্কৃতিক কৰ্মী শিলাদিত্য গগৈয়ে তেওঁৰ শিক্ষাৰ্থী সকলৰ মগজুৰ ক্ৰীড়া-কলাপ প্ৰদৰ্শনেৰে আনন্দ দিয়ে। আজি অশীতিপৰ ধৰ্মেশ্বৰ বৰুৱাদেৱক তেওঁ চিত্ৰকলাৰ জগতলৈ আগবঢ়োৱা জীৱনযোৰা সাধনাৰ বাবে আগন্তুক আৰু দোলাকাষৰীয়া জ্ঞানকেন্দ্ৰই বিপুলভাৱে সম্বৰ্ধনা জনায়। অনুষ্ঠান উপলক্ষে আগন্তুকে আয়োজন কৰা নীলপৱন বৰুৱাৰ প্ৰতিচ্চবি অংকণ প্ৰতিযোগিতাত স্থান প্ৰাপক 'ক' শাখাত ১ম, ২য় আৰু ৩য় স্থান পোৱা আৰফা আছৰিন, দৰ্শনা গগৈ আৰু অনুৰাগ গগৈ লগতে 'খ' শাখাত ১ম, ২য় আৰু ৩য় স্থান পোৱা ক্ৰমে প্ৰস্তুতি গগৈ, মৌচম গগৈ আৰু নৱজিৎ বৰগোহাঁইক প্ৰশংসাপত্ৰ আৰু কিতাপেৰে পুৰস্কৃত কৰা হয়। ন-পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি দিলীপ মহন্ত, আছুৰ স্থানীয় নেতা হেমন্ত গগৈ, শিল্পী, সমাজকৰ্মী ৰাম নায়ক, মণ্টু কুমাৰ ফুকন, প্ৰণৱজ্যোতি গগৈ আদি ব্যক্তি উপস্থিত থাকি অনুভৱ প্ৰকাশ কৰা অনুষ্ঠানটিৰ সূত্ৰধৰে মুখ্য সম্পাদক দিলীপ শইকীয়াই আৰু শলাগ জ্ঞাপন কৰে আগন্তুকৰ অন্যতম সম্পাদক ৰমেন বৰুৱাই। শেষত মানৱতাবাদী শিল্পী, অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মায়াবিনী গীতটো সকলোৱে সমস্বৰে পৰিৱেশন কৰি অনুষ্ঠান সামৰা হয়।

# হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসক সম্বৰ্ধনা

**বাতৰি কাকত, শুৱালকুছি, ৪ জুন ঃ** শুৱালকুছি মণ্ডল বিজেপিৰ উদ্যোগত বুধবাৰৰ আবেলি ৫-৩০ বজাত শুৱালকুছি মণ্ডল বিজেপিৰ কাৰ্যালয়ত অনুস্থিত সম্বৰ্ধনা সভাত বুথ সমিতিকে ধৰি প্ৰায় ৪৫ টা দল সংগঠন আৰু অনুস্থান-প্ৰতিস্থানে গামোচা, শৰাই, মানপত্ৰ, জাপি আদিৰে সম্বৰ্ধনা জনায়। প্ৰথমে সম্বৰ্ধনা জনায় শুৱালকুছি মণ্ডল বিজেপি তৰফৰ পৰা। এই উপলক্ষে অনুস্থিত সম্বৰ্ধনা সভাত সভাপতিত্বত কৰে মণ্ডল বিজেপিৰ সভাপতি ধীৰাজ মহন্তই। মণ্ডল বিজেপিৰ সম্পাদক মাণিক চন্দ্ৰ দাসে আতঁধৰা উক্ত সম্বৰ্ধনা সভাত আদৰণি ভাষণ দি অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত যোৱা বিধানসভাৰ নিৰ্বাচনত বিজেপি আৰু মিত্ৰজোটে অভিলেখ সংখ্যক আসন লাভ কৰি এক বৃহৎ সংখ্যা গৰিষ্ঠতা লাভ কৰে। তেওঁৰ প্ৰচেষ্টাত হাজো শুৱালকুছি বিধানসভাৰ মিত্ৰজোটৰ প্ৰাৰ্থীগৰাকী জয়ী হোৱাত আমি সমস্টিবাসী হিচাবে গৌৰৱবোধ কৰিছো। আজি ইয়াৰ ফলশ্ৰুতিতে এই সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মণ্ডল সভাপতি গৰাকীয়ে উল্লেখ কৰে। তেওঁ সভাত উপস্থিত থকা সকলোকে আদৰণি জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয় যে, ৰাজনীতি পথাৰলৈ আনি মোক আজি হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক হোৱাৰ সুযোগ দিলে তাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ক শতকৌটি প্ৰণাম জনাইছে। মই মুখ্যমন্ত্ৰীৰ দীৰ্ঘজীৱন আৰু সুস্বাস্থ্য কামনা কৰি মা কামাখ্যাৰ ওচৰত সেৱা জনাইছো। মোৰ বিজয়ৰ সম্পূৰ্ণ কৃতিত্বৰ অধিকাৰী হ'ব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। লগতে মোক বিশেষ ভাৱে সহায় কৰা মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীক বিশেষ ধন্যবাদ জনাইছো। সমষ্টিৰ কাম কৰাৰ বাবে মণ্ডল কাৰ্যালয়ত প্ৰতি সপ্তাহত দুদিন ৰাইজক লগ কৰি ৰাইজৰ সমস্যা সমাধানৰ চেষ্টা কৰিম বুলি বক্তব্য ৰাখে। সম্বৰ্ধনা সভাত উপস্থিত থাকে হাজো পঞ্চতীৰ্থ মণ্ডল বিজেপিৰ সভাপতি কল্যাণ দাস, প্ৰাক্তন মণ্ডল সভাপতি হেমচন্দ্ৰ বৈশ্য, দুলু দাস, মণ্ডল বিজেপিৰ সম্পাদক দুলুমণি দাস প্ৰমুখ্যে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# অসম ভাষিক সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ সৌজন্যত টংলাত ৰবীন্দ্ৰ সংগীত-নৃত্য প্ৰতিযোগিতা

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৪ জুনঃ** টংলাত ৰবীন্দ্ৰ সংগীত আৰু ৰবীন্দ্ৰ সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰি মহৎ কাৰ্য সম্পাদন কৰিছে ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ড, অসমৰ সদস্য সুজিত সৰকাৰে। এনেধৰণৰ অনুষ্ঠানে সমাজত সুন্দৰ বাতাবৰণ সৃষ্টি কৰে। এই মন্তব্য টংলা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক বিকন্দ চন্দ্ৰ ডেকাৰ। অসম ভাষিক সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ সৌজ্যনত ওদালগুৰি জিলা ভিত্তিত ৩০ আৰু ৩১ মে'ত আয়োজিত ৰবীন্দ্ৰ সংগীত আৰু ৰবীন্দ্ৰ সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতাৰ আজি সামৰণি পৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি বিধায়ক বিকন্দ চন্দ্ৰ ডেকাই আয়োজকক ভূয়সী প্ৰশংসা কৰে। ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ডৰ সদস্য তথা প্ৰতিযোগিতাৰ আহ্বায়ক সুজিত সৰকাৰে দুয়োদিনৰ কাৰ্যসূচী সফল ৰূপায়ণ কৰি তোলা বাবে সমূহ প্ৰতিযোগীক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ৰবীন্দ্ৰ সংগীতৰ চৰ্চা, প্ৰচাৰ প্ৰসাৰ কৰাৰ মহৎ উদ্দেশ্য আগত ৰাখি বিগত কেইবাবছৰ ধৰি টংলাত ৰবীন্দ্ৰ সংগীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছোঁ। এইবেলি ওদালগুৰি জিলাৰ লগতে তামুলপুৰ, বাক্সা, শোণিতপুৰ জিলাৰো প্ৰতিযোগী আহিছে। আয়োজক সমিতি আৰু বিচাৰক মণ্ডলীয়ে জনোৱা অনুসৰি ৩০ আৰু ৩১ মে'ত অনুষ্ঠিত ফলাফল অৱগত কৰা অনুসৰি ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ গ্ৰুপ 'এ'ত প্ৰতীক্ষা দাসে প্ৰথম, পীয়ুষ চক্ৰৱৰ্তীয়ে দ্বিতীয় আৰু মিঠি মণ্ডলে তৃতীয় স্থান অৰ্জন কৰা বিপৰীতে গ্ৰুপ 'বি'ত আকাংক্ষা সাহাই প্ৰথম , নিশিকা সাহাই দ্বিতীয় আৰু বিদ্যাশ্ৰী নাথে তৃতীয় স্থান অৰ্জন কৰিবলৈ সক্ষম হয়। সেইদৰে গ্ৰুপ 'চি'ত চুইটি অধিকাৰীয়ে প্ৰথম, বহ্নি দ্বিজা ৰয় দ্বিতীয় আৰু ৰাহুল নাথে তৃতীয় স্থান অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে ৰবীন্দ্ৰ সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতাত গ্ৰুপ 'এ'ত প্ৰথম জিস্মিতা দেৱনাথ, দ্বিতীয় স্নুবিকা চক্ৰৱৰ্তী, তৃতীয় স্থান আহনা শৰ্মাই অৰ্জন কৰা বিপৰীতে গ্ৰুপ 'বি'ত প্ৰথম গীতিকা সাহা,দ্বিতীয় মনাশ্ৰী সাহা আৰু তৃতীয় স্থান আকাংক্ষা সাহাই লাভ কৰে। সেইদৰে গ্ৰুপ 'চি'ত তানিচা সাহাই প্ৰথম ,পূজা সেনে দ্বিতীয় স্থান আৰু মেঘনা দেই তৃতীয় স্থান অৰ্জন কৰে। উল্লেখ্য যে অহা ১২ জুন তাৰিখে গুৱাহাটীৰ শঙ্কৰদেৱ কলা ক্ষেত্ৰত অসম ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ডৰ ৰাজ্যিক প্ৰতিযোগিতালৈ বাছনি হোৱা উক্ত ১৮ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব।

# বঙাইগাঁৱৰ বীৰঝৰা কন্যা মহাবিদ্যালয়ত জিলা পৰ্যায়ৰ সজাগতা- পৰামৰ্শমূলক কৰ্মশালা

**বঙাইগাঁও, ৪ জুন ঃ** অসম দক্ষতা বিশ্ববিদ্যালয়ে মঙলবাৰে বঙাইগাঁও জিলাত এক জিলা পৰ্যায়ৰ সজাগতা আৰু পৰামৰ্শমূলক কৰ্মশালাৰ আয়োজন কৰে। এই কৰ্মশালা বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষ আৰু স্কিল এডুকেশ্যন এণ্ড এণ্ট্ৰিপ্ৰিনিয়ৰশ্বিপ ডেভেলপমেণ্ট ফাউণ্ডেশ্যন (ছিড ফাউণ্ডেশ্যন) ৰ সহযোগত অনুষ্ঠিত হয়। বীৰঝৰা কন্যা মহাবিদ্যালয়ত অনুষ্ঠিত এই অনুষ্ঠানত বঙাইগাঁও জিলাৰ উপ আৰক্ষী অধীক্ষক নিৰ্মালী বৰ্মন, বীৰঝৰা কন্যা মহাবিদ্যালয় অধ্যক্ষ ড° বসন্ত কুমাৰ দাস, উপাধ্যক্ষ ড° গগন শৰ্মা, উপাধ্যক্ষ, বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড°কল্পনা কলিতা, বীৰঝৰা মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° ৰেশ্মি ভট্টাচাৰ্য, ছিড ফাউণ্ডেশ্যনৰ অধ্যক্ষ আমিনুল হুছেইন,অসম দক্ষতা বিশ্ববিদ্যালয়ৰ কমিউনিটি আউটৰিচ আৰু জনসংযোগ বিভাগৰ সহকাৰী সঞ্চালিকা জুলিনা কাশ্যপ আৰু অসম দক্ষতা বিশ্ববিদ্যালয় প্ৰকল্পৰ লিংগ আৰু খিলঞ্জীয়া জনগোষ্ঠী বিশেষজ্ঞ চৈয়দা মেহজেবিন ৰহমানে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। এই কৰ্মশালাত বীৰঝৰা কন্যা মহাবিদ্যালয়, হিন্দী উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰে'লৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়, বিবেকানন্দ বিদ্যাপীঠ, পিএম শ্ৰী বীৰঝৰা ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বীৰঝৰা ল'ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰায় ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণি ৰাষ্ট্ৰীয় সংগীতেৰে হয়। বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপিকা কৃষ্ণা চৌধুৰী আৰু ৰাইঝৰা উচ্চ বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী নৱনীতা চৌধুৰীয়ে ঘোষিকা হিচাপে থকা অনুষ্ঠাটোৰ উদ্দেশ্যেসমূহ ছিড ফাউণ্ডেশ্যনৰ অধ্যক্ষ আমিনুল হুছেইনে ব্যাখ্যা কৰে। আনহাতে বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বসন্ত কুমাৰ দাসে বৰ্তমান সময়ত দক্ষতা বিকাশৰ গুৰুত্ব আৰু প্ৰাসংগিকতাৰ ওপৰত বক্তব্য ৰাখে। তেওঁ ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ গঠন আৰু ভৱিষ্যৎ সম্ভাৱনাৰ ক্ষেত্ৰত সহায়ক হ'ব পৰা বিভিন্ন বৃত্তিমূলক বিষয়ৰ বিষয়ে আলোকপাত কৰে। সেইদৰে ড° ৰেশ্মি ভট্টাচাৰ্যই দক্ষতাভিত্তিক শিক্ষাৰ উদ্দেশ্য, এই ক্ষেত্ৰত উদীয়মান সুযোগসমূহ, ৰাষ্ট্ৰীয় শিক্ষা নীতি- ২০২০-ত উল্লেখিত দক্ষতা বিকাশ সম্পৰ্কীয় ব্যৱস্থা, লেটাৰেল এণ্ট্ৰী আৰু এক্সিটৰ সুবিধাৰ লগতে দক্ষতাভিত্তিক শিক্ষাৰ জৰিয়তে উপলব্ধ কেৰিয়াৰ সম্ভাৱনাসমূহৰ ওপৰত এক উপস্থাপনা আগবঢ়ায়। ইপিনে অনুষ্ঠানৰ মুখ্য অতিথি তথা বঙাইগাঁও জিলাৰ উপ-আৰক্ষী অধীক্ষক নিৰ্মালী বৰ্মনে নিজৰ জীৱন-সংগ্ৰাম আৰু সফলতাৰ অভিজ্ঞতা বৰ্ণনা কৰি পেছাদাৰী সফলতা লাভৰ ক্ষেত্ৰত দক্ষতাভিত্তিক শিক্ষাৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে। লগতে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা গ্ৰহণ আৰু বিভিন্ন প্ৰত্যাহ্বান অতিক্ৰম কৰাৰ ক্ষেত্ৰত প্ৰশাসনৰ পূৰ্ণ সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। চৈয়দা মেহজেবিন ৰহমানে অসম স্কিল বিশ্ববিদ্যালয়ৰ দৃষ্টিভংগী আৰু লক্ষ্য-উদ্দেশ্যৰ ওপৰত এক বিস্তৃত উপস্থাপনা আগবঢ়ায়। তেওঁ ২০২৬-২৭ শিক্ষাবৰ্ষৰ বাবে আৰম্ভ কৰা বিভিন্ন শিক্ষাক্ৰম, বিশ্ববিদ্যালয়খনৰ পৰীক্ষাগাৰ, কাৰ্যশালা আৰু ছাত্ৰাৱাসৰ সুবিধাসমূহৰ বিষয়ে বিশদভাৱে বৰ্ণনা কৰে। এই উপস্থাপনাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক দক্ষতাভিত্তিক উচ্চ শিক্ষাৰ সুযোগসমূহ অন্বেষণ কৰি অসম দক্ষতা বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিবলৈ উৎসাহিত কৰে। অসম দক্ষতা বিশ্ববিদ্যালয়ৰ কমিউনিটি আউটৰিচ আৰু জনসংযোগ বিভাগৰ সহকাৰী সঞ্চালিকা জুলিনা কাশ্যপে এক প্ৰশ্নোত্তৰ সত্ৰ পৰিচালনা কৰে, য'ত বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগ, কেৰিয়াৰ সম্ভাৱনা আৰু সামগ্ৰিক বিশ্ববিদ্যালয় জীৱন সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ জিজ্ঞাসাৰ উত্তৰ দিয়ে । ইয়াৰ পিছতে বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ গণিত বিভাগৰ সহকাৰী অধ্যাপিকা ড° বিনন্দিতা বৰ্মনে আগবঢ়োৱা ধন্যবাদ জ্ঞাপন ভাষণেৰে অনুষ্ঠানৰ সামৰণি পৰে। তেওঁ সকলো অংশগ্ৰহণকাৰী আৰু সহযোগী প্ৰতিষ্ঠানক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতেও এনে সহযোগিতা আৰু অংশীদাৰিত্ব অব্যাহত থকাৰ আশা প্ৰকাশ কৰে।

*No. UDB/Tender /01/2022-23/* *Date: 04/06/2026*

**SHORT NOTICE INVITING TENDER**

Sealed tender affixing a non- refundable Court fee stamp of Rs. 8.25 (Rupees eight & twenty five paisa) only with a validity period of 180 Days which will subsequence to be converted and drawn up in the printed of F- 2 form are invited form the registered contractors of Class –II and Class –I (A,B, & C) category of Assam PWD (Road & Building) and BTC according to their eligibility for submitting tenders for the works under SOPD & various schemes under BTR for the year 2021-22 during 2025-26 & other financial years as stated below. The tenders will be received by the undersigned up to 12.00 Noon on 27/06/2026 and will be opened on the same date & place at 2.00 P.M.

| Name of work | Tender Amount (In Lakhs) | Cost of Tender Paper | Time of Completion of Work |
|---|---|---|---|
| Construction of CC Block from Gelagaon pucca road to Khomabari village under 15ASFC for year 2024-25 during 2025-26 | 18,00,000.00 | Rs.500.00 | 3(three) months from the issue of Formal Work Order |

Detailed N.I.T. may be seen in all working days during office hours in the office of the undersigned. Tender papers will be issued to the contractors or their authorized agents from 05/06/2026 to 27/06/2026 in the office of the undersigned on payment.

Sd/- Block Development Officer
Udalguri Development Block

**IPR(BTC)/C/2026-27/436**



নগাওঁ জিলাৰ ৰহা বিধানসভা সমষ্টিৰ অন্তৰ্গত ভাৰতীয় জনতা পাৰ্টি, দল-সংগঠন আৰু প্ৰতিনিধিসকলে আজি বিধায়ক শশী কান্ত দাসক সম্ভাষণ আৰু আদৰণি জনোৱাৰ মূহুৰ্তত। আলোকচিত্ৰ ঃ ডেভিড দাস

# মুকালমুৱাৰ বৰলিয়াৰ পাৰত ই-ৰিক্সা দুৰ্ঘটনা
# কেইবাজনো স্কুল-কলেজীয়া ছাত্ৰী আঘাতপ্ৰাপ্ত

**বাতৰি কাকত, মুকালমুৱা, ৪ জুন ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ বৰলিয়াৰপাৰত জৰাজীৰ্ণ পথৰ ফলতে সঘনাই দুৰ্ঘটনা সংঘটিত হোৱাৰ অভিযোগ স্থানীয় ৰাইজৰ। নলবাৰী জিলাৰ নৱগঠিত ৪০ নং টিহু বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত হোৱা গুৱাহাটীৰ পৰা মুকালমুৱা হৈ বৰপেটা সংযোগী পথটো ৪২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত অন্তৰ্ভুক্ত কৰা হৈছে যদিও পথটিৰ বৰলীয়াৰপাৰ মূল চক্সকটো আজিকোপতি মেৰামতি কৰিবলৈ সক্ষম নহ'ল। ফলত উক্ত পথটো আজিও জৰাজীৰ্ণ হৈয়েই ৰ'ল। এই অতি ব্যস্ততাপূৰ্ণ পথটোত আজি স্কুল-কলেজীয়া ছাত্ৰী কঢ়িয়াই নিয়া এখন ই-ৰিক্সা বাগৰি পৰাৰ ফলত মুকালমুৱাস্থিত ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বৰক্ষেত্ৰী মহাবিদ্যালয়ত অধ্যয়নৰত কেইবাজনীও ছাত্ৰী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। দুৰ্ঘটনাৰ পিছতে স্থানীয় লোকে তৎপৰতাৰে আঘাতপ্ৰাপ্ত ছাত্ৰীসকলক মুকালমুৱা মহকুমা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে বৰলিয়াৰপাৰৰ এই পথছোৱা দীৰ্ঘদিন ধৰি অত্যন্ত শোচনীয় অৱস্থাত থকাৰ ফলতে অঞ্চলটোত প্ৰায়েই সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। বিভিন্ন সময়ত সংবাদ মাধ্যমত উক্ত পথটিৰ দুৰৱস্থাৰ বিষয়টো অৱগত কৰাৰ পিছতো বিভাগীয় কৰ্তৃপক্ষই কোনো ধৰণৰ ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ



উত্থাপিত হৈছে। প্ৰতিদিনে হাজাৰ-হাজাৰ স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ যাত্ৰীয়ে মৰণক শৰণ দি জৰাজীৰ্ণ এই পথেৰে যাতায়ত কৰিবলগীয়া হয়। ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা স্থানীয় ৰাইজে জিলা আয়ুক্ত আৰু সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষক অতি শীঘ্ৰে ৰাষ্ট্ৰীয় ঘাইপথটো মেৰামতি কৰাৰ বাবে দাবী জনাইছে।

# গুৱাহাটীৰৰ গণেশগুৰিত বিনামূলীয়াকৈ ৬ হাজাৰ গছপুলি বিতৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৪ মে' ঃ** ছাত্ৰ সুহান মল্লিকৰ প্ৰচেষ্টাত বিশ্ব পৰিৱেশ দিৱসৰ স'তে সংগতি ৰাখি বৃহস্পতিবাৰে প্ৰায় ৬ হাজাৰ গছপুলি গুৱাহাটী জনসাধাৰণক বিনামূলীয়াকৈ বিতৰণ কৰা হয়। গুৱাহাটী: অসমৰ বন আৰু পৰিৱেশ বিভাগৰ গঁড় বন্ধু আৰু গ্ৰীণ হিৰো স্বীকৃতিপ্ৰাপ্ত হাতীগাঁৱৰ লিটিল ফ্লাৱাৰ স্কুলৰ উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ সুহান মল্লিকৰ প্ৰচেষ্টাত বিশ্ব পৰিৱেশ দিৱসৰ স'তে সংগতি ৰাখি বৃহস্পতিবাৰে প্ৰায় ৬ হাজাৰ গছপুলি গুৱাহাটী জনসাধাৰণক বিনামূলীয়াকৈ বিতৰণ কৰা হয়। মহানগৰীৰ গণেশগুৰিৰ গণেশ উদ্যান (হনুমান মন্দিৰৰ সমীপত)ৰ সমুখত গছপুলি বিতৰণ কাৰ্যসূচী মুকলি কৰে স্থানীয় বিধায়ক প্ৰদ্যুৎ বৰদলৈয়ে। বিশিষ্ট আতিথি হিচাপে উপস্থিত থাকে বন বিষয়া অলকেশ কাশ্যপ, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক তথা সাংবাদিক দীপক শৰ্মা, অসম লুতাদৰ সম্পাদক অৰিন্দম প্ৰিন্স পাংগিং, এন ই হাইজিন চল্যুচনৰ সঞ্চালক নৱ কামান, পৰেশ বৰা, মুক্তাৰ হুছেইন, মাচুম বেগম, মফিজুল মল্লিক, সমাজকৰ্মী নবীণ চন্দ্ৰ শৰ্মা প্ৰভৃতিয়ে।

### প্ৰতি ইউনিটত বাঢ়িল ৭ পইচাকৈ
# গ্ৰাহকক মাধমাৰ সোধাই এ পি ডি চি এলে বৃদ্ধি কৰিলে বিদ্যুৎ মাচুল

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৪ জুন ঃ** পেট্ৰ'ল-ডিজেল, ৰন্ধন গেছৰ পাছত এইবাৰ বৃদ্ধি পালে বিদ্যুৎ মাচুল। ৰাজ্যত সংগোপনে এ পি ডি চি এলয়ে বৃদ্ধি কৰিলে বিদ্যুতৰ মাচুল। প্ৰতি ইউনিটত ২১ পইছাৰ পৰা সৰ্বাধিক ২৮ পইছালৈ বৃদ্ধি কৰিলে মাচুল। জুন মাহৰ বাবে প্ৰতি ইউনিটত বৃদ্ধি ২১ পইছা। জুলাই মাহৰ ১৮ পইছা, আগষ্ট মাহৰ ১৬ পইছা, ছেপ্টেম্বৰ-অক্টোবৰৰ ১৭ পইছা, নৱেম্বৰ মাহৰ ১৯ পইছা আৰু ডিচেম্বৰ মাহৰ বাবে ২৪ পইছা বৃদ্ধি কৰা হৈছে। ২০২৭ৰ জানুৱাৰী মাহৰ বাবে ২৬ পইছা, ফেব্ৰুৱাৰীৰ বাবে ৮প্ত পইছা আৰু মাৰ্চ মাহৰ বাবে প্ৰতি ইউনিটত ২৮ পইছাকৈ বৃদ্ধি কৰা হৈছে বিদ্যুতৰ মাচুল। মাচুল বৃদ্ধিত ইতিমধ্যে অনুমোদন দিছে অসম ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগে। পিছে মাচুল বৃদ্ধিৰ কথা এই মুহূৰ্তলৈ জনতাক নজনালে এ পি ডি চি এলয়ে। বিগত বৰ্ষৰ ২১৫ কোটি টকাৰ ঘাটি মিলাবলৈ মাচুল বৃদ্ধিৰ সিদ্ধান্ত এ পি ডি চি এলৰ।

# অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ-সন্মিলিত সেৱা, শিৱসাগৰৰ যৌথ উদ্যোগত চিত্ৰাংকণ প্ৰতিযোগিতা

**বাতৰি কাকত, শিৱসাগৰ, ৩ জুন ঃ** অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰ আঞ্চলিক কাৰ্যালয় আৰু শিৱসাগৰ সন্মিলিত ৰঙালী বিহু সন্মিলনৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'সন্মিলিত সেৱা, শিৱসাগৰ'ৰ যৌথ উদ্যোগত ৩১ মে' দেওবাৰে শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত এক চিত্ৰাঙ্কণ প্ৰতিযোগিতা সফলভাৱে অনুষ্ঠিত কৰা হয়। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সোণালী জয়ন্তীৰ লগতে বিশ্ব পৰিৱেশ দিৱস ২০২৬ লগত সংগতি ৰাখি আয়োজিত এই চিত্ৰাঙ্কণ প্ৰতিযোগিতাত জিলাখনৰ ভিন্ন প্ৰান্তৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়। সাম্প্ৰতিক সময়ৰ এক অতি গুৰুত্বপূৰ্ণ বিষয় ৰূপে বিবেচিত তথা অহা ৫ জুনৰ বিশ্ব পৰিৱেশ দিৱসৰ বাবে ৰাষ্ট্ৰ সংঘৰ পৰিৱেশ কাৰ্যসূচী (UNEP)-1 Theme "Inspired by Nature. For Climate. For Our Future.ৰ আধাৰত এই প্ৰতিযোগিতাখন আয়োজিত হয়। প্ৰতিযোগিতাৰ মূল বিষয়বস্তু আছিল 'জলবায়ু পৰিৱৰ্তন'। প্ৰকৃতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভৱিষ্যতৰ সুস্থ পৰিৱেশৰ বাবে বৰ্তমানক কেনেদৰে ব্যৱহাৰ কৰিব লাগে, এই ধাৰণাক ছবিৰ আকাৰে প্ৰতিযোগীসকলে প্ৰকাশ কৰি চিত্ৰ অংকন কৰে। এই প্ৰতিযোগিতাখন অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰ আঞ্চলিক কাৰ্যালয়ৰ মুৰব্বী বিষয়া জয়ন্ত দত্তই উদ্বোধন কৰে। তেওঁ উদ্বোধনী বক্তব্যত উল্লেখ কৰে যে ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃতিৰ সৈতে সংপৃক্ত কৰি বৰ্তমানত পৰিৱেশৰ অনুকূল কাম-কাজত তেওঁলোকক জড়িত কৰিব পাৰিলেই ভৱিষ্যতৰ সুস্থ পৰিৱেশ নিৰ্মাণৰ বীজ ৰোপণ হ'ব আৰু সেই উদ্দেশ্যৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা অনাই এই প্ৰতিযোগিতাৰ মূল উদ্দেশ্য। উদ্বোধনী অনুষ্ঠানত সন্মিলিত সেৱাৰ সভাপতি তথা শিৱসাগৰ বিশ্ববিদ্যালয়ৰ বিজ্ঞান বিভাগৰ ডীন ড° উৎপল দত্তই ব্যখ্যা কৰি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। তেওঁ পৰিৱেশ প্ৰদূষণ আমাৰ বাবে যে অতি বিপদজনক আৰু ইয়াক যিমান পাৰি নিৰ্মূল কৰিব লাগে সেই কথা ছাত্ৰ-ছাত্ৰীসকলক বুজোৱাৰ প্ৰয়াস কৰে। আনহাতে, সন্মিলিত সেৱা, শিৱসাগৰৰ সাধাৰণ সম্পাদক শৰৎ হাজৰিকাই কয় যে এই স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে সময়ে সময়ে গ্ৰহণ কৰা জন-কল্যাণমূলক কাম-কাজৰ ভিতৰত আজিৰ এই অনুষ্ঠানো অন্যতম। ইতিমধ্যে সন্মিলিত সেৱা, শিৱসাগৰে এটি বয়ন উদ্যোগ স্থাপন কৰি থলুৱা শিপিনীৰ যোগেদি গামোচা আদিৰ উৎপাদন, কপৌফুলৰ দৰে অৰ্কিড জাতীয় উদ্ভিদৰ বিজ্ঞানসন্মতভাৱে সংৰক্ষণৰ কৰ্মশালা আৰু ৰোপণ, বানপীড়িত ৰাইজক সাহাৰ্য প্ৰদান, সংহত কৃষি কৰ্ম আদি কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। প্ৰতিযোগিতাখনত বিচাৰক ৰূপে উপস্থিত থাকে শিৱসাগৰৰে বিশিষ্ট চিত্ৰ শিল্পী মুকুল গগৈ, আফতাবুদ্দিন আহমেদ আৰু প্ৰশান্ত গগৈ। তিনিটা শাখাত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাৰ 'ক' শাখাত লিয়ান জ্যোতি গগৈ প্ৰথম, এনায়া হুছেইন দ্বিতীয় আৰু প্ৰিয়াংশু মণ্ডল তৃতীয় স্থান লাভ কৰে। একেদৰে 'খ' শাখাত অনিৰ্বাণ গগৈ প্ৰথম, ৰূপাংকৃতা বৰুৱা দ্বিতীয় আৰু অত্ৰেয়ী শৰ্মা তৃতীয় হয়। আনহাতে 'গ' শাখাত লুই বৰুৱা প্ৰথম, তামান্না আহমেদ দ্বিতীয় আৰু চাৰফাৰাজ আমিন ৰহমানে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। বঁটা বিতৰণী অনুষ্ঠানত ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়া, প্ৰদীপ কান্তি দাস, মনোজ কুমাৰ ভাগৱতী, বিভূতি চেতিয়া, জাকিৰ হুছেইন, জ্যোতি প্ৰসাদ কলিতা, সুৰজিত বৰুৱাৰ লগতে শিৱসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক হিমাংশু নেওগ উপস্থিত আছিল ।প্ৰতিযোগিতাখনৰ স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰৰ লগতে সৰ্বমুঠ পোন্ধৰ হাজাৰ টকাৰ নগদ ধনেৰে পুৰস্কৃত কৰা হয়।

### নগাঁও জিলা আয়ুক্তৰ প্ৰসংশনীয় প্ৰদক্ষেপ
# দৃষ্টিহীন দম্পতীৰ সহায় হোৱাকৈ তৎকালীনভাৱে প্ৰদান আধাৰ কাৰ্ড

**বাতৰি কাকত, নগাঁও, ৪ জুন ঃ** নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ প্ৰসংশনীয় প্ৰদক্ষেপ। বিগত সময়চোৱাত জিলাখনৰ দুগৰাকী নিবাসীয়ে নিজৰ শাৰীৰিক বাধাগ্ৰস্ততাৰ বাবে বিভিন্ন চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হ'বলগা হোৱা বিষয়টো জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ দৃষ্টিগোচৰ হোৱাৰ পাছতে তেওঁ গ্ৰহণ কৰে যাৱতীয় ব্যৱস্থা। উল্লেখ্য যে, জিলাখনৰ কঠিয়াতলিৰ নিবাসী বিভান চন্দ্ৰ দাস আৰু পপি শইকীয়া দুয়ো জন্মৰে পৰা দৃষ্টিহীন। বৰ্তমান সময়ত ভাৰত চৰকাৰৰ এক অন্যতম প্ৰয়োজনীয় পৰিচয় পত্ৰ হিচাপে 'আধাৰ' কাৰ্ডৰ প্ৰয়োজনীয়তাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখি জিলা আয়ুক্ত গৰাকীৰ উল্লেখনীয় নিৰ্দেশনা তথা আয়ুক্ত কাৰ্যালয়ৰ দণ্ডাধীশ শাখাৰ বিশেষ তৎপৰতাত এই দম্পতী হালৰ 'আধাৰ' কাৰ্ড প্ৰস্তুতকৰণৰ কাম অতি সোনকালেই সম্পূৰ্ণ কৰা হয়। বৃহস্পতিবাৰে জিলা আয়ুক্ত দেৱাশীষ শৰ্মায়ে আয়ুক্তৰ কাৰ্যালয়ৰ নিজা কক্ষত তেওঁলোকক এই আধাৰ কাৰ্ড আনুষ্ঠানিকভাৱে প্ৰদান কৰে। আধাৰ কাৰ্ডখন প্ৰদান কৰি জিলা আয়ুক্ত মহোদয়ে দম্পতীহালক আগন্তুক দিনবোৰৰ বাবে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁলোক যাতে চৰকাৰৰ সকলো কল্যাণকামী আঁচনিৰ সৈতে জড়িত হৈ উপকৃত হ'ব পাৰে, তাৰ বাবে আয়ুক্ত গৰাকীয়ে সংশ্লিষ্ট বিষয়াক নিৰ্দেশনা প্ৰদান কৰে। আজিৰ এই কাৰ্ড প্ৰদান কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত দীপংকৰ বৰ্মন, দণ্ডাধীশ শাখাৰ জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক ইন্দ্ৰজিৎ বেজবৰুৱাও উপস্থিত থাকে।

# বজালীৰ বিৰবিৰাত মাৰ বাবে এজোপা গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ৰণজিৎ কুমাৰ দাসে



**প্ৰাঞ্জল দাস, পাঠশালা, ৪ জুন ঃ** বিশ্ব পৰিবেশ দিৱস উপলক্ষে পাঠশালাৰ বিৰবিৰাত বিশেষ কাৰ্যসূচী শুভৰাম্ভ কৰিলে অসম বিধান সভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে। ৫ জুন বিশ্ব পৰিবেশ দিৱসৰ সৈতে সংগতি ৰাখি পৰিবেশ সংৰক্ষণ, সেউজীয়া পৰিৱেশ গঢ় দিয়া আৰু সমাজত বৃক্ষৰোপণৰ প্ৰতি সজাগতা বৃদ্ধিৰ লক্ষ্যৰে বঙাইগাঁও সামাজিক বনাণীকৰণ বন সংমণ্ডলৰ উদ্যোগত তথা বৰপেটাৰোড বনাঞ্চলিক কাৰ্যালয়ৰ সহযোগত 'মাৰ বাবে এজোপা গছপুলি' শীৰ্ষক এক বিশেষ বৃক্ষৰোপণ কাৰ্যসূচীৰ আজি ৰাতিপুৱাই শুভাৰম্ভ কৰা হয়। পাঠশালাৰ বিৰবিৰা অঞ্চলত আয়োজিত এই কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে অসম বিধান সভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে। অনুষ্ঠানত উপস্থিত থাকি তেওঁ বৃক্ষৰোপণ কৰি পৰিবেশ সংৰক্ষণৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়ায়। তেওঁ কয় যে বিশ্ব উষ্ণায়ন, বনাঞ্চল ধ্বংস আৰু পৰিবেশ প্ৰদূষণৰ দৰে সমস্যাই সমগ্ৰ বিশ্বক উদ্বিগ্ন কৰি তোলাৰ সময়ত অধিক সংখ্যক গছপুলি ৰোপণ আৰু সংৰক্ষণ কৰাটো সময়ৰ দাবী হৈ পৰিছে। বিশেষকৈ নিজৰ মাক সন্মান জনোৱাৰ উদ্দেশ্যে এক অনন্য প্ৰয়াস হিচাপে "মাৰ বাবে এজোপা গছপুলি ৰোপণ কাৰ্যসূচীয়ে সমাজত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে ।তেওঁ লগতে কয় যে এটা গছ কেৱল পৰিবেশৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰতেই নহয়, মানৱ জীৱনৰ অস্তিত্ব ৰক্ষাৰ বাবেও অপৰিহাৰ্য। সেয়ে প্ৰতিজন নাগৰিকে নিজৰ জন্মদিন, বিশেষ দিন অথবা প্ৰিয়জনৰ স্মৃতিত অন্ততঃ এজোপাকৈ গছপুলি ৰোপণ কৰি ইয়াৰ যত্ন লোৱাৰ দায়িত্ব গ্ৰহণ কৰা উচিত। অনুষ্ঠানটোত বিশিষ্ট পৰিৱেশকৰ্মী আনন্দ খাটনিয়াৰে উপস্থিত থাকি কয় -বৃক্ষৰোপণৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ আন্দোলনক জন আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, গছপুলি ৰোপণ কৰাটোৱেই যথেষ্ট নহয়, ইয়াক সঠিকভাৱে লালন-পালন কৰি ডাঙৰ কৰাটোও সমানেই জৰুৰী ।অনুষ্ঠানত বঙাইগাঁও,বৰপেটাৰ ডডণ্ঠগু দুগৰাকী, পৰিৱেশকৰ্মী আনন্দ খাটনিয়াৰ, জিলা বিজেপিৰ সভাপতি মুকুট কলিতা, বন বিভাগৰ বিষয়ববীয়া, স্থানীয় ব্যক্তি, সমাজকৰ্মী, বহু সংখ্যক সচেতন নাগৰিকে অংশগ্ৰহণ কৰে। উপস্থিত সকলে পৰিবেশ সুৰক্ষা আৰু সেউজীয়া অসম গঢ়াৰ সংকল্প গ্ৰহণ কৰাৰ লগতে আগন্তুক দিনসমূহতো বৃহৎ পৰিসৰত বৃক্ষৰোপণ অভিযান চলাই নিয়াৰ আহ্বান জনায় ।বিশ্ব পৰিবেশ দিৱস উপলক্ষে গ্ৰহণ কৰা 'মাৰ বাবে এজোপা গছপুলি' কাৰ্যসূচীয়ে পৰিবেশ সংৰক্ষণৰ লগতে মাতৃৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ এক অনন্য নিদৰ্শন স্থাপন কৰিছে।

**Affidavit**

I, SAHIL ANSARI, son of Ahmad Ansari, by religion Islam, resident of Noonmati, P.O. & P.S. Noonmati, Guwahati-20, in the District of Kamrup (M), Assam. I am a citizen of India by birth and a resident of the aforesaid locality. My actual and correct name is Md. Sahil Ansari which is recorded in the all educational documents, and any other documents, but in the Aadhar Card No. 2409 6918 6433 my name has been wrongly recorded as Sahil Ansari instead of Md. Sahil Ansari. My actual and correct name is Md. Sahil Ansari and it will be corrected in the aforesaid Aadhar Card.This Affidavit will be used as a piece of evidence before the authority concerned to prove that my actual and correct name is Md. Sahil Ansari and it will be corrected in the Aadhar Card, and it will be produced before the authority concerned as and when required.

# নগাঁৱৰ গোমোঠা গাঁৱত জ্বলি উঠিল ডাম্পাৰ

**বাতৰি কাকত, নগাঁও, ৪ জুন ঃ** নগাঁৱৰ ইটাচালী আৰক্ষী চকীৰ অন্তৰ্গত গোমোঠা গাঁৱত অলপতে ৭১৫ নং চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত এক ঘটনা সংঘটিত হয়। পুৰণিগুদাম দিশৰ পৰা নগাঁও চহৰৰ দিশে আহি থকা ডাম্পাৰখন হঠাৎ জ্বলি উঠে। কি কাৰণত ডাম্পাৰখন জ্বলি উঠিল সেয়া নিশ্চিত হোৱা নাই। যদিও যান্ত্ৰিক বিজুতিৰ বাবেই। ডাম্পাৰখন জ্বলি উঠাৰ সন্দেহ কৰা হৈছে। অৱশ্যে ডাম্পাৰৰ চালকজন কথমপি ৰক্ষা পৰে। পিছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিৰীক্ষণ কৰি তদন্ত আৰম্ভ কৰিছে।

# বৰক্ষেত্ৰী সমষ্টিৰ কেইবাটাও স্থান পৰিদৰ্শন আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ



**বাতৰি কাকত, মুকালমুৱা, ৪ জুন ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ দৌলাশাল থকা ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয় দৌলাশাল হাইস্কুল পৰিদৰ্শন কৰে আয়ুক্ত গৰাকীয়ে নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে আজি দিনৰ ভাগত দৌলাশাল স্থিত দৌলাশাল ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ত উপস্থিত হৈ ৰোগীয়ে পাব লগা সা সুবিধা তথা ডাক্তৰৰ উপস্থিতিৰ বুজ লয় ।নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী চিকিৎসালয় খনত মজুত থকা ঔষধ আদিৰো বুজ লয় তাৰ পিছত আয়ুক্ত গৰাকী দৌলাশাল হাইস্কুলত উপস্থিত হয় আৰু ছাত্ৰ-ছাত্ৰীৰ মধ্যান্য ভোজনৰ লগতে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশৰ বুজ লয়। উল্লেখযোগ্য যে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতো শৈক্ষিক ক্ষেত্ৰৰ বিভিন্ন কথা আলোচনা কৰে। তাৰ পিছত আয়ুক্ত গৰাকীয়ে আৰু দৌলাশাল অঞ্চলৰ বিভিন্ন স্থান পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত আয়ুক্ত গৰাকীৰ লগত সংগ দিয়ে অতিৰিক্ত উপায়ুক্ত মৌচুমী চেতিয়া আৰু, ACS সুপৰ্ণা দে, গুঞ্জন শইকীয়া লগতে বিষয়া সকল উপস্থিত থাকে।

**নাম শুধৰণি**

মোৰ শুদ্ধ নাম মঃ ছাৰাফত আলী আৰু পিতা আছান আলী হ'ব লাগে। উত্তৰ বৰক্ষেত্ৰী মৌজাৰ ঘৰুৱাবাহ গাঁৱৰ খেৰাজ ম্যাদী ১৪৩ নং পট্টাৰ ৩৩ নং দাগত দুয়োজনৰ নাম শুদ্ধ হৈ আছিল। নতুনকৈ বাটৱাৰা কৰা জবানবন্দীত কিন্তু দাগ নং ৬২১ আৰু পট্টাৰ ৩৯৫ নং মঃ মছাফৰ আলী আৰু পিতা মছান নাম দুটাজনৰ ভুল হৈ আহিছে। আচলতে পিতা পুত্ৰৰ দুয়োজনৰ শুদ্ধ নাম মঃ ছাৰাফত আলী আৰু পিতা আছান আলী হ'ব লাগে।

**মঃ ছাৰাফত আলী**
গাঁও- ঘৰুৱাবাহা
থানা- মুকালমুৱা
ডাকঘৰ- মুগদি
জিলা- নলবাৰী (অসম)
ফোন নং- ৯১০১৬৪৭৭৫১

# সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ ওদালগুৰি জিলা সমিতিৰ সাধাৰণ সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৪ জুন ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ ওদালগুৰি জিলা সমিতিৰ উদ্যোগত আজি ডিমাকুছি আঞ্চলিক সমিতি আছাৰ কাৰ্যালয়ত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে ওদালগুৰি জিলা সমিতিৰ সভাপতি শিবদত তাঁতীয়ে ।উক্ত সভাত জিলা সমিতিৰ উপ-সভাপতি হিৰালাল প্ৰজা, সহকাৰী সম্পাদক নাৰ খালখো, সদৌ আদিবাসী মহিলা সমিতিৰ বিষয়ববীয়া সকল, লগতে বিভিন্ন আঞ্চলিক সমিতিৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। সভাত সংগঠনৰ সাংগঠনিক দিশ, আদিবাসী সমাজৰ ভাষা-সংস্কৃতি সংৰক্ষণ আৰু যুৱ প্ৰজন্মৰ মাজত সাংস্কৃতিক চেতনা জাগ্ৰত কৰাৰ উদ্দেশ্যে বিস্তৃত আলোচনা অনুষ্ঠিত হয়। সকলোৰে আলোচনা আৰু মতামতৰ ভিত্তিত সৰ্বসন্মতিক্ৰমে কয়েকখন গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয় ।গৃহীত প্ৰস্তাৱ অনুসৰি অহা জুলাই মাহৰ গৰম বন্ধৰ সময়ছোৱাত আদিবাসী সংস্কৃতিৰ বিকাশ আৰু সংৰক্ষণৰ স্বাৰ্থত কৰম নৃত্য, ঢোল বজোৱা আৰু আদিবাসী গীতৰ ওপৰত এখন বিশেষ কৰ্মশালা অনুষ্ঠিত কৰা হ'ব। ইয়াৰ উপৰিও আদিবাসী জনগোষ্ঠীৰ জাতীয় উৎসৱ 'কৰম পূজা' অহা ২২ ছেপ্টেম্বৰ তাৰিখে ডিমাকুছি আঞ্চলিক সমিতি আছাৰ কাৰ্যালয় প্ৰাঙ্গনত উলহ-মালহেৰে উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় ।ওদালগুৰি জিলা সমিতিয়ে সকলো আঞ্চলিক সমিতি, যুৱ-ছাত্ৰ সমাজ আৰু আদিবাসী জনগোষ্ঠীৰ লোকসকলক উক্ত কাৰ্যসূচীসমূহ সফল কৰাৰ বাবে সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

# ছাইটছেভাৰ্ছ ইণ্ডিয়াই চকুৰোগ বিশেষজ্ঞসকলৰ বৰ্ষৰ ফেল'শ্বিপ মুকলি

**গুৱাহাটী, ৪ জুন ঃ** ছাইটছেভাৰ্ছ ইণ্ডিয়াই ঘোষণা কৰিছে যে ইয়াৰ ইণ্ডিয়া ফেল'শ্বিপ কাৰ্যসূচীৰ ২০২৬ বৰ্ষৰ গোটটোৰ বাবে এতিয়া আবেদন পত্ৰসমূহ মুকলি কৰা হৈছে। ই হৈছে কৰ্মজীৱনৰ প্ৰাৰম্ভিক পৰ্যায়তে চকুৰোগ বিশেষজ্ঞসকলক অধিক অভাৱগ্ৰস্ত অঞ্চলসমূহত গুণগত মানদণ্ডৰ চকুৰ চিকিৎসা প্ৰদান কৰিব পৰাকৈ তেওঁলোকক সাজু কৰি তোলাৰ লগতে উন্নত নিদানিক, অস্ত্ৰোপচাৰমূলক আৰু নেতৃত্বসুলভ দক্ষতাৰে সুসজ্জিত কৰি তোলাৰ বাবে ডিজাইন কৰা এক বৈশিষ্ট্যপূৰ্ণ ১৮ মহীয়া জলপানি কাৰ্যসূচী। ভাৰতে চকুৰ স্বাস্থ্য সেৱাসমূহৰ সা-সুবিধা সম্প্ৰসাৰণৰ ক্ষেত্ৰত অগ্ৰগতি অব্যাহত ৰাখিছে যদিও গুণগত মানসম্পন্ন চকুৰ চিকিৎসা জনসাধাৰণৰ ওচৰ চপাই নিয়াটো সুনিশ্চিত কৰিবলৈ চকুৰোগ বিশেষজ্ঞসকলৰ দক্ষতাসমূহ শক্তিশালী কৰি তোলাটো এতিয়াও অপৰিহাৰ্য হৈ আছে। ছাইটছেভাৰ্ছ ইণ্ডিয়া ফেল'শ্বিপ কাৰ্যসূচীয়ে ১৯৭০ চনৰ পৰাই সংস্থাটোৰ এনে এখন পৃথিৱীৰ সেই দীৰ্ঘদিনীয়া দৃষ্টিভংগীক প্ৰতিফলিত কৰি আহিছে, য'ত পৰিহাৰ কৰিব পৰা কাৰণত কোনো লোকেই যাতে অন্ধ হৈ নাথাকে। এই জলপানিত এক কঠোৰ তথা হাতে কামে কৰি শিক্ষা লাভ কৰাৰ অভিজ্ঞতা আগবঢ়োৱা হয়। এই ১৮ মাহত, গৱেষক শিক্ষাৰ্থীসকল আগশাৰীৰ প্ৰতিষ্ঠানসমূহত চাৰি মহীয়া কঠোৰ অস্ত্ৰোপচাৰমূলক প্ৰশিক্ষণৰ পৰা আৰম্ভ কৰি অতি সাৱধানে প্ৰস্তুত কৰা কাৰ্যসূচীৰ মাজেৰে আগবাঢ়ি যায়। ইয়াৰ পিছত এই আঠখন ৰাজ্যৰ যিকোনো এখন ৰাজ্যত থকা এখন সহযোগী চিকিৎসালয়ত ১৪ মাহৰ বাবে কামত নিযুক্তি দিয়া হয়- ৰাজ্যকেইখন হৈছে মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ড, পশ্চিম বংগ, ওড়িশা, সত্তীশগড় বা ৰাজস্থান। আবেদনপত্ৰসমূহ চকুৰোগ বিভাগত এম এছ, ডি এন বি বা ডি অ' ডিগ্ৰিধাৰী ভাৰতীয় নাগৰিকসকলৰ বাবে মুকলি কৰা হৈছে। ""এই ঘোষণাৰ সন্দৰ্ভত মন্তব্য আগবঢ়াই, ছাইটছেভাৰ্ছ ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া আৰএন মহান্তিয়ে কয়—প্ৰতিজন যুৱ চিকিৎসকৰ কৰ্মজীৱনত এনে এটা সময় আহে যেতিয়া প্ৰশিক্ষণ প্ৰকৃত দায়িত্বৰ মুখামুখি হয় আৰু সেই কৰ্মজীৱনৰ পৰিৱৰ্তনক যেনেকৈ সমৰ্থন কৰা হয় তেনেকৈয়ে সকলোবোৰ সম্পন্ন হয়। ছাইটছেভাৰ্ছ ইণ্ডিয়া ফেল'শ্বিপ সেই সময়খিনিৰ বাবেই প্ৰস্তুত কৰি উলিওৱা হৈছে ।নিৰ্বাচিত গৱেষক শিক্ষাৰ্থীসকলে কাৰ্যসূচী সম্পূৰ্ণ কৰাৰ ইনচেণ্টিভ, মেডিক্লেইম, দুৰ্ঘটনা বীমা আৰু বৃত্তিধাৰীৰ ক্ষতিপূৰণ বীমাকে ধৰি অন্যান্য সুবিধাসমূহৰ লগতে এটা মাহেকীয়া বৃত্তি লাভ কৰিব। এতিয়া আবেদনপত্ৰসমূহ মুকলি কৰি দিয়া হৈছে। আবেদন কৰিবলৈ বা অধিক জানিবলৈ, পৰিদৰ্শন কৰক—https://indiafellowshipprogram.sightsaversindia.org/

# বিশ্ব পৰিৱেশ দিৱস আৰু প্ৰকৃতি সংৰক্ষণ

■ বিপাশা বৰা



ইমান মনোমোহা এখন সুন্দৰ সেউজীয়া পৃথিৱীত জনম লোৱাতো আমাৰ মানৱ জাতিৰ বাবে এক সৌভাগ্যৰ কথা। বৈচিত্ৰ ধৰণী বুলি ক'লে আমি সাধাৰণতে এই পৃথিৱীত বসবাস কৰা বিভিন্ন ধৰণৰ জীৱ-জন্তু, উদ্ভিদ, অণুজীৱ আৰু সিহঁতৰ বাসস্থানক বুজোঁ। এই জৈৱবৈচিত্ৰ্যৰ দ্বাৰাই প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰাৰ লগতে মানুহকে ধৰি সকলো জীৱৰ জীৱনধাৰণত সহায়ক হয়। বৈচিত্ৰ ধৰণী হৈছে পৃথিৱীৰ এক অমূল্য সম্পদ। ইয়াক সংৰক্ষণ কৰাটো আমাৰ সকলোৰে দায়িত্ব, যাতে ভৱিষ্যৎ প্ৰজন্মই এখন সুস্থ আৰু সেউজীয়া পৃথিৱীৰ বাসিন্দা হ'ব পাৰে।

প্ৰতি বছৰে ৫ জুন তাৰিখটো সমগ্ৰ বিশ্বজুৰি' বিশ্ব পৰিৱেশ দিৱস 'হিচাপে পালন কৰা হয়। ১৯৭২ চনত ছুইডেনৰ ষ্টকহ'মত অনুষ্ঠিত হোৱা 'United Nations General Assembly '- পৰিৱেশ বিষয়ক সন্মিলনৰ সিদ্ধান্ত অনুসৰি ১৯৭৪ -ৰ চনৰ পৰা এই দিৱস পালন কৰিবলৈ আৰম্ভ কৰা হয়।

বিশ্ব পৰিৱেশ দিৱসৰ মূল উদ্দেশ্যই হৈছে, জনসাধাৰণৰ মাজত প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ লগতে পৰিৱেশ উন্নয়নৰ বাবে একত্ৰিতভাৱে কাম কৰিবলৈ উৎসাহ প্ৰদান কৰা।

সেউজময় পৃথিৱীখন ভগৱানৰ সৃষ্টি, গতিকে ইয়াক ধ্বংস কৰাৰ অধিকাৰ কাৰোৰেই নাই। প্ৰাকৃতিক সম্পদ যেনে.. গছ- গছনি, তৰু-তৃণ-লতা, পাহাৰ- পৰ্বত, ভৈয়াম, জান- জুৰি, নদ-নদী-নিজৰা এই সকলোখিনিৰ সমাহাৰেই এক সুন্দৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশৰ সৃষ্টি হয়.. আৰু ইয়াৰ অবিহনে জীৱকুল জীয়াই থকাটো অসম্ভৱ।

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বিশ্বৰ বিভিন্ন দেশত বৃক্ষৰোপণ কাৰ্যসূচী, স্বচ্ছতা অভিযান, পৰিৱেশ বিষয়ক সজাগতা সভা, প্ৰাকৃতিক পৰিৱেশ সম্পৰ্কে বিভিন্ন বিষয়ক আলোচনা চক্ৰ, ৰেলী আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বিভিন্ন চৰকাৰী- বেচৰকাৰী সংস্থা, শৈক্ষিক প্ৰতিষ্ঠানসমূহ (যেনে-বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহেও) এই দিৱস বিশেষভাৱে পালন কৰে।

পৰিৱেশ হৈছে আমাৰ জীৱনৰ আধাৰ। বৰ্তমান সময়ত বনাঞ্চল ধ্বংস, বায়ু, জল, মাটি প্ৰদূষণ, প্লাষ্টিকৰ অত্যধিক ব্যৱহাৰ, জলবায়ু পৰিৱৰ্তন ইত্যাদি বিভিন্ন সমস্যাই প্ৰাকৃতিক পৰিৱেশৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। ইয়াৰ ফলস্বৰূপে বিশ্ব উষ্ণায়ন, প্ৰাকৃতিক দুৰ্যোগ, জীৱ-বৈচিত্ৰৰ হ্ৰাস আদি সমস্যাসমূহৰ বৃদ্ধি পাইছে।

প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণত আমাৰ কৰণীয় বুলি ক'বলৈ গ'লে- গছ-গছনিকে ধৰি প্ৰাকৃতিক সম্পদ সমূহ নাইবা পৰিৱেশ সুৰক্ষা কেৱল চৰকাৰৰে দায়িত্ব নহয়, ই আমাৰ মানৱ জাতিৰ প্ৰতিজন নাগৰিকৰো দায়িত্ব ও প্ৰধান কৰ্তব্য। প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ কৰিবলৈ হ'লে আমি অধিক গছপুলি ৰোপণ কৰা, পলিথিনৰ ব্যৱহাৰৰ পৰা বিৰত থকা, প্লাষ্টিকৰ বস্তু বৰ্জন কৰা, প্লাষ্টিকৰ নিৰ্মিত যিকোনো সামগ্ৰীৰ ব্যৱহাৰ কমোৱা, পানী আৰু বিদ্যুতৰ সঞ্চয় কৰা,পলিথিন বেগৰ সলনি কাপোৰৰ মোনা নতুবা কাগজৰ তৈয়াৰী ঠোঙা (বেগ) সকলোৱে ব্যৱহাৰ কৰাটো উচিত। এইদৰেই আমি আমাৰ কৰ্মৰ জৰিয়তে পৰিৱেশ সংৰক্ষণত অৱদান আগবঢ়াব পাৰোঁ।

বিশ্ব পৰিৱেশ দিৱসে আমাক এক সুস্থ পৰিৱেশৰ গুৰুত্ব উপলব্ধি কৰোৱাই আৰু লগতে এক সুস্থ, সেউজীয়া আৰু নিৰাপদ পৃথিৱী গঢ়ি তুলিবৰ বাবে একত্ৰিতভাৱে কাম কৰিবলৈও প্ৰেৰণা যোগায়।

অৰণ্য মানৱ যাদৱ পায়েংদেৱে কৈছিল, - 'নদী পৰিস্কাৰ কৰাৰ প্ৰয়োজন নাই কেৱল লেতেৰা নকৰিবা, নৈখনে নিজেই পৰিস্কাৰ হৈ ল'ব,গছপুলি ৰোৱাৰ প্ৰয়োজন নাই, কেৱল গছ নাকাটিবা, গছে নিজেই ধৰণীখন সেউজময় কৰি তুলিব।' যাদৱ পায়েং দেৱৰ আদৰ্শক শিৰোগত কৰি আগুৱাই যাবলৈ আমি সকলোৱে সংকল্পবদ্ধ হওঁ আহক, তেতিয়াহে আমি এখনি সুন্দৰ মনোমোহা ধৰিত্ৰী আই সৃষ্টি কৰিব পাৰিম।

আমাৰ সকলোৱে এটাই মূলমন্ত্ৰ হ'ব লাগে..'পৰিৱেশ ৰক্ষা কৰক, ভৱিষ্যত জীৱন সুৰক্ষিত কৰক।'

দূৰভাষ ঃ ৬০০০৬-৫৩৯৩০

# বিশ্ব পৰিৱেশ দিৱস আৰু আমি

■ নুৰুল ইছলাম

পৰিৱেশ হৈছে এক অৰ্থবহনকাৰী এক জটিল শব্দ। এই পৰিৱেশ শব্দটো ফৰাচী 'Environment' শব্দৰ পৰা উৎপত্তি হোৱা বুলি জনা যায়। ইয়াৰ শব্দগত অৰ্থ হৈছে আমাৰ চাৰিওফালৰ জৈৱিক আৰু ভৌতিক বা অজৈৱিক উপাদানেৰে আগুৰি থকা পৰিস্থিতি। আমাৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু বৌদ্ধিক অৱস্থাও পৰিৱেশৰে অন্তৰ্ভুক্ত। অন্যহাতে সমগ্ৰ ভূমণ্ডলীয় উত্তৰাধিকাৰ আৰু সম্পদৰ সামগ্ৰিকতাকে পৰিৱেশ বুলি কোৱা হয়। পৰস্পৰক প্ৰভাৱিত কৰা আটাইবোৰ জৈৱিক আৰু অ-জৈৱিক (Biotic and abiotic) উপাদানক ই সাঙুৰি লয়। সামগ্ৰিকভাৱে পৰিৱেশ হৈছে এক প্ৰভাৱ যি জৈৱিক আৰু অজৈৱিক উপাদানৰ পৰিৱৰ্তন আনিব পাৰে। পৰিৱেশ মুখ্যত তিনিটা ভাগত বিভক্ত কৰিব পাৰি। যেনে- পাৰ্থিৱ, জৈৱিক আৰু সামাজিক। পাৰ্থিৱ বা ভৌতিক পৰিৱেশ হ'ল মূলত জড়বস্তু আৰু পাৰ্থিৱ কাৰক সমূহ যেনে- বায়ু, পানী, মাটি, ঘৰ-দুৱাৰ, জলবায়ু, ভূগোল, তাপ, পোহৰ, শব্দ, বিকিৰণ ইত্যাদি যিবোৰৰ সৈতে মানুহৰ ওতঃপ্ৰোতভাৱে সম্পৰ্ক থাকে।

জৈৱিক পৰিৱেশ হৈছে আমাৰ চৌপাশে থকা জীৱসমূহ আৰু মানৱজাতিয়ো ইয়াৰ অন্তৰ্ভুক্ত। চকুৰে মনিব নোৱাৰা যেনে- ভাইৰাছ, বেক্টেৰিয়া, কীট -পতঙ্গ আৰু জন্তু, গছ-গছনি আদিও জৈৱিক পৰিৱেশৰে অন্তৰ্ভুক্ত। সামাজিক পৰিৱেশ বুলিলে আমাৰ সমাজৰ প্ৰচলিত ৰীতি-নীতি, নিয়ম, সংস্কৃতি, ধৰ্ম, জাতি, ব্যৱসায়, উপাৰ্জন, দৰিদ্ৰতা, শিক্ষা-দীক্ষা, নগৰীকৰণ, অনুপ্ৰৱেশ আদিক বুজো। আচলতে মানুহৰ স্বাস্থ্যৰ ওপৰত পৰিৱেশৰ বহুত প্ৰভাৱ আছে। পৰিস্থিতিতন্ত্ৰ (Eco-system)ৰ ভিত্তিতে মানুহৰ জীৱন প্ৰক্ৰিয়া চলি থাকে। মানুহৰ জীৱন প্ৰক্ৰিয়া নিয়াৰিকৈ চলিবলৈ পৰিৱেশৰ লগত ভাৰসাম্যতা ৰক্ষা কৰি চলিব লাগিব। পৰিৱেশ আৰু স্বাস্থ্যৰ বিষয়ে সজাগতা অনাৰ মূল উদ্দেশ্য হ'ল যাতে আমাৰ পাৰিপাৰ্শ্বিক অৱস্থা স্বাস্থ্যসন্মত কৰি ৰাখিব পাৰো তথা আমাৰ পৰিৱেশেও আমাক সুস্বাস্থ্যৰ অধিকাৰী হোৱাত সহায় কৰে।

**বিশ্ব পৰিৱেশ দিৱস ঃ** বিশ্ব পৰিৱেশ দিৱস (World Environment Day-WED) প্ৰতি বছৰে ৫ জুনৰ দিনা বিশ্বব্যাপী ৰাজনৈতিক কৰ্মোদ্যোগ আৰু জনসচেতনতা মাধ্যমত পৰিৱেশ সচেতনতাৰ প্ৰতি লক্ষ্য ৰাখি এই দিৱস পালন কৰা হয়। এই দিনটোতেই ৰাষ্ট্ৰসংঘৰ মানৱ পৰিৱেশ কনফাৰেন্স (United Nation Conference on Human Environment) আৰম্ভ হৈছিল। এই কনফাৰেন্স ১৯৭২ চনৰ ৫ জুনৰ পৰা ১৬ জুনলৈ হৈছিল। ঠিক তাৰ পাছৰ বছৰৰ পৰাই অৰ্থাৎ ১৯৭৩ চনৰ পৰাই প্ৰতি বছৰে ৫ জুন তাৰিখে এই দিৱস পালন কৰা হৈ আছে। এই দিৱসটো বেলেগ বেলেগ চহৰত বেলেগ বেলেগ প্ৰতিপাদ্য বিষয় লৈ পালন কৰা হয়। ১৯৭৩ চনত অৰ্থাৎ প্ৰথম বৰ্ষৰ পৰিৱেশ দিৱসৰ বিষয়বস্তু আছিল- 'Only one Earth' (কেৱল এখন পৃথিৱী)।

এই দিৱসৰ মহত্ব হ'ল- বিশ্বই বা এখন দেশে পৰিৱেশগত সমস্যাৰ সন্মুখীন হোৱা বিভিন্ন সমস্যা সম্পৰ্কে বিশ্ববাসীক সজাগ বা সচেতনতাৰ সৃষ্টি কৰা। ২০২৬ চনত বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু হ'ল- "Inspired by Nature. For Climate. For our Future" - 'প্ৰকৃতিৰ দ্বাৰা অনুপ্ৰাণিত। জলবায়ুৰ বাবে। আমাৰ ভৱিষ্যতৰ বাবে।' পৃথিৱীৰ পৰিৱেশ ব্যৱস্থা সঁচাকৈয়ে ভাবুকিৰ সন্মুখীন হৈছে। হাবি, বননি আৰু শুষ্ক ভূমিৰ পৰা কৃষি ভূমিকৈ আৰু হ্ৰদকে ধৰি বিভিন্ন পানীৰ উৎস আৰু প্ৰাকৃতিক স্থানবোৰ য'ত মানুহৰ অস্তিত্ব বৰ্তি থাকে সংকুচিত হৈ আহিছে। ভালকৈ মন কৰিলে অনুমান কৰিব পাৰি- যে মানুহৰ একমাত্ৰ বাসভূমি এই পৃথিৱীত ক্ৰমে প্ৰবলতৰ হৈ উঠা পৰিৱেশজনিত সমস্যা, খাদ্যজনিত সমস্যা, বিশেষকৈ খাদ্যৰ অপচয় আৰু লোকচান, গোলকীয় উষ্ণতা বৃদ্ধি আদি সমস্যাবোৰৰ সমাধানক এই দিৱসৰ লক্ষ্য কৰি লোৱা হৈছে। সেই উদ্দেশ্য প্ৰতি বছৰে এটা বিষয়বস্তু আৰু শ্লোগান সমগ্ৰ বিশ্বতে প্ৰচাৰৰ বাবে আঁচনি গ্ৰহণ কৰা হয়। (ওপৰত উল্লেখিত)। কাৰ্বনমুক্ত পৰিৱেশ আহৰণত সফলতা লাভৰ বাবে বনানিকৰণ, সেউজগৃহৰ পাৰ্শ্বক্ৰিয়া হ্ৰাস কৰণ, জৈৱ-ইন্ধন উৎপাদনত উদগনি, বিদ্যুৎ উৎপাদনত জলবিদ্যুৎ প্ৰকল্পৰ ব্যৱহাৰ, ছ'লাৰ ৰাটাৰ ব্যৱহাৰত সাধাৰণ মানুহক উৎসাহিত কৰা, সৌৰ শক্তিৰ পৰা শক্তি উৎপাদন, নতুন জলনিষ্কাষণ ব্যৱস্থাৰ বিকাশ, বান আৰু খহনীয়াৰ কবলৰ পৰা দ' ঠাই বিলাক ৰক্ষা কৰাৰ বিজ্ঞানসন্মত কৌশল প্ৰয়োগ ইত্যাদি। ইয়াৰোপৰি আমি জানো যে প্লাষ্টিক জাতীয় সমগ্ৰীৰ ব্যৱহাৰে সমাজত প্ৰদূষণ কৰি ভয়াবহ অৱস্থালৈ ঠেলি দিয়ে। কিয়নো প্লাষ্টিকজাতীয় সামগ্ৰীবোৰ মাটিৰ লগত মিহলি হৈ সহজতে পচি নাযায়। গতিকে প্লাষ্টিক জাতীয় সমগ্ৰী ব্যৱহাৰৰ পৰা বিৰত থকাৰ বাবে সজাগতা আনি দিয়া ইত্যাদি বিষয়বোৰক মানুহৰ মাজত জনপ্ৰিয় কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। বিভিন্ন সামাজিক গোট আৰু সম্প্ৰদায়ৰ মানুহক এই দিৱসত জড়িত কৰাই তেওঁলোকক এই বিষয়বিলাকৰ সজাগতাৰ ক্ষেত্ৰত সক্ৰিয় নেতৃত্বৰ ভূমিকা ল'বলৈ উৎসাহিত কৰা হয়। সকলো লোককে এই কথা উপলব্ধি কৰাব চেষ্টা কৰা হয়- যে পৰিৱেশৰ পৰা নেতিবাচক পৰিৱৰ্তনবোৰক বাধা দিয়া নিতান্তই প্ৰয়োজনীয়। নিৰাপদ, পৰিচ্ছন্ন আৰু সমৃদ্ধিপূৰ্ণ ভৱিষ্যত এটা পাবৰ বাবে আমাৰ চৌপাশ যে সুৰক্ষিত আৰু পৰিচ্ছন্ন কৰি ৰাখিব লাগে, সেই কথা সাধাৰণ মানুহৰ মাজলৈ উপলব্ধিৰ বাবে লৈ যোৱাটোও এই দিৱসৰ অন্যতম উদ্দেশ্য। এই লক্ষ্যবোৰত উপনীত হোৱাৰ প্ৰচেষ্টাত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি সমগ্ৰ বিশ্বতে কিছুমান সবল আৰু গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হয়। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় উভয় পৰ্যায়ত এনে কাৰ্যসূচী গ্ৰহণ কৰা হয়। পথ সমদল, গছপুলি ৰোপন, আৱৰ্জনা পুনৰ ব্যৱহাৰ কৰণ, চৌপাশ পৰিষ্কাৰ কৰা অন্যান্য বিভিন্ন সজাগতামূলক কাৰ্যসূচীত শিক্ষা, স্বাস্থ্য, আইন, সামৰিক বাহিনী, বিভিন্ন বে-চৰকাৰী অনুষ্ঠানৰ কৰ্মী, ছাত্ৰ-সংগঠনৰ লগতে সংবাদ মাধ্যমৰ লোককে ধৰি সকলো শ্ৰেণীৰ লোকক জড়িত কৰা হয়।

ইতিহাসে কয়- সময়ে সময়ে পৰিৱেশ সুৰক্ষাৰ বাবে বা সুস্থিৰ পৰিৱেশ সৃষ্টি কৰাৰ হ'কে আন্দোলন পৰ্যন্ত হৈছিল। ইয়াৰ ভিতৰত ৭০ (সত্তৰ)ৰ দশকত 'চিপকো আন্দোলন'ৰ (Chipko Movement)ৰ কথা ক'ব পাৰি- যাৰ মুখ্য উদ্দেশ্য আছিল বন ধ্বংস বন্ধ কৰা। কথিত আছে যে- এটা কোম্পানীয়ে চামোলিৰ অৰণ্যৰ পৰা দুহাজাৰৰো অধিক গছ কাটিবলৈ অনুমতি দিছিল। যাৰ প্ৰতিবাদত তাত থকা মহিলাসকলে গছবোৰ আলিঙ্গন কৰি গছবোৰ কাটিব নিদিও বুলি প্ৰতিবাদ কৰিছিল আৰু শেষত ই আন্দোলনলৈ গতি কৰিছিল। মহিলাসকলৰ এই কাৰ্যত ৰাইজে পূৰ্ণ সহযোগ আগবঢ়োৱাৰ কোম্পানীৰ এই চেষ্টা বিফল হৈছিল। সঁচাকৈয়ে পৰিৱেশ সুৰক্ষাৰ নামত ই এক যুগান্তকাৰী আৰু আদৰণীয় পদক্ষেপ হিচাপে ইতিহাসৰ পাতত চিহ্নিত হৈ থাকিব। ৰাজহুৱা জীৱনৰ বাবে পৰিৱেশ সুস্থিৰ হৈ থকাটো অতি প্ৰয়োজন। বিশুদ্ধ বায়ু, সতেজ পানীয়ে বহুটো ৰোগৰ পৰা পৰিত্ৰাণ লাভত সহায় কৰে। সেয়েহে পৰিৱেশ বচাবলৈ আমি সকলোৱে সমন্বিত প্ৰয়াস কৰিব লাগিব। আহক, বৰ্ধিত প্ৰদূষণ ৰোধ কৰি গোলকীয় উষ্ণতাৰ প্ৰভাৱত হোৱা ক্ষয়-ক্ষতিসমূহ ৰোধ কৰাৰ লগতে গছপুলি ৰোপনকে ধৰি, যান-বাহনৰ ব্যৱহাৰ হ্ৰাস কৰি, আৱৰ্জনা নিবিয়পাই পৰিৱেশ ৰক্ষা কৰিব পাৰো, তাৰ বাবে সকলোৱে সামূহিক প্ৰচেষ্টা অব্যাহত ৰাখো। আহক, পৰিৱেশ সুৰক্ষাৰ বাবে সকলোৱে সচেতনতাৰে হাতে-হাত ধৰাধৰিকৈ আগবাঢ়ি যাওঁ তাৰ বাবে লাগিব বিজ্ঞানসন্মন চিন্তা-চৰ্চা আৰু সুস্থিৰ পৰিকল্পনা। আমি আশাবাদী।

শেষত, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটি গীতৰ কথাৰে-

'সেউজী সেউজী সেউজী অ'
সেউজী ধৰণী ধুনীয়া।'

দূৰভাষ ঃ ৯৮৬৪৪১৪৯৮৯

# বিশ্ব পৰিৱেশ দিৱস ল'বলগীয়া সাৱধানতা

■ ৰাজু কলিতা

বিশ্ব পৰিৱেশ দিৱস কেৱল কেইটামান আনুষ্ঠানিক কাৰ্যসূচী বা গছপুলি ৰোপণৰ মাজতে সীমাবদ্ধ ৰাখিব পৰা কোনো সাধাৰণ দিৱস নহয়, বৰঞ্চ ই হৈছে সমগ্ৰ মানৱ জাতিৰ বাবে এক গভীৰ আত্মবিশ্লেষণ, সতৰ্কবাণী আৰু সামূহিক সংকল্পৰ ঐতিহাসিক আহ্বান। বৰ্তমান একবিংশ শতিকাত মানৱ সভ্যতাই বিজ্ঞান আৰু প্ৰযুক্তিৰ দিশত অভূতপূৰ্ব উন্নতি সাধন কৰিছে যদিও, এই উন্নয়নৰ বিনিময়ত প্ৰকৃতিৰ যি অপূৰণীয় ক্ষতিসাধন কৰা হৈছে, সি এতিয়া সমগ্ৰ পৃথিৱীৰে অস্তিত্বৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। গোলকীয় উষ্ণতা বৃদ্ধি, জলবায়ুৰ অস্বাভাৱিক আৰু ভয়াৱহ পৰিৱৰ্তন, মেৰু অঞ্চলৰ বৰফ গলন, সাগৰৰ জলপৃষ্ঠ উত্থান আৰু অপৰিকল্পিত ধৰণে হোৱা জৈৱ-বৈচিত্ৰ্যৰ বিলুপ্তিয়ে স্পষ্ট কৰি দিছে যে প্ৰকৃতিৰ সহনশীলতাৰ এক নিৰ্দিষ্ট সীমা আছে আৰু মানুহে এতিয়া সেই সীমা অতিক্ৰম কৰিছে। বৰ্ধিত জনসংখ্যাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ গৈ আৰু উদ্যোগীকৰণ তথা অন্ধ নগৰীকৰণৰ প্ৰতিযোগিতাত নামি মানুহে যি হাৰত সেউজীয়া বনাঞ্চল ধ্বংস কৰিছে, তাৰ পোনপটীয়া প্ৰভাৱ আমাৰ বায়ুমণ্ডলত পৰিছে। গছ-গছনিৰ অভাৱৰ বাবে এফালে বতাহত কাৰ্বন-ডাই-অক্সাইডৰ দৰে গ্ৰীনহাউচ গেছৰ পৰিমাণ আশংকাজনকভাৱে বৃদ্ধি পাইছে আৰু আনফালে বন্যপ্ৰাণীসমূহৰ প্ৰাকৃতিক বাসস্থান সম্পূৰ্ণৰূপে বিপন্ন হৈ পৰিছে, যাৰ ফলস্বৰূপে মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সংঘাত এক নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। এই ক্ষেত্ৰত আমাৰ সমাজত আটাইতকৈ ডাঙৰ সচেতনতাৰ প্ৰয়োজন হৈছে একক ব্যৱহাৰযোগ পৰা প্লাষ্টিক আৰু কৃত্ৰিম আৱৰ্জনাৰ ব্যৱস্থাপনাক লৈ, কাৰণ এই অবিনাশী প্লাষ্টিকসমূহে মাটিৰ উৰ্বৰা শক্তি নষ্ট কৰাৰ লগতে আমাৰ পানীৰ উৎসসমূহ চিৰদিনৰ বাবে বিষাক্ত কৰি তুলিছে আৰু অজানিতে খাদ্য শৃংখলত প্ৰৱেশ কৰি মানুহ তথা জীৱ-জন্তুৰ দেহত মাৰাত্মক ব্যাধিৰ সৃষ্টি কৰিছে। পৰিৱেশ সুৰক্ষাৰ এই যুঁজখনত কেৱল চৰকাৰী নীতি বা আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ ওপৰত নিৰ্ভৰ কৰি বহি থাকিলে কেতিয়াও আশা কৰা ধৰণৰ সুফল পোৱা নাযাব, ইয়াৰ বাবে প্ৰতিগৰাকী নাগৰিকৰে চিন্তা আৰু দৈনন্দিন জীৱনশৈলীত এক আমূল তথা বৈপ্লৱিক পৰিৱৰ্তনৰ প্ৰয়োজন। আমি আমাৰ পৰম্পৰাগত জীৱন চৰ্চালৈ উভতি যাব লাগিব য'ত প্ৰকৃতিক দেৱতা জ্ঞান কৰি সংৰক্ষণ কৰা হৈছিল আৰু অপচয়ৰ কোনো স্থান নাছিল। বৰ্তমান সময়ত প্ৰতিটো পৰিয়াল আৰু সমাজে জীৱাশ্ম ইন্ধন অৰ্থাৎ পেট্ৰ'ল-ডিজেলৰ ব্যৱহাৰ যথাসম্ভৱ হ্ৰাস কৰি সৌৰশক্তি বা বায়ুশক্তিৰ দৰে প্ৰদূষণমুক্ত নবীকৰণযোগ্য শক্তিৰ উৎসসমূহ গ্ৰহণ কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। দৈনন্দিন ক্ৰয়-বিক্ৰয়ৰ সময়ত প্লাষ্টিকৰ মোনা সম্পূৰ্ণৰূপে বৰ্জন কৰি থলুৱাভাৱে প্ৰস্তুত কৰা মৰাপাট বা কাপোৰৰ মোনা ব্যৱহাৰ কৰা, পানী আৰু বিদ্যুৎ শক্তিৰ অপচয় ৰোধ কৰা, আৰু নিজৰ গৃহভূমি বা চৌপাশ সেউজীয়া কৰি ৰখাটো প্ৰতিজন ব্যক্তিৰে এক পবিত্ৰ কৰ্তব্য হ'ব লাগিব। বিশেষকৈ উঠি অহা যুৱ প্ৰজন্ম আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিৱেশ বিজ্ঞানৰ ব্যৱহাৰিক জ্ঞান বিলোৱাটো অতি জৰুৰী, যাতে তেওঁলোকে সৰুৰে পৰা প্ৰকৃতিৰ লগত সহাৱস্থান কৰাৰ গুৰুত্ব বুজি পায়। অসমৰ দৰে এক অনন্য ভৌগোলিক আৰু প্ৰাকৃতিক বৈচিত্ৰ্যপূৰ্ণ অঞ্চলত, য'ত বানপানী, গৰাখহনীয়া আৰু খৰাঙে প্ৰতিবছৰে অৰ্থনীতিক জুৰুলা কৰে, তাত পৰিৱেশ সচেতনতাৰ প্ৰাসংগিকতা আৰু অধিক বৃদ্ধি পায়। নদীসমূহৰ প্ৰাকৃতিক গতিপথত বাধা নোমেলাই, জলাশয়সমূহ সংৰক্ষণ কৰি আৰু পৰম্পৰাগত জ্ঞানক আধুনিক বিজ্ঞানৰ সৈতে মিলাই আমি এক বহনক্ষম উন্নয়নৰ আৰ্হি প্ৰস্তুত কৰিব লাগিব। বিশ্ব পৰিৱেশ দিৱসৰ প্ৰকৃত সাৰ্থকতা তেতিয়াহে প্ৰমাণিত হ'ব, যেতিয়া এই সজাগতা কেৱল এক জুন মাহৰ পাঁচ তাৰিখৰ ধূলিময় শ্ল'গান হৈ নাথাকি আমাৰ তেজৰ কণিকাই কণিকাই প্ৰৱাহিত হ'ব আৰু আমি সকলোৱে মিলি অনাগত প্ৰজন্মৰ বাবে এখন সেউজীয়া, প্ৰদূষণমুক্ত, সুৰক্ষিত আৰু জীয়াই থকাৰ বাবে আটাইতকৈ উপযুক্ত পৃথিৱী উপহাৰ দিয়াৰ সংকল্প বাস্তৱায়িত কৰিব পাৰিম।

দূৰভাষ ঃ ৬০০৩৪-০৭৪৫৩

# বিশ্ব পৰিৱেশ দিৱস পালনেৰে জীৱশ্ৰেষ্ঠ মানৱৰ মাজত সজাগতা সৃষ্টি কৰো আহক

■ চন্দনা চৌধুৰী

প্ৰতিবছৰে ৫ জুন তাৰিখে পালন কৰি অহা বিশ্ব পৰিৱেশ দিৱসৰ মূল উদ্দেশ্য হ'ল গোলকীয় পৰিৱেশ-সংকট যেনে- প্ৰদূষণ, জলবায়ু পৰিবৰ্তন আৰু জৈৱ বৈচিত্ৰ হ্ৰাস পোৱা বিষয়ে বিশ্বব্যাপী পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তা আৰু সজাগতা বৃদ্ধি কৰা। পৃথিৱীৰ আটাইতকৈ নিৰীহ জীৱটোৱেয়ে হৈছে গছ। যিয়ে কোনো বিনিময় নিবিচৰাকৈয়ে প্ৰকৃতিৰ বহু উপকাৰ সাধন কৰে। আমাৰ চৌপাশৰ গছ-গছনি, ঘৰ-দুৱাৰ আদিক লৈ সৃষ্টি হোৱা অৱস্থাটোকেই কোৱা হয় পৰিৱেশ বুলি। ভিন্নতাৰ দিশৰ পৰা পৰিবেশক দুটা ভাগত ভাগ কৰা হয়। ক) প্ৰাকৃতিক খ) মানৱসৃষ্ট। ইয়াৰে প্ৰাকৃতিক পৰিৱেশ সৃষ্টি কৰা প্ৰধান উপাদান সমূহ হ'ল বায়ু, পানী, মাটি, গছ-গছনি, পৰ্বত-পাহাৰ, নদ-নদী, বতাহ-বৰষুণ আদি। আনহাতে ব্যক্তি, পৰিয়াল, সমাজ, সমাজৰ ৰীতি-নীতি, উৎসৱ-পাৰ্বন, আলি-পদূলি, বজাৰ-সমাৰ, আইন-কানুন, ধৰ্ম, আচাৰ আদি উপাদান সমূহৰ সমষ্টিটোৱেই হ'ল মানৱসৃষ্টি পৰিৱেশ। পৰিৱেশৰ উপাদানসমূহক মূলতঃ দুই ভাগত ভগাব পাৰি। ক) জৈৱিক খ) অজৈৱিক।

জৈৱিক উপাদান সমূহৰ গছ-গছনি, জীৱ-জন্তু আৰু অনুজীৱই প্ৰধান। আকৌ পানী, মাটি, বায়ু, পোহৰ, উষ্ণতা আদি হৈছে অজৈৱিক।

পৃথিৱীৰ সকলো জৈৱিক উপাদান সমূহৰ সলনি হৈ থাকে। কেতিয়াবা ক্ষিপ্ৰগতিত আৰু কেতিয়াবা লাহে লাহে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আগলৈকে আমাৰ পৰিৱেশ নিস্কলুষ আছিল। আমাৰ বাবে প্ৰয়োজনীয় সকলো বস্তুৰেই স্বাভাৱিক ৰূপতেই পোৱা গৈছিল। সম্প্ৰতি আমি সেইবোৰ কৃত্ৰিমভাৱে সংৰক্ষণ কৰিবলগীয়া হৈছে। খাদ্যবস্তু আহৰণ আৰু অৰ্থ সংগ্ৰহ কৰিবলৈ আমি এনে কিছুমান উপায় অৱলম্বন কৰিব লগা হয়, যিয়ে আমাৰ পৰিৱেশত আঘাত হনাৰ উপৰি পৰিৱেশো প্ৰদূষিত কৰি তোলে। মাটি, পানী, বায়ু, শব্দ আৰু বিকিৰণ এই পাঁচটা মাধ্যমেৰে দূষিত হৈ পৰিৱেশ প্ৰদূষিত হ'ব পাৰে। ইয়াৰে যিকোনো এটা দূষিত হ'লে পৰিৱেশ প্ৰদূষিত হয়।

এই ধৰাত বায়ু নহ'লে কোনো জীৱই জীয়াই থাকিব নোৱাৰে। কিন্তু এই অতি অত্যাবশ্যকীয় বস্তুটো বৰ্ত্তমান বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে উৎপাদিত হোৱা যন্ত্ৰ-পাতি, কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা বিভিন্ন গেছে বায়ুমণ্ডল দূষিত কৰি আহিছে। এই দূষিত বায়ু সেৱনৰ ফলত মানুহৰ বিভিন্ন ধৰণৰ বেমাৰ হয়। দূষিত বায়ুৰে উদ্ভিদৰ ওপৰতো প্ৰভাৱ পেলায়, গছ পুলিৰ বৃদ্ধি নহয়, ফুল আৰু কলিবোৰ লেৰেলি যায়।

এইবোৰৰ উপৰি আৰু এক ভয়াবহ কথা হৈছে গোলকীয় উত্তাপন। আজি কেইবছৰমানৰ পৰা গোলকীয় উত্তাপন বহুত বেছি হাৰত বৃদ্ধি পাইছে। এই গোলকীয় উত্তাপন বিশ্বৰ দৰবাৰত দেখা দিয়া আটাইতকৈ ডাঙৰ সমস্যা। সূৰ্য্যৰ পৰা তাপ আৰু পোহৰ সৌৰশক্তি হিচাবে পৃথিৱীলৈ আহি আছে। সূৰ্য্যৰ পৰা প্ৰতিদিনে যিমানখিনি তাপ পৃথিৱীলৈ আহে তাৰে প্ৰায় ৪৮ শতাংশ পৃথিৱীয়ে আৰু ২১ শতাংশ বায়ুমণ্ডলত থকা বিভিন্ন গেছ শোষণ কৰে। বায়ুমণ্ডলত থকা এই গেছীয় পদাৰ্থই পৃথিৱীৰ ওপৰত এটা ছাটিৰ দৰে আৱৰণৰ সৃষ্টি কৰে। পৃথিৱীৰ পৰা বিকিৰিত তাপৰ এক বুজন অংশ পৃথিৱীলৈ ওভতাই দিয়ে এই প্ৰক্ৰিয়াত ভাগ লোৱা গেছক গ্ৰীণ হাউচ্ গেছ বোলে। পৃথিৱী পৃষ্ঠৰ পৰা ১১ কিলোমিটাৰ উচ্চতালৈ গ্ৰীণ হাউচ্ বিস্তৃত। ইয়াক ট্ৰপেওয়েৰ বোলে। উদ্যোগ, কল-কাৰখানা, যান-বাহন আদিৰ পৰা নিৰ্গত হোৱা গেছৰ ফলত গ্ৰীণ হাউচ্ গেছৰ পৰিমাণ ক্ৰমে বৃদ্ধি পাইছে ফলত গেছীয় আৱৰণটোৰ ঘনত্ব ক্ৰমে বাঢ়ি গৈছে। সেয়েহে পৃথিৱীয়ে এৰি দিয়া তাপ মহাকাশলৈ ঘুৰি যোৱাত বাধাৰ সৃষ্টি হৈ বায়ুমণ্ডলৰ উষ্ণতা ক্ৰমে বাঢ়ি গৈছে। গোলকীয় উত্তাপন এনেদৰে বাঢ়ি গৈ থাকিলে জলবায়ু পৰিৱৰ্ত্তন ঘটি অনাবৃষ্টি, ধুমুহা, অতিবৃষ্টি আদি হ'ব পাৰে। মেৰু অঞ্চলৰ বৰফৰ পৰ্বত গলি সাগৰ উপচি পৰিব পাৰে। বিজ্ঞানীসকলৰ মতে বৰ্ত্তমানৰ হাৰত বায়ু প্ৰদূষণ হ'লে আজিৰ পৰা এশবছৰ পিছত পৃথিৱীত জীৱকুলৰ ভাবুকি হৈ পৰিব।

পৰিৱেশ জীৱকূলৰ ভাবুকি হোৱাৰ পৰিপ্ৰেক্ষিতত বিশ্ব পৰিৱেশ দিৱস পালনৰ আৱশ্যকতা আহি পৰিছে। বৰ্ত্তমান প্ৰতিজন মানুহে পৰিৱেশ সুস্থিৰ কৰি ৰখাৰ কথা চিন্তা কৰিব লাগিব। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে যান-বাহন, কল-কাৰখানা, বৃহৎ উদ্যোগ আদি যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। এই বৃদ্ধিৰ হাৰক আমি ৰুধিব নোৱাৰো। ইয়াৰ মাজেৰে আমি কেনেকৈ বিশুদ্ধ বায়ু সেৱন কৰিব পাৰো তাৰ চেষ্টা কৰিব লাগিব। পৰিৱেশ প্ৰদূষণ প্ৰধানকৈ পাঁচ (৫ টা ভাগত ভগাব পাৰি। মাটি, পানী, বায়ু, শব্দ, বিকিৰণ। এই প্ৰতিটো ভাগৰ প্ৰদূষণ কমোৱাৰ বাবে বৰ্ত্তমানে Five'R' ব্যৱহাৰৰ চেষ্টা কৰা হৈছে। এই পাঁচটা হ'ল (Rs) 1) প্ৰত্যাখ্যান (Refuse) 2) কমোৱা (Reduce) 3) পূণঃ ব্যৱহাৰ (Re-use) 4) মেৰামতি (Repair) 5) পুণৰাবৰ্ত্তন (Recycle) কিছুমান গোটা আৱৰ্জনা জ্বলাই নিদি সেইবোৰ পুণৰ ব্যৱহাৰ, পুণাৰাৱৰ্ত্তনৰ ব্যৱস্থা কৰিও বায়ু প্ৰদূষণ কিছু পৰিমাণে কমাব পাৰি। ছাত্ৰ অৱস্থাৰ পৰাই ল'ৰা-ছোৱালীয়ে পৰিৱেশ প্ৰদূষণৰ প্ৰতিৰোধৰ প্ৰতি সজাগ হ'ব লাগে। সেয়েহে "বিশ্ব পৰিৱেশ দিৱস" পালনৰ দ্বাৰা গোটেই বিশ্বতে পৰিৱেশ প্ৰদূষণৰ প্ৰতি সতৰ্কতা সম্পৰ্কে বিশ্ববাসীক সজাগ কৰাৰ প্ৰচেষ্টা কৰা হৈছে। ১৯৭৪ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত পালন কৰা হৈছিল পোন-প্ৰথমে বিশ্বপৰিৱেশ দিৱস। সম্প্ৰতি বিশ্বৰ এশতকৈ অধিক দেশত পালন হৈ আহিছে এই দিৱসটি। স্কুল-কলেজত পৰিৱেশ দিৱস পালন কৰাৰ উপৰিও সিদিনা চৰকাৰীভাৱে বা বিভিন্ন অনুস্থান-প্ৰতিষ্ঠানে প্ৰদৰ্শন কৰা তথ্যচিত্ৰ, প্ৰচেচন, বক্তৃতা প্ৰতিযোগিতা আদিতো সহযোগ কৰা বাঞ্চনীয়। এখন সুন্দৰ পৃথিৱীত সু-স্বাস্থ্য আৰু শান্তিৰে জীয়াই থাকিবলৈ হ'লে বিভিন্ন ধৰণৰ প্ৰদূষণ প্ৰতিৰোধ কৰিবই লাগিব।

**দূৰভাষ- ৭০০২৩৭১৪১৫**

# তামুলপুৰত ইউচিচি সন্দৰ্ভত বিজেপিৰ সংবাদমেল, সমতা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাই মূল লক্ষ্য




**বাতৰি কাকত, তামুলপুৰ, ৪ জুন ঃ** দেশজুৰি চৰ্চিত হৈ থকা সম দেৱানী সংহিতা চমুকৈ ইউচিচি সন্দৰ্ভত সৰ্বসাধাৰণ ৰাইজৰ মাজত থকা বিভ্ৰান্তি দূৰ কৰা আৰু ইয়াৰ ইতিবাচক দিশসমূহ দাঙি ধৰাৰ উদ্দেশ্যে আজি তামুলপুৰ জিলা বিজেপিৰ উদ্যোগত এক গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰা হয়। জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত এই সংবাদমেলত জিলা বিজেপিৰ সভাপতি ৰাজেশ বৰা আৰু ৰাজ্যিক বিজেপিৰ জ্যেষ্ঠ মিডিয়া পেনেলিষ্ট আশিষ ভৰালীয়ে প্ৰস্তাৱিত আইনখনৰ বিভিন্ন কাৰ্যকাৰী দিশ তথা ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ ওপৰত বিস্তৃত ব্যাখ্যা দাঙি ধৰে। সংবাদমেলত মূল বক্তব্য ৰাখি ৰাজ্যিক বিজেপিৰ মিডিয়া পেনেলিষ্ট আশিষ ভৰালীয়ে বৰ্তমানৰ প্ৰেক্ষাপটত বহু বিবাহৰ দৰে স্পৰ্শকাতৰ আৰু পুৰণি বিষয়বোৰৰ ক্ষেত্ৰত এক যুগান্তকাৰী আইনী সংস্কাৰৰ যে জৰুৰী প্ৰয়োজনীয়তা আহি পৰিছে, সেই কথা জোৰ দি দোহাৰে। তেওঁ স্পষ্টকৈ কয় যে সম দেৱানী সংহিতাই ধৰ্ম-বৰ্ণ নিৰ্বিশেষে দেশৰ সকলো নাগৰিককে এক সমান আইনী সুৰক্ষা আৰু সম অধিকাৰ প্ৰদান কৰাৰ লক্ষ্য লৈছে। বিশেষকৈ মহিলাসকলৰ দীৰ্ঘদিনীয়া সামাজিক আৰু আইনী অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত এই আইনে এক ঐতিহাসিক তথা বৈপ্লৱিক ভূমিকা পালন কৰিব বুলি তেওঁ আশাপ্ৰকাশ কৰে। বিজেপি নেতাগৰাকীৰ মতে, আমাৰ সমাজৰ একাংশ ইছলাম ধৰ্মীয় মহিলাসকলে পুৰণি নিয়মৰ বাবে প্ৰায়েই যি বৈষম্যৰ সন্মুখীন হ'বলগীয়া হৈছিল, তেওঁলোকেও এই নতুন আইনৰ জৰিয়তে বিবাহ, বিবাহ বিচ্ছেদ, ভৰণ-পোষণ আৰু পৈতৃক সম্পত্তিৰ ওপৰত পুৰুষৰ সমানেই অধিক আইনী সুৰক্ষা আৰু সম অধিকাৰ লাভ কৰিবলৈ সক্ষম হ'ব। বিৰোধী তথা একাংশ কায়েমী স্বাৰ্থান্বেষী মহলে এই জনকল্যাণকামী আইনখনক লৈ সৰল ৰাইজৰ মাজত ধাৰাবাহিকভাৱে বিভিন্ন ধৰণৰ অপপ্ৰচাৰ আৰু উৰাবাতৰি চলাই থকা বুলি তীব্ৰ ক্ষোভ প্ৰকাশ কৰি ভৰালীয়ে স্পষ্ট কৰে যে এই আইনখন কাৰো ধৰ্মীয় বিশ্বাসৰ বিৰুদ্ধে নহয়, বৰঞ্চ ইয়াৰ মূল উদ্দেশ্য হৈছে আধুনিক সমাজত সমতা, ভাতৃত্ববোধ আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা কৰা। প্ৰস্তাৱিত আইনখনৰ কঠোৰ গাঁথনিৰ কথা উল্লেখ কৰি তেওঁ কয় যে ইয়াত লিভ-ইন সম্পৰ্কৰ পঞ্জীয়ন, বহু বিবাহ আৰু বাল্য বিবাহ আদিৰ দৰে কু-প্ৰথা আৰু সামাজিক ব্যাধিসমূহ চিৰদিনৰ বাবে নিৰ্মূল কৰিবলৈ কঠোৰ আইনী ব্যৱস্থাৰ কথা স্পষ্টকৈ উল্লেখ কৰা হৈছে। ইয়াৰ উপৰি পুৰুষ আৰু মহিলাৰ মাজত থকা পুৰণি লিংগ বৈষম্য আঁতৰাই সম্পত্তিৰ অধিকাৰ নিশ্চিত কৰাৰ যি ব্যৱস্থা কৰা হৈছে, সি সমাজৰ বহুদিনীয়া অসমতা চিৰদিনৰ বাবে দূৰ কৰিব। আনহাতে, অসমৰ দৰে এখন ৰাজ্যত জনজাতি সম্প্ৰদায়সমূহক এই আইনখনৰ আওতাৰ পৰা কিয় বৰ্তমান আঁতৰাই ৰখা হৈছে বুলি সাংবাদিকে সোধা এক গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰত জ্যেষ্ঠ বিজেপি নেতাজনে কয় যে জনজাতিসকলৰ শতিকাপুৰণি স্বকীয় পৰম্পৰা, অনন্য বৰ্ণিল সংস্কৃতি, ৰীতি-নীতি আৰু তেওঁলোকৰ সুকীয়া সামাজিক ব্যৱস্থা সংৰক্ষণ কৰাৰ দিশটো চৰকাৰে অতি সংবেদনশীলতাৰে বিবেচনা কৰিছে। সেইবাবেই তেওঁলোকৰ সুৰক্ষাৰ স্বাৰ্থত এই পৰ্যায়ত তেওঁলোকক এই আইনখনৰ পৰা সম্পূৰ্ণ ৰেহাই দিয়া হৈছে আৰু এই বিষয়ত বিভিন্ন দল-সংগঠন তথা মহলৰ মতামত আৰু বাস্তৱ পৰিস্থিতি চালি-জাৰি চাইহে কেন্দ্ৰীয় চৰকাৰে এই দূৰদৰ্শী সিদ্ধান্ত গ্ৰহণ কৰিছে। সংবাদমেলত তেওঁ ইতিহাসৰ প্ৰসংগ টানি আনি সকলোকে স্মৰণ কৰাই দিয়ে যে ভাৰতৰ সংবিধানৰ অন্যতম প্ৰণেতা তথা মহান মনিষী ড° ভীমৰাও আম্বেদকাৰে ১৯৪৮ চনতেই দেশৰ অখণ্ডতা আৰু সকলো নাগৰিকৰ মৰ্যাদাৰ বাবে সম অধিকাৰ নিশ্চিত কৰিবলৈ সম দেৱানী সংহিতা দেশত বলবৎ কৰাৰ প্ৰয়োজনীয়তাৰ কথা জোৰ দি উল্লেখ কৰিছিল। সংবাদমেলৰ সামৰণিত বিজেপি নেতাসকলে ইউচিচিক লৈ জনসাধাৰণক উৰাবাতৰিৰ পৰা আঁতৰি থাকি কেৱল চৰকাৰী আৰু সঠিক তথ্য অৱগত হ'বলৈ আহ্বান জনায় আৰু একাংশ ৰাজনৈতিক দলৰ সংকীৰ্ণ স্বাৰ্থৰ অপপ্ৰচাৰত কোনো কাৰণতে বিভ্ৰান্ত বা উত্তেজিত নহ'বলৈ সৰ্বসাধাৰণ ৰাইজক সজোৰে আহ্বান জনায়। আজিৰ এই সংবাদমেলত ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক তথা প্ৰাক্তন এমচিএলএ বাসুদেৱ উপাধ্যায়, তামুলপুৰ জিলা বিজেপিৰ উপ সভাপতি অৰ্চনা চৌধুৰী, কোষাধ্যক্ষ ৰামদাস বসুমতাৰী সহ কেইবাজনো নেতাকৰ্মী উপস্থিত থাকে।

## মিঞাই ক্ৰয় কৰা ভূমি ঘূৰাই দিবলৈ দাবী

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৪ জুন ঃ** বাঘবৰৰ মিঞা পৰিয়ালে শিৱসাগৰ জিলাৰ শ্ৰীশ্ৰী কোৰামৰা সত্ৰৰ সমীপৰ মাটি ক্ৰয় কৰাক লৈ শিৱসাগৰত তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। মিঞা লেণ্ডৰ বিৰুদ্ধে আজি ঘৰৰ পৰা ওলাই আহিল শিৱসাগৰৰ খিলঞ্জীয়া হিন্দু আৰু মুছলমান সমাজৰ লোক। মিঞাই ক্ৰয় কৰা কোৰামৰা সত্ৰৰ সমীপৰ ভূমিত আজি জাতীয় সংগ্ৰামী সেনাই আঁৰি দিলে মিঞা বিৰোধী হৰ্ডিং। এসপ্তাহৰ ভিতৰত মিঞাক শিৱসাগৰ ত্যাগ কৰিবলৈ হুংকাৰ প্ৰদান কৰে জাতীয় সংগ্ৰামী সেনাই। ইয়াৰ লগতে মিঞাক মাটি ক্ৰয়ত সহযোগিতা আগবঢ়োৱা চক্ৰ বিষয়া আৰু মণ্ডলৰ বিৰুদ্ধে জিলা আয়ুক্তক ব্যৱস্থা গ্ৰহণ কৰিবলৈ জাতীয় সংগ্ৰামী সেনাইদাবী জনাইছে। সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত তাৎক্ষনিক বিহিত ব্যৱস্থা গ্ৰহণ কৰি মিঞাৰ আগ্ৰাসনৰ পৰা ঐতিহাসিক শিৱসাগৰক ৰক্ষা কৰিবলৈ জাতীয় সংগ্ৰামী সেনাই মুখ্যমন্ত্ৰীক দাবী জনাইছে। আজিৰ কাৰ্যসূচীত গৰিয়া জাতীয় পৰিষদৰ নেতৃত্বত খিলঞ্জীয়া মুছলমানেও মিঞাৰ আগ্ৰাসনৰ তীব্ৰ বিৰোধিতা কৰে। বৰপেটা জিলাৰ বাঘবৰৰ চাৰিজন মিঞাই শিৱসাগৰ জিলাৰ শ্ৰীশ্ৰী কোৰামৰা সত্ৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপতৰ বিঘা আঢ়ৈ লোচা মাটি ক্ৰয় কৰাৰ তথ্য পোহৰলৈ আহিছে। শিৱসাগৰত মিঞাই ভূমি ক্ৰয় কৰা সন্দৰ্ভত সৰৱ হৈছে জাতীয় সংগ্ৰামী সেনাৰ লগতে সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ শিৱসাগৰ জিলা সমিতি । ফুলবৰ আলি, একিবুল আলিসহ চাৰি মিঞাই কোৰামৰা সত্ৰ আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত ভূমি ক্ৰয় কৰাটো মানি লোৱা নহ'ব বুলি জাতীয় সংগ্ৰামী সেনাৰ লগতে সদৌ অসম গৰীয়া জাতীয় পৰিষদে স্পষ্ট কৰি দিছে । মিঞাৰ আগ্ৰাসন ৰোধ কৰি মিঞাই ক্ৰয় কৰা ভূমি খিনি পুনৰ ঘূৰাই লোৱাৰ বাবে জিলা প্ৰশাসনক দাবী জনাইছে।

# বটদ্ৰৱাত অবৈধ সুৰাৰ ব্যৱসায় বন্ধ কৰাৰ দাবী

**বাতৰি কাকত, বটদ্ৰৱা, ৪ জুন ঃ** নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ বিভিন্ন প্ৰান্তত যোৱা কিছুদিনৰ পৰা ব্যাপক ৰূপত বৃদ্ধি পাইছে চুৰি, ডকাইতিৰ দৰে ঘটনা। বিগত প্ৰায় এটা মাহৰ ভিতৰতে অঞ্চলটোৰ বিভিন্ন গাঁওত চুৰি ডকাইতিৰ ঘটনা বৃদ্ধি পাইছে। তদুপৰি মহাপুৰুষ গুৰুজনাৰ জন্মস্থান শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ দাতিকাষৰীয়া অঞ্চলত বিগত সময়ছোৱাত ব্যাপক ৰূপত বৃদ্ধি পাইছে অপৰাধজনিত ঘটনা। চুৰি ডকাইতিৰ সমান্তৰালকৈ অপৰাধ প্ৰৱণতা ইত্যাদিত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে । তদুপৰি একাংশ উচ্ছৃংখল যুৱক নিচাজাতীয় দ্ৰব্যৰ কবলত পৰিছে। আনহাতে চৰকাৰীভাৱে আইন বলবৎ কৰি কোৰবানী বন্ধ কৰাৰ পিছতো বটদ্ৰৱাৰ দাতিকাষৰীয়া শান্তিজান বজাৰ, কদমনি বজাৰ, ৰামপুৰৰ লক ডাউন বজাৰ ইত্যাদিৰ লগতে




ধনীয়াভেটি, পোৱালি হাজী বজাৰ আৰু হাৰুন মাৰ্কেটত অবৈধভাৱে গো মাংসৰ ব্যৱসায় চলাই আহিছে । যাৰ ফলত পাৰিপাৰ্শ্বিক ক্ষেত্ৰত প্ৰভাৱ পৰিছে আৰু পৰিৱেশৰ প্ৰদূষণমৃ ঘটিছে। আনহাতে মহাপুৰুষ গুৰুজনাৰ জন্মস্থান বটদ্ৰৱাৰ দাতিকাষৰীয়া ৰাইদঙীয়াৰ দৰে সাহিত্য সংস্কৃতিৰ আগৰণুৱা স্থানত চৰকাৰীভাৱে আবণ্টিত 'হাজৰিকা ৱাইনশ্বপ' নামৰ বিদেশী সুৰাৰ দোকানত বিভিন্ন ধৰণৰ সুৰাৰ সহজলভ্য হোৱাৰ পিছত বৃহত্তৰ বটদ্ৰৱা অঞ্চলৰ একাংশ নৱপ্ৰজন্মৰ যুৱক নিচাজাতীয় দ্ৰব্যৰ কবলত পৰি বিপথগামী হোৱাৰ অভিযোগ উঠিছে। ইয়াৰ ফলত বটদ্ৰৱাৰ ধৰ্মীয় আৰু সাংস্কৃতিক স্থানত ব্যাপকভাৱে বৃদ্ধি পাইছে অপৰাধজনিত ঘটনা আৰু অসামাজিক কাৰ্যকলাপ। তদুপৰি অঞ্চলটোত ঠাইয়ে ঠাইয়ে কাঠফুলাৰ দৰে একাংশ লোকে গঢ়ি তোলা ধাবা সমূহেও পৰিৱেশ বিঘ্নিত কৰিছে। অঞ্চলটোত দিন দুপৰতে বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ। তদুপৰি বটদ্ৰৱা থান দৰ্শন কৰিবলৈ অহা একাংশ উন্মত্ত লোক এই দোকানখনৰ গ্ৰাহক হোৱাৰ ফলত অঞ্চলটোৰ সামাজিক সাংস্কৃতিক পৰিৱেশৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে। একাংশ উচ্ছৃংখল যুৱকৰ অভিভাৱক অভিভাৱিকা সকল এই বিষয়ক লৈ চিন্তিত হোৱা পৰিলক্ষিত হৈছে। এনে পৰিস্থিতিত নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ ৰাইজে অঞ্চলটোৰ সামাজিক সাংস্কৃতিক পৰিৱেশৰ ভাৰসাম্যতা বজাই ৰখাৰ স্বাৰ্থত সকলো ধৰণৰ সুৰাৰ ব্যৱসায় বন্ধ কৰাৰ দাবী জনাইছে। আৰু বটদ্ৰৱাকে প্ৰমুখ্য কৰি বৃহত্তৰ অঞ্চলটোক সুৰামুক্ত অঞ্চল হিচাপে ঘোষণা কৰিবলৈ নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ লগতে নগাঁও - বটদ্ৰৱাৰ বিধায়ক ৰূপক শৰ্মাক পদক্ষেপ গ্ৰহণৰ বাবে আহ্বান জনাইছে অঞ্চলটোৰ সচেতন ৰাইজে।

## ফুটবল খেলুৱৈ ছাইব আফৰাজ আলীক সম্বৰ্ধনাজ্ঞা

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৪ জুন ঃ** শিৱসাগৰ শিশু ফুটবল কোচিং চেণ্টাৰৰ ছাইব আফৰাজ আলী মুম্বাই ৰিলায়েন্স ফুটবল একাডেমীলৈ উন্নত প্ৰশিক্ষণৰ বাবে অসমৰ এঘাৰজন খেলুৱৈৰ ভিতৰত নিৰ্বাচিত হৈ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে, এইবাৰ শিৱসাগৰ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা আফৰাজ আলী নিৰ্বাচিত হোৱাত জন্মস্থান দিচাংঘাটৰ লগতে সমগ্ৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। কালি দিচাংঘাট যুৱ সংঘৰ উদ্যোগত এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয় । দিচাংঘাট যুৱ সংঘৰ সভাপতি বদৰুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আমজাদ আলী, গাঁও প্ৰধান মকিবুৰ ৰহমান, সমাজকৰ্মী ৱালিফুৰ ৰহমানকে ধৰি বহুসংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকি খেলুৱৈজনক সঁফুৰা, গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। আনহাতে কালি খেলুৱৈগৰাকীৰ ঘৰত বৃহত্তৰ জেঙেনকটীয়া যুৱ সমাজৰ সভাপতি মৃদুল আলী আৰু সম্পাদক মকিবউদিন আহমেদ উপস্থিত হৈ সম্বৰ্ধনা পত্ৰ, গামোচাৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে । উল্লেখ্য যে, শিশু ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা ক্ৰমে ২০২৪ চনত নিবিড় শইকীয়া, ২০২৫ চনত বৰ্ণিল গোহাঁইয়ে মুম্বাইৰ উক্ত একাডেমিত প্ৰশিক্ষণ লাভ কৰিছিল। এইসকল খেলুৱৈ শিৱসাগৰ জিলাৰ শিশু ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা প্ৰশিক্ষিত খেলুৱৈ আছিল। আফৰাজৰ এনে সাফল্যই শিৱসাগৰলৈ গৌৰৱ কঢ়িয়াই আনিছে।

## প্ৰশিক্ষণ প্ৰাপ্ত গৃহৰক্ষী জোৱানৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, নাজিৰা, ৪ জুন ঃ** অসম চৰকাৰৰ গৃহ বিভাগৰ অন্তৰ্গত প্ৰশিক্ষণ প্ৰাপ্ত গৃহৰক্ষী জোৱান সকলে নিতৌ নিজৰ জীৱনৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি অতি কষ্ট আৰু নিষ্ঠা সহকাৰে বিভিন্ন চৰকাৰী, বে-চৰকাৰী প্ৰতিষ্ঠানত কৰ্তব্য পালন কৰি আহিছে। সমগ্ৰ অসমৰ লগতে শিৱসাগৰ জিলা প্ৰশিক্ষণ প্ৰাপ্ত গৃহৰক্ষী জোৱান সকলৰ বিভিন্ন সমস্যা সমাধানৰ কাৰণে বিগত সময়ত চৰকাৰ তথা গৃহ বিভাগৰ মন্ত্ৰী, মুখ্যমন্ত্ৰী আদিলৈ বাৰম্বাৰ আবেদন তথা স্মাৰক পত্ৰ প্ৰদান কৰি আহিছে যদিও এই প্ৰশিক্ষণ প্ৰাপ্ত গৃহৰক্ষী জোৱান সকলৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে কোনো সু পৰিকল্পিত পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। শেহতীয়াকৈ সদৌ অসম প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী সন্থাৰ শিৱসাগৰ জিলা সমিতিয়ে



শিৱসাগৰ জিলাত গৃহৰক্ষী বাহিনীৰ অধিনায়কৰ কাৰ্যালয় নোহোৱাত বহু সমস্যাৰ সন্মুখীন হৈ অহাত শিৱসাগৰ জিলাত গৃহৰক্ষী বাহিনীৰ অধিনায়কৰ কাৰ্যালয় স্থাপন কৰা , বছৰি উচ্চ প্ৰশিক্ষণ গ্ৰহণ কৰা গৃহৰক্ষী জোৱানক নতুন বেটেলিয়নত নিযুক্তি প্ৰদান কৰা, কৰ্তব্যৰত থলুৱা গৃহৰক্ষী জোৱানৰ ওপৰত অন্যায় বন্ধ কৰাৰ দাবী জনাইছে। সদৌ অসম প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি বুবুল কলিতা, কাৰ্যকৰী সভাপতি হেম গগৈ আৰু সহকাৰী সম্পাদক যাদৱ দাসৰ স্বাক্ষৰত উক্ত দাবী সমূহ শীঘ্ৰে সমাধানৰ প্ৰদক্ষেপ গ্ৰহণৰ বাবে ৰ জুনত নাজিৰা বিধানসভা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক ময়ুৰ বৰগোহাঁইৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখনি স্মাৰকপত্ৰ প্ৰদান কৰিছে।

**Name Correction**

I, Bijumani Basumatary, W/o- Prem Das, R/o- House No. 108, Birubari, Nizarapar, P.O.-Gopinath Nagar, Guwahati, Kamrup (m), Assam, Pin-781016, have changed my minor daughter's name from Kamakshi Das to Kamakshi Basumatary. I have executed on affidavit before the Judicial Majistrate 1st class at Amingaon, Kamrup on 2nd June, 2026 Hence forth, she shall be known as Kamakshi Basumatary across all decuments for all purposes.

# কণ্ঠ স্তব্ধ হ'ল বৰক্ষেত্ৰীৰ এগৰাকী প্ৰতিভাশালী শিল্পীৰ

**বাতৰি কাকত, মুকালমুৱা, ৪ জুন ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ ২ নং জয়সাগৰৰ এগৰাকী শিল্পীৰ বেদনাক্লিষ্ট ছবিয়ে সকলোৰে চকু সেমেকাই তুলিছে। আজিৰ পৰা ৪ বছৰ পূৰ্বে যিগৰাকী শিল্পীৰ কণ্ঠ, গীতেৰে মুখৰিত হৈছিল নলবাৰীৰ বিভিন্ন প্ৰান্তৰ সাংস্কৃতিক মঞ্চ। কেইবাটাও সুমধুৰ গীত ৰেকৰ্ডিং কৰি জয় কৰিছিল ৰাইজৰ মন, সেইগৰাকী কণ্ঠশিল্পী হৈছে বৰক্ষেত্ৰীৰ ২নং জয়সাগৰ গাওঁ নিবাসী জনপ্ৰিয় কণ্ঠশিল্পী নৱাৰ আহমেদ আজি নিয়তিৰ নিষ্ঠুৰ পৰিহাসৰ বলি। বিগত ৪ বছৰে জটিল ৰোগত আক্ৰান্ত হৈ শয্যাশায়ী শিল্পীগৰাকীৰ ঘৰত এতিয়া মাথোঁ চকুলো আৰু কান্দোনৰ ৰোল। দুৰ্ভগীয়া পৰিয়ালটোৱে দীৰ্ঘদিন ধৰি শিল্পীগৰাকীক চিকিৎসা কৰি-কৰি মাটি-বাৰীসহ সৰ্বস্ব বিক্ৰী কৰিবলগীয়াত পৰিছে। শিল্পীগৰাকীক জীয়াই ৰাখিবলৈ এতিয়া প্ৰতিদিনে ২০০ টকাৰ ইনজেকচনৰ প্ৰয়োজন যদিও চৰম দাৰিদ্ৰৰ কৱলত পৰা পৰিয়ালটোৰ হাতত এতিয়া দৈনিক ২০০ টকা ক্ৰয় কৰিবলৈকো কোনো সম্বল নথকাত এতিয়া হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে পৰিয়ালটোত। উল্লেখ্য যে, পূৰ্বতে অঞ্চলটোৰ শিল্পী সমাজ তথা শুভাকাংক্ষীসকলে কিছু সহায়ৰ হাত আগবঢ়াইছিল যদিও বৰ্তমান সময়ত তেওঁৰ স্বাস্থ্য আৰু আৰ্থিক অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। আনহাতে, স্বামীৰ চিকিৎসা, সংসাৰৰ খৰচ আৰু তিনিটাকৈ সন্তানৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ বাবে এতিয়া নৱাৰ আহমেদৰ পত্নীয়ে চলাইছে বুকু কঁপি উঠা জীৱন সংগ্ৰাম।পৰিয়ালটোক দুবেলা দুমুঠি খুৱাবলৈ আৰু স্বামীৰ পথ্যৰ যোগান ধৰিবলৈ তেওঁ দিনৰ ভাগত মাত্ৰ ১০০ টকা দৈনিক মজুৰিত লোকৰ ঘৰত কাম কৰিবলগীয়া হৈছে। ইমানতে শেষ নহয়, দিনটোৰ পৰিশ্ৰমৰ অন্তত নিশা হ'লে আকৌ তাঁতশালত বহি কাপোৰ বৈ পৰিয়ালটো পোহপাল দিবলৈ আপ্ৰাণ চেষ্টা চলাইছে এইগৰাকী দুৰ্ভগীয়া মহিলাই। কিন্তু এই চৰম আৰ্থিক অনাটনৰ মাজত সন্তান তিনিটাৰ ভৱিষ্যত আৰু পঢ়া-শুনা এতিয়া সম্পূৰ্ণ অন্ধকাৰৰ দিশে গতি কৰিছে। স্বামীৰ চিকিৎসা আৰু চ সন্তানৰ পঢ়া-শুনাৰ বাবে পত্নীয়ে দিনে ১০০ টকা মজুৰিত লোকৰ ঘৰত কাম কৰি আৰু নিশাটো তাঁতশালত বহি চলাইছে এক বুকুত কঁপি উঠা জীৱন সংগ্ৰাম। এনে সংকটপূৰ্ণ মুহূৰ্তত উপায়হীন হৈ দুৰ্ভগীয়া পৰিয়ালটোৱে চিকিৎসা আৰু জীৱন-ধাৰণৰ বাবে অসম চৰকাৰৰ লগতে বৰক্ষেত্ৰীৰ স্থানীয় বিধায়ক নাৰায়ণ ডেকাক সহায়ৰ বাবে কাতৰ আহ্বান জনাইছে। এতিয়া প্ৰশ্ন হয় চৰকাৰৰ সাংস্কৃতিক বিভাগ, স্থানীয় জনপ্ৰতিনিধি তথা সচেতন সমাজে এইগৰাকী দুৰ্গত শিল্পীৰ আৰ্তনাদ তথা বিননি শুনিবলৈ সময় হ'বনে? সমূহ অঞ্চলবাসীয়ে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শিল্পীগৰাকীৰ অসহায় পৰিয়ালটোক সহায়ৰ হাত আগবঢ়াবলৈ কাতৰ আহ্বান জনাইছে।

# ৰাষ্ট্ৰীয় টিকাকৰণ দিৱস উপলক্ষে জিলা টাস্ক ফ'ৰ্চ সভা সম্পন্ন



**ষ্টাফ ৰিপৰ্টাৰ, বৰপেটা, ৪ জুন ঃ** ২৮ জুনত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় টিকাকৰণ দিৱস সন্দৰ্ভত বৰপেটাৰ আমচা ভৱনত স্বাস্থ্য বিভাগৰ দাযিত্বত থকা বৰপেটা জিলাৰ অতিৰিক্ত আয়ুক্তৰ সভাপতিত্বত আজি এখন জিলা টাস্ক ফ'ৰ্চ সভা অনুষ্ঠিত হয়। সভাত শিক্ষা বিভাগ, সমাজ কল্যাণ বিভাগ, জনসংযোগ, অসম শক্তি বিতৰণ বিভাগ আদি বিভিন্ন সংশ্লিষ্ট বিভাগৰ প্ৰতিনিধিৰ লগতে বৰপেটা জিলাৰ স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে। সভাৰ মূল উদ্দেশ্য আছিল পলিঅ' টিকাকৰণ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে প্ৰস্তুতি পৰ্যালোচনা আৰু আন্তঃবিভাগীয় সমন্বয় নিশ্চিত কৰা। সভাত প্ৰকাশ অনুসৰি, ২৮ জুনত 'পলিঅ' ৰবিবাৰ' পালন কৰা হ'ব। উক্ত দিনা জিলাজুৰি স্থাপন কৰা বিভিন্ন টিকাকৰণ কেন্দ্ৰত পাঁচ বছৰৰ তলৰ সকলো শিশুক মুখেৰে খুওৱা পলিঅ' টিকা (OPV) প্ৰদান কৰা হ'ব। ইয়াৰ পিছত ২৯ আৰু ৩০ জুনত স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ টীকাকৰণ কেন্দ্ৰত বাদ পৰা শিশুসকলক টিকাকৰণৰ আওতালৈ আনিব। ইয়াৰ উপৰিও, ২৮ জুনৰ পৰা ৩০ জুনলৈকে তিনিওটা দিনতে বাছ ষ্টেণ্ড, ৰে'ল ষ্টেচন, বজাৰ এলেকা আৰু অন্যান্য যাতায়াত কেন্দ্ৰসমূহত ট্ৰানজিট টিকাকৰণ কাৰ্যকলাপ চলোৱা হ'ব, যাতে কোনো যোগ্য শিশু টিকাকৰণৰ পৰা বঞ্চিত নহয়। এইবাৰ বৰপেটা আৰুবজালী জিলাক সামৰি অভিযানৰ অধীনত পাঁচ বছৰৰ তলৰ ২,৭৯,৫৩৬ জন শিশুক লক্ষ্য হিচাপে ধৰা হৈছে। সভাত বৰপেটা স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্য সঞ্চালক, অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া, বৰপেটা, জিলা টিকাকৰণ বিষয়া, আৰুৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, বৰপেটাৰ বিষয়াবৰ্গও উপস্থিত থাকে। সভাত অতিৰিক্ত জিলা আয়ুক্ত ডিম্পী গগৈয়ে ১০০ শতাংশ টিকাকৰণ কভাৰেজ নিশ্চিত কৰিবলৈ সকলো বিভাগৰ সমন্বিত প্ৰচেষ্টা আৰু জনসাধাৰণৰ সক্ৰিয় সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

## পৰিভ্ৰমী চৰাই সহ চিকাৰী আটক



**বাতৰি কাকত, কচুৱা, ৪ জুন ঃ** কামপুৰ চিউগুৰিত পৰিভ্ৰমী চৰাই সহ এটা চিকাৰীক আটক বনবিভাগৰ। গোপন সূত্ৰৰ খবৰৰ ভিত্তিত কামপুৰ আঞ্চলিক বনবিভাগে অভিযান চলাই আবুল বাছাৰ নামৰ চিকাৰীটোক আটক কৰে। চিকাৰীটোৰ পৰা পাঁচটা শৰালি হাঁহ আৰু এটা কপৌ চৰাই উদ্ধাৰ কৰে । ধৃত চিকাৰীটোৱে বৰফাকলি বিলৰ পৰা বনৰীয়া পক্ষী সমূহ ধৰি আনি বিভিন্ন স্থানত বিক্ৰী কৰি আহিছিল। বৰ্তমান বনবিভাগে জেল হাজোতলৈ প্ৰেৰণ কৰিছে ধৃত চিকাৰীটোক।

## কবি নোমল দাস লৈ জীৱনজোৰা সাধনা বঁটাৰ সন্মান



**বাতৰি কাকত, ৰহা, ৪ জুন ঃ** সদৌ অসম কবি চক্ৰৰ বাৰ্ষিক প্ৰতিনিধিমূলক সাধাৰণ সভাখন ৩০-৩ৰ মে'ত দুদিনীয়া কাৰ্যসূচীৰে মৰিগাওঁ জিলাৰ তেলাহীস্থিত 'হেপি ভেলি নেচনেল বিদ্যালয়' প্ৰাংগণত মৰিগাঁও জিলা কবি চক্ৰৰ আতিথ্যত অনুষ্ঠিত হৈ যায়। কবি চক্ৰৰ সভাপতি ধীৰেণ চন্দ্ৰ বৰা আৰু প্ৰধান সম্পাদক সৰ্বেশ্বৰ গগৈয়ে জনোৱা অনুসৰি ৩০ মে'ত সন্ধিয়া ৭ বজাত আঁহতগুৰিৰ অম্বেদকাৰ ভৱনত প্ৰতিনিধি শিবিৰ মুকলি কৰে শিক্ষাবিদ, অধ্যক্ষ, উমেশ দাসে । ৩১ মে' পুৱা পুৱা ৮ বজাত তেলাহিস্থিত হেপী ভেলি নেচনেল বিদ্যালয় প্ৰাংগনত বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ন কৰে পাৰ্থপ্ৰতিম গোস্বামী আৰু ড° কেশৱ বৰাই। পুৱা ৯ বজাত বৃক্ষ ৰোপন কাৰ্যসূচী সম্পন্ন কৰে চক্ৰৰ উপদেষ্টা, নোমন দাস আৰু নেত্ৰৰঞ্জন বৰাই। ১০ বজাত পতাকা উত্তোলন কৰে সভাপতি ধীৰেণ চন্দ্ৰ বড়াই। তাৰ পিছত প্ৰতিনিধি কবিসকলৰ নাম পঞ্জীয়নৰ লগতে কবি সম্মিলন উদ্বোধন কৰে নৰেন ৰাজখোৱাই আৰু কবিতা পাঠ অনুষ্ঠানৰ সঞ্চালনা কৰে যদুনাথ বশিষ্ঠই। কাৰ্যসূচীৰ আঁত ধৰে অৰুন মহন্তই। মুঠ ৮০ গৰাকী নবীন প্ৰবীন কবিয়ে কবিতা পাঠ কৰে । দিনৰ ১২ বজাৰ পৰা আৰম্ভ হোৱা প্ৰতিনিধিমূলক সাধাৰণ সভখন উদ্বোধন কৰে ধৰমতুল স্বৰ্ণশাখা সাহিত্য সভাৰ সম্পাদক, ভবানন্দ বৰাই। সভাত সভাপতিত্ব কৰে ধীৰেণ চন্দ্ৰ বৰাই । সভাত পৰ্যবেশক হিচাপে উপস্থিত থাকে কবি চক্ৰৰ মূখ্য প্ৰতিষ্ঠাপক বিতুমনি গোস্বামী। সভাত বিশিষ্ট কবি, সাংবাদিক নোমল চন্দ্ৰ দাসক জীৱন জোৰা সাহিত্য সাধনা বঁটা, লখিমপুৰ জিলাৰ মুখেশ্বৰ চুতীয়াক কৃষক বন্ধু বঁটা, আৰু গহপুৰৰ পৱন বৰাক সুদক্ষ সদস্য বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত কাব্য কৰণি আৰু উন্মেষ চক্ৰৰ বাৰ্ষিক বাৰ্ষিক পত্ৰিকা। উন্মোচন কৰা হয়।

## বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াৰ প্ৰতিক্ৰিয়া

**ষ্টাফ ৰিপৰ্টাৰ, নাজিৰা, ৪ জুন ঃ** ১৫ সংখ্যক অসম বিধাসভাৰ সদনৰ দলপতি তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ দিনত লুণ্ঠন আৰু কেলেংকাৰীৰ এক বৃহৎ অভিযোগ উঠিছে। এই কেলেংকাৰীৰ অভিযোগ সন্দৰ্ভত তেতিয়াৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, এই কাৰ্যকালত নতুন বিধানসভা ভৱন, অট্টালিকা, বিধায়কৰ বাবে শৰীৰচৰ্চা কেন্দ্ৰ, ডিজিটেল মিউজিয়াম ইত্যাদি নিৰ্মাণ কৰা হৈছিল য'ত ৰাজকোষৰ কোটি কোটি টকা ব্যয় কৰা হৈছিল। এই সকলোবোৰ মুকলি কৰিছিল মুখ্যমন্ত্ৰী তথা সদনৰ দলপতি ড° হিমন্ত বিশ্ব শৰ্মাই। এতিয়া প্ৰশ্ন হয় যে, যিবোৰ কেলেংকাৰী, দুৰ্নীতি তথা অনিয়মৰ কথা বৰ্তমান ওলাইছে, এইবোৰৰ সম্ভেদ মুখ্যমন্ত্ৰীৰ আছিল নে নাই? সেয়া মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে ইয়াৰ স্পষ্টীকৰণ দিয়া উচিত। দেৱব্ৰত শইকীয়াই লগতে কয়, এতিয়া প্ৰশ্ন উঠিছে, যি বিজেপি চৰকাৰে দুৰ্নীতিৰ প্ৰতি শূণ্য সহনশীলতাৰ কথা কয়, সেই চৰকাৰৰ নাকৰ তলতে এনেবোৰ অনিয়ম সকলোৰে অগোচৰে চলি থকাটো সম্ভৱনে? দ্বিতীয়তে, এই অভিযোগবোৰৰ তদন্ত কৰিবলৈ কি পদক্ষেপ গ্ৰহণ কৰা হ'ব তাৰ সবিশেষ সদনৰ দলপতি তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু সন্মানীয় অধ্যক্ষ শ্ৰী ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াই অসমৰ ৰাইজক জনাবনে? নে এইবোৰো দায়সৰা মন্তব্য দি থাপি-থুপি থ'বলৈ চেষ্টা কৰা হ'ব? আশা কৰিছো, দুৰ্নীতিৰ প্ৰতি শূণ্য সহনশীল বিজেপি চৰকাৰে নিৰপেক্ষভাৱে অভিযোগবোৰৰ তদন্ত কৰি প্ৰতিবেদন ৰাজহুৱা কৰিবলৈ সৎ সাহস দেখুওৱাবৰ বাবে দাবী জনাইছে অসম বিধানসভাৰ বিৰোধী দলৰ প্ৰাক্তন দলপতি দেৱব্ৰত শইকীয়াই।

# ৰাজ্য চৰকাৰৰ সামাজিক ন্যায়, সৰলীকৰণ বিভাগৰ সঞ্চালকালয়ৰ সঞ্চালক সুস্বপ্না কাকতিৰে বৈঠক অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ নেতৃবৰ্গৰ

**গুৱাহাটী,৪জুনঃ** ৰাজ্যখনৰ ষাঠিৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলৰ বিভিন্ন সমস্যাৱলীৰ সন্দৰ্ভত আলোচনা কৰিবলৈ বুলি অসম চৰকাৰৰ 'সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগ'ৰ সঞ্চালকালয়ৰ সদ্যনিযুক্ত সঞ্চালক সুস্বপ্না কাকতিৰে সৈতে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি বানেশ্বৰ খাউণ্ড, প্ৰধান সম্পাদক প্ৰসন্ন কুমাৰ বৰঠাকুৰ, স্বাস্থ্য সম্পাদক ডাঃ বুধিন শইকীয়া, শিক্ষা সম্পাদক মালাশ্ৰী লস্কৰ বৰা, বিত্ত সম্পাদক সতীশ চন্দ্ৰ অধিকাৰী, কাৰ্যকৰী সদস্য ড° প্ৰিয়কান্ত গোস্বামী আৰু কাৰ্যালয় সম্পাদক প্ৰদীপ ৰঞ্জন সন্দিকৈৰে গঠিত প্ৰতিনিধি দলটোৱে ২ জুনত বিভাগৰ বেলতলাস্থিত কাৰ্যালয়ত আলোচনাত মিলিত হয়। অসম চৰকাৰৰ জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ অধ্যক্ষ ড° প্ৰদীপ ঠাকুৰীয়ায়ো এই আলোচনাত অংশগ্ৰহণ কৰে। ২০০৭ চনতে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ঘোষিত "Maintenance and Welfare of Parents and Senior Citizens' Act,2007" বাস্তৱত ৰূপায়িত নকৰাৰ হেতু জ্যেষ্ঠ নাগৰিকসকলৰ সমস্যাসমূহে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ প্ৰসংগ টানি সন্মিলনৰ তৰফৰ পৰা কোৱা হয় যে, ২০১২ চনতে ৰাজ্যপালৰ দ্বাৰা অধিসূচীত হোৱা 'অসম ৰাজ্যিক অভিভাৱক আৰু জ্যেষ্ঠ নাগৰিকৰ ভৰণ-পোষণ আৰু কল্যাণ বিধি,২০১২' তাৎক্ষণিকভাৱে কাৰ্যকৰী কৰি জিলাই জিলাই 'ভৰণ-পোষণ ন্যায়াধিকৰণ' গঠন কৰিব লাগে, এনে ব্যৱস্থাপনাক ফলপ্ৰসূ কৰি তুলিবলৈ জিলাই জিলাই সামাজিক ন্যায় আৰু সৰলীকৰণ জিলা বিষয়া নিয়োগ কৰিব লাগে, জ্যেষ্ঠ নাগৰিক বিশেষকৈ অকলশৰীয়া বৃদ্ধ দম্পতিসকলৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ্থে নিৰ্ভৰযোগ্য পৰিৱেশ ৰচনা কৰিব লাগে আৰু জিলাই জিলাই গুণগত মানৰ যথাসংখ্যক বৃদ্ধনিৱাস স্থাপন কৰিব লাগে। প্ৰতিনিধি দলটিয়ে ২০১২ চনৰ এই অধিনিয়ম অচিৰেই কাৰ্যকৰী কৰাৰ লগতে অধিনিয়মৰ যি শেহতীয়া সংশোধিত(২০২৫) খচৰা যোৱা ২০ জুনত বিভাগৰ হাতত দাখিল কৰা হৈছিল সেই খচৰাৰ চূড়ান্ত ৰূপ দানেৰে জ্যেষ্ঠ নাগৰিকসকলৰ যথাযোগ্য চিকিৎসা ব্যৱস্থাৰ লগতে ৰাজ্যিক নীতিৰ আউটিত থকা সা-সুবিধাসমূহৰ উপলব্ধতা নিশ্চিত কৰাৰ বাবে আহ্বান জনায়।



পূৰ্বতে সচিব পৰ্যায়ত কৰা আলোচনাৰ জেৰ টানি ২০১৫ চনতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত প্ৰতিষ্ঠা কৰা আঞ্চলিক জেৰিয়াট্ৰিক ৱাৰ্ডক পুনৰুজ্জীৱিত কৰা, মহাবিদ্যালয়খনত জেৰিয়াট্ৰিক পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিবলৈ জেৰিয়াট্ৰিক বিভাগ খোলা আৰু পৰ্যায়ক্ৰমে ৰাজ্যখনৰ আন চিকিৎসা মহাবিদ্যালয়সমূহতো অনুৰূপ ব্যৱস্থা লোৱা, জিলা চিকিৎসালয়সমূহত যথাসংখ্যক বিছনাযুক্ত জেৰিয়াট্ৰিক ৱাৰ্ড ৰখা আদি প্ৰক্ৰিয়াত পলম নকৰিবলৈ বিষয়াগৰাকীক অনুৰোধ জনায়। স্কুল-কলেজ আৰু বিশ্ববিদ্যালয়সমূহৰ শৈক্ষিক পাঠ্যক্ৰমত বয়স্কলোকৰ পৰিৱৰ্তিত শাৰীৰিক আৰু মানসিক অৱস্থা সম্বন্ধীয় পাঠ অন্তৰ্ভুক্তিৰে বয়স্কলোকৰ প্ৰতি অনুজসকলৰ থাকিবলগীয়া দায়বদ্ধতা সম্বন্ধে ছাত্ৰাৱস্থাতে প্ৰকৃত বোধ প্ৰোথিত কৰিব পৰাকৈ পাঠ্যক্ৰমত অধ্যয়ন আৰু গৱেষণা সন্নিৱিষ্ট কৰাৰ সন্দৰ্ভত লক্ষ্যপথ নিৰ্ণয় কৰিবলৈ সংশ্লিষ্ট বিভাগ আৰু সন্মিলনৰ নেতৃত্বৰ মাজত অচিৰেই এক আলোচনাৰ ব্যৱস্থা কৰা হ'ব বুলি সঞ্চালকগৰাকীয়ে আশ্বাস প্ৰদান কৰে। চৰকাৰী চিকিৎসালয়সমূহত জ্যেষ্ঠ নাগৰিকৰ বাবে পঞ্জীয়ন মাচুলকে ধৰি চিকিৎসা বিনামূলীয়া কৰা, ব্যক্তিগত চিকিৎসালয়সমূহত চিকিৎসা ব্যয়ৰ ৫০ শতাংশ ৰেহাই দিয়া, জিলা প্ৰশাসনৰ পৰা জ্যেষ্ঠ নাগৰিকৰ পৰিচয়পত্ৰ প্ৰদানৰ ক্ষেত্ৰত বৰ্তমানে থকা জটিলতাসমূহ আঁতৰ কৰা, বৰ্তমানে বিলুপ্ত কৰা চৰকাৰী বাছসমূহৰ চলাচল পুনৰ প্ৰৱৰ্তনেৰে ৰাজ্যখনৰ ভিন্ন স্থানলৈ ৰেহাই বাছভাড়াত জ্যেষ্ঠ নাগৰিকক যাতায়াতৰ সুবিধা প্ৰদান কৰা, মহানগৰৰ চিটীবাছসমূহত জ্যেষ্ঠ নাগৰিকৰ বাবে ৰেহাই হাৰত ভাড়া প্ৰৱৰ্তন কৰা,নগৰ-চহৰৰ পদপথসমূহ পথ-ব্যৱসায়ীৰ পৰা সম্পূৰ্ণভাৱে মুক্ত কৰা, মাহিলি বৃদ্ধপেঞ্চন চাৰিশ টকাৰ পৰিৱৰ্তে দুহাজাৰ টকালৈ বৃদ্ধি কৰা, পুণ্যধাম যাত্ৰাৰ ক্ষেত্ৰত বয়সৰ সীমা ৮০ বছৰলৈ বৃদ্ধি কৰা, সকলো চহৰতে জ্যেষ্ঠ নাগৰিকৰ বাবে দিবা সেৱাকেন্দ্ৰ স্থাপন কৰা, নগৰ আৰু গ্ৰাম এলেকাত জ্যেষ্ঠ নাগৰিকৰ উদ্যান, বহুমুখী সেৱাকেন্দ্ৰ স্থাপন কৰা আৰু ভৱিষ্যতে এনেবোৰ সা-সুবিধা স্থাপনাৰ্থে ভূমি সংৰক্ষিত কৰা, জ্যেষ্ঠ নাগৰিকসকলক আয়কৰ আৰু টোলগেট কৰমুক্ত কৰা, ক'ভিডকালীন পৰিস্থিতিৰ পূৰ্বতে থকা ৰে'লভাড়াৰ ৰেহাই ব্যৱস্থা তৎকালীনভাৱে পুনৰ প্ৰৱৰ্তন কৰা আদি তাহানিখনৰে পৰা জনাই অহা ন্যায়সংগত দাবীসমূহ পূৰণ কৰাৰ অৰ্থে তৎপৰতাৰে ব্যৱস্থা ল'বলৈ প্ৰতিনিধি দলটিৰ ফালৰ পৰা অনুৰোধ জনোৱা হয়।শেষত বিভাগটোৰ সকলোবোৰ যোগাযোগ আৰু কাম-কাজৰ ক্ষেত্ৰত অসমীয়া ভাষা প্ৰয়োগ কৰিবলৈ সন্মিলনৰ তৰফৰ পৰা আগবঢ়োৱা পৰামৰ্শৰ প্ৰতি সঞ্চালকগৰাকীয়ে ইতিবাচক সঁহাৰি জনায়। নৱ-নিৰ্বাচিত ৰাজ্যিক চৰকাৰৰ মন্ত্ৰী পৰিষদ গঠন হোৱাৰ পাছতে সংশ্লিষ্ট বিভাগৰ মন্ত্ৰীৰ অধ্যক্ষতাত 'পৰামৰ্শদাতা সমিতি' (Advisory Committee) গঠন কৰি পৰৱৰ্তী সময়ত জ্যেষ্ঠ নাগৰিকৰ সমস্যাৱলীৰ সমাধানাৰ্থে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদানেৰে সঞ্চালকগৰাকীয়ে বৈঠকৰ সামৰণি ঘোষণা কৰে।

# ডাঃ মীড়নন্দা বৰঠাকুৰলৈ প্ৰচাৰ ভাৰতীৰ সৰ্বোচ্চ সন্মান প্ৰদান



**গুৱাহাটী, ৪ জুনঃ** যশস্বী নৃত্যশিল্পী ডাঃ মীড়নন্দা বৰঠাকুৰে শেহতীয়াকৈ প্ৰচাৰভাৰতীৰ সৰ্বোচ্চ স্বীকৃতি (Top Grade)ৰ মৰ্যাদা লাভ কৰিছে। নৱপ্ৰজন্মৰ কাৰণে সংগীত নাটক একাডেমীয়ে ২০০৮-২০০৯ বছৰৰ বাবে আগবঢ়োৱা 'বিছমিল্লা খান' বঁটা পোনপ্ৰথমে লাভ কৰাৰে পৰা ড° মিড়নন্দাই সত্ৰীয়ানৃত্যৰ কৃচ্ছ সাধনাৰে নানান সন্মান লাভ কৰিছে আৰু সত্ৰীয়া সংস্কৃতিলৈ অনবদ্য অৰিহণা যোগাই আহিছে। সম্প্ৰতি তেওঁ নিউ আৰ্ট প্লেয়াৰ্ছ আৰু মুক্তিমংগলৰ জৰিয়তে ভাৰতীয় নৃত্য - নাট্য জগতৰ সৰ্বাত্মক বিকাশৰ বাবে ব্ৰতী হৈ আছে।

# ৭জুনলৈকে ফ্লিপকাৰ্টৰ জিআৰডব্লিউ এম ফেশ্বন ছেল

**গুৱাহাটী,৪ জুনঃ** ভাৰতৰ ঘৰুৱা ই-কমাৰ্চ মাৰ্কেটপ্লেচ ফ্লিপকাৰ্টে আৰম্ভ কৰিছে ইয়াৰ শেহতীয়া ফেশ্বন নেতৃত্বাধীন বিক্ৰী অভিযান 'জি আৰ ডব্লিউ এম জি আৰ ডব্লিউ এম'। ইয়াক ডিজিটেল-প্ৰথম গ্ৰাহকৰ বাবে বজাৰ অভিজ্ঞতাক সাংস্কৃতিক মুহূৰ্তলৈ ৰূপান্তৰিত কৰিব পৰাকৈ ডিজাইন কৰা হৈছে। বিশ্বজুৰি জনপ্ৰিয় জেন জি ট্ৰেণ্ড 'জি আৰ ডব্লিউ এম' (গেট ৰেডি উইথ মি)ৰ পৰা অনুপ্ৰাণিত হৈ, 'গৰম গৰম' হিচাপে উচ্চাৰণ কৰা এক আকৰ্ষণীয় ভাৰতীয় টুইষ্টৰ সৈতে পুনৰ কল্পনা কৰা। এই অভিযানে ফ্লিপকাৰ্ট ফেশ্বনৰ ফ্লেগশ্বিপ এণ্ড-অফ-ছিজন বিক্ৰীক এক সতেজ, ট্ৰেণ্ড-ফাৰ্ষ্ট পৰিচয় প্ৰদান কৰে। ক্লিয়াৰেন্স-নেতৃত্বাধীন বিক্ৰীৰ গতানুগতিক ধাৰণাটোৰ বাহিৰলৈ গৈ, এই বিক্ৰী অভিযানে নতুন, ট্ৰেণ্ডিং আৰু সাংস্কৃতিকভাৱে প্ৰাসংগিক ধাৰাক উদযাপন কৰে। ই বজাৰ বিক্ৰেতা আৰু ঘৰতে উৎপাদিত ডি২চি ব্ৰেণ্ডৰ ক্ৰমবৰ্ধমান পৰিৱেশতন্ত্ৰৰ জৰিয়তে পৰৱৰ্তী ২০০ নিযুত ভাৰতীয়ক ফেশ্বনৰ বাবে অনলাইন প্লেটফৰ্মলৈ কঢ়িয়াই অনাৰ প্ৰতিশ্ৰুতিক আৰু অধিক শক্তিশালী কৰে। আগশাৰীৰ ফেশ্বন ব্ৰেণ্ড, সম্ভাৱনাপূৰ্ণ ডি২চি লেবেল, মাৰ্কেটপ্লেচ বিক্ৰেতা আৰু এক ক্ৰমবৰ্ধমান ক্ৰিয়েটৰ পৰিৱেশতন্ত্ৰৰ অংশগ্ৰহণৰ সৈতে, জি আৰ ডব্লিউএম জি আৰ ডব্লিউ এমে ১০ লাখ প্লাছ ট্ৰেণ্ডি সামগ্ৰী, ৫০ টাতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা ব্ৰেণ্ড, ৰোমাঞ্চকৰ বজাৰ ৰিৱাৰ্ড, স্ক্ৰেচ কাৰ্ড, ছুপাৰকইন অফাৰ আদিকে ধৰি ফেশ্বন-ফৰৱাৰ্ড শ্বপিঙক উন্নীত কৰে। যিয়ে সমগ্ৰ ভাৰতৰ গ্ৰাহকৰ বাবে সকলো জনপ্ৰিয় শৈলী আৰু বাজেটৰ পৰিসৰত উচ্চ শক্তিৰ ফেশ্বন অভিজ্ঞতা প্ৰদান কৰে। বেগী জিন্সৰ পৰা আৰম্ভ কৰি কোৰিয়ান ট্ৰাউজাৰ, ফুলাম ড্ৰেছৰ পৰা আৰম্ভ কৰি পালাজ' চেট, আৰু শীৰ্ষ আন্তঃৰাষ্ট্ৰীয় আৰু ডি২চি ব্ৰেণ্ডলৈকে এই অভিযানে সমগ্ৰ দেশৰ লাখ লাখ গ্ৰাহকক একত্ৰিত কৰে। এই অভিযান সন্দৰ্ভত ফ্লিপকাৰ্ট ফেশ্বনৰ উপাধ্যক্ষ কপিল থিৰাণীয়ে কয়, 'জেন জি গ্ৰাহকৰ মাজত আজিৰ ফেশ্বন আৱিষ্কাৰ ক্ৰমান্বয়ে ক্ৰিয়েটৰ, সম্প্ৰদায় আৰু ডিজিটেল সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত হৈছে। যুৱ ভাৰতে আজি কেনেকৈ অধিক সতেজ, ট্ৰেণ্ড-প্ৰথম আৰু সাংস্কৃতিকভাৱে প্ৰাসংগিক বজাৰ অভিজ্ঞতাৰ দিশত আগবাঢ়ি ফেশ্বন আৱিষ্কাৰ আৰু ইয়াৰ সৈতে জড়িত হয় তাকে প্ৰতিফলিত কৰিবলৈ জি আৰ ডব্লিউ এম জি আৰ ডব্লিউ এমৰ সৈতে আমি পৰম্পৰাগত এণ্ড অব ছিজন ছেলক পুনৰ কল্পনা কৰিছোঁ।' এই বছৰৰ বিক্ৰীয়ে দুসপ্তাহৰ সময়ছোৱাত মেটা আৰু ইউটিউবত ১০০০ প্লাছ ক্ৰিয়েটৰে ফেশ্বন-নেতৃত্বাধীন কন্টেন্টৰ প্ৰসাৰত অৰিহণা যোগোৱাৰ লগতে ক্ৰিয়েটৰ ইক'চিষ্টেমত বৃহৎ অংশগ্ৰহণৰ সাক্ষী হ'ব ।

# সাংস্কৃতিক কৰ্মী নৱজোতি শইকীয়াক ডক্টৰেট উপাধি



**গুৱাহাটী,৪জুনঃ** ভাৰতৰ প্ৰায় বিভিন্ন ৰাজ্যৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ মাজত জি এইচআৰপিএফ ৰিচাৰ্ড ইনষ্টিটিউটৰ সহযোগত আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ বিশেষ অনুষ্ঠানত ২৩ মে'ত নতুন দিল্লীৰ দ্বাৰকা চেক্টৰ ৭ ত অসমৰ গুৱাহাটী মহানগৰ জিলাৰ চন্দ্ৰপুৰৰ এগৰাকী জনপ্ৰিয় সমাজ- সাংস্কৃতিক কৰ্মী নৱজোতি শইকীয়ালৈ এছিয়া ডিজিটেল ইউনিভাৰ্চিটিয়ে সন্মানীয় ডক্টৰেট উপাধি প্ৰদান কৰে। সুদীৰ্ঘ বছৰ ধৰি প্ৰায় ৩১ বছৰ সময় সাংস্কৃতিক জগতত ওতপ্ৰোতভাৱে জড়িত হৈ থকাৰ ভিত্তিত চন্দ্ৰ পুৰৰ নৱজোতি শইকীয়াই লাভ কৰিবলৈ সক্ষম হৈছে এই ডক্টৰেট সন্মান। নতুন দিল্লীত অৱস্থিত ক্ৰিড়েটিভ আনলক প্ৰেক্ষাগৃহত সমাজ - সাংস্কৃতিক কৰ্মী মহানন্দ চৰকাৰ দত্ত ই পৰিচালনা কৰা অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ তথা অৱসৰী অধ্যক্ষ ড° সঞ্জয় প্ৰভাকৰ হৰসে, অৱসৰী প্ৰশাসনিক বিষয়া ড° কাশীৰাম গোবিন্দ পাইথানে আৰু অৱসৰী সেনা বিষয়া জীৱন গোবিন্দ বিশ্ব কৰ্মৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, চন্দ্ৰপুৰৰ নৱজোতি শইকীয়াই ডক্টৰেট সন্মান লাভ কৰি অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে লগতে অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে শুভেচ্ছা দিয়াৰ উপৰিও ব্যক্তিগতভাৱে শুভাকাংক্ষীসকলে শুভেচ্ছা জ্ঞাপন কৰে।

# মিট্টাল মটোকোপ ৰয়েল এনফিল্ড ডিলাৰশ্বিপ উদ্বোধন



**গুৱাহাটী, ৪ জুনঃ** গুৱাহাটীৰ নাৰেংগী আজি আনুষ্ঠানিকভাৱে নতুন অনুমোদিত ৰয়েল এনফিল্ড ডিলাৰশ্বিপ উদ্বোধন কৰে মিট্টাল মটোকোপ। ৰয়েল এনফিল্ডৰ আঞ্চলিক ব্যৱসায়িক প্ৰবন্ধক সৌম্য শংকৰ ভূএঞা আৰু মহেন্দ্ৰ মিট্টাল শ্ব'ৰুমখন উদ্বোধন কৰে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত কুণাল মিট্টাল, বিনীত মিট্টাল আৰু লোকেশ মিট্টাল উপস্থিত থাকে। নাৰেংগীৰ মাৰিয়া পাব্লিক স্কুলৰ সমীপত কৌশলগতভাৱে স্থাপন কৰা এই অত্যাধুনিক ডিলাৰশ্বিপটো গ্ৰাহকসকলক একে ঠাইতে সম্পূৰ্ণ ৰয়েল এনফিল্ড অভিজ্ঞতা প্ৰদান কৰাৰ লক্ষ্যৰে গঢ়ি তোলা হৈছে। ইয়াত বিশ্বমানৰ বিক্ৰী, সেৱা আৰু স্পেয়াৰ পাৰ্টছৰ সুবিধা উপলব্ধ কৰা হৈছে।এই ডিলাৰশ্বিপ উদ্যোগৰ নেতৃত্ব দিছে ভাতৃদ্বয় বিনীত মিট্টাল আৰু লোকেশ মিট্টাল। এছবিএম গ্ৰুপৰ জৰিয়তে তেওঁলোকৰ অটোম'বাইল খণ্ডত ৰপ্ত বছৰৰো অধিক অভিজ্ঞতা আছে।অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিনীত মিট্টাল কয়, 'গুৱাহাটী হৈছে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰৱেশদ্বাৰ। এই অঞ্চলত মটৰচাইকেল চলোৱাৰ এক সমৃদ্ধ সংস্কৃতি গঢ় লৈ উঠিছে। আমাৰ লক্ষ্য কেৱল মটৰচাইকেল বিক্ৰী কৰাই নহয়, বৰঞ্চ মটৰচাইকেল অনুৰাগীসকলৰ এক শক্তিশালী সমাজ গঢ়ি তোলা, য'ত তেওঁলোকে পৰস্পৰৰ সৈতে সংযোগ স্থাপন কৰিব, অভিজ্ঞতা বিনিময়, প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিব পাৰিব। এই ডিলাৰশ্বিপৰ জৰিয়তে আমি মটৰচাইকেলৰ সৈতে জড়িত আবেগ, স্বাধীনতা আৰু জীৱনশৈলীক উদযাপন কৰা এক বিশেষ গন্তব্যস্থান গঢ়ি তুলিবলৈ বিচাৰিছোঁ। খুচুৰা বিক্ৰীৰ উপৰিও এই ডিলাৰশ্বিপত নিয়মীয়া ৰক্ষণাবেক্ষণ আৰু বিস্তৃত বিক্ৰীৰ-পৰৱৰ্তী সেৱা উপলব্ধ কৰা হৈছে। শ্ব'ৰুম আৰু চাৰ্ভিচ চেণ্টাৰ সম্পূৰ্ণৰূপে কাৰ্যক্ষম হৈ উঠিছে আৰু বৰ্তমান টেষ্ট ৰাইড, বুকিং আৰু ছাৰ্ভিচিং সুবিধাৰ বাবে মুকলি কৰা হৈছে।মিট্টাল মটৰকৰ্পৰ মূলমন্ত্ৰ হৈছে'প্ৰতিগৰাকী গ্ৰাহকক শ্ৰেষ্ঠ মানৰ সেৱা আগবঢ়োৱা আৰু প্ৰতিজন ৰাইডাৰৰ বাবে এক অসাধাৰণ যাত্ৰা অভিজ্ঞতা সৃষ্টি কৰা।'

# পাছিঘাট হাস্পতাল- বিৰলা ফাৰ্টিলিটীৰ অংশীদাৰিত্ব

**গুৱাহাটী, ৪ জুনঃ** দেশৰ অন্যতম বৃহৎ আইভিএফ নেটৱৰ্ক বিৰলা ফাৰ্টিলিটী এণ্ড আইভিএফ-এ অৰুণাচল প্ৰদেশত উন্নত বন্ধ্যাত্ব-প্ৰজননকেন্দ্ৰিক চিকিৎসাৰ সুবিধা বৃদ্ধিৰ উদ্দেশ্যে পাছিঘাটৰ হেলথ কেয়াৰ হাস্পতালৰ সৈতে অংশীদাৰিত্ব গঢ়ি তুলিছে। ইয়াৰ ফলত ৰোগীসকলে চিকিৎসাৰ বাবে মহানগৰ বা দূৰৈৰ চিকিৎসা কেন্দ্ৰসমূহলৈ যাত্ৰা কৰাৰ প্ৰয়োজনীয়তা হ্ৰাস পাব।এই সহযোগিতাৰ অধীনত পাছিঘাট আৰু চুবুৰীয়া জিলাসমূহৰ দম্পতীসকলে হেলথ কেয়াৰ হাস্পতালত স্থানীয়ভাৱে পৰামৰ্শ, স্কেন, অভ্যুলেচ নিৰীক্ষণ আৰু ইন্ট্ৰাইউটেৰাইন ইনচেমিনেচন প্ৰক্ৰিয়াসহ গুৰুত্বপূৰ্ণ চিকিৎসাৰ সুবিধাসমূহ লাভ কৰিব পাৰিব। বিৰলা ফাৰ্টিলিটী এণ্ড আইভিএফৰ গুৱাহাটী কেন্দ্ৰৰ ক্লিনিকেল নিৰ্দেশনা আৰু চিকিৎসা পদ্ধতি অনুসৰি এই সেৱাসমূহ প্ৰদান কৰা হ'ব। বিৰলা ফাৰ্টিলিটী এণ্ড আইভিএফ-এ এই পদক্ষেপক সমৰ্থন জনাবলৈ পাছিঘাটত ফাৰ্টিলিটী আনস্ক্ৰিপ্টেড নামৰ এক ধাৰাবাহিক চিকিৎসা শিক্ষা কাৰ্যসূচীৰ আয়োজন কৰে। এই অনুষ্ঠানত সমগ্ৰ অৰুণাচল প্ৰদেশ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ স্ত্ৰীৰোগ বিশেষজ্ঞ, বন্ধ্যাত্ব বিশেষজ্ঞ আৰু স্বাস্থ্যসেৱা কৰ্মীসকলে অংশগ্ৰহণ কৰি উদীয়মান বন্ধ্যাত্ব চিকিৎসা, সৰ্বোত্তম পদ্ধতি আৰু প্ৰজনন স্বাস্থ্যসেৱাৰ বহুমুখী দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰে। বিৰলা ফাৰ্টিলিটী এণ্ড আইভিএফ গুৱাহাটীৰ জ্যেষ্ঠ পৰামৰ্শদাতা তথা কেন্দ্ৰীয় মুৰব্বী ডাঃ কল্পনা জৈনে এই বিষয়ে কয় যে, এই অংশীদাৰিত্বৰ উদ্দেশ্য হৈছে ভৌগোলিক অৱস্থিতিৰ বাবে যাতে কোনো লোক উন্নত বন্ধ্যাত্ব চিকিৎসাৰ পৰা বঞ্চিত নহয়, তাক নিশ্চিত কৰা। হেলথ কেয়াৰ হাস্পতালৰ চিএমডি ডাঃ কে মেগুই কয় যে এই সহযোগিতাই ৰোগীসকলক ঘৰৰ ওচৰতে প্ৰয়োজনীয় প্ৰজননকেন্দ্ৰিক চিকিৎসা সেৱা লাভ কৰাত সহায় কৰিব।গুৱাহাটী মহানগৰীত এই অংশীদাৰিত্বই উত্তৰ-পূৱৰ বাবে আঞ্চলিক স্বাস্থ্যসেৱাৰ কেন্দ্ৰ হিচাপে মহানগৰীৰ ক্ৰমবৰ্ধমান ভূমিকাক উজ্জ্বল কৰি তুলিছে। বিশেষ চিকিৎসা প্ৰতিষ্ঠানসমূহে সহযোগিতামূলক আৰ্হিৰ জৰিয়তে চুবুৰীয়া ৰাজ্যসমূহলৈ ক্ৰমান্বয়ে সেৱা সম্প্ৰসাৰণ কৰাৰ লগে লগে গুৱাহাটীস্থিত স্বাস্থ্যসেৱা প্ৰদানকাৰীসকলে নিজৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে অনগ্ৰসৰ অঞ্চলসমূহত উন্নত চিকিৎসা বিকল্পসমূহৰ সুবিধাৰ উন্নতি সাধন কৰিছে।এই চিএমই কাৰ্যসূচীত বিশেষজ্ঞসকলৰ বিশেষ অধিৱেশন অনুষ্ঠিত কৰা হৈছিল, য'ত ডাঃ জৈনৰ 'সফল আইইউআইৰ বাবে ১০ টা মুকুতা' শীৰ্ষক উপস্থাপন, বাৰম্বাৰ গৰ্ভপাতৰ ওপৰত পেনেল আলোচনা আৰু বন্ধ্যাত্ব চিকিৎসাৰ বিকেন্দ্ৰীকৰণ তথা চিকিৎসা নৈতিকতাৰ ওপৰত বক্তৃতা প্ৰদান কৰা হয়।

# 'কুলিং প্লেনেট' শ্ব'ৰুম মুকলি মিটচুবিচি ইলেকট্ৰিক ইণ্ডিয়াৰ

**গুৱাহাটী, ৪ জুনঃ** বিশ্বৰ অন্যতম আগশাৰীৰ এয়াৰ কণ্ডিচনিং নিৰ্মাতা প্ৰতিষ্ঠান মিটচুবিচি ইলেকট্ৰিকে অসমৰ গুৱাহাটীত ইয়াৰ এক্সক্লুছিভ শ্ব'ৰুম, কুলিং প্লেনেট মুকলি কৰাৰ সৈতে উত্তৰ-পূব ভাৰতত নিজৰ উপস্থিতি অধিক শক্তিশালী কৰি তুলিছে। এই নতুন শ্ব'ৰুমটো সাউকুছিৰ লখৰা ৰোডত অৱস্থিত নন্দেশ্বৰ শৰ্মা কমপ্লেক্সৰ প্ৰথম মহলাৰ গ্ল'বেল ক্লাইমেট টেকন'ল'জীজত মুকলি কৰা হৈছে। ইয়াত আৱাসিক, বাণিজ্যিক তথা বৃহৎ আন্তঃ গাঁথনিৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব পৰাকৈ স্প্লিট এয়াৰ কণ্ডিচনাৰ, ডাক্টেব'ল এয়াৰ কণ্ডিচনাৰ, চিটী মাল্টি ভেৰিয়েবল ৰেফ্ৰিজাৰেণ্ট ফ্ল' ছিষ্টেম আৰু কেছেট এয়াৰ কণ্ডিচনাৰসহ মিটচুবিচি ইলেককিৰ উন্নত এয়াৰ কণ্ডিচনিং সমাধানৰ সম্পূৰ্ণ পৰিসৰ প্ৰদৰ্শন কৰা হৈছে।এই শ্ব'ৰুমটো মিটচুবিচি ইলেকট্ৰিক ইণ্ডিয়াৰ এয়াৰ কণ্ডিচনিং ডিভিজনৰ ভাইচ প্ৰেছিডেণ্ট তথা হেড- বিজনেছ অপাৰেচনছ নীৰজ গুপ্তা, নেচনেল ছেলছ হেড অনুপ গৌতম, ৰিজনেল ছেলছ হেড- ইষ্ট কৌস্তভ দে আৰু টীম লীডাৰ- ৱেষ্ট বেংগল এণ্ড নৰ্থইষ্ট বিকাশ কুমাৰৰ লগতে কৰ্তৃত্বপ্ৰাপ্ত ডিলাৰ গ্ল'বেল ক্লাইমেট টেকন'ল'জীজৰ পৰিচালন সঞ্চালক বিবেকানন্দ ৰয়ৰ উপস্থিতিত উদ্বোধন কৰা হয়। মিটচুবিচি ইলেকট্ৰিক ইণ্ডিয়াৰ এয়াৰ কণ্ডিচনিং ডিভিজনৰ ভাইচ প্ৰেছিডেণ্ট তথা হেড বিজনেছ অপাৰেচনছ নীৰজ গুপ্তাই কয়, 'মিটচুবিচি ইলেকট্ৰিক ইয়াৰ উৎকৃষ্ট মানদণ্ড আৰু উন্নত প্ৰযুক্তিৰ বাবে বিশ্বজুৰি স্বীকৃত। গুৱাহাটীত আমাৰ এক্সক্লুছিভ কুলিং প্লেনেট শ্ব'ৰুম মুকলিয়ে উত্তৰ-পূৰ্বাঞ্চলত আমাৰ উপস্থিতি অধিক শক্তিশালী কৰা আৰু গ্ৰাহকসকলক এক আকৰ্ষণীয় ব্ৰেণ্ড অভিজ্ঞতা প্ৰদান কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপক সূচাইছে।' মিটচুবিচি ইলেকট্ৰিক ইণ্ডিয়াৰ নেচনেল ছেলছ হেড অনুপ গৌতমে কয়,'উত্তৰ-পূৰ্বাঞ্চলে আমাৰ বাবে এক শক্তিশালী বিকাশৰ সম্ভাৱনাপূৰ্ণ অঞ্চল। এই শ্ব'ৰুমটোৰ জৰিয়তে গ্ৰাহকসকলে বিশেষজ্ঞৰ সামগ্ৰী সম্পৰ্কীয় পৰামৰ্শৰ সহযোগত আমাৰ এনাৰ্জী এফিচিয়েণ্ট আৰু বিশ্বাসযোগ্য এয়াৰ কণ্ডিচনিং সমাধানৰ সম্পূৰ্ণ পৰ্টফ'লিঅ' পৰীক্ষা কৰি চাব পাৰিব।'পৰিচালন সঞ্চালক বিবেকানন্দ ৰয়ে কয়, 'গুৱাহাটীত কুলিং প্লেনেট শ্ব'ৰুমটো মুকলি কৰিবলৈ মিটচুবিচি ইলেকট্ৰিকৰ সৈতে অংশীদাৰিত্ব কৰিবলৈ পাই আমি নথৈ আনন্দিত হৈছোঁ। এই এক্সক্লুছিভ স্থানখনে গ্ৰাহকসকলক একেখন চালিৰ তলতে প্ৰিমিয়াম এয়াৰ কণ্ডিচনিং সামগ্ৰীসমূহৰ অভিজ্ঞতা লাভ কৰা আৰু তথ্যসহকাৰে ক্ৰয় কৰাৰ সিদ্ধান্ত লোৱাত সহায় কৰিব।'



# ছিকিমত লাইফ-ছাপ'ৰ্ট এম্বুলেন্স প্ৰদান জেনেৰেলী চেণ্ট্ৰেল লাইফ ইঞ্চুৰেন্সৰ




**গুৱাহাটী, ৪ জুনঃ** জেনেৰেলী চেণ্ট্ৰেল লাইফ ইঞ্চুৰেন্সে ছিকিমৰ গেংটকত অৱস্থিত ছাৰ থুটব নামগ্যাল হাস্পতালক দুখন সম্পূৰ্ণৰূপে সঁজুলিসম্পন্ন লাইফ-ছাপ'ৰ্ট এম্বুলেন্স দান কৰে। ইয়াৰ জৰিয়তে ছিকিমৰ সমগ্ৰ অঞ্চলত বিশেষকৈ দূৰ্গম আৰু পাহাৰীয়া এলেকাসমূহত জৰুৰীকালীন স্বাস্থ্যসেৱাৰ সুবিধা বৃদ্ধি পাইছে। আধুনিক লাইফ-ছাপ'ৰ্ট ব্যৱস্থাৰে সজ্জিত এই এম্বুলেন্সসমূহে চিকিৎসালয়খনৰ জৰুৰীকালীন সঁহাৰি প্ৰদানৰ ক্ষমতাক উন্নত কৰাৰ লগতে যিবোৰ অঞ্চলত স্বাস্থ্যসেৱা লাভ কৰাটো এতিয়াও প্ৰত্যাহ্বানজনক, সেই স্থানসমূহৰ পৰা ৰোগীক ক্ষিপ্ৰতাৰে স্থানান্তৰ কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। এই পদক্ষেপ ৰাজ্যখনৰ স্বাস্থ্য আন্তঃগাঁথানিক সহায় কৰাৰ বাবে বীমা প্ৰতিষ্ঠানখনৰ প্ৰচেষ্টাৰ এটা অংশ, য'ত ২০২২ চনৰ পৰা মুখ্য বীমা কোম্পানী হিচাপে সেৱা আগবঢ়াই আহিছে। জেনেৰেলী চেণ্ট্ৰেল লাইফ ইঞ্চুৰেন্সৰ মেনেজিং ডাইৰেক্টৰ তথা চিইঅ' আলোক ৰুংগ্লাই কয় যে, কোম্পানীটোৱে সংকটৰ সময়ত সম্প্ৰদায়সমূহক সহায় আৰু স্বাস্থ্যসেৱাৰ সুবিধা বৃদ্ধি কৰি বীমাৰ পৰিসৰৰ বাহিৰলৈও কাম কৰাৰ লক্ষ্য ৰাখিছে। ছিকিমৰ স্বাস্থ্য মন্ত্ৰী জি টি ঢুংগেলে এই পদক্ষেপক আদৰণি জনাই কয় যে, এম্বুলেন্স সংযোজনে জৰুৰীকালীন সঁহাৰি সেৱাক অধিক শক্তিশালী কৰিব আৰু সমগ্ৰ ৰাজ্যতে সময়মতে চিকিৎসা লাভ কৰাটো সুনিশ্চিত কৰাত সহায় কৰিব। ছিকিম চৰকাৰৰ বিত্ত সঞ্চালক তথা ন'ডেল বিষয়া মহেন্দ্ৰ প্ৰধানে কয় যে, এনে অংশীদাৰিত্বই ২০২৭ চনৰ ভিতৰত ৰাজ্যখনৰ 'সকলোৰে বাবে বীমা' লক্ষ্য পূৰণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বীমা প্ৰতিষ্ঠানটোৱে এছটিএনএম হাস্পতালত এক ৰক্তদান শিবিৰো আয়োজন কৰিছিল। কোম্পানীটোৱে প্ৰকাশ কৰা অনুসৰি, ২০২৬ চনৰ ৩১ মে' পৰ্যন্ত ছিকিমত ৬৫০০তকৈ অধিক লোকলৈ বীমাৰ সুবিধা সম্প্ৰসাৰিত কৰিছে। সমান্তৰালভাৱে কোম্পানীটোৱে নগৰীয়া আৰু গ্ৰামাঞ্চলত সম্প্ৰদায় সজাগতা কাৰ্যসূচীৰ জৰিয়তে বীমা সজাগতা আৰু বিত্তীয় সাক্ষৰতা উন্নত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

# এইছএছবিচি মিউচুৱেল ফাণ্ডে আগবঢ়াইছে ৰেডহেক্স হাইব্ৰিড লং-শ্বৰ্ট ফাণ্ড

**গুৱাহাটী, ৪ জুনঃ** এইছএছবিচি মিউচুৱেল ফাণ্ডে গ্ৰাহকৰ বাবে মুকলি কৰিলে ৰেডহেক্স হাইব্ৰিড লং-শ্বৰ্ট ফাণ্ড, যি হৈছে এক স্পেচিয়েলাইজড ইনভেষ্টমেণ্ট ফাণ্ড কৌশল, এই বিশেষ বিনিয়োগ পুঁজিৰ লক্ষ্য হৈছে দীৰ্ঘম্যাদী মূলধন বৃদ্ধিৰ লগতে নিয়মীয়া ৰিটাৰ্ন বিচৰা বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰা। এই নতুন ফাণ্ড অফাৰ ২ জুনত মুকলি কৰা হৈছে আৰু ১৬ জুনলৈকে গ্ৰাহকভুক্তিৰ বাবে উপলব্ধ থাকিব।এই ফাণ্ডে ফিক্সড ইনকাম, ইকুইটি আৰ্বিট্ৰেজ, আৰইআইটিএছ আৰু আইএনভিআইটিএছকে ধৰি একাধিক সম্পদ শ্ৰেণীত বিনিয়োগক একত্ৰিত কৰে, যাৰ উদ্দেশ্য হৈছে বিভিন্ন বজাৰ চক্ৰত বিপদাশংকা-সমন্বিত ৰিটাৰ্ন প্ৰস্তুত কৰা। এইছএছবিচি মিউচুৱেল ফাণ্ডে কয় যে এই বিকল্প 'মধ্যমীয়া স্তৰৰ' বিনিয়োগকাৰীসকলৰ বাবে প্ৰস্তুত কৰা হৈছে আৰু ইয়াৰ বাবে সৰ্বনিম্ন ১০ লাখ টকাৰ বিনিয়োগৰ প্ৰয়োজন। আনহাতে স্বীকৃত বিনিয়োগকাৰীসকলে সৰ্বনিম্ন ১ লাখ টকাৰ বিনিয়োগেৰে অংশগ্ৰহণ কৰিব পাৰিব।পৰম্পৰাগত মিউচুৱেল ফাণ্ড আৰু উচ্চ স্তৰৰ বিনিয়োগ সামগ্ৰী যেনে প'ৰ্টফলিঅ' মেনেজমেণ্ট চাৰ্ভিচেছ আৰু অল্টাৰনেটিভ ইনভেষ্টমেণ্ট ফাণ্ডৰ মাজৰ এক বিনিয়োগ শ্ৰেণী হিচাপে এছআইএফসমূহে জনপ্ৰিয়তা লাভ কৰাৰ সময়তে এই ফাণ্ড মুকলি কৰা হৈছে।এইছএছবিচি মিউচুৱেল ফাণ্ডৰ মুখ্য কাৰ্যবাহী বিষয়া কৈলাশ কুলকাৰ্ণীয়ে এই বিষয়ে কয় যে, এই ফাণ্ডে পেচাদাৰী পৰিচালনা, কম তাৰতম্য আৰু কৰ-সঞ্চয়ী বিপদাশংকা-সমন্বিত ৰিটাৰ্ন বিচৰা বিনিয়োগকাৰীসকলৰ বাবে এক সন্তুলিত সেৱা প্ৰদান কৰে।স্থায়ী উপাৰ্জন শাখাৰ মুখ্য বিনিয়োগ বিষয়া শ্ৰীৰাম ৰামনাথনে এই বিষয়ে কয় যে, এই কৌশলে শক্তিশালী ঋণ বাছনি, বিপদাশংকা নিয়ন্ত্ৰণ আৰু আৰইআইটিএছ আৰু আইএনভিআইটিএছ-ৰ দৰে ক্ৰমবৰ্ধমান সম্পদ শ্ৰেণীসমূহৰ প্ৰতি নিৰ্বাচিত এক্সপ'জাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে।গুৱাহাটী মহানগৰীত, চহৰখনৰ সম্পদ উপদেষ্টা আৰু উচ্চ-অৰ্থ-মূল্যৰ বিনিয়োগকাৰীসকলে পৰম্পৰাগত মিউচুৱেল ফাণ্ড আৰু ফিক্সড ডিপজিটৰ বাহিৰেও ক্ৰমান্বয়ে বৈচিত্ৰ্যময় বিনিয়োগ বিকল্পসমূহৰ সন্ধান কৰিছে।উদ্যোগ পৰ্যবেক্ষকসকলে বিশ্বাস কৰে যে এছআইএফ-ৰ দৰে সামগ্ৰীসমূহে বজাৰৰ পৰিৱৰ্তিত পৰিস্থিতিৰ মাজত সুস্থিৰ উপাৰ্জনৰ সুযোগ, প'ৰ্টফলিঅ'ৰ বৈচিত্ৰ্যকৰণ আৰু পেচাদাৰীভাৱে পৰিচালিত বিনিয়োগ সমাধান বিচৰা গুৱাহাটী মহানগৰীৰ চহকী বিনিয়োগকাৰীসকলৰ আগ্ৰহ আকৰ্ষণ কৰিব পাৰে। মূলতঃ এক ইণ্টাৰভেল ইনভেষ্টমেণ্ট ফাণ্ড (বিৰতিৰ বিনিয়োগ পুঁজি) হিচাপে গঠিত ৰেডহেক্স হাইব্ৰিড লং-শ্বৰ্ট ফাণ্ডে যিকোনো কাৰ্যদিৱসত গ্ৰাহকভুক্তিৰ অনুমতি দিয়ে আৰু সক্ৰিয় প'ৰ্টফলিঅ' পৰিচালনা তথা কঠোৰ বিপদাশংকা নিয়ন্ত্ৰণৰ দ্বাৰা সমৰ্থিত সাপ্তাহিক ৰিডেম্পচন বা ধন উলিওৱাৰ সুযোগ প্ৰদান কৰে।

# চেঙেলীয়াঝাৰৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শ্ৰেণীকোঠা মেৰামতিক লৈ অভিযোগ

**বাতৰি কাকত, ছিপাঝাৰ, ৪ জুনঃ** দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত ৰূপায়িত পঞ্চদশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণত পালমাৰি কৰাৰ উঠিছে অভিযোগ। অভিযোগ অনুসৰি ২০২৪-২৫ বৰ্ষত চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শ্ৰেণীকোঠা এটি মেৰামতিৰ নামত পঞ্চদশ বিত্তীয় আয়োগৰ আঁচনিৰ অধীনত ১০৭,২৫০.০০ টকাৰ এক আঁচনি গ্ৰহণ কৰি ৱাৰ্ড সদস্যই ৰূপায়ণ কাম কৰে।যাৰ পিছত শ্ৰেণীকোঠাৰ পূৰ্বতে কৰা মজিয়া ভাগি মেৰামতি কৰে। কোঠাটোৰ কেইখনমান ফলচ চিলিঙৰ খলপ, চাৰিখন লোৰ ফ্ৰেম খিৰিকীৰ ভগা গ্লাছ সলাই টিন খুৰাই ৰং দিয়ে। শ্ৰেণীকোঠাৰ পকীবেৰত গুৰা ৰং মাৰি দিয়ে যদিও আশ্বৰ্যজনক কথা যে শ্ৰেণীকোঠাৰ পিছ ফালৰ বেৰত ৰং কৰা নহ'ল। বেৰখনৰ এৰি যোৱা ঠাইবোৰত চিমেণ্ট-বালিৰ মছলাৰে মেৰামতি কৰা হ'ল যদিও বেৰখনত ৰং নকৰাত অসুন্দৰ হৈ পৰিছে। আনহাতে শ্ৰেণীকোঠাটোৰ বাৰাণ্ডাখন খলপ - খলপে এৰি থকাৰ পিছতো মেৰামতি কৰা নহ'ল। অভিযোগ অনুসৰি মজিয়া খন মেৰামতি কৰা হ'ল যদিও মজিয়াৰ ঢালাই ডাঠ নোহোৱাত ডেস্ক-বেঞ্চৰ খুঁটাৰ হেঁচাত পুনৰ কিছুদিন পিছত বখল - বখলে এৰি যোৱাৰ সম্ভাৱনাই অধিক হৈ পৰা বুলি অভিযোগ উত্থাপন হৈছে। আশ্বৰ্যজনক কথা যে আঁচনিৰ ইষ্টিমেডত ঠিকাদাৰে বাৰাণ্ডা নাই নকৰো ,কাম শেষ বুলি জানিব দিয়ে যদিও বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ স্বাৰ্থত শ্ৰেণীকোঠাত থকা চুটি বাৰাণ্ডাখনৰ বখল বখলে এৰা ঠাই মেৰামতি কৰি শ্ৰেণীকোঠাতো দেখিবলৈ ভাললগা কৰিব পাৰিলেহেঁতেন। কিন্তু হিচাপে অমিল হ'ব বুলি ঠিকাদাৰ গৰাকী এই লৈ অপৰাগ। একাংশ লোকৰ শ্ৰেণীকোঠাটোৰ মেৰামতিৰ নামত আঁচনিৰ কিমান টকা খৰচ হ'ল তাকলৈ সন্দেহৰ বুৰবুৰণি উঠিছে। এই ক্ষেত্ৰত ছিপাঝাৰ উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তাই কি ভূমিকা লয় তাৰ ওপৰত দৃষ্টি থাকিব। ইফালে আঁচনি ৰূপায়ণ কাম আৰম্ভ হোৱাৰ আগতেই তথ্য ফলক আঁৰি দিব লাগে যদিও নিৰ্মাণ কামৰ দিনাৰ পৰা আঁচনিত দেখা নগক্সল তথ্য ফলক।যিটো ৰাইজক অন্ধকাৰত ৰাখি কৰা বুলি অভিযোগ উঠিছে । অৱশ্যে কাম শেষ কৰাৰ পিছত বেৰত তথ্য ফলক লিখি দিয়া হৈছে।পৰিতাপৰ কথা যে পঞ্চায়ত কৰ্মচাৰীক এইলৈ বাৰম্বাৰ জনাই অহাৰ পাছতো তেওঁলোকে কোনো ধৰণৰ গুৰুত্বই নিদিয়াৰ উঠিছে অভিযোগ । আঁচনিৰ ফটো লোৱা সময়ত ঠিকাদাৰে ৰাইজে দেখিব বুলি ক'ৰবাত লুকাই থৈ দিয়া ঠাইৰ পৰা আনি আঁচনিৰ আগত লৈ ফটো মাৰি নিয়াটোৱেই যেন দায়িত্ব । অৱশ্যে ইয়াত কৰ্মচাৰীৰ পাঁচশ- হাজাৰ টকীয়া সংস্কৃতি এটাও জড়িত হৈ আছে । চৰকাৰী কৰ্মচাৰী হৈ আঁচনিৰ নীতি নিয়মক যেন অগুষ্ঠ প্ৰদৰ্শন কৰিবলৈ তিলমানো কৰা নাই কুণ্ঠাবোধ ।একেদৰে একে আঁচনি আৰু একে বৰ্ষত কৰা দুৰদুৰীয়া প্ৰাথমিক বিদ্যালয়ৰ পকী বেৰ নিৰ্মাণ আঁচনিতো দেখা নগক্সল নাম ফলক। আঁচনিৰ ফটো তোলা সময়ত কাৰোবাৰ ঘৰৰ পৰা আনিহে ফটো মৰা বুলি অভিযোগ উঠিছে। যি কথা দেখিও পঞ্চায়ত কৰ্মচাৰী অন্ধ হৈ থকাৰ আঁৰত ৰহস্য লুকাই থকা বুলি উঠিছে অভিযোগ ।ইয়াৰ বিপৰীতে দিমীলাপাৰ প্ৰাথমিক বিদ্যালয়ত ৰূপায়ণ কৰা পকী বেৰ নিৰ্মাণ কামত তথ্য ফলক আঁৰি দিয়া হৈছে । ইফালে ভয়াৱহ কথা যে চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যিটো শ্ৰেণীকোঠা মেৰামতি কৰা হক্সল কোঠাটোৰ পকীবেৰৰ কেইবা ঠাইতো ছিঁৰাল ফাট মেলি থকাত কোন মুহূৰ্তত খহি ছাত্ৰ ছাত্ৰীৰ মূৰৰ ওপৰত পৰে তাৰ কোনো নিশ্চয়তা নোহোৱাত সচেতন লোক সকল চিন্তিত হৈ পৰা বুলি প্ৰকাশ ।সময় থাকোতে বিষয়টো বিদ্যালয়ৰ লগত জড়িত সকলে গুৰুত্ব সহকাৰে লোৱা অতি প্ৰয়োজনীয়। পৰৱৰ্তী প্ৰতিবেদন আগলৈ।

## নগাঁও জিলা প্ৰশাসনৰ অভিনৱ পদক্ষেপ

**বিশেষ প্ৰতিনিধি, নগাঁও, ৪ জুন ঃ** নগাঁও চহৰৰ যান-জঁটৰ সমস্যা তথা ৰাষ্ট্ৰীয় ঘাই পথতো যধে-মধে আৰু অবৈধভাৱে যান-বাহন পাৰ্কিং কৰাৰ ফলত সৃষ্টি হোৱা সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ নগাঁও জিলা প্ৰশাসনে এতিয়াৰে পৰা তেনে গাড়ীৰ চকাত তলা লগোৱাৰ ব্যৱস্থা কৰিছে। জনসাধাৰণৰ যাতায়তৰ ব্যাঘাত দূৰ কৰাৰ উদ্দেশ্যে জিলা আয়ুক্ত বিশেষ নিৰ্দেশ মৰ্মে আজিৰে পৰা চহৰখনত এই বিশেষ পদক্ষেপ হাতত লোৱা হৈছে। আজিৰ চহৰৰ বিভিন্ন স্থানত অবৈধভাৱে আৰু অসুবিধাজনক ভাৱে ৰখাই থোৱা কেবাখনো গাড়ী তথা বাইকতো যানবাহন আৰক্ষীয়ে হুইল লক লগাই থোৱাত অবৈধ পাৰ্কিংত অভ্যস্ত সকলৰ মাজত একপ্ৰকাৰ হাহাকাৰৰ সৃষ্টি হয়। পিছত গাড়ীৰ গৰাকীয়ে বহু পৰিমানৰ জৰিমনা ভৰিব লগীয়া হয়। এই ব্যৱস্থাই চহৰখনৰ যানজঁটৰ সমস্যাটো কিছু উপশম ঘটাব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে এই উদ্দেশ্যে কালি জিলা আয়ুক্ত কাৰ্যালয়ৰ কক্ষত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই নগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া পংকজ ভূঞাৰ উপস্থিতিত নগাঁও যান-বাহন আৰক্ষীৰ উপ-পৰিদৰ্শক জিতেন কুমাৰ দত্তক আনুষ্ঠানিকভাৱে 'হুইল টায়াৰ লক ক্লেম' প্ৰদান কৰি এই বিশেষ পদক্ষেপৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে, চহৰখনৰ যান-বাহন নিয়ন্ত্ৰণ ব্যৱস্থা অধিক সুচাৰুৰূপে পৰিচালনা কৰা আৰু পথ সুৰক্ষা কটকটীয়া কৰাৰ লক্ষ্যৰেই প্ৰশাসনৰ তৰফৰ পৰা এই বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়। জিলা পথ সুৰক্ষা সমিতিৰ তৰফৰ পৰা প্ৰদান কৰা এই টায়াৰ লক ক্লেমৰ জৰিয়তে এতিয়াৰে পৰা নগাঁও চহৰৰ লগতে চাৰিলেনযুক্ত নগাঁও বাইপাছত ট্ৰাক বা যিকোনো ধৰণৰ যান-বাহন অবৈধভাৱে পাৰ্কিং কৰিলে ক্সচকাত তলাক্স লগাই দিয়া হ'ব আৰু নিয়ম উলংঘাকাৰীৰ বিৰুদ্ধে বৃহৎ পৰিমাণৰ চালান কাটি আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জিলা আয়ুক্তই সমগ্ৰ নগাঁওবাসীক নিয়ম মানি চলিবলৈ আৰু চহৰখন যান-জঁটমুক্ত কৰি ৰখাৰ স্বাৰ্থত জিলা প্ৰশাসনক সম্পূৰ্ণৰূপে সহযোগিতা কৰিবলৈ আহ্বান জনাইছে।

## দলিবাৰীত গাড়ীসহ চুৰি গৰু জব্দ

**বাতৰি কাকত, শুৱালকুছি, ৪ জুন ঃ** কামৰূপ জিলাৰ দাদৰা আৰক্ষী চকীৰ অন্তৰ্গত দলিবাৰীত আজি পুৱতি নিশা ৰৰ টা গৰুসহ এখন গাড়ী জব্দ কৰে বজৰং দলৰ সদস্যসকলে। এক গোপন সূত্ৰৰ পৰা জানিব পাৰি দলিবাৰী আঞ্চলিক বজৰং দলৰ সদস্যসকলে এছ ০১ কিউ চি ৬৪০২ কন্টেনাৰ গাড়ীখন আগচি ধৰি অভিযান চলাই ১১ টা চুৰি গৰু উদ্ধাৰ কৰে ।পিছত দদৰা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ গাড়ীসহ গৰু জব্দ কৰাৰ লগতে গাড়ীৰ চালক আৰু হেণ্ডিমেনক আটক কৰে। আৰক্ষীৰ পৰা জানিব পৰা মতে চোৰাং গৰু লৈ গাড়ী খন বৰপেটাৰপৰা ছিলং হৈ বাংলাদেশলৈ নি আছিল।

# মাধুৰ্য বৰ্মণৰ হত্যাকাৰীৰ জানাজাত অংশগ্ৰহণ নকৰিলে গাওঁৰ ৰাইজে

**বাতৰি কাকত, মুকালমুৱা, ৪ জুন ঃ** নলবাৰীৰ গংগাপুৰ কাণ্ডৰ মূল অভিযুক্তৰ জানাজা সম্পন্ন। ছাত্ৰনেতা মাধুৰ্য বৰ্মণৰ হত্যাকাৰীৰ জানাজাত অংশগ্ৰহণ নকৰিলে গাওঁৰ ৰাইজে। নলবাৰী কঁপোৱা ছাত্ৰনেতা মাধুৰ্য বৰ্মণ হত্যাকাণ্ড আৰু মৃদুমুদ্ৰা ডেকাক বৰ্বৰ আক্ৰমণৰ কৰা ঘটনাই সমগ্ৰ নলবাৰী জিলাখনতে তীব্ৰ শোকৰ ছাঁ পেলাইছে। সকলোৱে উক্ত ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ উপৰিও এনে বৰ্বৰ ঘটনাৰ পুনৰাবৃত্তি নঘটাৰ কামনা কৰিছে। উল্লেখ্য যে উক্ত ঘটনাৰ পিছতে কালাকুছি,কুমাৰীকাটা মিলন কব্ৰৰস্থান,দেহৰ কালাকুছি, কুমাৰীকাটা,পশ্চিমখাটাৰ কালাকুছি,মাকালডবা, চেৰাবাৰীকে ধৰি সেই অঞ্চলটোৰ গাওঁৰ ৰাইজে আছিক আলী ওৰফে ৰোজৰ ৰাজহুৱা জানাজা নকৰাৰ সিদ্ধান্ত গ্ৰহণৰ পিছতে আজি হত্যাকাৰী ৰোজৰ মৃতদেহ পৰিয়ালৰ লোকে খুৰাকৰ ঘৰৰ পুখুৰীৰ পিছফালে কবৰস্থ কৰে। প্ৰু খনকৈ গাওঁৰ ৰাইজে সিদ্ধান্ত গ্ৰহন কৰি ৰাজহুৱা প্ৰস্তাৱ গ্ৰহণ কৰি হত্যাকাৰী তথা অপৰাধীক কোনো কাৰণতে প্ৰশ্ৰয় নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে নিৰ্মম হত্যাকাণ্ডৰ পিছতে পলায়ন কৰা ৰোজৰ ঘৰত বৰ্তমানেও তলা লগোৱাৰ ওপৰি আৰক্ষীৰ লোক আজি তিনিদিন ধৰি মোতায়ন কৰা হৈছে। উল্লেখ্য যে ছাত্ৰনেতা মাধুৰ্য বৰ্মণক হত্যা কৰা আৰু মৃদুমূদ্ৰাক চোকা অস্ত্ৰৰে বৰ্বৰভাৱে আক্ৰমণ পিছতে ৰোজ আলীৰ পৰিয়ালক এঘৰীয়া কৰিছিল সমূহ অঞ্চলবাসীয়ে। ৰোজৰ জানাজাত অংশগ্ৰহণ নকৰিলে এজনো গাওঁবাসীয়ে। আজিও অঞ্চলটোত চেপা উত্তেজনাই বিৰাজ কৰা পৰিলক্ষিত হয়। আনহাতে, মৃদুমুদ্ৰা ডেকাৰ পৰিয়ালৰ লোকৰ লগতে প্ৰত্যক্ষদৰ্শীৰ অভিযোগ অনুসৰি হত্যাকাণ্ডটোত চাৰিজনকৈ যুৱক জৰিত থকাৰ কথাও জানিব পৰা গৈছে। উল্লেখ্য যে নলবাৰী জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে হত্যাকাণ্ডৰ লগত এজন যুৱকেই জৰিত থকাৰ কথা উল্লেখ কৰিলেও ৰোজকে ধৰি আৰু তিনিজন যুৱক জৰিত থকাৰ কথা দাবী কৰিছে পৰিয়ালৰ লোকৰ লগতে কৃষি কৰ্মৰ লগত জড়িত প্ৰত্যক্ষদৰ্শীয়ে। মুঠতে, সমগ্ৰ অমানৱীয় ঘটনাটোৱে আজিও সমগ্ৰ অঞ্চলটোৰ লগতে সমগ্ৰ অসমজুৰি ব্যাপক চৰ্চা লাভ কৰিছে। ৰোজৰ পিতৃ-মাতৃয়ে উক্ত ঘটনাক প্ৰেমৰ ৰূপ দিয়াক লৈও ব্যাপক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে পৰিয়ালৰ লোকে। সকলোৱে উক্ত ঘটনাক একমুখে গৰিহণা দিয়াৰ লগতে যুৱতীগৰাকী লাভ জেহাদৰ বলি হোৱা বুলিহে সৰৱ চৰ্চা চলিছে। সকলোৱে ভৱিষ্যতে তেনে ধৰণৰ সংঘটিত নোহোৱাৰ কামনা কৰিছে।

## সপ্তাহে শুংসূত্ৰ নাই অপহৃত নাবালিকা ছাত্ৰী তমন্নাৰ

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৪ জুন ঃ** এসপ্তাহেও শুংসূত্ৰ নাই অপহৃত এগৰাকী ছাত্ৰীৰ। পিতৃ তাজুদ্দিন আহমেদে শিৱসাগৰ সদৰ থানাত এজাহাৰ দাখিল কৰাৰ পিছতো শিৱসাগৰ আৰক্ষীয়ে অপহৃত ছাত্ৰী গৰাকীৰ কোনো সম্ভেদ উলিয়াব নোৱাৰাৰ ঘটনাই শিৱসাগৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে শিৱসাগৰ জিলাৰ গেলেকী থানাৰ অন্তৰ্গত মিছাজান লুনপূৰীয়া গাঁৱৰ বাসিন্দা তাজুদ্দিন আহমেদ আৰু আজিমা বেগমৰ কন্যা তথা শিৱসাগৰ সাৰথী জুনিয়ৰ কলেজৰ উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী তমন্না বেগমে যোৱা ২৭ মে'ৰ দিনা কলেজলৈ অহাৰ পিছৰ পৰাই সন্ধানহীন হৈ আছিল। পিতৃ - মাতৃয়ে দিনটোৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত নিজ কন্যা ঘৰ গৈ নোপোৱাত কলেজত খবৰ কৰে। কলেজ কৰ্তৃপক্ষই উক্ত দিনা নাবালিকা ছাত্ৰী গৰাকী কলেজলৈ অহা নাই বুলি পিতৃ - মাতৃক অৱগত কৰাৰ পিছত পিতৃ - মাতৃয়ে পৰিয়ালৰ সকলোতে তমন্নাক বিচাৰ খোচাৰ কৰি নোপোৱাৰ অন্তত উক্ত দিনাই শিৱসাগৰ সদৰ থানাত তেওঁলোকৰ কন্যা সন্ধানহীন হোৱাৰ সন্দৰ্ভত এখনি এজাহাৰ দাখিল কৰিছিল। কিন্তু পিছদিনা ২৮ মে'ত তমন্নাৰ পিতৃ তাজুদ্দিনে শিৱসাগৰ সদৰ থানাত আন এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰত তেওঁৰ কন্যা তমন্নাক ডিমৌ বিধানসভা সমষ্টিৰ অন্তৰ্গত জাপিসজীয়া অঞ্চলৰ ফাৰদিন নামৰ এজন যুৱকে বাল্য বিবাহৰ উদ্দেশ্যে অপহৰণ কৰি নিছে বুলি উল্লেখ কৰে। এজাহাৰত পিতৃ গৰাকীয়ে উল্লেখ কৰা অনুসৰি ফাৰদিনে যি কৰ্ম কৰে এই কৰ্মত সন্দেহ আছে বুলি স্থানীয় কিছু লোকে ইতিমধ্যে তেওঁলোকৰ আগত প্ৰকাশ কৰিছে। যুৱকজনৰ চৰিত্ৰ আৰু তেওঁৰ কৰ্মৰাজিয়ে তেওঁৰ কন্যাক পৰৱৰ্তী সময়ত অসৎ কাৰ্যত জড়িত কৰাৰ শংকা আছে । সেয়ে যিকোনো উপায়েৰে তেওঁৰ কন্যাক যুৱকজনৰ কব্জাৰ পৰা উদ্ধাৰ কৰিবলৈ পিতৃ গৰাকীয়ে এজাহাৰৰ জড়িয়তে শিৱসাগৰ আৰক্ষীক অনুৰোধ জনায়। ইফালে শিৱসাগৰ সদৰ আৰক্ষীয়ে দুখনকৈ এজাহাৰ লাভ কৰাৰ আজি এসপ্তাহ অতিক্ৰম কৰাৰ পিছতো নাবালিকা ছাত্ৰী গৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। বৰ্তমান আৰক্ষীৰ এনে গাফিলতি মনোভাৱক লৈ শিৱসাগৰত প্ৰতিক্ৰিয়া অব্যাহত আছে। এগৰাকী নাবালিকা ছাত্ৰী এসপ্তাহ ধৰি নিখোঁজ হৈ থকাৰ পিছতো ছাত্ৰী গৰাকীক অপহৰণকাৰীৰ কবলৰ পৰা আৰক্ষীয়ে উদ্ধাৰৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে সেইয়াও বৰ্তমান এক প্ৰশ্নৰ বিষয় হৈ পৰিছে। যিহেতু আজি কিছুদিন পূৰ্বে শিৱসাগৰত আলফাৰ নামত ধন দাবী এক ঘটনাক লৈ আৰক্ষীৰ দ্বাৰা হোৱা এনকাউণ্টাৰৰ পিছত এই সমগ্ৰ ঘটনাৰ মাষ্টাৰ মাইণ্ড মানস গগৈক বৰ্তমানলৈকে শিৱসাগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। ইপিনে আজি দুটা দিনৰ পূৰ্বে শিৱসাগৰ নগৰৰ মাজমজিয়াত অবৈধভাৱে মজুত ৰখা হেজাৰ হেজাৰ লিটাৰ তেল জব্দ কৰাৰ পিছত গুদামৰ মূল সূত্ৰধাৰ সুভাষ দাসকো আজি পৰ্যন্ত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব নোৱৰাকলৈ শিৱসাগৰ আৰক্ষীৰ কৰ্মপন্থালৈ সৰ্বত্ৰে প্ৰশ্ন উত্থাপন হৈছে।

## ৰাজপথত দুই মহিলাৰ খণ্ডযুদ্ধ

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৪ জুন ঃ** শিৱসাগৰ নগৰৰ ৰাজপথত আজি দুই মহিলাৰ খণ্ডযুদ্ধই ৰাইজৰ দৃষ্টি কাঢ়ে। শিৱসাগৰ নগৰৰ ৰাজ্যিক বাছ আস্থানৰ সন্মুখত এগৰাকী মহিলাই আনগৰাকী মহিলাক চোঁচোৰাই নিলে শিৱসাগৰ সদৰ আৰক্ষী থানালৈ। আৰক্ষী ঘটনাস্থলী পোৱাৰ পূৰ্বে এগৰাকী মহিলাই আন এগৰাকী মহিলাৰ মুখমণ্ডলত চৰ , ঘোচাৰে কেইবাবাৰো আক্ৰমণ কৰে। প্ৰাপ্ত অভিযোগ অনুসৰি,পৰকীয়া প্ৰেমৰ ফলশ্ৰুতিত ৰাজপথত দুই মহিলাৰ মাজত খণ্ডযুদ্ধ হয়। ৰাণু দাস নামৰ মহিলা গৰাকীয়ে সাংবাদিকৰ আগত অভিযোগ কৰে যে ডিব্ৰুগড়ৰ এগৰাকী মহিলা সৈতে ৰাণু দাসৰ ভাতৃৰ পৰকীয়া প্ৰেম।দীৰ্ঘদিন ধৰি মহিলা গৰাকীয়ে ৰাণু দাসৰ ভাতৃক ব্লেকমেইল কৰি আহিছে। ৰাণু দাসৰ ভাতৃ তথা আৰক্ষীৰ জোৱান কাকু দাসৰ সৈতে ডিব্ৰুগড়ৰ মহিলাগৰাকীয়ে অবৈধ সম্পৰ্ক ৰক্ষা কৰি অহাৰ লগতে ব্লেকমেইল কৰি আহিছে। বৰ্তমান তিনিচুকীয়াত কৰ্মৰত ৰাণু দাসৰ ভাতৃ কাকু দাসএটা সন্তানৰ পিতৃ।

## আক্ৰমণকাৰীক সশ্ৰম কাৰাদণ্ডৰ ৰায়দান তেজপুৰ আদালতৰ

**বাতৰি কাকত , তেজপুৰ, ৪ জুন ঃ** তেজপুৰস্থিত জিলা আৰু সত্ৰ ন্যায়ধীশ আদালতে আজি হাচেন আলি ওৰফে পাগলা নামৰ লোকজনক হত্যাৰ অপচেষ্টাৰ এক গোচৰ সন্দৰ্ভত সশ্ৰম কাৰাদণ্ড বিহে। উল্লেখযোগ্য যে, ২০২৩ ৰ ২৮ জুলাইৰ বিয়লি প্ৰায় আঢ়ৈবজাত ঢেকিয়াজুলিৰ লুঙি চেন্টাৰৰ পৰা কঠলুড়ুপ চেন্টাৰলৈ আহি থকা তিনিগৰাকী মহিলাক হাতত চোকা অস্ত্ৰলৈ খেদি যায় হাচেনে। এই ভয়ংকৰ দৃশ্য দেখাপাই আক্ৰমণকাৰী হাচেনক বাধা দিয়া স্থানীয় জাফৰ আলি নামৰ লোকজনক হাচেনে দাৰে উপৰ্যুপৰি ঘপিয়াই হত্যাৰ চেষ্টা চলাই। এই ঘটনাত জাফৰ আলিয়ে ডিঙিত গুৰুতৰ আঘাত পায়। আনহাতে এই লোমহৰ্ষক ঘটনাৰ পিছত ঢেকিয়াজুলি থানাত পঞ্জীভুক্ত ১৩৩/২০২৩ নম্বৰ গোচৰমৰ্মে অভিযুক্ত হাচেনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে আৰু আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আনহাতে, উক্ত ঘটনাৰ গোচৰ প্ৰক্ৰিয়া তেজপুৰৰ জিলা সত্ৰ ন্যায়াধীশৰ আদালতত অব্যাহত থকাৰ পাছত তেতিয়াৰ ভাৰতীয় দণ্ডবিধিৰ ৩২৫ ধাৰাৰ অধীনত আজি শোণিতপুৰ জিলা ও সত্ৰ ন্যায়াধীশ কৌশিক হাজৰিকাই আক্ৰমণকাৰী হাচেনক দহ হেজাৰ টকাৰ জৰিমনাসহ পাঁচ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০৭ ধাৰাৰ অধীনত ১০ হেজাৰ টকাৰ জৰিমনাসহ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায়দান কৰে।

## বহিৰাজ্যত সন্ধানহীন শিৱসাগৰৰ দিগন্ত শইকীয়া

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৪ জুন ঃ** কৰ্মস্থাপনৰ বাবে গৈ বহিঠঃৰাজ্যত সন্ধানহীন শিৱসাগৰ নগৰৰ সমীপৰ বানমুখ দিহিঙীয়া গাঁৱৰ দিগন্ত শইকীয়া। ২৫ দিন ধৰি সন্ধান নাই দিগন্ত শইকীয়াৰ। ১০ মে'ত শিৱসাগৰ পৰা কৰ্মসংস্থাপনৰ বাবে হায়দৰাবাদলৈ গৈছিল দিগন্ত শইকীয়া। বিজয়ৱাঞ্জা ষ্টেচনৰ পৰা ছিকেণ্ডবাদ ষ্টেচনলৈ গৈ থকা অৱস্থাত ৰহস্য জনক ভাৱে সন্ধানহীন হয় দিগন্ত শইকীয়া। শিৱসাগৰ নগৰৰ থানামুখৰ অজু দাস নামৰ এজন ব্যক্তিৰ সৈতে হাইদৰাবাদলৈ গৈছিল দিগন্ত শইকীয়া। অজু দাসৰ ভাষ্য অনুসৰি, বিজয়ৱাঞ্জা ষ্টেচনত সন্ধানহীন দিগন্ত শইকীয়া। ৩০ মে'ত শেষবাৰৰ বাবে ম'বাইল ফোন অন হৈছিল দিগন্ত শইকীয়াৰ। শিৱসাগৰ সদৰ আৰক্ষী থানাত ২ খনকৈ এজাহাৰ দাখিল কৰাৰ পাছতো কোনোধৰণৰ শুংসূত্ৰ লাভ কৰিব পৰ নাই শিৱসাগৰ আৰক্ষীয়ে। ইয়াৰ উপৰিও বিজয়ৱাঞ্জা থানাত এখন এজাহাৰ দাখিল কৰিছিল পৰিয়ালৰলোকে। বিজয়ৱাঞ্জা আৰক্ষীৰ ভাষ্য অনুসৰি, এই পৰ্যন্ত লৈকে অসমৰ প্ৰায় ৪০ জন ব্যক্তি ৰহস্যজনক ভাৱে সন্ধানহীন হৈ আছে। কিন্তু আজিলৈকে কোনোধৰনৰ খবৰ লাভ কৰিব পৰা নাই আৰক্ষীয়ে। দিগন্ত শইকীয়াক উদ্ধাৰ কৰিবলৈ অসম চৰকাৰক কাতৰ আহ্বান জনাইছে পৰিয়ালৰ লোকে।

*অসম আৰক্ষী আধুনিকৰণৰ প্ৰয়োজন আছেঃ মীৰা বৰঠাকুৰ*

## নিহত ছাত্ৰ নেতা মাধুৰ্য বৰ্মনৰ গৃহত কংগ্ৰেছৰ প্ৰতিনিধি দল

**ষ্টাফ ৰিপৰ্টাৰ, নলবাৰী, ৪ জুন ঃ** ছাত্ৰ নেতা মাধুৰ্য্য বৰ্মন হত্যাকাণ্ডত অকল ৰ'জ ওৰফে আছিফ খানে জড়িত নাছিল। এই হত্যাকাণ্ডত জড়িত আছিল আন কেইবাজনো। মাধুৰ্য্য বৰ্মনৰ গৃহত উপস্থিত হৈ এই মন্তব্য কৰে কংগ্ৰেছ নেতা ৰিপুন বৰাই । নলবাৰীৰ গংগাপুৰত সংঘটিত ভয়াবহ ঘটনাত নিহত ছাত্ৰ নেতা মাধুৰ্য্য বৰ্মনৰ গৃহত আজি উপস্থিত হয় কংগ্ৰেছ দলৰ এটা প্ৰতিনিধি দল । কংগ্ৰেছ নেতা ৰিপুন বৰা, কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰ, নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ভাৰপ্ৰাপ্ত সভাপতি দিব্যজ্যোতি হালৈ, কংগ্ৰেছ নেতা অশোক শৰ্মা, প্ৰদ্যুৎ ভূঞাই পৰিয়ালটোৰ দুখৰ সমভাগী হয় । মাধুৰ্য্য বৰ্মনৰ বাসগৃহত উপস্থিত হৈ পিতৃ মাতৃক সান্ত্বনা দিয়াৰ চেষ্টা কৰে কংগ্ৰেছৰ নেতৃত্বই । স্থানীয় লোকৰ লগতো মত বিনিময় কৰে কংগ্ৰেছৰ প্ৰতিনিধি দলটোৱে ।

*প্ৰকৃতি সংৰক্ষণ-সংবৰ্ধনৰ সফল নেতৃত্ব দিছে ড° হিমন্ত বিশ্ব শৰ্মাই*

# বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি ৰাজ্যিক বিজেপিৰ

**পুলক মেধি, লাহৰীঘাট, ৪ জুন ঃ** কেৱল সৰ্বদিশৰ উন্নয়নেই নহয়, প্ৰকৃতি সংৰক্ষণ আৰু সংবৰ্ধনতো বিশেষ সফলতা কঢ়িয়াইছে ড°, হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন এনডিএ চৰকাৰে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত কেৱল মুনাফাৰ স্বাৰ্থত চৰকাৰৰ বৰমূৰীয়াসকলে বন ধ্বংস অভিযান চলাইছিল। অবাধে গছ কটা, বনভূমি-জলাশয় বেদখল ইত্যাদি আছিল কংগ্ৰেছ চৰকাৰৰ সময়ৰ নিত্য নৈমিত্তিক ঘটনা। বন বিভাগৰ মন্ত্ৰী, বিষয়া-কৰ্মচাৰী আদিয়েই বন-দস্যুৰ ৰূপত অৱতীৰ্ণ হৈছিল। গড় হত্যা আদি আছিল প্ৰতিটো দিনৰ দুঃসংবাদ। কিন্তু ইয়াৰ বিপৰীতে সৰ্বানন্দ সোনোৱাল আৰু ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন এনডিএ চৰকাৰে যুগযুগ ধৰি চলি অহা বন ধ্বংস যজ্ঞৰ অৱসান ঘটালে। বেদখলকাৰীৰ কৱলত পৰা বনভূমি-জলাশয় উদ্ধাৰ কৰিলে। 'বিশ্ব পৰিৱেশ দিৱস' উদযাপনৰ প্ৰাক মুহূৰ্তত অসম প্ৰদেশ বিজেপিয়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত বিজেপি নেতৃত্বাধীন যোৱা ১০ বছৰীয়া চৰকাৰৰ শাসনকালত প্ৰকৃতি ৰক্ষাৰ কাৰণে গ্ৰহণ কৰা ইতিবাচক পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। বিবৃতিটোত ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে কয় যে বিগত ৫ বছৰতে ২৫ হাজাৰ একৰতকৈও অধিক বনাঞ্চল অবৈধ দখলকাৰীৰ পৰা উদ্ধাৰ কৰিলে। গোৱালপাৰাৰ দহিকটা সংৰক্ষিত বনাঞ্চলত বিগত বৰ্ষৰ ৯ আৰু ১০ নৱেম্বৰত চলোৱা উচ্ছেদ অভিযানত প্ৰায় ৬০০ অবৈধ দখলকাৰীক উচ্ছেদ কৰি ১১৫০ বিঘা বনভূমি পুনৰুদ্ধাৰ কৰা হৈছিল। উচ্ছেদৰ পাছতেই আৰম্ভ কৰা গছপুলি ৰোপণকে ধৰি ভিন্ন পদক্ষেপৰ ফলস্বৰূপে এতিয়া সেই বনভূমিলৈ উভতি আহিছে বন্য জীৱকুল। দহিকাটা, বান্দাৰমাথা সংৰক্ষিত বনাঞ্চল বেদখলমুক্ত কৰি বন্ধ হৈ থকা হস্তি কৰিডৰ্ক্সৰ মুকলি কৰাৰ ফলত বন্য হস্তি বনাঞ্চলৰ পৰা জনাঞ্চললৈ অহাটো বন্ধ হ'ল। হাতীকুলে নিজৰ মতে নিজৰ এলেকাত বিচৰণ কৰাৰ সুবিধা হ'ল। গোলাঘাট জিলাৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলাই বিজেপি চৰকাৰে ইতিমধ্যে ১৫৩ হে'ৰ মাটি উদ্ধাৰ কৰিছে আৰু সেই বনাঞ্চলত গছ পুলি ৰোপণৰ ব্যৱস্থা কৰিছে। কাৰ্বি আংলঙৰো ধনশিৰি আৰু দলদলি সংৰক্ষিত বনাঞ্চল বেদখলমুক্ত কৰি তাতো এতিয়া বন বিভাগে বিভিন্ন প্ৰজাতিৰ গছ পুলি ৰোপণ কৰাৰ ব্যৱস্থা কৰিছে। লাওখোৱা অভয়াৰণ্যৰ বৃহৎ অংশ বেদখলমুক্ত কৰাৰ পিছত এতিয়া তাত বনৰীয়া জীৱ-জন্তুৰ বিচৰণ সহজ হৈছে আৰু বন্য জন্তুৰ বংশবৃদ্ধি ঘটিছে। অবৈধ বেদখলকাৰীৰ কৱলত পৰি এসময়ত ধ্বংসৰ মুখলৈ গতি কৰা উত্তৰ অসমৰ পাভৈ বনাঞ্চললৈও এতিয়া ঘূৰি আহিছে সেউজ পৰিৱেশ। এই বনাঞ্চলত এতিয়া হাতী, বাঘ, ভালুকৰ লগতে বন ঘোঁৰাৰ মুক্ত বিচৰণে প্ৰকৃতি প্ৰেমীসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। এসময়ত কেৱল গঁড়ৰ চোৰাং চিকাৰৰ ভয়-শংকাৰ বাতৰিয়ে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰো শিৰোনাম দখল কৰা কাজিৰঙাই আজি বিশ্ব পৰ্যটনৰ মানচিত্ৰত এক নতুন ইতিহাস ৰচনা কৰিছে। ১.৫৫ লাখৰ পৰা ৫.৪৮ লাখলৈ বৃদ্ধি হৈছে দৰ্শনাৰ্থীৰ সংখ্যা। এয়া অসমৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে কঢ়িয়াই অনা এক বিশেষ সফলতাৰ খবৰ। একেদৰে মানস ৰাষ্ট্ৰীয় উদ্যান আৰু পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ পৰাও প্ৰতিদিনে আহি আছে গভীৰ আশাব্যঞ্জক খবৰ। উন্নত সুবিধা, সুদৃঢ় যোগাযোগ ব্যৱস্থা আৰু বন্যপ্ৰাণী সংৰক্ষণৰ দৃঢ় পদক্ষেপৰ ফলত এই দুয়োখন সংৰক্ষিত বনাঞ্চলত ৰ লাখতকৈ অধিক পৰ্যটকৰ আগমন ঘটিছে। যাৰ ফলত অসমৰ বন পৰ্যটনেও লাভ কৰিছে নতুন গতি আৰু নতুন শক্তি। ইয়ে কেৱল অসম পৰ্যটনৰ সফলতাই কঢ়িয়াইছে এনে নহয়, স্থানীয় যুৱক-যুৱতী, গাইড, চালক, হোমস্টে পৰিচালক আৰু ক্ষুদ্ৰ ব্যৱসায়ীৰ জীৱনলৈও আত্মবিশ্বাস, নতুন সম্ভাৱনা আৰু জীৱিকাৰ এক নতুন দিশ উন্মোচন কৰিছে। বিবৃতিটোত ৰাজ্যিক মুখপাত্ৰ কমল কুমাৰ মেধিয়ে দলৰ সিদ্ধান্তৰ বিষয়ে সদৰী কৰি কয় যে ৫ জুনৰ 'বিশ্ব পৰিৱেশ দিৱস' ভাৰতীয় জনতা পাৰ্টিয়ে ব্যাপক আৰু বিস্তাৰিত ৰূপত পালন কৰিব। কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এনডিএ চৰকাৰৰ ৰচ বছৰীয়া পূৰ্তিৰ সৈতে সংগতি ৰাখি এইবাৰ অসমতো ভাৰতীয় জনতা পাৰ্টিয়ে ১ কোটি গছপুলি ৰোপণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। 'বিশ্ব পৰিৱেশ দিৱস'ত দলৰ কাৰ্যকৰ্তাসকলে প্ৰতিটো বুথত কমেও ৫ টা ফলধাৰী গছ ৰোপণ কৰিব। প্ৰতিগৰাকী কাৰ্যকৰ্তাই তেখেতৰ মাতৃৰ স্মৃতীত এটাকৈ গছ পুলি উৎসৰ্গা কৰিব।

## কাজী ইন্তাজ আলীৰ বিয়োগ

**বাতৰি কাকত, আলোপতি, ৪ জুন ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত আলোপতি গাঁওৰ বাসিন্দা কাজী ইন্তাজ আলীৰ (৯৭) ৰ আজি মৃত্যু হয়। বাৰ্ধক্য জনিত কাৰণত বিগত কিছুবছৰ ধৰি শয্যাগত অৱস্থাত আজি নিজ গৃহত হোৱা মৃত্যুত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে । তেও বৃহত্তৰ আলোপতি অঞ্চলৰ বিভিন্ন সামাজিক কাম-কাজৰ লগত জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ-কন্যাসহ বহু আত্মীয় স্বজন ইহ সংসাৰত এৰি থৈ যায়। আজি নিশা ৯ বজাত স্থানীয় কবৰস্থানত বহুতো আত্মীয়ৰ লগতে গুণমুগ্ধৰ উপস্থিতিত তেওৰ জানাজা সম্পন্ন কৰা হয় । তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলৰ লগতে আলোপতি ছাত্ৰ সন্থা আৰু বহু বিশিষ্ট ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

## গৰমৰ প্ৰভাৱত অসুস্থ হৈ ঢলি পৰিল কেইবাগৰাকী ছাত্ৰী

**বাতৰি কাকত, তামুলপুৰ, ৪ জুন ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলিত অত্যাধিক গৰমৰ প্ৰভাৱত বিদ্যালয়ত পাঠদান চলি থকাৰ সময়তে আজি কেইবাগৰাকী ছাত্ৰী অসুস্থ হৈ ঢলি পৰাৰ ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাটো সংঘটিত হৈছে নাগ্ৰীজুলি খাটাৰবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। জানিব পৰা মতে আজি বিদ্যালয়ত পাঠদান চলি থকাৰ সময়তে হঠাতে কেইবাগৰাকী ছাত্ৰী অসুস্থ হৈ ঢলি পৰে। ছাত্ৰীসকল অসুস্থ হৈ পৰাৰ লগে লগে বিদ্যালয় কৰ্তৃপক্ষই ততাতৈয়াকৈ তেওঁলোকক নাগ্ৰীজুলি আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰায়। চিকিৎসালয় সূত্ৰে জানিব পৰা মতে, আটাইকেইগৰাকী ছাত্ৰী বৰ্তমান চিকিৎসাধীন হৈ আছে। প্ৰাথমিকভাৱে অত্যাধিক গৰম আৰু তাপপ্ৰবাহৰ ফলতেই ছাত্ৰীসকল অসুস্থ হোৱা বুলি সন্দেহ কৰা হৈছে। ইতিমধ্যে একাংশ ছাত্ৰীৰ স্বাস্থ্যৰ উন্নতি ঘটিছে যদিও কেইবাগৰাকী ছাত্ৰী এতিয়াও চিকিৎসালয়ত চিকিৎসা গ্ৰহণ কৰি আছে। উল্লেখ্য যে, সাম্প্ৰতিক সময়ত সমগ্ৰ অঞ্চলটোত অত্যাধিক গৰমে জনজীৱন ব্যাহত কৰি তুলিছে। এনে পৰিস্থিতিত বিদ্যালয়সমূহত অধ্যয়নৰ সময়সূচী পুনৰ নিৰ্ধাৰণ কৰাৰ লগতে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, পৰ্যাপ্ত জিৰণিৰ সময় আৰু অন্যান্য সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে অভিভাৱক, স্থানীয় ৰাইজ তথা সচেতন মহলে।




# কবি জোনমণি দাসৰ ওপজা দিন 'কাব্যকল্প' উদ্‌যাপন

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ,৪ জুনঃ** অসমীয়া কাব্য আৰু শিশু সাহিত্য জগতখনলৈ অনবদ্য অৱদান আগবঢ়াই যোৱা সদ্যপ্ৰয়াত কবি জোনমণি দাসৰ ৪১ সংখ্যক ওপজা দিন। কবিগৰাকীৰ জন্মদিনটো প্ৰতিবছৰে উদযাপন কৰা কবিৰ আদ্যশ্ৰাদ্ধ দিনাই আনুষ্ঠানিকভাৱে ঘোষণা কৰিছিল শিৱসাগৰ জিলা কবি সন্মিলনে। সেই উদ্দেশ্যে শিৱসাগৰ জিলা কবি সন্মিলনৰ উদ্যোগত, 'স্পৰ্শ ন্যাস'ৰ সহযোগত ওপজা দিন 'কাব্যকল্প' উদযাপন কৰা হয়। স্বেচ্ছাসেৱী অনুষ্ঠান 'ঐক্য'ৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা অনুষ্ঠানত কবিগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে পত্নী তৰালি হাজৰিকা দাসে। তাৰপছতে কবিগৰাকীক শ্ৰদ্ধা নিবেদন কৰে ভগ্নী ৰাজলক্ষ্মী দাস দেৰ লগতে উপস্থিতসকলে। শিৱসাগৰ জিলা কবি সন্মিলনৰ সম্পাদক প্ৰাঞ্জল আবিৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতে আৰম্ভ হয় জোনমণি দাসৰ কবিতা পাঠৰ অনুষ্ঠান। শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি হেমন্ত ৰাজখোৱাই সভাপতিত্ব কৰা অনুষ্ঠানত অপৰাজিতা গগৈ, লিপি ফুকন, জ্যোতিকা শইকীয়া গগৈ, বৃষ্টিৰাণী শইকীয়া বড়া, ইলোৰা ভাগৱতী, ৰুলী বৰগোহাঁই, সৌৰভজ্যোতি দুৱৰা, বিশ্বজিৎ নাথ, বিদিশা চেতিয়া, সংগীতা ৰুণুমী বৰুৱা, বন্দনা কৌশিক বৰদলৈ, চন্দ্ৰলেখা ৰাজখোৱা, দেৱযানী দিক্ষীতা, পূজা বৰুৱা, শিল্পী হাতীবৰুৱা দাস, হাৰেজা বেগম, মিলন খনিকৰে জোনমণি দাসৰ কবিতা পাঠ কৰি কবিলৈ শ্ৰদ্ধা নিবেদন কৰে। পঠিত কবিতাসমূহৰ বিশ্লেষণ আগবঢ়াবলৈ গৈ কবি-সমালোচক ৰাজীৱ বৰাই জোনমণি দাসৰ কবিতাত মৃত্যু চেতনাৰ প্ৰভাৱৰ কথা উল্লেখ কৰি তেওঁ মৃত্যুক দোষ দিয়া নাই, সেই বাস্তৱ সত্যক মানি লৈছে বুলি মন্তব্য কৰাৰ লগতে জোনমণিৰ আৰম্ভণিটো আন দহজনৰ দৰেই সাধাৰণ আছিল কিন্তু পৰৱৰ্তী সময়ত তেওঁৰ কবিতাসমূহত এটা দাৰ্শনিক দৃষ্টি ধৰা পৰা বুলিও উনুকিয়াই যায়। শিৱসাগৰ কবি চক্ৰৰ সভাপতি অশ্ৰমণি দত্ত ঘোষে আঁতধৰা অনুষ্ঠানত বিশিষ্ট কবি হৰেণ গগৈ, বিজয় ৰবিদাস, শিৱসাগৰ জিলা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি মুকুল নাথ, কবি-সাংবাদিক জয়জ্যোতি গগৈ, বুৰঞ্জী লেখক নবীন বুঢ়াগোহাঁই, সুৰেশ ভূঞা, উৎপল সোনোৱাল, বিজু বৰঠাকুৰ, ইৰফানা জাহান, অংকুশজ্যোতি দত্তকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# নাজিৰাত অসম কুৰ্মী সমাজৰ উদ্যোগত মেধাৱী ছাত্ৰ-ছাত্ৰীক অভিনন্দন-কেৰিয়াৰ কাউন্সেলিং কৰ্মশালা সম্পন্ন

**বাতৰি কাকত, নাজিৰা৪ জুনঃ** কোনো এটা জাতিৰ সামাজিক উন্নয়ন হ'বলৈ হ'লে সমাজত মানৱ সম্পদ গঢ় দিব লাগিব। এই মানৱ সম্পদ গঢ় দিবলৈ হ'লে সমাজখনৰ ভৱিষ্যতৰ প্ৰজন্মক সুশিক্ষিত কৰি তোলিব লাগিব ।সাম্প্ৰতিক সময়ত মূল্যায়নৰ প্ৰতিযোগিতা মূলক শিক্ষাই সমাজ ব্যৱস্থা আগবঢ়াই অনাত এক প্ৰকাৰে হেঙাৰ স্বৰূপ হৈ পৰিছে ।আজিৰ শিক্ষা ব্যৱস্থাত কেৱল মূল্যায়নৰ প্ৰতিযোগিতাত দৌৰি ছাত্ৰ সমাজৰ কোনো কোনোৰে সামাজিক দায়িত্ববোধ পৰিহাৰ কৰা পৰিলক্ষিত হৈছে। আজি নাজিৰা নাট্য মন্দিৰত অসম কুৰ্মী সমাজৰ শিৱসাগৰ জিলা সমিতি , মহিলা সমিতি আৰু যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত আয়োজিত কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠান আৰু কেৰিয়াৰ কাউন্সেলিং কৰ্মশালাৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অৱসৰী প্ৰধান শিক্ষক তথা অসম হাইস্কুল শিক্ষক সন্থাৰ প্ৰাক্তন সভাপতি ৰাজেন শৰ্মাই এইদৰে মত পোষণ কৰে। অসম কুৰ্মী সমাজৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি জানুৰাম কুৰ্মীৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমাজৰ কেন্দ্ৰীয় উপ-সভাপতি বলোৰাম কুৰ্মী, চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা ৰেণু গোৱালা কুৰ্মী সমাজৰ জিলা মহিলা সমিতিৰ সভানেত্ৰী কল্পনা কুৰ্মী , সম্পাদিকা ৰীণা কুৰ্মী , পঞ্জাৱৰ চি টি বিশ্ববিদ্যালয়ৰ সত্যব্ৰত শৰ্মা আদিকে ধৰি ভালেকেইজনে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি মেধাৱী ছাত্ৰ-ছাত্ৰী সকলৰ উদ্দেশ্যে বক্তব্য দাঙি ধৰে। অসম কুৰ্মী সমাজৰ শিৱসাগৰ জিলা সমিতিৰ সম্পাদক পাৰ্থ প্ৰতিম কুৰ্মীয়ে আঁতধৰা আৰু আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত নাজিৰা শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য গোপাল বৰুৱা , ৰাজেন ঘাটোৱাৰ, বৰুণ ৰাজখোৱাৰ , অজিত মাল, জীৱেশ্বৰ ভূমিৰ , বাপুতি কুৰ্মী, বাবা কুৰ্মী , বিশ্বজিৎ কুৰ্মী আদিকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি সদ্য ঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত চাহ জনগোষ্ঠীৰ কুৰ্মী জাতিৰ পৰিয়ালৰ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা প্ৰায় ৯০ গৰাকীক মেধাৱী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰে। পুৱা জিলা সভাপতি জানুৰাম কুৰ্মীয়ে পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলন কৰাৰ পিছতে জিলা সম্পাদক পাৰ্থ প্ৰতিম কুৰ্মীয়ে স্মৃতি তৰ্পণ, জিলা মহিলা সমিতিৰ সভানেত্ৰী কল্পনা কুৰ্মীয়ে বৃক্ষ ৰোপণ কৰে । উক্ত অভিনন্দন অনুষ্ঠানৰ লগত সংগতি ৰাখি অসম কুৰ্মী সমাজে বিগত বৰ্ষ সমূহৰ দৰে এইবাৰো নাজিৰা নাট্য মন্দিৰত এক কেৰিয়াৰ কাউন্সেলিং কৰ্মশালাও অনুষ্ঠিত কৰে। অনুষ্ঠানত বি চি পি এলৰ ছিনিয়ৰ কেমিষ্ট ডঃ প্ৰাঞ্জল বেজবৰুৱাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি ছাত্ৰ - ছাত্ৰীয়ে পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পিছত অনাগত সময়ত সফল জীৱন গঢ় দিয়াৰ ক্ষেত্ৰত কেনে ব্যৱস্থাৰ মাজেৰে যাব পাৰি তাৰ বিভিন্ন দিশ তথ্যগত ভাৱে দাঙি ধৰে। তেখেতে শিক্ষাই এটা জাতিৰ মেৰুদণ্ড স্বৰূপ যদিও সমাজত প্ৰকৃত মানৱ হিচাপে গঢ় দিব পাৰিলেহে প্ৰকৃত শিক্ষাৰ গুণগত মান নিৰূপণ হয় বুলি মত পোষণ কৰে।

# কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়াক আৰ্টিষ্ট গীল্ডৰ 'আৰোহণ বঁটা' প্ৰদান



**বাতৰি কাকত, ছিপাঝাৰ৪ জুনঃ** ছিপাঝাৰ উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়াই এইবেলি লাভ কৰিছে গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ 'আৰোহণ বঁটা'। দৰঙৰ ছিপাঝাৰৰ দুনী ১ নং ভেৰুৱাৰ নিৱাসী বিশিষ্ট সমাজকৰ্মী বসুন্ধৰ চহৰীয়াৰ কনিষ্ঠ পুত্ৰ বিনোদ চহৰীয়া কৰ্মসূত্ৰে যদিও সামাজিক আৰু সাংস্কৃতিক জগতৰ লগত নিবিড় ভাৱে জড়িত। এগৰাকী যুৱ সমাজসেৱক, সমাজ সংগঠক, সাংস্কৃতিক কৰ্মী হিচাপে বিনোদ চহৰীয়াৰ ৰাইজৰ মাজত খুবেই এটি পৰিচিত নাম । মানুহৰ মাজত থাকি সমাজৰ হৈ কাম কৰি অহা বিনোদ চহৰীয়া এগৰাকী ভাল কণ্ঠ শিল্পী হিচাপেও এটা চিনাকি আছে। দুখীয়া দৰিদ্ৰক সহায়ৰ হাত আগবঢ়ায় ভাল পোৱা মানৱদৰদী বিনোদ চহৰীয়াক এইবেলি গুৱাহাটী আৰ্টিষ্ট গীল্ডে কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰশাসনিক ক্ষেত্ৰত বিশেষভাৱে আগবঢ়োৱা বৰঙণিৰ বাবে আৰোহণ বঁটাৰে সন্মানিত কৰে অভিযন্তা বিনোদ চহৰীয়াক। জানিব পৰা মতে সংস্কৃতিৰ বৰপথাৰত অসমৰ আগশাৰীৰ শিক্ষা, সাহিত্য, সাংস্কৃতিক, সামাজিক বেচৰকাৰী সংস্থা আৰোহণ আৰ্টিষ্ট গীল্ডে সমাজত এচাম ব্যক্তি যাৰ সাধনা, কষ্ট, সহিষ্ণুতা বিৰল আৰু জীৱনযোৱা সাধনাৰে শিক্ষা, সাহিত্য সাংস্কৃতিক, সংবাদসেৱা, সমাজসেৱা, ক্ৰীড়া আৰু প্ৰশাসনিক ক্ষেত্ৰখনলৈ বিশেষ ভাবে সেৱা আগবঢ়াই আহিছে। সেইসকল প্ৰথিতযশা ব্যক্তি সকললৈ ২০২৫-২৬ বৰ্ষৰ ৰাজ্যৰ সন্মানজনক আৰোহণ বঁটা প্ৰদান কৰাৰ দিহা কৰা বুলি প্ৰকাশ। মূলতঃ সমাজত আজীৱন দুগুণ উৎসাহেৰে কাম কৰাৰ বাবে তথা প্ৰেৰণা যোগোৱাৰ মানসেৰে প্ৰদান কৰা হয় এই সন্মানীয় বঁটা।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী কলছুমা হানুনক বিদ্যালয় কৰ্তৃপক্ষৰ বিদায় সম্বৰ্ধনা

**দৌলাশাল,৪ জুনঃ** নলবাৰী জিলাৰ দৌলাশালৰ গাতে লাগি থকা বৰপেটা জিলাৰ চেঙা প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ৰৌমাৰী পাথাৰস্থিত দানেছ আলী এম ই স্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী কলছুম হানুনে আজি চৰকাৰী নীতি-নিয়ম অনুসৰি চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে।আজি দেওবাৰ হোৱা হেতুকে বিদ্যালয়ৰ তৰফৰ পৰা কালিয়েই অৱসৰী ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী কলছুম হানুনক বিদ্যালয়ৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উদ্দেশ্যে কালি বিদ্যালয় প্ৰাংগণত এখনি বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হৈ যায়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি জব্বৰ আলীৰ সভাপতিত্বত অনুষ্ঠিত হয় বিদায় সম্বৰ্ধনা সভাখন। ১৯৮৩ চনৰ পৰা অৰ্থাৎ বিদ্যালয়খন প্ৰতিষ্ঠা কালৰে পৰা বিদ্যালয়খনত শিক্ষকতাৰ চাকৰিত যোগদান কৰি সুদীৰ্ঘ সময় মানৱ সম্পদ গঢ়াত ব্ৰতী হৈ কলছুম হানুনে শিক্ষকতাৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। কালি অনুষ্ঠিত হোৱা বিদায় সম্বৰ্ধনা সভাখনত কেইবাগৰাকীও বিশিষ্ট লোকে কলছুম হানুনৰ শিক্ষা পদ্ধতি, সৰলতা, ব্যক্তিত্বৰ বিষয়ে উল্লেখ কৰে। বিদ্যালয়খনৰ সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপৰি বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মতিন আলী, ৰৌমাৰী পাথাৰ গাঁও উন্নয়ন সমিতিৰ সভাপতি নহৰ আলী, বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষক তথা সাংবাদিক হিমাংশু পাটগিৰিৰ লগতে সমাজৰ কেইবাগৰাকীও মুখিয়াল লোক সভাখনত উপস্থিত থাকি বক্তব্য প্ৰদান কৰি কলছুম হানুনৰ অৱসৰৰ পাছৰ সময়খিনিও সুখ আৰু শান্তিময় হোৱাৰ কামনা কৰে। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মতিন আলীয়ে কলছুম হানুনৰ সঙ্গতে থকা আত্মীয়তা আৰু স্মৃতিৰ কথা উল্লেখ কৰাৰ লগতে কলছুম হানুনৰ ব্যক্তিত্বৰ বিষয়েও উল্লেখ কৰে। সভাখনত অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী কলছুম হানুনে ভাষণ প্ৰদান কৰাৰ লগতে বিদ্যালয়খনৰ স'তে থকা স্মৃতি আৰু দায়বদ্ধতাৰ কথা উল্লেখ কৰি আৱেগিক হৈ পৰে। অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী কলছুম হানুনক বিদ্যালয়ৰ তৰফৰ পৰা গামোচা, পিতলৰ শৰাই আৰু মানপত্ৰৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ উপৰি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে পূজনীয়া শিক্ষয়িত্ৰীগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। উত্তৰ ৰৌমাৰী পাথাৰ আঞ্চলিক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জেহেৰুল ইছলামে সভাখনত উপস্থিত হৈ কলছুম হানুনক সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা সভা অন্ত পৰাৰ পাছত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ মুখিয়াল লোকসকলে কলছুম হানুনক তেওঁৰ গৰিয়া ছটলাস্থিত বাসগৃহলৈ সমদল কৰি লৈ যায়।

# পুৰণিগুদামত বিজেপি জিলা কাৰ্যালয়ত ইউ চি চি সম্পৰ্কীয় পৰ্যালোচনাত জয়ন্ত গোস্বামী

**বাতৰি কাকত, পুৰণিগুদাম,৪ জুনঃ** ভাৰতীয় জনতা পাৰ্টি, কলিয়াবৰ জিলা সমিতিৰ পুৰণিগুদামস্থিত জিলা কাৰ্যালয়ত 'সম দেৱানী সংহিতা, অসম-২০২৬' শীৰ্ষক এখন সংবাদমেল অনুষ্ঠিত হয়। উক্ত সংবাদমেল সম্বোধন কৰি ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক মুখপাত্ৰ জয়ন্ত গোস্বামীয়ে আইনখনৰ সূচনা আৰু ইয়াৰ বিভিন্ন ইতিবাচক দিশ সমূহৰ সন্দৰ্ভত বিতংভাৱে বাখ্যা আগবঢ়ায়। তেওঁ Uniform Civil Code চমুকৈ UCC ৰ এই আইনখন অসম বিধানসভাত গৃহীত হোৱা সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসমৰ এনডিএ চৰকাৰখনক ধন্যবাদ জ্ঞাপন কৰি কয় যে, এই আইনখন আমাৰ ৰাজ্যখনৰ অন্যতম গুৰুত্বপূৰ্ণ আইনগত সংস্কাৰ। এইখন অসমৰ জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোৰে বাবে প্ৰৱৰ্তন কৰা একে নাগৰিক আইন, য'ত বিবাহ, বিবাহ বিচ্ছেদ (তালাক), সম্পত্তি, উত্তৰাধিকাৰ, ভৰণ-পোষণ আৰু লিভ-ইন (বিবাহ অবিহনে সহবাস) সম্পৰ্কৰ ক্ষেত্ৰত সম দেৱানী সংহিতা স্থাপন কৰিব। ৰাজ্যিক মুখপাত্ৰগৰাকীয়ে এই আইন অনুসৰি বহু ব্যক্তিগত আইন (Personal Law)ৰ সলনি এক সাধাৰণ নাগৰিক আইন ব্যৱস্থা গঢ়ি তোলাৰ প্ৰচেষ্টা কৰা বুলি নিজৰ বক্তব্যত উল্লেখ কৰে। লগতে আইনখনৰ জৰিয়তে সংবিধানৰ Article 342 অনুসৰি সংবিধানিক সুৰক্ষাত থকা অনুসূচিত জনজাতিৰ (ST) লোকসকল আইনৰ আওতাৰ পৰাৰ কিয় বাহিৰত থাকিব লগা হ'ল, তাৰ কাৰণ সন্দৰ্ভতো তেওঁ বিস্তৃতভাৱে বাখ্যা আগবঢ়ায়। আনহাতে, 'সম দেৱানী সংহিতা, অসম-২০২৬' সাম্প্ৰতিক সময়ৰ "সামাজিক সমতা"ৰ প্ৰতিষ্ঠাৰ উচিত পদক্ষেপ বুলি উল্লেখ কৰে। আনহাতে, বহু সংখ্যকে বিশেষকৈ Muslim Personal Lawৰ কিছু প্ৰচলিত ব্যৱস্থাৰ ওপৰত প্ৰভাৱ পেলাব বুলি কংগ্ৰেছে ইয়াক ব্যক্তিগত স্বাধীনতা আৰু ধৰ্মীয় অধিকাৰত হস্তক্ষেপ কৰা বুলি অযথা সমালোচনা কৰা সন্দৰ্ভত সংবাদমেলৰ জৰিয়তে আক্ষেপ প্ৰকাশ কৰে। তেওঁ আইনখনত থকা বিয়াৰ ন্যূনতম বয়স, বহু বিবাহ (Polygamy) নিষিদ্ধ, বিবাহ পঞ্জীয়নৰ বাধ্য বাধকতা, ভুৱা তথ্য দি বিয়া কৰোৱা শাস্তি, বলপূৰ্বক বা প্ৰৱঞ্চনামূলক বিবাহৰ সন্দৰ্ভত, আত্মীয়ৰ মাজত বিবাহ নিষিদ্ধ সন্দৰ্ভত, লিভ-ইন (সামাজিক বিবাহ নকৰোৱাকৈ সহবাস) সম্পৰ্কক আইনগত স্বীকৃতি প্ৰদান, বিবাহ বিচ্ছেদ (তালাকৰ)ৰ নিয়ম, উইল নথকা অৱস্থাত সম্পত্তি বণ্টন আদি বিভিন্ন বিষয়ৰ বিশ্লেষণ আগবঢ়ায়। সংবাদমেলত কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, তিৱা কাউঞ্চিলৰ অধ্যক্ষ মদন বৰদলৈ, পুৰণিগুদাম জিলা পৰিষদৰ সদস্য মিন্টু শৰ্মা, ৰঞ্জিত বৰা, ৰীতা কাকতি প্ৰমুখ্যে কেইবাজনো লোক উপস্থিত থাকে।

# বিলুপ্তিৰ দিশে থলুৱা প্ৰজাতিৰ চেং-গৰৈ-পুঠি-বটিয়া-তোৰা-মোৱা- খলিহনা-টিঙিৰাকে ধৰি ভিন্ন প্ৰজাতিৰ মাছ ঃ মীন আইন ভংগ কৰি কণীযুক্ত মাছ বিক্ৰী ব্যৱসায়ীৰ

**ছিপাঝাৰ,৪ জুনঃ** থলুৱা প্ৰজাতিৰ মাছ কাছৰে ভৰপূৰ ছিপাঝাৰৰ খাল, বিল,জলাশয় ,নৈ ,পিটনি আদিত সহজতে পাব পৰা থলুৱা প্ৰজাতিৰ মাছ পাবলৈ নোহোৱা হৈ পৰিছে।এনে মাছ সমূহ বিলুপ্ত হ'বলৈ ধৰাৰ মূলতে হ'ল এচাম দুষ্ট প্ৰকৃতিৰ লোকে ব্যৱসায়িক ভাবে বিভিন্ন ধৰণৰ সুবিধাজনক জাল ব্যৱহাৰ কৰি সৰু -বৰ মাছবোৰ ধৰি চলোৱা নিধন যজ্ঞ । থলুৱা প্ৰজাতিৰ মাছ সমূহ ধৰাত এক নিৰ্দিষ্ট সময়ৰ বাবে মীন বিভাগৰ নিষেধাজ্ঞা থকাৰ পিছতো বিভাগৰ আইনক যেন অসাধু লোক সকলে কোনো গুৰুত্ব নিদি থলুৱা প্ৰজাতিৰ মাছৰ নিধন যজ্ঞ অবাধে চলাই আছে। গাভিনী মাছ সমূহ খাল ,বিল, জলাশয় আদিৰ পৰা ব্যৱসায়ী সকলে নেট জালেৰে ধৰি বিক্ৰী কৰি মুনাফা লুটি থকাত থলুৱা মাছৰ নাইকীয়া হৈ পৰিছে। ছিপাঝাৰৰ দৰে ঠাইত উভয়নদী গৰৈ, চেং , কাৱৈ, পুঠি, খলিহনা , বটিয়া, মিচামাছ, তোৰা, বামি, চণ্ডা , মাগুৰ,শিঙি,টিঙিৰাকে ধৰি বহু প্ৰজাতিৰ থলুৱা মাছৰ আজি পাবলৈ নাই। ইফালে দিনক দিনে থলুৱা প্ৰজাতিৰ মাছ পাবলৈ নাইকীয়া হৈ পৰাত বজাৰত অন্ধ্ৰ প্ৰদেশ,বিহাৰ আদিৰ পৰা অহা চালানী মাছৰে ভৰি পৰিছে। মাছৰ কণী দিয়াৰ উপযুক্ত সমযত সময়ত খাল,বিল, পিটনি,জলাশয় আদিত থলুৱা মাছে কণী দিবলৈ উপযুক্ত ঠাই বিচাৰি লয়। কিন্তু বজাৰত এচাম অসাধু ব্যৱসায়ীয়ে গাভিনী তথা কণীযুক্ত মাছ মুকলি ভাবে কাটি বিক্ৰী কৰি আছে।তৎসত্বেও মীন বিভাগৰ যেন কোনো কৰণীয়তা নাই। স্মৰ্তব্য যে মীন আইনৰ ১৮৯১(১) ধাৰা আৰু ১৯৯৭ চনৰ সংশোধনী মতে প্ৰতি বছৰে এক এপ্ৰিলৰ পৰা ১৫ জুনলৈ সকলো স্তৰৰ নৈ,খাল, বিল, জলাশয় আদিত কণীযুক্ত মাছ ধৰাটো আইন মতে দণ্ডনীয়। ইয়াৰ পাছতো চলি আছে থলুৱা প্ৰজাতিৰ মাছৰ নিধন যজ্ঞ। সম্প্ৰতি সময়ত থলুৱা প্ৰজাতিৰ মাছৰ যি হাৰত বিলুপ্ত হ'বলৈ ধৰিছে ইয়াৰ পৰা কব পাৰি যে এটা সময়ত নৱ প্ৰজন্মই থলুৱা মাছৰ নাম সুধিলে হয়তো ক'ব নোৱাৰিব। যি কথা অতিকৈ দুৰ্ভাগ্যজনক।

# টংলাত ৰাভা জনগোষ্ঠীৰ জাতীয় উৎসৱ বায়খো পূজা উদ্‌যাপন

**ওদালগুৰি,৪ জুনঃ** ৰাভা জনগোষ্ঠীক বিশ্ব দৰবাৰত পৰিচয় কৰাবলৈ হক্সলে আধ্যাত্মিক দিশ ,সাংস্কৃতিক আৰু সাতামপুৰুষীয়া পৰম্পৰা ঐতিহ্যক জীয়াই ৰাখিব লাগিব। জেঠ মাহৰ পূৰ্ণিমা তিথিত পালন কৰা ৰাভা জনগোষ্ঠীৰ জাতীয় উৎসৱ বায়খোৰ দিনা চৰকাৰীভাৱে বন্ধ ঘোষণা কৰক ।অন্যান্য জনগোষ্ঠীৰ দৰে বায়খো উৎসৱৰ দিনাও চৰকাৰীভাৱে বন্ধ ঘোষণা কৰি পৰিয়ালটোৰ সৈতে একেলগে আৰাধনা কৰাৰ সুবিধাকণ দিয়ক । বিশ্ব শান্তি - সম্প্ৰীতি,ভ্ৰাতৃত্ববোধ অক্ষুণ্ণ ৰাখিবলৈ আয়া বায়খোই আশীৰ্বাদ প্ৰদান কৰিব ।ওদালগুৰি জিলাৰ টংলা সমীপৰ টোকনকাটা আঞ্চলিক বাইখো ডাম পৰিচালনা সমিতিৰ উদ্যোগত টোকনকাটা আৰু বৃহত্তৰ কলাইগাঁও ৰাইজৰ সহযোগত বায়খো ডাম টোকনকাটাত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা ১৭ সংখ্যক ৰাভা জাতীয় উৎসৱ বায়খো



পূজা উদযাপনৰ পতাকা উত্তোলন কৰি এইদৰে কয় টোকনকাটা আঞ্চলিক বায়খো ডাম পৰিচালনা সমিতিৰ সভাপতি তথা বিটিচিৰ মনোনীত পাৰিষদ ৰতন চন্দ্ৰ ৰাভাই ।প্ৰাণৰ শিল্পী জুবিন গাৰ্গ, প্ৰয়াত সমাজ সেৱক কমলা ৰাভা আৰু গাঁও প্ৰধান দেবেন চন্দ্ৰ ৰাভাৰ পবিত্ৰ স্মৃতিত একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্যসূচী কণ্ঠশিল্পী লাবণ্য ৰাজ ৰাভা ,অৱসৰী শিক্ষক ভৱেশ ৰাভা আৰু গাঁও প্ৰধান ডিম্বেশ্বৰ বড়োই ৰূপায়ণ কৰে।কেইবাগৰাকীও ব্যক্তিয়ে গছপুলি ৰোপণ কৰে। বায়খো পূজা শুভাৰম্ভ,নৈবেদ্য স্থাপন আৰু দেউৰী বৰণ কৰা পিছতে গাঁও ভিত্তিত পুৰুষ আৰু মহিলাৰ মাজত লেৰা টনা প্ৰতিযোগিতাও অনুষ্ঠিত হয়।আনহাতে দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি আবেলি মুকলি বায়খো,কৃষ্টি প্ৰদৰ্শন আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়।নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি বাবুল চন্দ্ৰ ৰাভাই উদ্বোধন কৰিবলগীয়া মুকলি অনুষ্ঠানত বায়খো হুৰি অসমৰ উপ সভাপতি বিষ্ণু প্ৰিয়ম ৰাভাই নিৰ্দিষ্ট বক্তাৰ ভাষণ অলংকৃত কৰিব।অনুষ্ঠানত কেবিনেট মন্ত্ৰী চৰণ বড়ো, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী ৰিহণ দৈমাৰী, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভা প্ৰমুখ্য বিভিন্ন দল সংগঠনৰ নেতৃবৃন্দৰ লগতে বিধায়ক ,বিটিচিৰ কাৰ্যবাহী পাৰিষদ,অন্যান্য পাৰিষদ উপস্থিত থাকিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী নিপু ৰাভাৰ লগতে স্থানীয় কণ্ঠশিল্পী নিশা ৰাভাই গীতৰ শৰাই আগবঢ়াব।সাংস্কৃতিক অনুষ্ঠানত গোৱালপাৰা জিলাৰ পৰা আমন্ত্ৰিত পশ্চিম দায়ৰং বায়ব্ৰা থোকৰ বাৰ নাককায় খুকচি নৃত্য প্ৰদৰ্শন কৰা হব বুলি উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি দণ্ডি ৰাম ৰাভা আৰু সম্পাদক হৰকান্ত ৰাভাই জানিবলৈ দিয়ে।

# টংলাত ৰবীন্দ্ৰ সংগীত -নৃত্য প্ৰতিযোগিতা সম্পন্ন

**ওদালগুৰি , ৪ জুনঃ** টংলাত ৰবীন্দ্ৰ সংগীত আৰু ৰবীন্দ্ৰ সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰি মহৎ কাৰ্য সম্পাদন কৰিছে ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ড, অসমৰ সদস্য সুজিত সৰকাৰে। এনেধৰণৰ অনুষ্ঠানে সমাজত সুন্দৰ বাতাবৰণ সৃষ্টি কৰে ।এই মন্তব্য টংলা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক বিকন চন্দ্ৰ ডেকাৰ ।অসম ভাষিক সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ সৌজন্যত ওদালগুৰি জিলা ভিত্তিত আয়োজিত ৰবীন্দ্ৰ সংগীত আৰু ৰবীন্দ্ৰ সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতাৰ সামৰণি পৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি বিধায়ক বিকন চন্দ্ৰ ডেকাই আয়োজকক ভূয়সী প্ৰশংসা কৰে। ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ডৰ সদস্য তথা প্ৰতিযোগিতাৰ আহ্বায়ক সুজিত সৰকাৰে দুয়োদিনৰ কাৰ্যসূচী সফল ৰূপায়ণ কৰি তোলা বাবে সমূহ প্ৰতিযোগীক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে ।ৰবীন্দ্ৰ সংগীতৰ চৰ্চা ,প্ৰচাৰ প্ৰসাৰ কৰাৰ মহৎ উদ্দেশ্য আগত ৰাখি বিগত কেইবাবছৰ ধৰি টংলাত ৰবীন্দ্ৰ সংগীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছোঁ । এইবেলি ওদালগুৰি জিলাৰ লগতে তামুলপুৰ ,বাক্সা ,শোণিতপুৰ জিলাৰো প্ৰতিযোগী আহিছে ।। আয়োজক সমিতি আৰু বিচাৰক মণ্ডলীয়ে জনোৱা অনুসৰি অনুষ্ঠিত ফলাফল অৱগত কৰা অনুসৰি ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ গ্ৰুপ এ'ত প্ৰতীক্ষা দাসে প্ৰথম , পীয়ুষ চক্ৰৱৰ্তীয়ে দ্বিতীয় আৰু মিঠি মণ্ডলে তৃতীয় স্থান অৰ্জন কৰা বিপৰীতে .গ্ৰুপ বি'ত আকাংক্ষা সাহাই প্ৰথম ,নিশিকা সাহাই দ্বিতীয় আৰু বিদ্যাশ্ৰী নাথে তৃতীয় স্থান অৰ্জন কৰিবলৈ সক্ষম হয়। সেইদৰে গ্ৰুপ চিত চুইটি অধিকাৰীয়ে প্ৰথম , বহ্নি দ্বিজা ৰয় দ্বিতীয় আৰু ৰাহুল নাথে তৃতীয় স্থান অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে ৰবীন্দ্ৰ সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতাত গ্ৰুপ এ'ত প্ৰথম জিস্মিতা দেৱনাথ,দ্বিতীয় স্নুবিকা চক্ৰৱৰ্তী ,তৃতীয় স্থান আহানা শৰ্মাই অৰ্জন কৰা বিপৰীতে গ্ৰুপ বিত প্ৰথম গীতিকা সাহা,দ্বিতীয় মনাশ্ৰী সাহা আৰু তৃতীয় স্থান আকাংক্ষা সাহাই লাভ কৰে। সেইদৰে গ্ৰুপ চিত তানিচা সাহাই প্ৰথম ,পূজা সেনে দ্বিতীয় স্থান আৰু মেঘনা দেই তৃতীয় স্থান অৰ্জন কৰে। উল্লেখ্য যে অহা ১২ জুনত গুৱাহাটীৰ শংকৰদেৱ কলা ক্ষেত্ৰত অসম ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ডৰ ৰাজ্যিক প্ৰতিযোগিতালৈ বাছনি হোৱা উক্ত ১৮ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব।



# বিজ্ঞানত নবেল বঁটা লাভ কৰা প্ৰথম গৰাকী ব্যক্তি **চন্দ্ৰশেখৰ ভেংকটৰমণ**

**চন্দ্ৰশে খৰ ভেঙ্গকটৰমণৰ জীৱনৰ উদ্দেশ্য আছিল বৈজ্ঞানিক হোৱা, বিজ্ঞানৰ চৰ্চাতে জীৱন কটোৱা। কিন্তু তাৰ সলনি তেওঁ হল এজন গাণিতিক সেয়ে পাছলৈ অন্তৰ্দৰ্ন্ধত ভুগি, কলিকতা চহৰৰ মাজেৰে ডেল হাউচী স্কোৱাৰৰ পৰা শিয়ালদহলৈ ট্ৰামেৰে গৈ থাকোঁতে বাউবাজাৰ ষ্ট্ৰীটত তেওঁৰ চকু পৰিল এখন চাইন বোৰ্ডত, চাইন বোৰ্ডখনত লিখা আছিল–দি ইণ্ডিয়ান এচোচিয়েচন ফৰ দি কাল্টিভেচন অবচায়েন্স। তেওঁ যিমানদূৰ পাৰে সোনকালে ট্ৰামৰ পৰা নামি, চাইন বোৰ্ড দিয়া ঘৰটো বিচাৰি আহিল আৰু লগ পালে অনুষ্ঠানটিৰ সম্পাদক ডাঃ অমৃতলাল চৰকাৰক। তেতিয়াৰে পৰা গৱেষণাগাৰলৈ নিয়মিয়াকৈ আহিবলৈ ধৰিলে। ৰজ্মচৰ চনটো ৰমণৰ কাৰণে বৰ সৌভাগ্যৰ বছৰ আছিল, এই বছৰটোতে তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি হিচাপে অক্সফোৰ্ডত অনুষ্ঠিত বিশ্ববিদ্যালয় কংগ্ৰেছত যোগদান কৰিছিল। তাতেই তেওঁ পৃথিৱীৰ বিভিন্ন বিজ্ঞানীৰ লগত পদাৰ্থ বিজ্ঞানৰ জটিল সমস্যাবিলাক মুকলিকৈ আলোচনা কৰিবলৈ সুবিধা পাইছিল।**

চন্দ্ৰশেখৰ ভেঙ্গকটৰমণ আছিল এগৰাকী ভাৰতীয় বিজ্ঞানী। ভাৰতলৈ ন'বেল বঁটাৰ সন্মান কঢ়িয়াই অনা ব্যক্তি সকলৰ ভিতৰত ছাৰ চন্দ্ৰশেখৰ ভেঙ্গকটৰমণ অন্যতম। এছিয়াৰ ভিতৰতে ১৯৩০ চনত বিজ্ঞান বিষয়ত ন'বেল বঁটা লাভ কৰা চন্দ্ৰশেখৰ ভেঙ্গকটৰমণ আছিল প্ৰথম গৰাকী ব্যক্তি। এই গৰাকী বিশিষ্ট বিজ্ঞানীক ভাৰত চৰকাৰে ১৯৫৪ চনত ভাৰত ৰত্ন উপাধিৰে সন্মানিত কৰিছিল। তেওঁ ভাৰত চৰকাৰৰ ডেপুটী একাউণ্টেণ্ট জেনেৰেল পদত কাৰ্যনিৰ্বাহ কৰিছিল। তদুপৰি পেৰিছ, ৰাছিয়া, হাঙ্গেৰীৰ অকাডেমী অফ ছায়েন্স আদি অনুষ্ঠানে তেওঁক সদস্য হিচাপে লোৱাৰ উপৰিও ইউৰোপ আৰু অনেক ভাৰতীয় বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট উপাধিৰে সন্মানিত কৰিছিল। চন্দ্ৰশেখৰ ভেঙ্গকটৰমণৰ জন্ম হয় ১৮৮৮ চনৰ ৭ নৱেম্বৰত, চেন্নাইৰ (মাদ্ৰাজ, তামিলনাড়ু) ত্ৰিচিনাপল্লীৰ ওচৰৰ থিৰুভানা ইককেভাল গাঁৱত পিতৃৰ আঠোটা সন্তানৰ ভিতৰত তেওঁ আছিল দ্বিতীয় সন্তান। প্ৰাথমিক শিক্ষা ৱালটায়াৰৰ পৰা লাভ কৰিছিল। ১১ বছৰ বয়সতে তেওঁ প্ৰৱেশিকা পৰীক্ষা আৰু ১৯০১ চনত তেওঁ ৱালটায়াৰৰ পৰাই আই-এ পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পাছত তেওঁ মাদ্ৰাজৰ প্ৰেছিডেন্সী কলেজত ভৰ্তি হৈছিল। আৰু তাৰ পৰাই তেওঁ ১৫ বছৰ বয়সতে স্নাতক আৰু ১৮ বছৰ বয়সত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ পৰীক্ষাত উৰ্ত্তীৰ্ণ হয়। উল্লেখযোগ্য যে তেওঁ স্নাতক আৰু স্নাতকোত্তৰ পৰীক্ষাত পদাৰ্থ বিজ্ঞান অধ্যয়ন কৰিছিল যদিও চলিত প্ৰথা মতে তেওঁ স্নাতক কলা আৰু স্নাতকোত্তৰ কলা বুলিহে লিখিব লগা হৈছিল। কলেজত পঢ়া সময়ৰে পৰা চন্দ্ৰশেকৰে বিজ্ঞান বিষয়ৰ শব্দ, তাপ, আৰু বিদ্যুত বিষয়ক ভালেমান তথ্য উলিয়াছিল। সেয়ে ১৯০৬ চনত তেওঁৰ দি লণ্ডন ফিল'ছফিকেল মেগাজিনত এটা গধুৰ প্ৰবন্ধ প্ৰকাশ কৰি বিজ্ঞানীসকলৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেওঁৰ বিলাতলৈ যোৱাৰ সকলো খৰচ চৰকাৰেই বহন কৰিবলৈ বিচাৰিছিল যদিও সেই যাত্ৰা হৈ নুঠিল। তেওঁ সৰ্বভাৰতীয় বিত্ত বিভাগৰ প্ৰতিযোগীতামূলক পৰীক্ষা পাৰদৰ্শিতাৰে অৱত্তীৰ্ণ হৈছিল। তাৰ পাছতেই ভেঙ্কটৰমণে ভাৰত চৰকাৰৰ ডেপুটী একাউণ্টেণ্ট জেনেৰেল পদত কাৰ্যনিৰ্বাহ কৰিছিল। চন্দ্ৰশে খৰ ভেঙ্গকটৰমণে ১৯০৭ চনৰ পৰা ১৯১৭ চনলৈ চাকৰিৰ দায়িত্বত ৰেঙ্গুন আৰু নাগপুৰত আছিল। ১৯১৭ চনত তেওঁ বিত্তীয় বিভাগৰ চাকৰি এৰি দিলে। সেই সময়তে কলিকতা বিজ্ঞান কলেজ প্ৰতিষ্ঠা হোৱাত, সেই কলেজতে ৰমণে পালিত অধ্যাপক হিচাপে চাকৰিত যোগদান কৰিলে। ভায়লিনৰ তাঁৰৰ ওপৰত ৰমণে দেখুওৱা চমকপ্ৰদ গৱেষণাৰ বাবে মুগ্ধ হৈ আশুতোষ মুখাৰ্জীয়ে ৰমণক এই পদ দিয়ে, সেই সময়ত পালিত অধ্যাপক জন বিদেশৰ পৰা শিক্ষাপ্ৰাপ্ত হোৱাৰ নিয়ম আছিল। কিন্তু ৰমণ ইংলেণ্ডলৈ গৈ শিক্ষা লোৱাৰ পক্ষপাতী নাছিল বাবে আশুতোষ মুখাৰ্জীয়ে সেই নিয়মটোকেই উঠাই দিছিল। অধ্যাপক পদত থাকিয়ে তেওঁ গৱেষণাত মনোনিবেশ কৰি থাকিল আৰু এটাৰ পাছত এটা চমক প্ৰদ বস্তু আৱিস্কাৰ কৰি বিশ্বকে চমক লগাইছিল। ১৯১৯ চনৰ পৰা তেওঁ সন্থাৰ অবৈতনিক সম্পাদক নিযুক্ত হৈছিল।

চন্দ্ৰশে খৰ ভেঙ্গকটৰমণৰ জীৱনৰ উদ্দেশ্য আছিল বৈজ্ঞানিক হোৱা, বিজ্ঞানৰ চৰ্চাতে জীৱন কটোৱা। কিন্তু তাৰ সলনি তেওঁ হল এজন গাণিতিক সেয়ে পাছলৈ অন্তৰ্দৰ্ন্ধত ভুগি, কলিকতা চহৰৰ মাজেৰে ডেল হাউচী স্কোৱাৰৰ পৰা শিয়ালদহলৈ ট্ৰামেৰে গৈ থাকোঁতে বাউবাজাৰ ষ্ট্ৰীটত তেওঁৰ চকু পৰিল এখন চাইন বোৰ্ডত, চাইন বোৰ্ডখনত লিখা আছিল--দি ইণ্ডিয়ান এচোচিয়েচন ফৰ দি কাল্টিভেচন অবচায়েন্স। তেওঁ যিমানদূৰ পাৰে সোনকালে ট্ৰামৰ পৰা নামি, চাইন বোৰ্ড দিয়া ঘৰটো বিচাৰি আহিল আৰু লগ পালে অনুষ্ঠানটিৰ সম্পাদক ডাঃ অমৃতলাল চৰকাৰক। তেতিয়াৰে পৰা গৱেষণাগাৰলৈ নিয়মিয়াকৈ আহিবলৈ ধৰিলে। ১৯২১ চনটো ৰমণৰ কাৰণে বৰ সৌভাগ্যৰ বছৰ আছিল, এই বছৰটোতে তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি হিচাপে অক্সফোৰ্ডত অনুষ্ঠিত বিশ্ববিদ্যালয় কংগ্ৰেছত যোগদান কৰিছিল। তাতেই তেওঁ পৃথিৱীৰ বিভিন্ন বিজ্ঞানীৰ লগত পদাৰ্থ বিজ্ঞানৰ জটিল সমস্যাবিলাক মুকলিকৈ আলোচনা কৰিবলৈ সুবিধা পাইছিল। ভূমধ্য সাগৰেৰে তেওঁ লণ্ডনৰ পৰা ঘৰমুৱা হওঁতে সাগৰৰ দিগন্তত প্ৰসাৰিত হোৱা নীলা জলৰাশি দেখি কিয় নীলা ৰঙৰ হয় সেয়া জানিবলৈ তেওঁ নিজৰ হাতত থকা নিকল প্ৰিজমটো উলিয়াই সাগৰৰ জলৰাশিলৈ লক্ষ্য কৰিলে, আৰু পোহৰৰ প্ৰতিক্ৰিয়াৰ বাবেই হয় যে জানিব পাৰিলে। তেওঁৰ গৱেষণাৰ ফলতেই তৰংগ তত্ব, বিকিৰণ ধৰ্ম আৰু তাপ গতি বিদ্যা বিষয়ক গৱেষণাৰ পথ মুকলি হৈছিল। সুদীৰ্ঘ ১২ বছৰ গৱেষণাৰ অন্তত চন্দ্ৰশেখৰ ভেঙ্গকটৰমণৰ ১৮০০ৰো ওপৰ গৱেষণা পত্ৰ প্ৰকাশ পাইছিল। ১৯৩০ চনত ৰমণৰ এই আৱিস্কাৰ সমূহে ৰমণলৈ বিশ্বখ্যাতি কঢ়িয়াই আনিলে। ইয়াৰ বাবেই তেওঁ ন'বেল বঁটা লাভ কৰিবলৈ সক্ষম হল। ১৯৩০ চনৰ ১০ ডিচেম্বৰত ষ্টক'হমত অনুষ্ঠিত হোৱা ন'বেল বঁটা প্ৰদান অনুষ্ঠানত তেওঁ নিজে উপস্থিত হৈ এই বঁটা গ্ৰহন কৰিছিল।

চন্দ্ৰশেখৰ ভেঙ্গকটৰমণৰ সম্পাদনাত ভাৰতীয় পদাৰ্থ বিজ্ঞান নামৰ আলোচনী এখনো প্ৰকাশ কৰিছিল। তদুপৰি তেওঁৰ তত্বাৱধানত ওলাইছিল Procedings আৰু Current Science নামৰ দুখন আলোচনীৰো সভাপতিত্ব কৰিছিল তেৱেঁই। ন'বেল বঁটা পোৱাৰ পাছত কিছুদিন কলিকতাত থাকি, তেওঁ বাংগালোৰত ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানত যোগদান কৰিছিল। ইয়াৰ পিছত তেওঁ নিজে ১৯৪৮ চনৰ পৰা এটা ৰমণ ৰিচাৰ্ছ ইনষ্টিটিউট নামৰ গৱেষণাগাৰ প্ৰতিষ্ঠা কৰি মৃত্যুৰ আগলৈকে তাত গৱেষণাতে কটাইছিল। তেওঁ যিটো যন্ত্ৰৰ সহায়ত গৱেষণা কৰি ন'বেল বঁটা পাইছিল, তাৰ মূল্য আছিল মাত্ৰ দুশ টকাহে। তেওঁ দৈনিক সন্ধিয়া ৫-৩০ বজাৰ পৰা ১০ বজালৈ গৱেষণাগাৰতে কটাইছিল। চন্দ্ৰশেখৰ ভেঙ্গকটৰমণৰ ১৯৭০ চনৰ ২১ নৱেম্বৰত বাংগালোৰত পৰলোক প্ৰাপ্তি হয়।

*স্নাতকোত্তৰ কলা বুলিহে লিখিব লগা হৈছিল। কলেজত পঢ়া সময়ৰে পৰা চন্দ্ৰশেকৰে বিজ্ঞান বিষয়ৰ শব্দ, তাপ, আৰু বিদ্যুত বিষয়ক ভালেমান তথ্য উলিয়াছিল। সেয়ে ১৯০৬ চনত তেওঁৰ দি লণ্ডন ফিল'ছফিকেল মেগাজিনত এটা গধুৰ প্ৰবন্ধ প্ৰকাশ কৰি বিজ্ঞানীসকলৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেওঁৰ বিলাতলৈ যোৱাৰ সকলো খৰচ চৰকাৰেই বহন কৰিবলৈ বিচাৰিছিল যদিও সেই যাত্ৰা হৈ নুঠিল। তেওঁ সৰ্বভাৰতীয় বিত্ত বিভাগৰ প্ৰতিযোগীতামূলক পৰীক্ষা পাৰদৰ্শিতাৰে অৱত্তীৰ্ণ হৈছিল। তাৰ পাছতেই ভেঙ্কটৰমণে ভাৰত চৰকাৰৰ ডেপুটী একাউণ্টেণ্ট জেনেৰেল পদত কাৰ্যনিৰ্বাহ কৰিছিল।*

# নাৰী

*নাৰী কি ? শংকৰাচাৰ্যই স্পষ্টকৈ কৈ গৈছে নাৰী হেনো নৰকৰ দ্বাৰ। বাইবেলে কৈছে root of all evil অৰ্থাৎ নাৰী সকলো অহিতৰ মূল , ৰামায়ণ, মহাভাৰতৰ কাহিনীতো নাৰীকে ধ্বংসৰ মূল বুলি উল্লেখিত আছে। সীতাৰ কাৰণে স্বৰ্ণ-লংকা ধ্বংস, দ্ৰোপদীৰ কাৰণে কৌৰৱ কুল ধ্বংসৰ কাৰণ বুলি জনা যায়। ৫৭৮ খ্ৰীষ্টাব্দত আহবান কৰা ওছিয়াৰ ক্ৰীশ্বান ধৰ্ম সংঘই হেনো স্থিৰ কৰিছিল নাৰী সকলৰ আত্মা নাই। ধৰ্মৰ বাবে যি নাৰী জাতি মৰিব পাৰে, যি ধৰ্মৰ প্ৰতিটো আখৰৰ প্ৰতি নাৰীৰ অচলা ভক্তি সেই ধৰ্মগ্ৰন্থ লিখাৰ সময়ত পুৰুষে নাৰী জাতিৰ প্ৰতি এয়াই প্ৰেম আৰু শ্ৰদ্ধা দেখুৱাই গৈছে। যি ধৰ্মৰ বুনিয়াদ গঢ়ি উঠিছে আদিম জননী ইভৰ পৰা, যি ধৰ্ম বা যি সকল লোকে সমষ্ট অধঃপতনৰ মুলতে নাৰী বুলি কয়। তেওঁলোকৰ নাৰী জাতিক শ্ৰদ্ধাৰ চকুৰে চোৱাৰ সাধ্য নাই। যি পুৰুষে নাৰীৰ কোষৰ পৰা উৎপত্তি হৈ পৃথিৱী দেখিছে অথচ নাৰী জাতিৰ প্ৰতি সৎ ভাৱ দেখুৱাব নোৱাৰে, তেনেকুৱা ব্যক্তিত্বৰ পুৰুষ সকলে সহস্ৰ বছৰ পূ ৰ্বেও দিয়া নাছিল আ ৰু লক্ষ বছৰ পিচতো নাৰীক সন্মান নিদিয়ে। এনে ধৰণৰ ব্যক্তিসকলে নাৰীক স্বাৰ্থৰ বাবে চিৰদিন নিৰ্যাতন আৰু লাঞ্চনা কৰি আহিছে।*



নীৰা কলিতা

নাৰী আৰু পানী যি পাত্ৰতে থোৱা হয় সেই ৰূপ লয়। কথাষাৰ মোৰ বোধেৰে সম্পূৰ্ণ সত্য। তথাপি কিছু ক্ষেত্ৰত অমিলো দেখা যায়। পানী কলহত থলে কলহৰ ৰূপ লয়, একলহৰ পানী, বাল্টিত থলে বাল্টিৰ ৰূপ লয় এবাল্টি পানী। সেই দৰে নাৰীও এজন ভদ্ৰ শান্ত, নম্ৰ ব্যক্তিৰ ওচৰত থাকিলে তেওঁ তেনে স্ব ভাৱৰ হয়। আনহাতে এজন অভদ্ৰ দুষ্ট প্ৰকৃতিৰ ব্যক্তিৰ সংস্পৰ্শত থাকিলে তেওঁৰ স্বভাৱ-চৰিত্ৰও তেনেকুৱাই হোৱা দেখা যায়। পিছে সকলোৰে ক্ষেত্ৰত নহবওঁ পাৰে। কিয়নো এজন মাতাল, লম্পত চৰিত্ৰৰ ব্যক্তিৰ ওচৰত থকা নাৰী গৰাকী তেওঁৰ বিপৰীত চৰিত্ৰৰ হোৱাও দেখা যায়।

নাৰী কি ? শংকৰাচাৰ্যই স্পষ্টকৈ কৈ গৈছে নাৰী হেনো নৰকৰ দ্বাৰ। বাইবেলে কৈছে root of all evil অৰ্থাৎ নাৰী সকলো অহিতৰ মূল , ৰামায়ণ, মহাভাৰতৰ কাহিনীতো নাৰীকে ধ্বংসৰ মূল বুলি উল্লেখিত আছে। সীতাৰ কাৰণে স্বৰ্ণ-লংকা ধ্বংস, দ্ৰোপদীৰ কাৰণে কৌৰৱ কুল ধ্বংসৰ কাৰণ বুলি জনা যায়। ৫৭৮ খ্ৰীষ্টাব্দত আহবান কৰা ওছিয়াৰ ক্ৰীশ্বান ধৰ্ম সংঘই হেনো স্থিৰ কৰিছিল নাৰী সকলৰ আত্মা নাই। ধৰ্মৰ বাবে যি নাৰী জাতি মৰিব পাৰে, যি ধৰ্মৰ প্ৰতিটো আখৰৰ প্ৰতি নাৰীৰ অচলা ভক্তি সেই ধৰ্মগ্ৰন্থ লিখাৰ সময়ত পুৰুষে নাৰী জাতিৰ প্ৰতি এয়াই প্ৰেম আৰু শ্ৰদ্ধা দেখুৱাই গৈছে। যি ধৰ্মৰ বুনিয়াদ গঢ়ি উঠিছে আদিম জননী ইভৰ পৰা, যি ধৰ্ম বা যি সকল লোকে সমষ্ট অধঃপতনৰ মুলতে নাৰী বুলি কয়। তেওঁলোকৰ নাৰী জাতিক শ্ৰদ্ধাৰ চকুৰে চোৱাৰ সাধ্য নাই। যি পুৰুষে নাৰীৰ কোষৰ পৰা উৎপত্তি হৈ পৃথিৱী দেখিছে অথচ নাৰী জাতিৰ প্ৰতি সৎ ভাৱ দেখুৱাব নোৱাৰে, তেনেকুৱা ব্যক্তিত্বৰ পুৰুষ সকলে সহস্ৰ বছৰ পূ ৰ্বেও দিয়া নাছিল আ ৰু লক্ষ বছৰ পিচতো নাৰীক সন্মান নিদিয়ে। এনে ধৰণৰ ব্যক্তিসকলে নাৰীক স্বাৰ্থৰ বাবে চিৰদিন নিৰ্যাতন আৰু লাঞ্চনা কৰি আহিছে। কি পিতা কি ভাতৃ, কি পতি বা পুত্ৰ কাৰো হৃদয়ে নাকান্দে যেতিয়াই কন্যা সন্তান জন্ম হয় জীয়াই জীয়াই হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰে। আমাৰ দেশৰ সহমৰণ বা সতীদাহ প্ৰথাই ইয়াকে বুজায়। ব্যক্তিগত সুখ-দুখৰ কথা চিন্তা নকৰি ধৰ্মৰ নামত এগৰাকী নাৰীক জীয়াই জীয়াই জুইত জাহ দি মৰিবলৈ আগবঢ়াই দিয়া হৈছিল। পিতৃ, ভাতৃ, পুত্ৰ বা সম্বন্ধৰ পুৰুষ সকলৰ হৃদয়ৰ মৰম-স্নেহ , মমতা বন্যাত উটি গৈছিল। বাধা প্ৰদান কৰিবলৈ কাৰোৰে সৎ সাহস নাছিল এয়াই ধৰ্ম। পুথি লিখাৰ বাহিৰে পুৰুষে কেতিয়াবা যে যথাৰ্থ সন্মান জনোৱাৰ চেষ্টা কৰিছিল সেয়া অৱগত নহয়। যদি কোনো দেশৰ ৰমণীয় যথাৰ্থ সন্মান লাভ কৰিছে সেয়া তেওঁলোকৰ নিজৰ চেষ্টাত হে।

সুসভ্য মানুহৰ সুস্থ, সংযত শুভ বুদ্ধিয়ে নাৰী জাতিক যি অধিকাৰ অৰ্পণ কৰিবলৈ কয় সেয়াই হ'ব সামাজিক নাৰী জাতিৰ কল্যাণ বোধ। নাৰীৰ মূল্য বা সন্মান নিৰ্ভৰ কৰে পুৰুষৰ অপত্য মৰম স্নেহ, সহানুভূতিৰ ওপৰত। নাৰী জাতিটোক ভগৱানে অবলা আৰু দুৰ্বলাকৈ জন্ম দিছে। ইয়াৰ সুযোগ গ্ৰহণ কৰি এচাম পুৰুষে নাৰী সকলক অমানসিক অত্যাচাৰ চলায়। সেই ক্ষেত্ৰত পুৰুষৰ সহানুভূতিৰ অত্যন্ত প্ৰয়োজন শিক্ষা অবিহনে কোনো জাতিৰ উন্নতি হ'ব নোৱাৰে সমাজ এখন উন্নতি পথত আগবাঢ়িবলৈ হ'লে নাৰী পুৰুষ উভয়ৰে শিক্ষাৰ অত্যন্ত প্ৰয়োজন। নাৰীসকলক শৃংখল ঢিলাই দিব লাগে। সেই বুলি একেবাৰে শৃংখলমুক্ত হোৱাটো অনুচিত। তেওঁলোক কাম কৰাৰ ন্যাৰ্য স্বাধীনতা আৰু উপযুক্ত স্থান দিয়া উচিত। এফালে নাৰী আদ্য শক্তি বুলি পূজা কৰে আনফালে নাৰীক বিভিন্ন অত্যাচাৰ কৰে। যৌতুক প্ৰথাৰ বাবে নাৰীসকল বলি হ'ব লগীয়া হয়। ডাইনী সজাই বহুতো নাৰীক আজিও হত্যা কৰা দেখা যায় বাটপথত ওলাই গ'লে নাৰী সকল সুকলমে ঘূৰি আহিব নোৱাৰে। দিনে দিনে ধৰ্ষণ, বলৎকাৰ বৃদ্ধি হৈয়ে আছে। বৰ্তমান সময়তো পতি আৰু পুত্ৰৰ পৰা বহুতো নাৰী অত্যাচাৰ সহিব নোৱাৰি বৃদ্ধাশ্ৰম বা অন্য ঠাই বিচাৰি গৃহত্যাগ কৰিব লগীয়া হয়। অৱশ্যে বৰ্তমানৰ কিছু সংখ্যক নাৰীও কম নহয়। তেওঁলোকে স্বাধীনতা ইমানে পাইছে যে পিন্ধনত নাই শালীনতা। গুৰুগোঁসাই নমনা ৰাতি হ'লে বিয়েৰবাৰ আদিত নিজৰ দু-চৰিত্ৰৰ পৰিচয় দিয়ে। তাৰোপৰি উশৃংখল চৰিত্ৰ আৰু ব্যাভিচাৰি চিন্তাধাৰাৰ নাৰীৰ বাবে একোখন সুখৰ সংসাৰ বিনষ্ট হোৱা দেখা যায় যাৰ ফলত দুখীত হ'ব লগীয়া হয় তেওঁলোকৰ সন্তান সকল। নাৰী সকলৰ নিৰ্লজ স্বভাৱ আৰু শালীনতা নোহোৱাৰ বাবে ধৰ্ষণ আদি কুকৰ্মবোৰ বৃদ্ধি হ'বলৈ ধৰা বুলি ধাৰণা কৰা হয় ইয়াৰ ফলত নিৰ্দোষী নাৰী সকল বলি হ'বলগীয়া হয়। প্ৰকৃত অৰ্থত ক'বলৈ গ'লে নাৰী-পুৰুষ উভয়ে অপত্য মৰম-স্নেহ, আত্মবিশ্বাস আৰু সহানুভূতিশীল হোৱা অত্যন্ত আৱশ্যক। তেতিয়াহে সকলোৰে মংগল হ'ব। নাৰীক ব্যৱহাৰৰ সঁজুলি বুলি ভবা অনুচিত।

*সুসভ্য মানুহৰ সুস্থ, সংযত শুভ বুদ্ধিয়ে নাৰী জাতিক যি অধিকাৰ অৰ্পণ কৰিবলৈ কয় সেয়াই হ'ব সামাজিক নাৰী জাতিৰ কল্যাণ বোধ। নাৰীৰ মূল্য বা সন্মান নিৰ্ভৰ কৰে পুৰুষৰ অপত্য মৰম স্নেহ, সহানুভূতিৰ ওপৰত। নাৰী জাতিটোক ভগৱানে অবলা আৰু দুৰ্বলাকৈ জন্ম দিছে। ইয়াৰ সুযোগ গ্ৰহণ কৰি এটাম পুৰুষে নাৰী সকলক অমানসিক অত্যাচাৰ চলায়। সেই ক্ষেত্ৰত পুৰুষৰ সহানুভূতিৰ অত্যান্ত প্ৰয়োজন শিক্ষা অবিহনে কোনো জাতিৰ উন্নতি হ'ব নোৱৰে সমাজ এখন উন্নতি পথত আগবাঢ়িবলৈ হ'লে নাৰী পুৰুষ উভয়ৰে শিক্ষাৰ অত্যন্ত প্ৰয়োজন। নাৰীসকলক শৃংখল ঢিলাই দিব লাগে। সেই বুলি একেবাৰে শৃংখলমুক্ত হোৱাটো অনুচিত। তেওঁলোক কাম কৰাৰ ন্যাৰ্য স্বাধীনতা আৰু উপযুক্ত স্থান দিয়া উচিত। এফালে নাৰী আদ্য শক্তি বুলি পূজা কৰে আনফালে নাৰীক বিভিন্ন অত্যাচাৰ কৰে। যৌতুক প্ৰথাৰ বাবে নাৰীসকল বলি হ'ব লগীয়া হয়। ডাইনী সজাই বহুতো নাৰীক আজিও হত্যা কৰা দেখা যাব বাটপথত ওলাই গ'লে নাৰী সকল সুকলমে ঘূৰি আহিব নোৱাৰে। দিনে দিনে ধৰ্ষণ, বলৎকাৰ বৃদ্ধি হৈয়ে আছে। বৰ্তমান সময়তো পতি আৰু পুত্ৰৰ পৰা বহুতো নাৰী অত্যাচাৰ সহিব নোৱাৰি বৃদ্ধাশ্ৰম বা অন্য ঠাই বিচাৰি গৃহত্যাগ কৰিব লগীয়া হয়।*

# চামৰাং নদীৰ ওপৰত লাউৰ চাঙৰ দৰে পৰি থাকিল কেইবা কোটিটকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা দলং





**ওদালগুৰি,৪ জুনঃ**বিটিচিৰ ৩৩ নং নৈ চেৰফাং পৰিষদীয় সমষ্টি তথা নৱগঠিত ভেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত চামৰং নদীত এখন দলংৰ বাবে পানীত হাঁহ নচৰা অৱস্থা হৈছে পথচাৰীৰ । হাগ্ৰামা মহিলাৰীৰ শাসন কালত ২০১৮-১৯ বৰ্ষতেই চামৰাং নদীত দলংখন নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল কিন্তু আজি সাত বছৰে নিৰ্মাণৰ কাম সম্পূৰ্ণ নহ'ল এইখন দলংৰ ।লাউৰ চঙত পৰিণত হৈ পৰি থাকিল আধৰুৱা দলংখন , কাণসাৰ নাই বিয়াগোম বিভাগ কিম্বা স্থানীয় জনপ্ৰতিনিধিৰ ।এতিয়া দলং বিচাৰি হাহাকাৰ পথচাৰী, জীয়াতু ভোগীছে অঞ্চলৰ গয়া ৰাইজ । বাৰিষা কালত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী , বিভিন্ন কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি ব্যৱাসায়ী লোকে যমৰ যাতনা ভুগিবলগীয়া হৈ পৰে। দলংখন নিৰ্মাণ নোহোৱাৰ বাবে বহু দূৰ-দুৰণিৰে কৰিব লাগে যাতায়ত। উল্লেখ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজেই উপস্থিত হৈ শুক্লাই নদীৰ দলং আৰু চামৰাং নদীৰ এই দলংখন নিৰ্মাণ কৰাৰ কথা ঘোষণা কৰিছিল । ভেৰগাঁও বিধানসভা সমষ্টি তথা বিটিচি নোনাই চেৰফাং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ডিমাকুছি-বামুনজুলি বাদলাপাৰাৰ পৰা - নালাপাৰা লৈ যোৱা পথৰ চামৰাং নৈত কোটি কোটি টকা ব্যয় সাপেক্ষে ২০১৮ -১৯ বৰ্ষতে নিৰ্মাণৰ কাম আৰম্ভ হৈছিল এখন দলং, কিন্তু আজিলৈ নিৰ্মাণৰ কাম সম্পূৰ্ণ নহ'ল সেই দলং । যাৰ ফলত বাৰিষা হ'লে ভূটান পৰা বৈ অহা বাঢ়নী পানীয়ে স্তব্ধ কৰে জন জীৱন।। ল'ৰা-ছোৱালী স্কুল কলেজলৈ অহা যোৱা কৰাৰ লগতে জুৰুৰী সময়ছোৱাত ৰোগী অনা নিয়া কৰিবলৈ নোৱাৰি মৃত্যু মুখত পৰে একপ্ৰকাৰ সম্পূৰ্ণ স্তব্ধ হৈ পৰে নৈ পৰীয়া ৰাইজৰ যাতায়ত ।ৰাইজৰ সেই দুখ দুৰ্দশা বুজিয়েই তেতিয়াৰ বিপিএফ চৰকাৰে দলং নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল যদিও কি কাৰণত আজিলৈ নিৰ্মাণৰ কাম সম্পূৰ্ণ নহ'ল সেয়া অঞ্চলবাসীৰ বাবে হৈ ৰ'ল নুবুজাৰ সাথৰ । তেতিয়াৰ সেই অঞ্চলৰ স্থানীয় বিধায়িকা আছিল বিপিএফৰ কমলী বসুমতাৰী আৰু পাৰিষদ বিপিএফৰ সুৰেশ তাঁতী ।অসম্পূৰ্ণ দলঙৰ ফলত আজিও দুৰ্ভোগ ভোগীব লগা হৈছে অঞ্চলৰ ৰাইজ ।।নিমিষতে বিধ্বংসী কাল ৰূপ ধাৰণ কৰা সামৰাং নৈৰ বুকুৰেদি বিপদ সংকুল ভাৱে পাৰ হ'ব লগা হৈছে উপায়ন্তৰ ৰাইজ । সেয়েহে পুনৰ শাসনৰ বাক জুৰিলৈ অহা বিপিএফ চৰকাৰক অতিশীঘ্ৰেই আধৰুৱা দলং সম্পূৰ্ণ কৰাৰ আহ্বান জনাইছে সাধাৰণ জনতাই।।কিন্তু ইয়াৰ পিছতে শাসনৰ বাক জুৰিলৈ অহা বিপিএফ চৰকাৰে কি ব্যৱস্থা লয় সেয়া পৰৱৰ্তী পৰ্যায়ত হ'ব লক্ষণীয়।



## মাজবাটত পুনৰ ১কুইণ্টল ৮১কেজি,৯৪ গ্ৰাম গাঞ্জা জব্দ, এজনক গ্ৰেপ্তাৰ

**ওদালগুৰি, ৪ জুনঃ** শোণিতপুৰ ওদালগুৰি সীমান্তবৰ্তী মাজবাটত গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত মাজবাট আৰক্ষী থানাৰ এটা দলে চজুনত ডিমাছাং অঞ্চলত AS01GN1815 নম্বৰৰ এখন গাড়ী সহঃ এজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ উপস্থিতিতেই গাড়ীখনৰ চালক ঘটনাস্থলীৰ পৰা পলায়ন কৰে। অৱশ্যে গাড়ীখনত থকা আন এজন ব্যক্তি, ডিমাছাঙৰ গাঁৱৰ বাসিন্দা ডেৰহাছাদ বড়োক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গাড়ীখন তালাচী চলোৱা হয়। তালাচীৰ সময়ত গাড়ীখনৰ পৰা সন্দেহযুক্ত গাঞ্জা ভৰ্তি ৩৫টা পেকেট উদ্ধাৰ কৰা হয় ।উদ্ধাৰ হোৱা নিষিদ্ধ সামগ্ৰীসমূহ ওজন কৰি মুঠ ১৮১.৯৪ কিলোগ্ৰাম গাঞ্জা পোৱা যায় ।ইতিমধ্যে। মাজবাট আৰক্ষীয়ে ঘটনাটোৰ সন্দৰ্ভত আইনী বিধি অনুসৰি অধিক তদন্ত আৰু ব্যৱস্থা গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

## সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত অনিল শইকীয়াক 'আকুল চাতক' অভিধা প্ৰদান

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ, ৪ জুনঃ** স্বেচ্ছাসেৱী অনুষ্ঠান আগন্তুক শিৱসাগৰে নাজিৰা সমজিলাৰ টেঙাপুখুৰীস্থিত বানটুং নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত বিশ্ব বিশ্ৰুত শিল্পী ভূপেন হাজৰিকা ৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠান এটি অনুষ্ঠিত কৰে, বিদ্যালয় খনিৰ প্ৰধান শিক্ষক পুলিন বৰগোঁহাইয়ে উদ্বোধন আৰু আগন্তুকৰ সভাপতি যোগ গগৈয়ে সঞ্চালনা কৰা মূল অনুষ্ঠানটিৰ প্ৰাৰম্ভনিতে বানটুং নগৰ যুৱ সংঘৰ সভাপতি দেৱজিৎ মহনে সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মূখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন কৰে, অনুষ্ঠানৰ মুখ্য অতিথি শিল্পী সাহিত্যিক অনিল শইকীয়াহ ভূপেন হাজৰিকাৰ গীতত মানৱতাবোধ শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি কয় - ভূপেন হাজৰিকাৰ পাণ্ডিত্য আৰু ব্যক্তিত্ব আকাশৰ দৰে সুউচ্চ আৰু বিশাল, তেওঁৰ প্ৰতিটো স্বৃষ্টি যেন উজ্বল জ্যোতিষ্কৰ দৰে সমুজ্বল, তেওঁৰ ব্যক্তিত্ব যেন এটি শক্তি, এসাগৰ প্ৰেৰণা, এটি সাহসৰ প্ৰতীক, এটা দূৰ্জেয় আশাবাদী সত্বা, এজাক প্ৰচণ্ড ধুমুহা, অকল সিমানেই নহয় তেওঁ মহানায়ক, যুগনায়ক মহাদাৰ্শনিক, দূৰন্ত তৰুণ, আৰু হলাহল বিষপান কৰা নীলকণ্ঠ তেওঁৰ প্ৰতিটো স্বৃষ্টিৰ আঁৰত আছে মানুহক পথৰ সন্ধান দিব পৰা একো একোটা বতৰা, যি বতৰাই মানুহৰ চেতনা জাগ্ৰত কৰিব পাৰে, দৃষ্টিত শান দিব পাৰে, সমাজক নৱ চিন্তাৰ পথ দিব পাৰে, ভূপেন হাজৰিকাই উচ্চ নীচ, জাত পাত, ধনী দুখীয়াৰ মাজত আকাশ পাতাল পাৰ্থক্যবিহীন এখন সমাজ কল্পনা কৰিছিল, তেখেতে গীতৰ মাজেৰে ধৰ্মান্ধতা, অন্ধবিশ্বাস, কুসংস্কাৰ বিহীন এখন শ্ৰেণীহীন সমাজৰ ছবি আঁকিছিল, গীতেৰেই তেখেতে মানৱতাৰ মহান বাণী বিলাইছিল, মূখ্য অতিথি গৰাকীয়ে লগতে ভূপেন হাজৰিকা দেৱৰ ল'ৰালী কালতে বাণীবদ্ধ কৰা কেইবাটাও গীত গ্ৰামফোনৰ সহায়ত বজাই শুনাই উপস্থিত সকলোকে মোহিত কৰে, বিদ্যালয়খনি আৰু বানটুং নগৰ যুৱ সংঘৰ আতিথ্যত অনুষ্ঠিত গীত মাত নৃত্য আৰু বাক শিল্পৰ এই মনোজ্ঞ অনুষ্ঠানতে নৱ প্ৰজন্মৰ বাবে উৎসৰ্গিত জিলা ভিত্তিক অনুষ্ঠান আগন্তুকে লোক শিল্পৰ গৱেষক, শিক্ষাবিদ সাহিত্যিক অনিল শইকীয়া দেৱক 'আকুল চাতক' অভিধাৰে সন্মানিত কৰে, স্থানীয় কেইবাটাও অনুষ্ঠান আৰু বিদ্যাৰ্থী সকলে বিভিন্ন উপহাৰেৰে তেখেতক সন্মানিত কৰে, সংগীতজ্ঞ প্ৰভাত কোঁৱৰৰ পৰিচালনাৰে হাজৰিকাৰ এটি গীত সমদল গীত হিচাপে পৰিবেশন কৰি শুভাৰম্ভ কৰা অনুষ্ঠানত বিদ্যালয় খনৰ কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে আগন্তুকৰ চেমনীয়া সদস্য তনুষা প্ৰিয়ম চেতিয়া জ্যোতিষ্মান ফুকন, আৰোহন মিলি, লিজা সন্দিকৈ, অৰ্কিড চেতিয়া, অন্বেষিকা চেতিয়া আৰু সতৃষ্ণা লাহনে হাজৰিকাৰ একোটিকৈ কালজয়ী গীত পৰিৱেশন কৰে, জেষ্ঠ কণ্ঠ শিল্পী প্ৰভাত কোঁৱৰ আৰু পলী মহনেও গীত পৰিৱেশন কৰে, বিশিষ্ট অতিথি অনাতাঁৰ কণ্ঠ শিল্পী সুশীল লাহন দেৱে পোহাৰী লতাৰ পাতত সুধাকণ্ঠৰ দুটি গীতত সুৰৰ লহৰ তুলি সকলোকে এক সুকীয়া আমেজ দিয়ে, অনুষ্ঠানটিৰ শিশু বক্তা আছিল আৰ্হি চেতিয়া, আগন্তুকৰ মূখ্য সম্পাদক দিলীপ শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা আৰু সম্পাদক কুমুদ কলিতাই আঁত ধৰা অনুষ্ঠানটিত ৰোহিনী মহন, বৈকুণ্ঠ বৰকাকতি, বিষেশ্বৰ মহন, ইলা মহন, বীৰেণ তামূলী, ৰবীন ফুকন, চঞ্চল কোঁৱৰ, শৈলেন্দ্ৰ বৰচেতিয়া, মনোজ ফুকন, মিন্টু চেতিয়া, ৰমেন বৰুৱা, বিপিন হাজৰিকা আদি বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে, বিদ্যালয়ৰ শিক্ষক ৰবীন ফুকনে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটিৰ শেষত সকলোৱে সমস্বৰে মানুহে মানুহৰ বাবে গীতটি পৰিৱেশন কৰি বৰ্ণাঢ্য অনুষ্ঠানটিৰ সামৰণি মৰা হয়

## বংশৰত শিল্পী নীলপৱন বৰুৱাৰ ওপজা দিন উদযাপন

**বাতৰি কাকত শুৱালকুছি,৪ জুনঃ** কামৰূপৰ বংশৰত পাঠভৱন শিক্ষা ফাউণ্ডেচন, বংশৰৰ সহযোগত শিল্পী নীলপৱন বৰুৱাৰ ওপজা দিনটো শিশু সাহিত্য উত্তৰণ ন্যাস ,অসমৰ উদ্যোগত দিনযোৱা কাৰ্যসূচীৰে উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে উপ-সভাপতি বাপুকণ ৰাজবংশীয়ে। শিল্পী নীলপৱন বৰুৱাৰ ওপজা দিনত তেখেতৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট চিত্ৰশিল্পী ধনঞ্জয় শৰ্মাই। তাৰ লগে লগে প্ৰতিষ্ঠা দিৱসৰ বাৰ্ষিক সভাৰ সভাপতিত্ব কৰে শিশু সাহিত্য উত্তৰণ ন্যাস, অসমৰ উপ সভাপতি খনীন্দ্ৰ নাথ তালুকদাৰে। সভাৰ আৰম্ভণিতেই কবিতা পাঠ কৰে, পাঠভৱন শিক্ষা ফাউণ্ডেচন,বংশৰৰ পৰিচালিকা তথা অনুষ্ঠানটোৰ কাৰ্যকৰী সদস্যা পূৰৱী শৰ্মাই। সভাৰ আৰম্ভণিতেই , ন্যাসৰ সচিব ৰবীন পাঠকে আদৰণী জনাই। প্ৰশাসন সচিব দিলীপ শৰ্মাই শিল্পী নীলপৱন বৰুৱাৰ জীৱনৰ বিভিন্ন দিশত আলোকপাত কৰাৰ লগতে ন্যাসে কৰি অহা কাম কাজৰ ক্ষতিয়াণ দাঙি ধৰে। অনুষ্ঠানত কনক দাস, ৰাতুল কাকতি আৰু সুষমা মজুমদাৰ ন্যাসৰ শিশু আৰু কিশোৰৰ বৈধিক বিকাশত আগবঢ়োৱা বৰঙণি শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। অনষ্ঠানত শিশুৰ হকে এখোজ কবিতা পাঠ কৰে বিবেকানন্দ দাসে। অনুষ্ঠানত নৃত্য, আৰু গীতেৰে মুখৰিত হোৱা সভাখনৰ সলাগৰ শৰাই আগবঢ়াই সনাতন বৈশ্যই। আৱেলি অনুষ্ঠিত হোৱা অকণিৰ ৰং আৰু সাধুৰ ধেমালিত অংশগ্ৰহণ কৰা দেৰ শতাধিক অকণিক একোখনকৈ শিশুপুঠি উপহাৰ দিয়া হয় ।লগতে বিজয়ী সকলক ২৮ জুনত গুৱাহাটী মাছখোৱাস্থিত সাংস্কৃতিক প্ৰকল্পত পুৰস্কৃত কৰা হ'ব।

## তেজপুৰত লিচু বিক্ৰীকলৈ দুটা পক্ষৰ সংঘাত

**বাতৰি কাকত ,তেজপুৰ, ৪ জুনঃ** জেপুৰৰ লিচু বুলি আন স্থানৰ লিচু বিক্ৰীৰে গ্ৰাহকক প্ৰৱঞ্চনা কৰাৰ অভিযোগ সঘনাই উত্থাপিত হৈ অহাৰ সময়তে তেজপুৰত ইয়াকেলৈ দুটা ফৈদৰ মাজত তীব্ৰ সংঘাটৰ সৃষ্টি হয় ।উল্লেখযোগ্য যে,তেজপুৰৰ পৰোৱা আৰু তেজপুৰ বিশ্ববিদ্যালয় সংযোগী পথৰ মাজৰ পৰমাইঘূলি অঞ্চলত তেজপুৰৰ প্ৰখ্যাত লিচুৰ একাধিক বাগিচা আছে ।ইয়াৰে এখন পুৰণা লিচু বাগিচাত আছে ১৮০জোপা লিচু গছ।তেজপুৰৰ এই বাগিচা সমূহৰ লিচুৱে সম্প্ৰতি বিদেশৰ বজাৰতো সমাদৰ লাভ কৰাৰ গইনা লৈ একাংশই বাহিৰা লিচুকে এনে বাগিচাৰ লিচু বুলি বিক্ৰী কৰি মুনাফা লুটাৰ পথ প্ৰসস্ত কৰি আহিছে ।উল্লেখযোগ্য যে,পৰমাইঘূলিৰ প্ৰথমখন লিচু বাগিচাৰ সমীপতে বাগিচাখনৰ লিচু অতিতৰ পৰাই বিক্ৰী কৰি আহিছে একাংশই ।ইয়াৰ বিপৰীতে ইয়াৰ সমীপতে গণেশ সিং নামৰ এজনেও লিচু বিক্ৰী কৰে। এখন নাৰ্চাৰীৰ গৰাকী সিঙে তেজপুৰৰ বিভিন্ন জাতৰ লিচুপুলিও বিক্ৰী বিক্ৰী কৰে। আনহাতে এইখন নাৰ্চাৰীৰ সন্মুখতে একাংশই তেজপুৰৰ প্ৰখ্যাত লিচু আৰু লিচুপুলি বুলি তুলনামূলকভাৱে কম মূল্যত বিক্ৰী কৰাকলৈয়েই বিক্ৰেতাৰে বাকবিতণ্ডা আৰম্ভ হয় আৰু পৰৱৰ্তী সময়ত ইয়ে মাৰপিতৰ ৰূপ লয়। উল্লেখযোগ্য যে,গণেশ সিঙৰ পুত্ৰ ৰাজা সিঙৰ বিপনীৰ এজন গ্ৰাহকক কাষৰ বাহিৰা লিচুৰ বিক্ৰেতাই কম মূল্যতে লিচু দিয়াৰ প্ৰলোভনৰে আঁতৰাই নিয়াকলৈ দুয়োটা পক্ষৰ মাজত বাকবিতণ্ডাৰ সৃষ্টি হয় ।ইয়াকে লৈ পাছত আব্দুল লটিফ নামৰ এজনৰ নেতৃত্বত শতাধিকলোক ঘটনাস্থলীত উপস্থিত হৈ ৰাজা সিঙৰ লগতে তেওঁৰ লগত থকা ১০-১২জনক আক্ৰমণ কৰে। লগে লগে হুলস্থূল লগাত ৰাজাৰ আত্মীয়সকলো ওলাই অহাত আক্ৰমণকাৰী দলটোৱে পুৰুষমহিলা নিৰ্বিশেষে সকলোকে আক্ৰমণ কৰাত প্ৰায় ২২জন লোক কম বেছি পৰিমাণে আহত হয় ।ইয়াৰে ভিতৰত দিলীপ সিং আৰু আন দুগৰাকী মহিলাক পাছত তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয় ।আনহাতে এই ঘটনাৰ পাছতে আক্ৰমণৰ সন্মুখীন হোৱা লোকসকলৰ পৰিয়াল তথা শুভাকাংক্ষী মহাভৈৰৱ আৰক্ষী চকীত উপস্থিত হৈ আক্ৰমণকাৰী লতিফৰ লগতে সহযোগী সকলক গ্ৰেপ্তাৰ দাবীত পৰিস্থিতি উত্তাল কৰি তোলে।পাছত দয়োটা পক্ষই পৰস্পৰৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। ইপিনে ঘটনাস্থলীত কাৰ্যবাহী দণ্ডাধীশ সহ আৰক্ষী উপস্থিত হৈ পথৰ দাঁতিত থকা লিচু বিক্ৰী বিপনীসমূহ উচ্ছেদ কৰাৰ লগতে এতিয়াৰ পৰা পথৰ দাঁতিত লিচু বিক্ৰী কৰাটো বন্ধ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে শোণিতপুৰ প্ৰশাসনে। উল্লেখযোগ্য যে, তেজপুৰৰ বাহিৰৰ লিচু আনি গ্ৰাহকক প্ৰৱঞ্চনা কৰি অহা এনে লিচুৰ বজাৰ তেজপুৰৰ ভোমোৰাগুৰিৰ পৰা পথৰ দাঁতিত আৰম্ভ হয়। যেনিতেনি এনেদৰে লিচু আৰু লিচুপুলি বিক্ৰী কৰাসকলক একাংশই প্ৰয়োজনীয় ধনৰো যোগান ধৰে বুলি অভিযোগ উঠি আহিছে আৰু কালি সন্ধিয়াৰ ঘটনাৰো মূল কাৰণ এয়াই বুলি অভিযোগ উঠিছে।ইপিনে ঘটনা সন্দৰ্ভত অভিযুক্ত লতিফ সহ আক্ৰমণকাৰী সকলক এইপৰ্যন্ত গ্ৰেপ্তাৰ নকৰাকলৈয়ো প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰণিধানযোগ্য যে,অভিযুক্ত লতিফ নতুন গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ স্বামী আৰু তেওঁৰ বিৰুদ্ধে আন একাধিক অভিযোগো উত্থাপন হৈ আহিছে।কিন্তু তেজপুৰৰ প্ৰকৃত লিচুকলৈ এচাম মধ্যভোগীয়ে বাহিৰা লিচুৰে যি প্ৰৱঞ্চনাৰ বজাৰ চলাই গৈছে সেয়া এই ঘটনাই পুনৰবাৰ প্ৰতিপন্ন কৰাৰ লগতে তেজপুৰত শোণিতপুৰ প্ৰশাসনৰ উদ্যোগত আয়োজিত লিচু উৎসৱৰ পূৰ্বে এক লক্ষ্যণীয় বিষয় হৈ পৰিছে।উল্লেখযোগ্য যে,সম্প্ৰতি লিচু বাগিচাৰ প্ৰকৃত গৰাকীতকৈও বিভিন্ন কৌশলৰে একাংশ মধ্যভোগীহে তেজপুৰৰ লিচুৰ বজাৰকলৈ অধিক সক্ৰিয় হৈ পৰিছে বুলি অভিযোগ উঠি আহিছে।


## আল্লিয়াত মহেন্দ্ৰ কলিতাৰ জীৱন-কৃতী সম্বলিত সোঁৱৰণি গ্ৰন্থ 'মহোদধি' উন্মোচন



**বাতৰি কাকত ঘগ্ৰাপাৰ ৪ জুনঃ** নলবাৰী জিলাৰ আল্লিয়া গাঁৱৰ অৰৰা চুবুৰীত দেওবাৰে সমাজকৰ্মী মহেন্দ্ৰ কলিতাৰ জীৱন আৰু কৃতী সম্বলিত সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰা হয়।প্ৰয়াত কলিতাৰ বাসগৃহত অনুষ্ঠিত হোৱা উন্মোচন আৰু সোঁৱৰণী সভাখনৰ সভাপতিত্ব কৰে সমাজকৰ্মী অতুল কলিতাই। যুৱকৰ্মী মৃগেন কলিতা সম্পাদিত 'মহোদধি'শীৰ্ষক সোঁৱৰণী গ্ৰন্থখন উন্মোচন কৰে শংকৰ সংঘৰ একনিষ্ঠ সেৱক মনিৰাম দাসে। উন্মোচক দাসে প্ৰয়াত মহেন্দ্ৰ কলিতাৰ জীৱন আৰু কৃতী সুন্দৰ ভাৱে ভাষণত ব্যক্ত কৰে। তেওঁ ভাষণত কয়-জীৱনৰ অন্তিম ক্ষণ আমি উপলব্ধি কৰিব লাগিব। ইতিহাস আমি জানিব লাগিব। প্ৰয়াত মহেন্দ্ৰ কলিতা এগৰাকী সমাজসেৱকেই নহয় এগৰাকী শংকৰ সংঘৰ ভাল সেৱক আছিল। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অৱসৰী কৃতী শিক্ষক তথা সাহিত্যসেৱক কৰ্ণধৰ বৰ্মনে প্ৰয়াত কলিতাৰ সমাজ জীৱন আৰু কৰ্মৰ ওপৰত বিতং ভাৱে উল্লেখ কৰে। আল্লিয়া অঞ্চলত প্ৰয়াত মহেন্দ্ৰ কলিতাৰ অৱদান সমূহ দাঙি ধৰে। তেওঁ কয়-প্ৰয়াত মহেন্দ্ৰ কলিতা এগৰাকী ভাল অভিভাৱক , এগৰাকী ভাল স্বামী আৰু সমাজ সচেতক ব্যক্তি আছিল। ভাল মানুহক সমাজে সদায় জীয়াই ৰাখে বুলি কৈ তেওঁ পুনৰ কয়-যি খন ঘৰত বিশ্বাস থাকে সেইখন ঘৰ পবিত্ৰ ঘৰ। যি খন ঘৰত শ্ৰদ্ধা-ভক্তি থাকিব তাত ভগৱান থাকিব। প্ৰয়াত মহেন্দ্ৰ কলিতাৰ আদৰ্শ জীয়াই ৰাখিব লাগিব বুলিও বৰ্মনে ভাষণত কয়। সভাত সমাজসেৱক চন্দ্ৰ কলিতা, যোগেশ হালৈ, সৰ্বেশ্বৰ ৰাজবংশী, সোঁৱৰণী গ্ৰন্থৰ সভাপতি গোলাপ কলিতা আৰু জ্যেষ্ঠ সাংবাদিক শ্বাহ আলম আহমেদে প্ৰয়াত কলিতাৰ স্মৃতি ৰোমন্থন কৰি তেওঁৰ আদৰ্শ নৱ প্ৰজন্মই গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত প্ৰয়াত কলিতাৰ সহধৰ্মিনী লীলা কলিতা, দুই ভাতৃ দেবেন কলিতা,ৰঞ্জিত কলিতা ,তিনি পুত্ৰ নৰেন কলিতা,যোগেশ কলিতা, ৰুবুল কলিতাৰ লগতে কন্যা, বোঁৱাৰী, নাতি-নাতিনী আৰু আত্মীয়-স্বজনে শ্ৰদ্ধা নিবেদন কৰি স্মৃতি ৰোমন্থন কৰে। অনুষ্ঠানত পাঁচ শতাধিক ভক্ত , সেৱক তথা শুভাকাংক্ষী উপস্থিত থাকে।

## শিল্পী পেঞ্চনৰ পৰা বঞ্চিত নাগাৰা নামৰ পাঠক অৰবিন্দ কলিতা

**বাতৰি কাকত বাহাৰঘাট ,৪ জুনঃ** কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ কঞা ৰাজহ চক্ৰৰ অন্তৰ্গত পুৰ গড়পোট গাঁৱৰ নিবাসী প্ৰয়াত বঞ্চিত কলিতা আৰু প্ৰয়াত ঘুণু কলিতাৰ পুত্ৰ নাগাৰা নামৰ ৬০-৯০ দশকৰ জনপ্ৰিয় পাঠক অৰবিন্দ কলিতা আজিও শিল্পী পেঞ্চনৰ পৰা বঞ্চিত হৈ আহিছে। প্ৰায় ৬৮ বছৰ উৰ্ধৰ নাগাৰা নামৰ পাঠক অৰবিন্দ কলিতাই



কৃষি কাৰ্য কৰি পৰিয়াল পোহপাল দি আহিছে যদিও লৰালি কাল অৰ্থাৎ পঞ্চম শ্ৰেণীত পঢ়ি থকা অৱস্থাৰ পৰা নাগাৰা নামৰ পাঠক হিচাবে জড়িত হৈ বৰ্তমান পৰ্যন্ত নাগাৰা নামৰ লগত জড়িত হৈ আছে যদিও আজিও নাপালে অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনত প্ৰদান কৰা শিল্পী পেঞ্চন ।৬০ দশকৰ পৰা প্ৰায় ৪০ বছৰ নাগাৰা নামৰ পাঠক হিচাপে জনপ্ৰিয় হৈ পৰা অৰবিন্দ কলিতাই গুৱাহাটী, লক্ষীমপুৰসহ অসমৰ বিভিন্ন ঠাইত নাগাৰা নাম পৰিৱেশন কৰি নাম ধৰ্মী ৰাইজক আপ্লুত কৰাৰ লগতে ৰাইজৰ মাজত বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। নাগাৰা নামৰ মহীৰূহ স্বৰূপ প্ৰয়াত মহেন্দ্ৰ দাস, প্ৰয়াত কুশল মালাকৰ, ৰামচৰণ ভড়ালী ,কণ্ঠী পাঠক আদিৰ লগত নাম পৰিৱেশন কৰি জনপ্ৰিয় হৈ পৰিছিল নাগাৰা নামৰ পাঠক অৰবিন্দ কলিতা। কৃষি কাৰ্যৰে কোনোমতে পৰিয়াল পোহপাল দিয়া তথা এটাসময়ত ৰাইজৰ মুখে মুখে চৰ্চিত হোৱা নাগাৰা নামৰ পাঠক অৰবিন্দ কলিতাৰ বয়স বঢ়াৰ লগে লগে নিজে নাম পৰিৱেশন কৰাৰ পৰা বিৰত থাকিলেও বয়সকো নেওচি সদৈকুছিৰ ত্ৰিদেৱ কৃষ্টি চৰ্চা আঞ্চলিক নাগাৰা নাম দলৰ জনপ্ৰিয় পাঠক দিপেন কলিতাৰ দলটোৰ গুৰিধৰোঁতা হিচাবে থাকি নাগাৰা নামৰ লগত জড়িত হৈ আছে। এনেহেন গৰাকী শিল্পীয়ে আজিলৈকে অসম চৰকাৰে সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনত প্ৰদান কৰা শিল্পী পেঞ্চন লাভ নকৰাত বৃহত্তৰ পশ্চিম বড়িগোগ অঞ্চলৰ সচেতন মহলে উদ্বেগ প্ৰকাশ কৰাৰ লগতে ৬৮ বছৰীয়া নাগাৰা নামৰ পাঠক অৰবিন্দ কলিতাক শিল্পী পেঞ্চন প্ৰদান কৰিবলৈ সাংস্কৃতিক বিভাগ তথা চৰকাৰক আহ্বান জনাইছে।

## গৰমৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ দেশবাসীলৈ আহ্বান প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ

**পুলক মেধি,৪ জুনঃ** ভাৰতবৰ্ষৰ যশস্বী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনপ্ৰিয় অনাতাৰ অনুষ্ঠান 'মন কী বাত'ৰ ১৩৪ সংখ্যক খণ্ডটি সমগ্ৰ দেশজুৰি প্ৰচাৰ হয়। এই খণ্ডটিৰ জৰিয়তে প্ৰধানমন্ত্ৰী গৰাকীয়ে ভাৰতবৰ্ষত গ্ৰীষ্মৰ প্ৰকোপ বৃদ্ধিৰ কথা উল্লেখ কৰি সকলোকে দেশীয় পানীয় বিশেষকৈ দৈ, বেলৰ চৰ্বতৰ সোৱাদ গ্ৰহণ কৰাৰ লগতে অধিক পৰিমাণে পানী সেৱন কৰা, ৰ'দত অনাহক ঘৰৰ বাহিৰলৈ ওলাই নাযাবলৈ আহ্বান জনায়। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত উৎপাদিত আমৰ কেইবাটাও প্ৰজাতিৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী ডাঙৰীয়াই আম উৎপাদনৰ লগত জড়িত কৃষক সকললৈ শুভেচ্ছা জ্ঞাপন কৰে। গ্ৰীষ্মৰ প্ৰতি ল'বলগীয়া সাৱধানতা সম্পৰ্কে চৰকাৰে বিভিন্ন বিভাগলৈ জাৰী কৰা নিৰ্দেশসমূহ জনতাক মানি চলিবলৈ পৰামৰ্শ আগবঢ়ায়। অলপতে নেডাৰলেণ্ড ভ্ৰমণলৈ যাওতে নেডাৰলেণ্ডৰ প্ৰধানমন্ত্ৰীয়ে সকলো ভাৰতীয় প্ৰাচীন তাম্ৰপত্ৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক উভতাই দিয়ে। এই তাম্ৰপত্ৰসমূহত খোদিত ভাৰতবৰ্ষৰ প্ৰাচীন চোলা সাম্ৰাজ্যৰ সমৃদ্ধিমূলক ইতিহাসৰ কথা উল্লেখ আছে বুলি প্ৰধানমন্ত্ৰী গৰাকীয়ে শ্ৰদ্ধাৰে মন্তব্য কৰে। লগতে চত্তিশগড়ত তিনিখন দুৰ্লভ তাম্ৰপত্ৰ পোৱা গৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী গৰাকীয়ে ১৪০০ বছৰ পুৰণি পালি ভাষাত লিখা এই তাম্ৰপত্ৰসমূহত সেই সময়ৰ অৰ্থনৈতিক অৱস্থা আৰু বিভিন্ন সাংস্কৃতিক সমলৰ উল্লেখ আছে বুলি 'মন কী বাত'ত উল্লেখ কৰে। ভাৰতবৰ্ষৰ পৌৰাণিক জোতিষ চৰ্চাৰ উল্লেখেৰে ভাৰতবৰ্ষত গ্যাণিতিক জোতিষ বিজ্ঞান (Mathemetical Astronomy)ৰ সূত্ৰ আৱিস্কাৰ হোৱাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জোতিষ বিজ্ঞানৰ চৰ্চাৰ লগত জড়িত বাংগালুৰুৰ Banglore Astronomical Society, কেৰেলামৰ Astro Kerelam, ৰাজকোটৰ Big Bang Astronomy, জোৰ্তিবিদ্যা পৰিসংখ্যা সংস্থাৰ সৈতে ৰাষ্ট্ৰজুৰি সংযুক্ত কৰি জোৰ্তিবিজ্ঞান আৰু জোৰ্তিবিজ্ঞান আৰু পদাৰ্থবিজ্ঞা ক আগুৱাই নিবলৈ পৰামৰ্শ প্ৰদান কৰাৰ লগতে ভাৰতবৰ্ষৰ যুৱ সমাজকৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায়। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনৰ পৰা প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতি জৰিয়তে দলৰ মিডিয়া পেনেলিষ্ট অমল নাৰায়ণ পাটোৱাৰীয়ে কয় যে অসমৰ ৩৯ খন জিলাৰ ৪৩৩ টা মণ্ডলৰ ২৫ হাজাৰতকৈও অধিক বুথত বিজেপিৰ লক্ষ লক্ষ কাৰ্যকৰ্তাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কী বাত' শ্ৰৱণ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত, ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কলকাতাত বিজেপিৰ কাৰ্যকৰ্তাৰ সৈতে 'মন কী বাত' কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

# ১ কোটি গছপুলি ৰোপণেৰে বিশ্ব পৰিৱেশ দিৱস উদযাপনৰ প্ৰস্তুতি বিজেপিৰ

নৈমিত্তিক ঘটনা। বন বিভাগৰ মন্ত্ৰী, বিষয়া-কৰ্মচাৰী আদিয়েই বন-দস্যুৰ ৰূপত অৱতীৰ্ণ হৈছিল। গড় হত্যা আদি আছিল প্ৰতিটো দিনৰ দুঃসংবাদ। কিন্তু ইয়াৰ বিপৰীতে সৰ্বানন্দ সোনোৱাল আৰু ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন এনডিএ চৰকাৰে যুগযুগ ধৰি চলি অহা বন ধ্বংস যজ্ঞৰ অৱসান ঘটালে। বেদখলকাৰীৰ কৱলত পৰা বনভূমি-জলাশয় উদ্ধাৰ কৰিলে। 'বিশ্ব পৰিৱেশ দিৱস' উদযাপনৰ প্ৰাক মুহূৰ্তত অসম প্ৰদেশ বিজেপিয়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত বিজেপি নেতৃত্বাধীন যোৱা ১০ বছৰীয়া চৰকাৰৰ শাসনকালত প্ৰকৃতি ৰক্ষাৰ কাৰণে গ্ৰহণ কৰা ইতিবাচক পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। বিবৃতিটোত ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে কয় যে বিগত প্ত বছৰতে চপ্ত হাজাৰ একৰতকৈও অধিক বনাঞ্চল অবৈধ দখলকাৰীৰ পৰা উদ্ধাৰ কৰিলে। গোৱালপাৰাৰ দহিকটা সংৰক্ষিত বনাঞ্চলত বিগত বৰ্ষৰ ৯ আৰু ১০ নৱেম্বৰত চলোৱা উচ্ছেদ অভিযানত প্ৰায় ৬০০ অবৈধ দখলকাৰীক উচ্ছেদ কৰি ১১৫০ বিঘা বনভূমি পুনৰুদ্ধাৰ কৰা হৈছিল। উচ্ছেদৰ পাছতেই আৰম্ভ কৰা গছপুলি ৰোপণকে ধৰি ভিন্ন পদক্ষেপৰ ফলস্বৰূপে এতিয়া সেই বনভূমিলৈ উভতি আহিছে বন্য জীৱকুল। দহিকাটা, বান্দাৰমাথা সংৰক্ষিত বনাঞ্চল বেদখলমুক্ত কৰি বন্ধ হৈ থকা হস্তি কৰিডৰ মুকলি কৰাৰ ফলত বন্য হস্তি বনাঞ্চলৰ পৰা জনাঞ্চললৈ অহাটো বন্ধ হক্সল। হাতীকুলে নিজৰ মতে নিজৰ এলেকাত বিচৰণ কৰাৰ সুবিধা হ'ল। গোলাঘাট জিলাৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলাই বিজেপি চৰকাৰে ইতিমধ্যে ১৫৩ হেক্টৰ মাটি উদ্ধাৰ কৰিছে আৰু সেই বনাঞ্চলত গছ পুলি ৰোপণৰ ব্যৱস্থা কৰিছে। কাৰ্বি আংলঙৰো ধনশিৰি আৰু দলদলি সংৰক্ষিত বনাঞ্চল বেদখলমুক্ত কৰি তাতো এতিয়া বন বিভাগে বিভিন্ন প্ৰজাতিৰ গছ পুলি ৰোপণ কৰাৰ ব্যৱস্থা কৰিছে। লাওখোৱা অভয়াৰণ্যৰ বৃহৎ অংশ বেদখলমুক্ত কৰাৰ পিছত এতিয়া তাত বনৰীয়া জীৱ-জন্তুৰ বিচৰণ সহজ হৈছে আৰু বন্য জন্তুৰ বংশবৃদ্ধি ঘটিছে। অবৈধ বেদখলকাৰীৰ কৱলত পৰি এসময়ত ধ্বংসৰ মুখলৈ গতি কৰা উত্তৰ অসমৰ পাভৈ বনাঞ্চললৈও এতিয়া ঘূৰি আহিছে সেউজ পৰিৱেশ। এই বনাঞ্চলত এতিয়া হাতী, বাঘ, ভালুকৰ লগতে বন ঘোঁৰাৰ মুক্ত বিচৰণে প্ৰকৃতি প্ৰেমীসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। এসময়ত কেৱল গঁড়ৰ চোৰাং চিকাৰৰ ভয়-শংকাৰ বাতৰিয়ে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰো শিৰোনাম দখল কৰা কাজিৰঙাই আজি বিশ্ব পৰ্যটনৰ মানচিত্ৰত এক নতুন ইতিহাস ৰচনা কৰিছে। ৰ.প্তপ্ত লাখৰ পৰা ৫.৪৮ লাখলৈ বৃদ্ধি হৈছে দৰ্শনাৰ্থীৰ সংখ্যা। এয়া অসমৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে কঢ়িয়াই অনা এক বিশেষ সফলতাৰ খবৰ। একেদৰে মানস ৰাষ্ট্ৰীয় উদ্যান আৰু পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ পৰাও প্ৰতিদিনে আহি আছে গভীৰ আশাব্যঞ্জক খবৰ। উন্নত সুবিধা, সুদৃঢ় যোগাযোগ ব্যৱস্থা আৰু বন্যপ্ৰাণী সংৰক্ষণৰ দৃঢ় পদক্ষেপৰ ফলত এই দুয়োখন সংৰক্ষিত বনাঞ্চলত ১ লাখতকৈ অধিক পৰ্যটকৰ আগমন ঘটিছে। যাৰ ফলত অসমৰ বন পৰ্যটনেও লাভ কৰিছে নতুন গতি আৰু নতুন শক্তি। ইয়ে কেৱল অসম পৰ্যটনৰ সফলতাই কঢ়িয়াইছে-এনে নহয়, স্থানীয় যুৱক-যুৱতী, গাইড, চালক, হোমস্টে পৰিচালক আৰু ক্ষুদ্ৰ ব্যৱসায়ীৰ জীৱনলৈও আত্মবিশ্বাস, নতুন সম্ভাৱনা আৰু জীৱিকাৰ এক নতুন দিশ উন্মোচন কৰিছে। বিবৃতিটোত ৰাজ্যিক মুখপাত্ৰ কমল কুমাৰ মেধিয়ে দলৰ সিদ্ধান্তৰ বিষয়ে সদৰী কৰি কয় যে ৫ জুনৰ 'বিশ্ব পৰিৱেশ দিৱস' ভাৰতীয় জনতা পাৰ্টিয়ে ব্যাপক আৰু বিস্তাৰিত ৰূপত পালন কৰিব। কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এনডিএ চৰকাৰৰ ৰচ বছৰীয়া পূৰ্তিৰ সৈতে সংগতি ৰাখি এইবাৰ অসমতো ভাৰতীয় জনতা পাৰ্টিয়ে ৰ কোটি গছপুলি ৰোপণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। 'বিশ্ব পৰিৱেশ দিৱস'ত দলৰ কাৰ্যকৰ্তাসকলে প্ৰতিটো বুথত কমেও ৫ টা ফলধাৰী গছ ৰোপণ কৰিব। প্ৰতিগৰাকী কাৰ্যকৰ্তাই তেখেতৰ মাতৃৰ স্মৃতীত এটাকৈ গছ পুলি উৎসৰ্গা কৰিব।

# প্ৰেম প্ৰত্যাখ্যানৰ বাবেই যুৱতীক হত্যাৰ চেষ্টা

মিকিৰভেটা থানাৰ সমীপৰ মিকিৰভেটা চাৰিআলিত সংঘটিত হৈছে এই ভয়ংকৰ কাণ্ড। যুৱতীগৰাকীৰ অভিযোগ অনুসৰি, কিছুদিন পূৰ্বে যুৱতীগৰাকীয়ে প্ৰেমিক ৰিবুল আলীৰ সৈতে প্ৰেমৰ সম্পৰ্ক বিচ্ছেদ কৰাৰ বাবে যুৱতীগৰাকীক ব্লেকমেইল কৰাৰ লগতে বহুবাৰ শাৰীৰিক নিৰ্যাতনো চলাইছিল। যুৱতীগৰাকীৰ অভিযোগ অনুসৰি, বুধবাৰে নিশা প্ৰায় ১০.৩০ মান বজাত অভিযুক্ত প্ৰেমিক ৰিবুল আলীয়ে যুৱতীগৰাকীৰ ঘৰলৈ গৈ চোকা অস্ত্ৰৰে আক্ৰমণ কৰি হত্যাৰ চেষ্টা কৰে। ঘটনাৰ কিছুসময়ৰ পিছতে ভুক্তভোগী যুৱতীগৰাকী আৰু যুৱতীগৰাকীৰ পৰিয়ালে আৰক্ষী থানালৈ যাবলৈ চেষ্টা কৰাত অভিযুক্ত ৰিবুল আলি আৰু তেওঁৰ পৰিয়ালে যুৱতীগৰাকী আৰু পৰিয়ালক ৰাস্তাত পুনৰ আক্ৰমণৰ চেষ্টা কৰে। স্থানীয় ৰাইজৰ তৎপৰতাত আৰক্ষী থানাত ৰিবুল আলি আৰু তেওঁৰ দুজন ভাতৃৰ বিৰুদ্ধে ভুক্তভোগী পৰিয়ালে লিখিত অভিযোগ দাখিল কৰে যদিও ৰিবুল আলিসহ আন দুই অভিযুক্তই পলায়ন কৰে। আজি বৃহস্পতিবাৰে পুৱাৰ ভাগত ধৃত ৰিবুল আলিয়ে ভুক্তভোগী যুৱতীগৰাকীক পুনৰ প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰাৰ লগতে যুৱতীগৰাকীৰ পৰিয়ালক সতৰ্ক কৰি দিয়ে। উল্লেখযোগ্য যে এতিয়ালৈকে অভিযুক্তকেইজনক কৰায়ত্ত কৰিবলৈ মিকিৰভেটা আৰক্ষী থানাৰ ফালৰ পৰা কোনোধৰণৰ পদক্ষেপ লোৱা নাই বুলি অভিযোগ উত্থাপিত হৈছে। ধৃত ৰিবুল আলি গুৱাহাটীৰ এটা ব্যক্তিগত শ্বপিং মলত কৰ্মৰত আছিল। বৰ্তমান অভিযুক্ত ৰিবুলে মহানগৰীৰে কোনো স্থানত আত্মগোপন কৰি আছে বুলি সন্দেহ প্ৰকাশ কৰিছে ভুক্তভোগী যুৱতীগৰাকীৰ পৰিয়ালে।

# গুৱাহাটীৰৰ গণেশগুৰিত বিনামূলীয়াকৈ ৬ হাজাৰ গছপুলি বিতৰণ

স্থানীয় বিধায়ক প্ৰদ্যুৎ বৰদলৈয়ে। বিশিষ্ট আতিথি হিচাপে উপস্থিত থাকে বন বিষয়া অলকেশ কাশ্যপ, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক তথা সাংবাদিক দীপক শৰ্মা, অসম লুতাদৰ সম্পাদক অৰিন্দম প্ৰিন্স পাংগিং, এন ই হাইজিন চল্যুচনৰ সঞ্চালক নৰ কামান, পৰেশ বৰা, মুক্তাৰ হুছেইন, মাচুম বেগম, মফিজুল মল্লিক, সমাজকৰ্মী নবীণ চন্দ্ৰ শৰ্মা প্ৰভৃতিয়ে।

# ভাৰতীয় সামগ্ৰীত অতিৰিক্ত ১২.৫ শতাংশ শুল্ক আৰোপ কৰিব আমেৰিকাই

বাতৰিটোত কোৱা হৈছে যে আমেৰিকাই ১৯৭৪ চনৰ আমেৰিকাৰ বাণিজ্য আইনখনৰ ধাৰ ৩০১ (খ) (১)ৰ অধীনত নিজৰ বাণিজ্যিক অংশীদাৰসকলৰ বিৰুদ্ধে তদন্ত আৰম্ভ কৰিছে। তাৰ কেইমাহমানৰ পিছত এই পৰিকল্পনা ৰাজহুৱা কৰা হৈছে। এই পদক্ষেপৰ কাৰণো চৰকাৰী নথিত ব্যাখ্যা কৰা হৈছে। বলপূৰ্বক শ্ৰমেৰে নিৰ্মিত সামগ্ৰীৰ আমদানি ৰোধ কৰাৰ উদ্দেশ্য। এই পদক্ষেপৰ বিৰুদ্ধে সংশ্লিষ্ট দেশখনে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নে নাই সেয়া আমেৰিকা কৰ্তৃপক্ষই চাব। বুধবাৰে বাণিজ্য মন্ত্ৰালয়ে জাৰি কৰা এক বিবৃতিত কোৱা হৈছে যে ভাৰত আৰু আমেৰিকাইও ২০২৬ চনৰ ২ ফেব্ৰুৱাৰীত ঘোষণা কৰা আৰু ২০২৬ চনৰ ৭ ফেব্ৰুৱাৰীত প্ৰকাশিত যৌথ বিবৃতিৰ ভিত্তিত কাঠামো চুক্তি চূড়ান্ত কৰাৰ বাবে সমান্তৰালভাৱে কাম কৰি আছে। প্ৰসংগক্ৰমে ফেব্ৰুৱাৰী মাহৰ আৰম্ভণিতে ট্ৰাম্পে ভাৰতীয় সামগ্ৰীৰ ওপৰত শুল্ক (জৰিমনা সহ) ৫০ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰাৰ কথা ঘোষণা কৰিছিল। যিটো এছিয়াৰ আন বহু দেশৰ ওপৰত আৰোপ কৰা শুল্কতকৈ কম।

# চতিয়াত দুই কিশোৰীক প্ৰেমৰ চলনাৰে যৌন নিৰ্যাতন, অভিযুক্তক গ্ৰেপ্তাৰ আৰক্ষীৰ

জড়িত দুজন যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। অভিযোগ অনুসৰি, ডিপলোঙা গাঁৱৰ ইউছুফ আলি আৰু বালিডোঙা গাঁৱৰ আমিৰ হুছেইন নামৰ দুয়োজন বিবাহিত যুৱকে নিজকে হিন্দু বুলি পৰিচয় দি দুগৰাকী কিশোৰীৰ সৈতে প্ৰেমৰ সম্পৰ্ক সম্পৰ্ক গঢ়ি তুলিছিল। আনহাতে, পৰিয়ালৰ অভিযোগ মতে, প্ৰায় এবছৰ ধৰি ভয়-ভাবুকি প্ৰদৰ্শন কৰি কিশোৰী দুগৰাকীৰ ওপৰত যৌন নিৰ্যাতন চলোৱা হৈছিল। ইফালে, বুধবাৰে পুৱা বিদ্যালয়লৈ গৈ থকা অৱস্থাত পথৰ পৰা দুগৰাকী কিশোৰীক গাড়ীত উঠাই লৈ যোৱাৰ অভিযোগ উত্থাপন হয় এই দুই যুৱকৰ বিৰুদ্ধে। এই ঘটনাৰ পিছতে পৰিয়ালবৰ্গই ইটাখোলা আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। অভিযোগ পোৱাৰ পিছতে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে যদিও অভিযুক্ত দুয়োজন পলায়ন কৰিছিল। পৰৱৰ্তী সময়ত ইটাখোলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ধনেশ্বৰ দাসৰ নেতৃত্বত চলোৱা অভিযানত দুয়োজন অভিযুক্তক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ঘটনাটোৰ অধিক তদন্ত অব্যাহত ৰাখিছে। আনহাতে, ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# ধঁপাত সেৱন হাঁওফাঁওৰ কৰ্কট ৰোগৰ অন্যতম কাৰণ

পদাৰ্থও পোৱা যায়, যিবোৰে হাঁওফাঁওৰ কোষৰ ডি এন এৰ ক্ষতি সাধন কৰে আৰু লাহে লাহে সেই কোষবোৰত কৰ্কট ৰোগৰ সৃষ্টি কৰে। মুম্বাইৰ নানাৱতী মে' ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ 'নানাৱতী মে' ইনষ্টিটিউট অৱ কেন্সাৰ কেয়াৰ'ৰ প্ৰধান সঞ্চালক (থ'ৰাচিক চাৰ্জাৰী) ডাঃ জৰ্জ কৰিমুণ্ডাক্কালৰ মতে, এই উদ্বেগৰ বিষয়টি কেৱল ধূমপায়ীসকলৰ মাজতে সীমাবদ্ধ নহয়। আনৰ চিগাৰেট বা ধঁপাতৰ ধোঁৱা উশাহৰ সৈতে গ্ৰহণ কৰা, যাক সাধাৰণতে 'পেচিভ স্মোকিং' বা 'ছেকেণ্ড-হেণ্ড স্মোক' বুলি জনা যায়, ইও হাঁওফাঁওৰ কৰ্কট ৰোগৰ আশংকা বৃদ্ধি কৰে। মহামাৰী বিজ্ঞান সংক্ৰান্তীয় বিভিন্ন গৱেষণাৰ এক বৃহৎ বিশ্লেষণত প্ৰকাশ পাইছে যে যিসকল লোকে ধূম্ৰপায়ীৰ সৈতে বসবাস কৰে কিন্তু নিজে ধূমপান নকৰে, তেওঁলোকৰ মাজত হাঁওফাঁওৰ কৰ্কট ৰোগৰ আশংকা ধূম্ৰপান নকৰা লোকৰ সৈতে বাস কৰা লোকসকলৰ তুলনাত বহু বেছি। পৰিৱেশত বিয়পি থকা ধঁপাতৰ ধোঁৱাও হাঁওফাঁওৰ কৰ্কট ৰোগৰ অন্যতম কাৰণ বুলি এই গৱেষণাত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই দিশটো বিশেষভাৱে গুৰুত্বপূৰ্ণ, কাৰণ শিশু, জ্যেষ্ঠ নাগৰিক আৰু ধূম্ৰপান নকৰা জীৱনসংগীসকল প্ৰায়েই নিজৰ অজ্ঞাতে ঘৰ, গাড়ী বা বন্ধ জনসমাগমস্থলীত এনে ধোঁৱাৰ সংস্পৰ্শলৈ আহে আৰু এই ভয়াবহ বিপদৰ সন্মুখীন হয়। ধঁপাতে হাঁওফাঁওৰ ওপৰত একাধিক ধৰণে ক্ষতিকাৰক প্ৰভাৱ পেলায়। ইয়াৰ ফলত দীৰ্ঘদিনীয়া কাহ, উশাহ-নিশাহৰ কষ্ট, বাৰে বাৰে বুকুত সংক্ৰমণ হোৱা, 'ক্ৰনিক অবষ্ট্ৰাক্টিভ পালমোনাৰী ডিজিজ' (চিঅ'পিডি) আৰু হাঁওফাঁওৰ কাৰ্যক্ষমতা হ্ৰাস পোৱাৰ দৰে সমস্যাই দেখা দিয়ে। কৰ্কট ৰোগৰ ক্ষেত্ৰত ধূমপানৰ সম্পৰ্ক কেৱল ৰোগ সৃষ্টি কৰাতে সীমাবদ্ধ নহয়, সমান্তৰালভাৱে ৰোগ ধৰা পৰাৰ পিছত চিকিৎসাৰ ফলাফল তুলনামূলকভাৱে বেয়া কৰাৰ ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হয়। গৱেষণাত দেখা গৈছে যে ধঁপাত ব্যৱহাৰৰ মাত্ৰা আৰু সময় যিমানেই বৃদ্ধি পায়, হাঁওফাঁওৰ কৰ্কট ৰোগৰ আশংকাও তিমানেই বাঢ়ি যায়। ধূমপানৰ সৈতে 'স্মল-চেল লাং কেন্সাৰ' আৰু 'স্কুৱামাছ-চেল কাৰ্চিনোমা'ৰ এক গভীৰ সম্পৰ্ক আছে। ইয়াৰোপৰি, সময়ৰ লগে লগে চিগাৰেটৰ গাঁথনি আৰু ধোঁৱা গ্ৰহণৰ অভ্যাসৰ যি পৰিৱৰ্তন ঘটিছে, সিও বিগত কেইটামান দশকত হাঁওফাঁওৰ কৰ্কট ৰোগৰ বিভিন্ন উপশ্ৰেণীৰ পৰিৱৰ্তনত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। এনে পৰিপ্ৰেক্ষিতত হাওঁফাওঁৰ কৰ্কট ৰোগৰ পৰা আঁতৰি থকাৰ আটাইতকৈ কাৰ্যকৰী সুৰক্ষা হ'ল সম্পূৰ্ণৰূপে ধঁপাত সেৱন বন্ধ কৰা আৰু পৰোক্ষ ধূমপান বা 'ছেকেণ্ড-হেণ্ড স্মোক'ৰ সংস্পৰ্শৰ পৰা আঁতৰি থকা। যিসকল লোকে ধূমপান কৰে, তেওঁলোকে দীৰ্ঘদিনীয়া কাহ, কফৰ সৈতে তেজ ওলোৱা, বুকৰ বিষ, কোনো স্পষ্ট কাৰণ নোহোৱাকৈ ওজন হ্ৰাস পোৱা, উশাহ-নিশাহৰ কষ্ট বা বাৰে বাৰে নিউমোনিয়াৰ দৰে লক্ষণ দেখা দিয়ালৈকে অপেক্ষা কৰা উচিত নহয়। বিশেষকৈ দীৰ্ঘদিন ধৰি ধঁপাত ব্যৱহাৰ কৰা লোকৰ শৰীৰত এইধৰণৰ উপসৰ্গই দেখা দিলে পলম নকৰি চিকিৎসকৰ পৰামৰ্শ লৈ প্ৰয়োজনীয় স্বাস্থ্য পৰীক্ষা কৰোৱাটো অতি জৰুৰী। পৰিয়ালেও এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ঘৰ আৰু যানবাহনসমূহক ধূমপানমুক্ত কৰি ৰখা, কোনো ধৰণৰ সামাজিক সংকোচ বা নেতিবাচক দৃষ্টিভংগী নোলোৱাকৈ ধূমপান ত্যাগ কৰিবলৈ উৎসাহিত কৰা আৰু প্ৰয়োজন সাপেক্ষে নিকোটিনৰ আসক্তি এৰুৱাবলৈ বিশেষজ্ঞৰ সহায় লৈ পৰিয়ালৰ সদস্যসকলৰ কাষত থিয় দিয়াটো সম্ভৱ। হাঁওফাঁওৰ কৰ্কট ৰোগ সকলো সময়তে প্ৰতিৰোধ কৰাটো সম্ভৱ নহ'লেও ধঁপাতজনিত হাঁওফাঁওৰ কৰ্কট ৰোগৰ এক বুজন অংশ প্ৰতিৰোধ কৰিব পাৰি। গতিকে এই বিশ্ব ধঁপাতবিৰোধী দিৱসত ত্ৰাসৰ সৃষ্টি কৰাতকৈ সজাগতামূলক পদক্ষেপ গ্ৰহণৰ ওপৰতহে গুৰুত্ব দিয়া উচিত- যিমান সোনকাল সম্ভৱ ধঁপাত বৰ্জন কৰক, পৰিয়ালৰ সদস্যসকলক পৰোক্ষ ধূমপানৰ ক্ষতিৰ পৰা সুৰক্ষিত ৰাখক আৰু কোনো সতৰ্কতামূলক লক্ষণে দেখা দিলে বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ লওক। প্ৰাথমিক পৰ্যায়ৰ স্বাস্থ্য পৰীক্ষা আৰু মূল্যায়নৰ জৰিয়তে সঠিক সময়ত ৰোগ ধৰা পৰাৰ সম্ভাৱনা বৃদ্ধি পায় আৰু উন্নত চিকিৎসাৰ সফল পৰিণতি লাভৰ সুযোগো উল্লেখনীয়ভাৱে বাঢ়ি যায়।

# বৈঠালাংছ'ত চোৰাং কাঠসহ বাহন জব্দ

চোৰাং চক্ৰটোৱে কাটি তহিলং কৰাৰ ফলত বনাঞ্চলসমূহৰ অস্তিত্ব এতিয়া সংকটৰ দিশে গতি কৰিছে। এনে এক স্পৰ্শকাতৰ সময়তে আজি পুৱতি নিশা বৈঠালাংছ' বন বিভাগে চোৰাং কাঠ সৰবৰাহকাৰীৰ বিৰুদ্ধে এক মোক্ষম আঘাত হানিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ পম খেদি বৈঠালাংছ' খণ্ড বন কাৰ্যালয়ৰ উপ-বনপালক নকুল কুমাৰ মজুমদাৰ, খণ্ড বন বিষয়া পংকজ বৰা আৰু চিত্ৰে নেৱাৰৰ নেতৃত্বত বন বিভাগৰ এটা সক্ৰিয় টহলদাৰী দলে অঞ্চলটোত এক বিশেষ অভিযান চলায়। অভিযানকাৰী দলটোৱে ওমজাখিনি বনাঞ্চলৰ পৰা এটা নিৰ্দিষ্ট দিশলৈ অতি সন্দেহজনকভাৱে আহি থকা এখন কাঠভৰ্তি ট্ৰাক প্ৰত্যক্ষ কৰে আৰু লগে লগে তাক কৰায়ত্ত কৰে। নিৰ্ভৰযোগ্য সূত্ৰই প্ৰকাশ কৰা অনুসৰি, তীব্ৰবেগী নম্বৰবিহীন ট্ৰাকখনে ওমজাখিনি বনাঞ্চলৰ দুৰ্গম পাহাৰীয়া অঞ্চলৰ পৰা চোৰাং কাঠখিনি বোজাই কৰি বৈঠালাংছ' অভিমুখে লৈ গৈ আছিল। বন বিভাগৰ দলটোক দেখাৰ লগে লগে গাড়ীখনৰ চালকজনে নিশাৰ গভীৰ অন্ধকাৰ আৰু আঁকোৱা-পকোৱা পাহাৰীয়া পথৰ সুযোগ লৈ বাহনখন এৰি থৈ ঘটনাস্থলীৰ পৰা চকুৰ পচাৰতে পলাই সাৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত বন বিভাগে কাঠসহ ট্ৰাকখন জব্দ কৰি কাৰ্যালয়লৈ লৈ আহে। বন বিভাগে জব্দকৃত এই বিশাল পৰিমাণৰ চোৰাং কাঠখিনিৰ বজাৰ মূল্য অৰ্ধ লক্ষাধিক টকা হক্সব বুলি জানিবলৈ দিয়ে। বৰ্তমান বন বিভাগে পলায়ন কৰা চালকজনৰ সন্ধানত অভিযান তীব্ৰতৰ কৰাৰ লগতে এই চোৰাং কাৰবাৰৰ আঁৰত থকা মূল মাফিয়া চক্ৰটোক কৰায়ত্ত কৰিবলৈ সমগ্ৰ ঘটনাৰ এক তদন্ত অব্যাহত ৰাখিছে।

# পশ্চিমবংগৰ সামুদ্ৰিক বিকাশত ১৯,২০৯

বৈঠকত উক্ত বিনিয়োগৰ ৰ'ডমেপ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়, য'ত দুয়োগৰাকী নেতাই ৰাজ্যখনত বন্দৰ, অভ্যন্তৰীণ জলপথ, জাহাজ নিৰ্মাণ, লজিষ্টিকছ আৰু বন্দৰ-ভিত্তিক ঔদ্যোগিকীকৰণৰ ভৱিষ্যতৰ উন্নয়ন সম্পৰ্কে আলোচনা কৰে। উল্লেখ্য যে, মেৰিটাইম অমৃতকাল ভিজন ২০৪৭ৰ অধীনত পৰিকল্পিত এই বিনিয়োগসমূহৰ ভিতৰত আছে— বালাগড় মাল্টিম'ডেল লজিষ্টিকছ হাবৰ উন্নয়ন, কলকাতা আৰু হলদিয়া ডকৰ সম্প্ৰসাৰণ আৰু যান্ত্ৰিকীকৰণ, অভ্যন্তৰীণ জলপথৰ শক্তিশালীকৰণ, বিশ্বমানৰ জাহাজ নিৰ্মাণ আৰু মেৰামতি সুবিধা গঢ়ি তোলা, ক্ৰুজ পৰ্যটনৰ আন্তঃগাঁথনি, নদীৰ পাৰৰ উন্নয়ন আৰু বন্দৰ-ভিত্তিক ঔদ্যোগিক ক্লাষ্টাৰ গঠন। ইফালে সোণোৱালে এই সন্দৰ্ভত উল্লেখ কৰে যে এই বিনিয়োগ কাৰ্যসূচী ব্যক্তিগত মূলধন আকৰ্ষণ, বৃহৎ পৰিসৰত সংস্থাপনৰ সুযোগ সৃষ্টি আৰু পশ্চিমবংগক সামুদ্ৰিক আৰু লজিষ্টিকছ বিনিয়োগৰ বাবে আকৰ্ষণীয় গন্তব্যস্থান হিচাপে প্ৰতিষ্ঠিত কৰাৰ উদ্দেশ্যে প্ৰস্তুত কৰা হৈছে। সৰ্বানন্দ সোণোৱালে লগতে কয়— পশ্চিমবংগ ভাৰতৰ সামুদ্ৰিক ভৱিষ্যতৰ এক গুৰুত্বপূৰ্ণ অংশ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ গতিশীল নেতৃত্বত প্ৰায় ১৯,২০৯ কোটি টকাৰ বিনিয়োগৰ জৰিয়তে আমি পশ্চিমবংগৰ সামুদ্ৰিক কেন্দ্ৰসমূহ-- কলকাতা আৰু হলদিয়াক পূব ভাৰতৰ শ্ৰেষ্ঠ সামুদ্ৰিক প্ৰৱেশদ্বাৰ হিচাপে গঢ়ি তোলাৰ লগতে ৬২,৫০০ৰো অধিক সংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লক্ষ্য লৈছোঁ। ডাবল ইঞ্জিন চৰকাৰৰ মডেলে এই প্ৰকল্পসমূহ সফলভাৱে ৰূপায়ণ কৰি বাণিজ্য, উদ্যোগ আৰু পৰ্যটনৰ বাবে অভূতপূৰ্ব সুযোগৰ দুৱাৰ মুকলি কৰিব। আনহাতে, মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে সামুদ্ৰিক আন্তঃগাঁথনি, জলপথৰ উন্নয়ন, ড্ৰেজিং, নদীৰ পাৰৰ উন্নয়ন প্ৰকল্প আৰু সংযোগ ব্যৱস্থাৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত অব্যাহত পাৰস্পৰিক সহযোগিতাক আদৰণি জনায়। লগতে ৰাজ্যখনত অৰ্থনৈতিক কাৰ্যকলাপ আৰু বাণিজ্য বৃদ্ধিৰ উদ্দেশ্যে অগ্ৰাধিকাৰভিত্তিক প্ৰকল্পসমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সহায় বিচাৰে। এই বৈঠকে পশ্চিমবংগৰ কৌশলগত ভৌগোলিক অৱস্থান, বিস্তৃত নদী নেটৱৰ্ক আৰু ঔদ্যোগিক ভিত্তিক জলপথ খণ্ডৰ ব্যৱহাৰ কৰি ৰাজ্যখনক সামুদ্ৰিক বিনিয়োগৰ এক শীৰ্ষ গন্তব্যস্থান আৰু ভাৰতৰ বিকাশৰ চালিকাশক্তি হিচাপে গঢ়ি তোলাৰ কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিভংগীক দৃঢ়তাৰে প্ৰতিফলিত কৰে। শুভেন্দু অধিকাৰীয়ে সদৰী কৰে যে সাগৰমালা ২.০, হুগলী নদীৰ তলত প্ৰস্তাৱিত সুৰংগ, জেটি আন্তঃগাঁথনিৰ উন্নয়ন, ৰাষ্ট্ৰীয় জলপথ-ৰৰ ড্ৰেজিং, হুগলী নদীৰ পাৰ সুৰক্ষা আৰু ভূমি তথা জলসিঞ্চন সম্পৰ্কীয় বিভিন্ন বিষয়কে ধৰি কেইবাটাও অগ্ৰাধিকাৰভিত্তিক সামুদ্ৰিক আৰু সংযোগ প্ৰকল্পৰ সন্দৰ্ভত আমাৰ ফলপ্ৰসূ আলোচনা অনুষ্ঠিত হৈছে। এই পদক্ষেপসমূহ পশ্চিমবংগৰ সামুদ্ৰিক খণ্ডক শক্তিশালী কৰা আৰু অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সক্ৰিয় সহযোগিতাত কেন্দ্ৰীয় চৰকাৰৰ সৈতে আমাৰ ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে আমাৰ পাৰস্পৰিক সহযোগিতা আগলৈও অব্যাহত থাকিব। ইফালে, ৰাজ্যখনৰ ক্ৰমবৰ্ধমান সামুদ্ৰিক সম্ভাৱনা সন্দৰ্ভত আলোকপাত কৰি সোণোৱালে উল্লেখ কৰে যে শ্যামা প্ৰসাদ মুখাৰ্জী বন্দৰত পণ্য পৰিবহণ ২০১৪ চনৰ ৪৬.২৯ নিযুত মেট্ৰিক টনৰ পৰা ২০২৫-২৬ বৰ্ষত ৭০.৮৭ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি পাইছে। একেদৰে, অভ্যন্তৰীণ জলপথেৰে পণ্য পৰিবহণ বিগত এটা দশকত প্ৰায় পাঁচগুণ বৃদ্ধি পাইছে।

# আজি মন্ত্ৰীৰূপে শপত ল'ব ১২ বিধায়কে

খানাপাৰাৰ বিষ্ণুজ্যোতি প্ৰেক্ষাগৃহত কেবিনেট মন্ত্ৰী হিচাপে তেওঁলোকে শপত ল'ব। উল্লেখ্য, কাইলৈ শপত ল'বলগা ১২ বিধায়কৰ ভিতৰত কেশৱ মহন্ত মিত্ৰজোঁট অগপৰ হোৱাৰ বিপৰীতে বাকী ১১ গৰাকী বিজেপিৰ বিধায়ক। তদুপৰি নতুনকৈ মন্ত্ৰীৰূপে শপত ল'ব মঙলদৈৰ বিধায়িকা নীলিমা দেৱী, তামুলপুৰৰ বিধায়ক তথা পূৰ্বৰ অসম বিধানসভাৰ অধ্যক্ষ তথা পানেৰী সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰী আৰু থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই।

# দৃষ্টিহীন দম্পতীৰ সহায় হোৱাকৈ তৎকালীনভাৱে প্ৰদান আধাৰ কাৰ্ড

যাৱতীয় ব্যৱস্থা। উল্লেখ্য যে, জিলাখনৰ কঠিয়াতলিৰ নিবাসী বিভান চন্দ্ৰ দাস আৰু পপি শইকীয়া দুয়ো জন্মৰে পৰা দৃষ্টিহীন। বৰ্তমান সময়ত ভাৰত চৰকাৰৰ এক অন্যতম প্ৰয়োজনীয় পৰিচয় পত্ৰ হিচাপে 'আধাৰ' কাৰ্ডৰ প্ৰয়োজনীয়তাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখি জিলা আয়ুক্ত গৰাকীৰ উল্লেখনীয় নিৰ্দেশনা তথা আয়ুক্ত কাৰ্যালয়ৰ দণ্ডাধীশ শাখাৰ বিশেষ তৎপৰতাত এই দম্পতী হালৰ 'আধাৰ' কাৰ্ড প্ৰস্তুতকৰণৰ কাম অতি সোনকালেই সম্পূৰ্ণ কৰা হয়। বৃহস্পতিবাৰে জিলা আয়ুক্ত দেৱাশীষ শৰ্মায়ে আয়ুক্তৰ কাৰ্যালয়ৰ নিজা কক্ষত তেওঁলোকক এই আধাৰ কাৰ্ড আনুষ্ঠানিকভাৱে প্ৰদান কৰে। আধাৰ কাৰ্ডখন প্ৰদান কৰি জিলা আয়ুক্ত মহোদয়ে দম্পতীহালক আগন্তুক দিনবোৰৰ বাবে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁলোক যাতে চৰকাৰৰ সকলো কল্যাণকামী আঁচনিৰ সৈতে জড়িত হৈ উপকৃত হ'ব পাৰে, তাৰ বাবে আয়ুক্ত গৰাকীয়ে সংশ্লিষ্ট বিষয়াক নিৰ্দেশনা প্ৰদান কৰে। আজিৰ এই কাৰ্ড প্ৰদান কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত দীপংকৰ বৰ্মন, দণ্ডাধীশ শাখাৰ জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক ইন্দ্ৰজিৎ বেজবৰুৱাও উপস্থিত থাকে।

# ৭০ শতাংশ ভাৰা বৃদ্ধিৰ প্ৰস্তাৱ মটৰ পৰিবহণ সংস্থাৰ

অসমৰ কোনো পৰিবহণ খণ্ডৰ লগত জড়িত সংগঠন-সংস্থাই পেট্ৰ'ল- ডিজেলৰ মূল্যবৃদ্ধিৰ বাবে তাৎক্ষণিকভাৱে পৰিবহণৰ ভাৰা বৃদ্ধি কৰা নাছিল যদিও অতি শেহতীয়াকৈ দূৰণিবটীয়া ছুপাৰ বাছসেৱাসমূহত ২০ শতাংশৰো অধিক ভাৰা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। পেট্ৰ'ল-ডিজেলৰ দামবৃদ্ধিৰ মাধমাৰ বহন কৰিব নোৱাৰি সদৌ অসম মটৰ পৰিবহণ সন্থায়ো তেওঁলোকৰ ভাৰাৰ পৰিমাণ বৃদ্ধি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু ক্ৰমবৰ্ধমান ইন্ধনৰ দাম বৃদ্ধি আৰু ইয়াৰ পাৰ্শ্বক্ৰিয়াসৃষ্ট সৰ্বস্তৰৰ দ্ৰব্য মূল্য সূচাংক বৃদ্ধিৰ পৰা পৰিত্ৰাণ বিচাৰি মটৰ পৰিবহণ সন্থাই অসমৰ চৰকাৰৰ পৰিবহণ আয়ুক্তলৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰিছে। স্মাৰক পত্ৰত সংগঠনটোৰ সভাপতি প্ৰদীপ দাস আৰু নয়নজ্যোতি কলিতাই ২০১৯ চনৰ ভাৰাৰ ওপৰত অতিকমেও ৭০ শতাংশ বৃদ্ধিৰ এক প্ৰস্তাৱ আগবঢ়ায়। স্মাৰক-পত্ৰত সংগঠনটোৱে উল্লেখ কৰে যে ২০১৯ চনৰ নৱেম্বৰ মাহত এক জাননীযোগে পৰিবহণ বিভাগে পূৰ্বনিৰ্ধাৰিত ভাৰাৰ ওপৰত ২৫ শতাংশ বৃদ্ধিৰে ব্যৱসায়িক যান-বাহনৰ ভাৰা বৃদ্ধি কৰিছিল। সেই সময়ত প্ৰতিলিটাৰ ডিজেলত ৬৬ টকা আছিল। কিন্তু ২০১৯ চনৰ পিছত ঘটা দ্ৰব্যমূলৰ সূচাংক বৃদ্ধিৰ লগে লগে ব্যৱসায়িক বাহনসমূহৰ গৰাকী তথা মটৰ পৰিবহণ সন্থাই তালমিল কৰি ব্যৱসায় চলাই আছিল যদিও অতি সম্প্ৰতি ক্ৰমাগতভাৱে হোৱা ইন্ধনৰ দামবৃদ্ধিৰ লগতে পৰিবহণ ব্যৱসায়ৰ লগত জড়িত সকলো সামগ্ৰীৰ দাম বৃদ্ধি হোৱাত ব্যৱসায় চলাই নিয়াত অসুবিধা হোৱাৰ লগতে জীৱন আৰু জীৱন নিৰ্বাহৰ প্ৰয়োজনীয় সামগ্ৰীও ক্ৰয় ক্ষমতাৰ বাহিৰত ৰৈ যায়। এনে পৰিস্থিতিত সদৌ অসম মটৰ পৰিবহণ সন্থাই ২০১৯ চনৰ ভাৰাৰ ওপৰত অতিকমেও ৭০ শতাংশ ভাৰা বৃদ্ধিৰ বাবে ফলপ্ৰসূ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ স্মাৰক পত্ৰযোগে পৰিবহণ আয়ুক্তক আহ্বান জনায়। এনে অৱস্থাত যদিহে পৰিবহণ আয়ুক্তই সদৌ অসম মটৰ পৰিবহণ সন্থাৰ দাবী মানি লৈ ২০১৯ চনৰ ভাৰাৰ ওপৰত ৭০ শতাংশ ভাৰা বৃদ্ধি কৰে, তেন্তে পৰিবহণ খণ্ডৰ বাছ ভাৰাকে ধৰি সকলো দিশতে অধিক ভাৰা জনসাধাৰণে ভৰিব লগাটো নিশ্চিত হৈ পৰিছে।

# ত্ৰিপুৰাত ভাৰত-বাংলাদেশ সীমান্তৰ সুৰক্ষা পৰ্যালোচনা কৰিব কেন্দ্ৰীয় গৃহমন্ত্ৰী

যে- ৰাজ্য চৰকাৰে পূৰ্বেও সীমান্তৰ পৰিস্থিতি পৰ্যালোচনাৰ বাবে গৃহমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছিল। উল্লেখ্য যে, ত্ৰিপুৰাৰ গাত লাগি আছে বাংলাদেশৰ ৮৫৬ কিলোমিটাৰ দীঘল আন্তঃৰাষ্ট্ৰীয় সীমান্ত। ৰাজ্যখন তিনিও দিশৰ পৰা বাংলাদেশে ঘেৰি আছে। ইয়াৰ ফলত এই অঞ্চলত অবৈধ অনুপ্ৰৱেশ, চোৰাং বেহা আৰু অন্যান্য অপৰাধৰ ক্ষেত্ৰত অত্যন্ত স্পৰ্শকাতৰ এলেকা বুলি বুলি গণ্য কৰা হয়।

# গ্ৰাহকক মাধমাৰ সোধাই এ পি ডি চি এলে বৃদ্ধি কৰিলে বিদ্যুৎ মাচুল

অক্টোবৰৰ ১৭ পইছা, নৱেম্বৰ মাহৰ ১৯ পইছা আৰু ডিচেম্বৰ মাহৰ বাবে ২৪ পইছা বৃদ্ধি কৰা হৈছে। ২০২৭ৰ জানুৱাৰী মাহৰ বাবে ২৬ পইছা, ফেব্ৰুৱাৰীৰ বাবে চপ্ত পইছা আৰু মাৰ্চ মাহৰ বাবে প্ৰতি ইউনিটত ২৮ পইছাকৈ বৃদ্ধি কৰা হৈছে বিদ্যুতৰ মাচুল। মাচুল বৃদ্ধিত ইতিমধ্যে অনুমোদন দিছে অসম ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগে। পিছে মাচুল বৃদ্ধিৰ কথা এই মুহূৰ্তলৈ জনতাক নজনালে এ পি ডি চি এলয়ে। বিগত বৰ্ষৰ ২১৫ কোটি টকাৰ ঘাটি মিলাবলৈ মাচুল বৃদ্ধিৰ সিদ্ধান্ত এ পি ডি চি এলৰ।

# ধনশ্ৰীঘাটত দুই কুইণ্টল ভাংসহ এজনক আটক

আহি থকা এখন এক্স ইউ ভি (এ এছ-০১জি এফ-৬৭০৬) গাড়ীৰ পৰা গ্ৰাম্য নগৰী ধনশ্ৰীঘাটত দুই কুইন্টল ৮৬ কেজি ৪৮ গ্ৰাম ভাং জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত ভাং আৰু গাড়ীৰ সৈতে মাজবাট আৰক্ষী থানাৰ অধীনস্থ বাহাদুৰ আদৰ্শ গাঁও ৰূপাজুলিৰ মোহন দৈমাৰীৰ ২৫ বছৰীয়া পুত্ৰ তথা ভাং ব্যৱসায়ী ৰিংচাৰ দৈমাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। দীৰ্ঘদিন ধৰি ওদালগুৰি জিলাৰ পূব প্ৰান্তৰ ওৰাং, মাজবাট, লালপানী, ধনশ্ৰীঘাট আদি অঞ্চলত সঘনাই বৃহৎ পৰিমাণৰ ভাং উদ্ধাৰ হোৱা ঘটনাই প্ৰমাণ কৰি আহিছে যে এই অঞ্চলবোৰত নিত্য নৈমিত্তিকভাৱে মজুত তথা সৰবৰাহ হৈ আহিছে এই ৰাগিয়াল দ্ৰব্যবিধ। উল্লেখ্য যে ৩০ মে'ত লালপানীত ৩কুইণ্টল ৪৯ কেজি গাঞ্জা উদ্ধাৰ হোৱাৰ দুদিন পিছতেই ২ জুনত পুনৰ ডিমাছাং অঞ্চলত ৰ কুইণ্টল ৮১ কেজি ৯৪ গ্ৰাম গাঞ্জা উদ্ধাৰ কৰে আৰক্ষীয়ে। আৰক্ষীৰ এনে সফলতাৰ বিপৰীতে অঞ্চলকেইটাৰ সচেতন নাগৰিকসকলক এই নিৰ্মূলহীন তথা ধাৰাবাহিক গাঞ্জা সৰবৰাহৰ কৰ্মকাণ্ডই দুশ্চিন্তাত পেলাইছে । এই অসামাজিক কাৰ্যকলাপ ৰোধৰ হেতু সামাজিক সংগঠন আৰু আৰক্ষী প্ৰশাসনক সক্ৰিয় ভূমিকা পালনৰ আহ্বান জনাইছে সৰ্বসাধাৰণ ৰাইজে।

# দৃষ্টিহীন দম্পতীৰ সহায় হোৱাকৈ তৎকালীনভাৱে প্ৰদান আধাৰ কাৰ্ড

বিশেষ লক্ষ্য ৰাখি জিলা আয়ুক্ত গৰাকীৰ উল্লেখনীয় নিৰ্দেশনা তথা আয়ুক্ত কাৰ্যালয়ৰ দণ্ডাধীশ শাখাৰ বিশেষ তৎপৰতাত এই দম্পতী হালৰ 'আধাৰ' কাৰ্ড প্ৰস্তুতকৰণৰ কাম অতি সোনকালেই সম্পূৰ্ণ কৰা হয়। বৃহস্পতিবাৰে জিলা আয়ুক্ত দেৱাশীষ শৰ্মায়ে আয়ুক্তৰ কাৰ্যালয়ৰ নিজা কক্ষত তেওঁলোকক এই আধাৰ কাৰ্ড আনুষ্ঠানিকভাৱে প্ৰদান কৰে। আধাৰ কাৰ্ডখন প্ৰদান কৰি জিলা আয়ুক্ত মহোদয়ে দম্পতীহালক আগন্তুক দিনবোৰৰ বাবে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁলোক যাতে চৰকাৰৰ সকলো কল্যাণকামী আঁচনিৰ সৈতে জড়িত হৈ উপকৃত হ'ব পাৰে, তাৰ বাবে আয়ুক্ত গৰাকীয়ে সংশ্লিষ্ট বিষয়াক নিৰ্দেশনা প্ৰদান কৰে। আজিৰ এই কাৰ্ড প্ৰদান কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত দীপংকৰ বৰ্মন, দণ্ডাধীশ শাখাৰ জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক ইন্দ্ৰজিৎ বেজবৰুৱাও উপস্থিত থাকে।

# মুখ্যমন্ত্ৰী- কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালক ক্ষমা-প্ৰাৰ্থনা অখিল গগৈৰ

পৰা দলীয় কৰ্মীসকলো আহিছে। ঘৰত উপস্থিত হোৱা সকলোকে সহাঁৰি দিবলৈ চেষ্টা কৰিছে অখিল গগৈয়ে। এনে ব্যস্ততাৰ মাজত বহুতৰ ফোন ধৰিবলৈ সময় পোৱা নাই অখিল গগৈয়ে। অসমৰ মুখ্যমন্ত্ৰীৰ পৰা আদি কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, মন্ত্ৰী পিযুষ হাজৰিকা, জয়ন্ত মল্ল বৰুৱাকে ধৰি বহু ৰাজনৈতিক নেতা, সংবাদিক, সাহিত্যিকৰ লগতে ভিন্ন ক্ষেত্ৰৰ ব্যক্তিয়ে ফোন কৰিছিল অখিল গগৈক। কিন্তু কাৰোৰেই ফোনৰ সহাঁৰি দিব পৰা নাই গগৈয়ে।

# ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথমখন এদিনীয়াত শ্ৰীলংকাৰ জয়

**কিংষ্টন, ৪ জুনঃ** ৱেষ্ট ইণ্ডিজ ভ্ৰমণ জয়ৰে আৰম্ভণি কৰে শ্ৰীলংকাই। কিংষ্টনৰ ছাবিনা পাৰ্কত খেলা প্ৰথমখন এদিনীয়াত শ্ৰীলংকাই চমৎকাৰ প্ৰদৰ্শন কৰি ৱেষ্ট ইণ্ডিজক ৪১ ৰানত পৰাস্ত কৰে। শ্ৰীলংকাই নিৰ্ধাৰিত ৩০৪ ৰানৰ লক্ষ্য অনুসৰণ কৰি আয়োজক দলটোৱে ৪৯.২ অভাৰত ২৬২ ৰান সংগ্ৰহ কৰি অল আউট হয়। জন কেম্পবেল আৰু জাষ্টিন গ্ৰীভছে ৱেষ্ট ইণ্ডিজক সুদৃঢ় আৰম্ভণি কৰি প্ৰথম উইকেটত ৫০ ৰান সংগ্ৰহ কৰে। ১৪টা বলত ১৭ ৰান সংগ্ৰহ কৰি ৰান আউট হয় কেম্পবেল। তিনি নম্বৰ স্থানত আহি কেছি কাৰ্টিয়ে ভাল আৰম্ভণিৰ মূলধন হিচাপে ব্যৱহাৰ কৰিব নোৱাৰিলে আৰু ২৭ ৰানত আউট হয়। অধিনায়ক শ্বাই হোপে সুন্দৰ বেটিং কৰি অৰ্ধশতক অৰ্জন কৰে। হোপে ৬৬টা বলত ৫৬ ৰান সংগ্ৰহ কৰে। শ্বাৰফেন ৰাদাৰফোৰ্ডে বেটৰ সৈতে ভাল প্ৰদৰ্শন কৰিবলৈ ব্যৰ্থ হয়, মাত্ৰ ৫ ৰান সংগ্ৰহ কৰে। ৰষ্টন চেজে কিছু শক্তিশালী শ্বট খেলি ৪৬ বলত ৩৩ ৰান সংগ্ৰহ কৰি আউট হয়। গুদাকেশ মটিয়ে ২২ ৰান, মেথিউ ফৰ্ডে ১৫ ৰান সংগ্ৰহ কৰে। ২৩ ৰানত অপৰাজিত হৈ থাকে শ্বেমাৰ জোচেফ। বলিংত শ্ৰীলংকাৰ হৈ ৬৭ ৰানত সৰ্বাধিক ৪ উইকেট দখল কৰে দুষমন্ত চমীৰণাই। মহেশ থিকচনাই দুটা আৰু ৱানিন্দু হাছাৰংগাই এটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ আৰম্ভণি ভাল নাছিল, কামিন্দু মেণ্ডিছ ২১টা বলৰ সন্মুখীন হৈ ৰচ ৰানত আউট হয়। অৱশ্যে ইয়াৰ পাছতে পাথুম নিছাংকা আৰু কুছাল মেণ্ডিছে দায়িত্ব লয় আৰু দ্বিতীয় উইকেটৰ বাবে শতকীয় অংশীদাৰিত্ব ভাগ কৰে। একেলগে তেওঁলোকে ১২৭টা বলত ১৩৬ ৰান সংযোজন কৰে। নিছাংকাই ৯টা চাৰি আৰু এটা ছয়ৰ সহায়ত ১০৩টা বলত ৭৯ ৰান সংগ্ৰহ কৰে। আনহাতে মেণ্ডিছে ছচটা বলৰ সন্মুখত ৭২ ৰানৰ শক্তিশালী ইনিংছ খেলে। পৱন ৰত্নায়কে ২৪ ৰান অৰিহণা যোগোৱাৰ বিপৰীতে চৰিথ আছালংকাই ৪৪ বলত ৪৫ ৰানৰ গুৰুত্বপূৰ্ণ ইনিংছ খেলে। ইফালে, অন্তিম অভাৰত জেনিথ লিয়ানাগে ২৯ বলত ৪৪ ৰানৰ অপৰাজিত ইনিংছ খেলি শ্ৰীলংকাই ৫০ অভাৰত ৭ উইকেট হেৰুৱাই ৩০৩ ৰান সংগ্ৰহ কৰিবলৈ সহায় কৰে। ৱেষ্ট ইণ্ডিজৰ হৈ জেডেন ছিলছ, মেথিউ ফৰ্ডে, আৰু ৰষ্টন চেজে দুটাকৈ উইকেট দখল কৰে।



## এদিনীয়া কেৰিয়াৰৰ সৰ্বোচ্চ বলিং ৰেংকিঙত পাকিস্তানৰ আব্ৰাৰ আহমেদ

### ৭ টা স্থান অগ্ৰগতিৰে চতুৰ্থ স্থান দখল



**ডুবাই, ৪ জুনঃ** আইচিচিৰ পুৰুষৰ খেলুৱৈ ৰেংকিঙৰ শেহতীয়া আপডেটত সৰ্বাধিক সফলতা লাভ কৰিছে পাকিস্তানী স্পিনাৰ আব্ৰাৰ আহমেদ আৰু নিউজিলেণ্ডৰ অল-ৰাউণ্ডাৰ ৰাচিন ৰবিন্দ্ৰই। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে এদিনীয়া শৃংখলাত সুন্দৰ প্ৰদৰ্শনৰ পিছতে আব্ৰাৰ আহমেদে বলিং ৰেংকিঙত এক মাইলৰ খুঁটি অৰ্জন কৰে। স্পিনাৰগৰাকীয়ে ৭ টা স্থান অগ্ৰগতিৰে চতুৰ্থ স্থান দখল কৰি ৬৩৩ ৰেটিং লাভ কৰে, যিটো তেওঁৰ এদিনীয়া কেৰিয়াৰৰ সৰ্বোচ্চ ৰেংকিং। পাকিস্তানৰ বেগী বলাৰ শ্বাহীন শ্বাহ আফ্ৰিদীয়েও এদিনীয়া বলিং সফলতা লাভ কৰে। শৃংখলাত চাৰিটা উইকেট দখল কৰাৰ পাছত বাওঁহাতৰ বলাৰগৰাকীয়ে চাৰিটা স্থান জপিয়াই ১৩ নম্বৰ স্থান লাভ কৰে। অষ্ট্ৰেলিয়াৰ বেগী বলাৰ নাথান এলিছে বলাৰৰ মাজত সৰ্বাধিক সফলতা লাভ কৰে। দুখন মেচত ৬টা উইকেট দখল কৰি তেওঁ ২৪ স্থান অগ্ৰগতিৰে ৪৪ নম্বৰ স্থান লাভ কৰে। পাকিস্তান-অষ্ট্ৰেলিয়া শৃংখলাৰ সময়ত বেটছমেনসকলে ৰান সংগ্ৰহ কৰিবলৈ সংগ্ৰাম কৰিছিল, যাৰ ফলত মেট ৰেনশ্ব'ৰ অৱদান বিশেষভাৱে মূল্যবান হৈ পৰিছিল। অষ্ট্ৰেলিয়াৰ বাওঁহাতৰ বেটছমেনগৰাকীয়ে ৪৩ আৰু ৬১ ৰান সংগ্ৰহ কৰি এদিনীয়া বেটিং ৰেংকিঙত ১০২ স্থান অগ্ৰগতিৰে ৭৮ নম্বৰ স্থানত উপনীত হোৱাত সহায় কৰে। ইয়াৰ বিপৰীতে পাকিস্তানী বেটছমেন ছলমান আলী আঘাই এদিনীয়া বেটিং ৰেংকিঙত শীৰ্ষ ১০ৰ পৰা বাহিৰ হৈছে। শেহতীয়া ৰেংকিঙত ৫টা স্থান অৱনমিত হৈ ১৪ নম্বৰ স্থানত আছে। ইফালে, আয়াৰলেণ্ডৰ বিৰুদ্ধে নিউজিলেণ্ডৰ টেষ্টত আকৰ্ষণীয় জয়ৰ পিছত ৰেডবল ৰেংকিঙত কিছু পৰিৱৰ্তন কৰা হৈছে। টেষ্ট বেটছমেনৰ ভিতৰত ৰচিন ৰবীন্দ্ৰই যথেষ্ট অগ্ৰগতি লাভ কৰিছে। আয়াৰলেণ্ডৰ বিৰুদ্ধে তেওঁৰ শতকটোৱে তেওঁক কেৰিয়াৰত প্ৰথমবাৰৰ বাবে শীৰ্ষ দহৰ ভিতৰত স্থান দিছে। ৭৩৭ ৰেটিং পইণ্টেৰে নৱম স্থান দখল কৰিছে। নিউজিলেণ্ডৰ টম ব্লুণ্ডেলে ১৮৬ ৰানৰ ইনিংছৰ বাবে টেষ্ট বেটিং ৰেংকিঙত ৮ স্থান অগ্ৰগতিৰে ৪০ নম্বৰ স্থানত উপনীত হৈছে। নিউজিলেণ্ডৰ বিৰুদ্ধে তেওঁৰ প্ৰদৰ্শনৰ পিছত আইৰিছ বেগী বলাৰ মাৰ্ক আডাইৰে পুনৰ টেষ্ট বলিং ৰেংকিঙলৈ উভতি আহিছে।

## নিউজিলেণ্ডৰ বিৰুদ্ধে টেষ্টক লৈ ইংলেণ্ডৰ দল ঘোষণা

**লণ্ডন, ৪ জুন ঃ** বৃহস্পতিবাৰৰ পৰা লৰ্ডছত আৰম্ভ হ'বলগীয়া নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন টেষ্টৰ বাবে ইংলেণ্ডে ৰচ জনীয়া দল ঘোষণা কৰিছে। দলটোত বেটছমেন এমিলিঅ' গে আৰু ফাষ্ট বলাৰ ছনি বেকাৰক স্থান লাভ কৰিছে। ইংলেণ্ড ক্ৰিকেট ব'ৰ্ডে কয় যে, এতিয়াও টেষ্ট কেপ লাভ নকৰা ডাৰহামৰ শীৰ্ষ ক্ৰমৰ বেটছমেন এমিলিঅ' গে আৰু হেম্পশ্বাৰৰ ফাষ্ট বলাৰ ছনি বেকাৰক দলত যোগ কৰা হৈছে। দলটোৰ নতুন খেলুৱৈ হিচাপে আছে ডাৰহামৰ শীৰ্ষ ক্ৰমৰ বেটছমেন গে আৰু হেম্পশ্বাৰৰ বেষ্ট বলাৰ বেকাৰ, আনহাতে ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহৰ পিছত প্ৰথমবাৰৰ বাবে টেষ্ট দললৈ উভতি আহিছে ছাচেক্সৰ অলি ৰবিনছন। ছমাহ ধৰি অবিৰত খেলৰ অন্তত বৰ্তমান বিৰতি লৈ থকা আৰ্চাৰে নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন মেচত খেলিব নোৱাৰিব। বৰ্তমান আৰ্চাৰ বাৰ্বাডোছত আছে আৰু প্ৰথম টেষ্টৰ পিছতহে ইংলেণ্ডলৈ উভতি আহিব। ১৭ জুনত আৰম্ভ হ'বলগীয়া ছিৰিজৰ দ্বিতীয়খন মেচৰ বাবে তেওঁ উপলব্ধ হ'ব পাৰে। ৰাজস্থান ৰয়েলছৰ আই পি এল অভিযানৰ সৈতে ছমাহ সময় কটায় আৰ্চাৰে। টেষ্ট গ্ৰীষ্মকালৰ বাবে প্ৰস্তুতিৰ ক্ষেত্ৰত এই প্ৰতিযোগিতাৰ দ্বাৰা প্ৰভাৱিত কেইবাজনো খেলুৱৈৰ ভিতৰত তেওঁ অন্যতম। আৰ্চাৰৰ অনুপস্থিতিৰ পিছতো জেকব বেথেল আঙুলিৰ আঘাতৰ বাবে ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ পৰা বাহিৰ হয়। ইতিমধ্যে বেথেলে আঙুলিৰ আঘাতৰ বাবে ৰয়েল চেলেঞ্জাৰছ বাংগালুৰু দলৰ ২০২৬ ছিজনৰ পৰা আঁতৰি আহিছিল। লৰ্ডছত খেলিব বুলি আশা কৰা হৈছে। নিউজিলেণ্ডৰ বিৰুদ্ধে শৃংখলাৰ প্ৰথমখন খেলৰ দল ৰপ্তৰ পৰা ৰচ জনলৈ হ্ৰাস কৰা হৈছে।এশ্বেছ শৃংখলাত খেলিব নোৱাৰাৰ পিছত ইংলেণ্ডৰ স্পিনাৰ শ্বোৱেইব বছিৰ পুনৰ দললৈ উভতি আহিছে। ৰবিনছনে গাছ এটকিনছন আৰু জোছ টংগুৰ সৈতে দ্ৰুত বলিং আক্ৰমণত অতিৰিক্ত অভিজ্ঞতা প্ৰদান কৰিব।

## কাটাৰৰ হৈ ফিফা বিশ্বকাপ খেলিবলৈ সাজু ভাৰতীয় মূলৰ তাহছিন মহম্মদ

### ১৪ জুনত ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব কাটাৰে

**নতুন দিল্লী, ৪ জুন ঃ** ভাৰতীয় ৰাষ্ট্ৰীয় ফুটবল দলে কেতিয়াও ছিনিয়ৰ পুৰুষৰ ফিফা বিশ্বকাপ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা নাই। এইবাৰ অংশগ্ৰহণকাৰী দলৰ সংখ্যা ৪৮টালৈ বৃদ্ধি কৰা হৈছে, তথাপিও ভাৰতীয় দলটো ৰেংকিঙত বহু পিছ পৰি আছে। ফিফা বিশ্বকাপৰ পৰৱৰ্তী সংস্কৰণলৈ মাত্ৰ কেইদিনমান বাকী। অনুষ্ঠানৰ পূৰ্বে তাহছিন মহম্মদ জামছেদে ইতিহাস ৰচনা কৰিছে; এই প্ৰতিষ্ঠিত প্ৰতিযোগিতাখনৰ বাবে ৰাষ্ট্ৰীয় দলত অন্তৰ্ভুক্ত হোৱা তেওঁ ভাৰতীয় মূলৰ প্ৰথমজন খেলুৱৈ হিচাপে পৰিগণিত হৈছে। ১৯ বছৰীয়া তাহছিন মহম্মদ জামছেদে ফিফা বিশ্বকাপৰ বাবে কাটাৰৰ দলত অন্তৰ্ভুক্ত কৰা হৈছে। বিশ্বৰ সৰ্ববৃহৎ ক্ৰীড়া প্ৰতিযোগিতাখনত খেলপথাৰত ভৰি দিয়াৰ মুহূৰ্তলৈ তেওঁ নিঃসন্দেহে আগ্ৰহেৰে অপেক্ষা কৰি আছে। ফিফা বিশ্বকাপ ২০২৬ত কাটাৰৰ প্ৰথমখন খেল ১৪ জুনত ছুইজাৰলেণ্ডৰ বিৰুদ্ধে খেলিব। তাহছিন মহম্মদ জামছেদে এই উদ্বোধনী মেচত খেলাৰ সুযোগ পাব নে নাই সেয়া হ'ব লক্ষ্যণীয়। কাটাৰ গ্ৰুপ বি-ত ড্ৰ' হৈছে, য'ত ছুইজাৰলেণ্ড, বছনিয়া আৰু হাৰ্জেগোভিনা আৰু আয়োজক দেশ কানাডাকো অন্তৰ্ভুক্ত কৰা হৈছে।

# নিউজিলেণ্ড ক্ৰিকেটৰ ২০২৬-২৭ বৰ্ষৰ ঘৰুৱা আন্তঃৰাষ্ট্ৰীয় ছিজনৰ সূচী ঘোষণা

## প্ৰথমবাৰলৈ দীঘলীয়া সময়লৈ নিউজিলেণ্ড ভ্ৰমণ কৰিব ভাৰতীয় দলে

**ৱালিংটন, ৪ জুনঃ** নিউজিলেণ্ড ক্ৰিকেটে ২০২৬-২৭ বৰ্ষৰ ঘৰুৱা আন্তঃৰাষ্ট্ৰীয় ছিজনৰ সূচী ঘোষণা কৰিছে। এই ছিজনৰ আটাইতকৈ ডাঙৰ চৰ্চা হৈছে ভাৰতৰ মেগা ট্যুৰ। অক্টোবৰৰ পৰা ডিচেম্বৰলৈ নিউজিলেণ্ড ভ্ৰমণ কৰিব ভাৰতীয় দলটোৱে। এই ভ্ৰমণত টিম ইণ্ডিয়াই ৫খন টি-২০, ৫খন এদিনীয়া, আৰু ২খন টেষ্ট মেচ খেলিব। ১২খন খেলৰ এই ভ্ৰমণ নিউজিলেণ্ডৰ ক্ৰিকেট ইতিহাসৰ যিকোনো বিদেশী দলৰ আটাইতকৈ দীঘলীয়া দ্বিপাক্ষিক ভ্ৰমণ হ'ব। ভাৰতীয় পুৰুষ দলটো ২২ অক্টোবৰৰ পৰা ১ ডিচেম্বৰলৈ নিউজিলেণ্ড ভ্ৰমণত থাকিব। খ্ৰীষ্টচাৰ্চ, ৱেলিংটন, অকলেণ্ড, হেমিল্টন আৰু টাউৰাংগা নামৰ পাঁচখন ডাঙৰ চহৰত খেল অনুষ্ঠিত হ'ব। নিউজিলেণ্ড ক্ৰিকেটে মুঠ ৮খন চহৰত ২৬খন আন্তঃৰাষ্ট্ৰীয় মেচ আয়োজন কৰাৰ পৰিকল্পনা ঘোষণা কৰিছে। এই ছিজনত ডিচেম্বৰ মাহত বাংলাদেশক আদৰিব নিউজিলেণ্ডৰ মহিলা দলে। ১০ ডিচেম্বৰৰ পৰা ২৩ ডিচেম্বৰলৈ তিনিখন টি-২০ আৰু তিনিখন এদিনীয়া খেল অনুষ্ঠিত হ'ব। গ্ৰীষ্মকালত এইটোৱেই হ'ব তেওঁলোকৰ একমাত্ৰ ঘৰুৱা ভ্ৰমণ। ২০২৭ চনৰ জানুৱাৰী-ফেব্ৰুৱাৰী মাহত শ্ৰীলংকাক আদৰিব, য'ত তিনিখন এদিনীয়া, তিনিখন টি-২০, আৰু দুখন টেষ্ট মেচ অনুষ্ঠিত হ'ব। ইয়াৰ উপৰিও অষ্ট্ৰেলিয়াৰ সৈতে বহু প্ৰত্যাশিত চাৰিখন টেষ্টৰ শৃংখলাও অনুষ্ঠিত হ'ব। নিউজিলেণ্ড ক্ৰিকেটৰ ২০২৬-২৭ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় ঘৰুৱা সূচী বুধবাৰে পাপাটোয়েত আন্তৰ্জাতিক স্বামীনাৰায়ণ সাতসংগ সংস্থাত শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে হোৱাইট ফাৰ্নছৰ স্পিনাৰ ইডেন কাৰ্ছন, ব্লেককেপছৰ তাৰকা স্পিনাৰ ইছ ছ'ধি, স্থানীয় সম্প্ৰদায়ৰ সদস্য, আৰু নিউজিলেণ্ডৰ ক্ৰীড়া আৰু বিনোদন মন্ত্ৰী মাৰ্ক মিচেল। দুয়োখন দেশৰ ১০০ বছৰীয়া ক্ৰীড়া সম্পৰ্কৰ প্ৰতি উৎসৰ্গিত ভাৰত ভ্ৰমণৰ বাবে নিউজিলেণ্ড চৰকাৰে বিশেষ সমৰ্থন ঘোষণা কৰিছে। নিউজিলেণ্ড ক্ৰিকেটৰ এজন বিষয়াই ভাৰত ভ্ৰমণক এটা প্ৰজন্মত এবাৰ পোৱা সুযোগ বুলি অভিহিত কৰে। তেওঁ কয় যে বিৰাট কোহলী আৰু জছপ্ৰিত বুমৰাহৰ দৰে তাৰকা খেলুৱৈৰ আগমনে অনুৰাগীৰ মাজত অপৰিসীম উত্তেজনাৰ সৃষ্টি কৰিছে। যোৱা কিছু বছৰত দুয়োটা দলৰ মাজত ভাৰতৰ সৈতে তীব্ৰ প্ৰতিদ্বন্দ্বিতা দেখা গৈছে, যাৰ ফলত এই ভ্ৰমণ আৰু অধিক ৰোমাঞ্চকৰ হৈ পৰিছে। টিকটৰ প্ৰবল চাহিদা আশা কৰা হৈছে। অনুৰাগীসকলক প্ৰি-চেলৰ আৰম্ভণিৰ উইণ্ড'ত টিকট বুকিং কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। অহা ছয়টা ছিজনৰ বাবে নিউজিলেণ্ড ক্ৰিকেটৰ আনুষ্ঠানিক সম্প্ৰচাৰক হিচাপে পৰিগণিত হ'ব স্কাই নিউজিলেণ্ড। এই সূচী নিউজিলেণ্ড ক্ৰিকেটৰ বাবে অত্যন্ত ব্যস্ত আৰু গুৰুত্বপূৰ্ণ বুলি প্ৰমাণিত হ'ব, মুঠ ৪২ দিন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেলা হ'ব।

# গামোচাৰ আৰঁৰ মুখখন (নাভাবিবলগীয়া বিশেষ কথা)

■ ড° কমল চন্দ্ৰ নাথ

সাধাৰণতে কোনোৱে নিবিচৰা এটা সৰু কথা, অথচ তাৰ গুণগত মানদণ্ড বহু ওপৰত। এগৰাকী ব্যক্তিৰ এটা লেখা যেতিয়া পুথি আকাৰে প্ৰকাশ পায়, তেতিয়া সেই ব্যক্তিজনৰ মনৰ আনন্দই পাৰ ভাঙি যায়। কিবা এটা লিখাৰ হেঁপাহ সকলোৰে কমবেছি পৰিমাণে থাকে। কোনোৱে পাৰে আৰু কোনোৱে উপস্থাপনত কিছু পৰিমাণে অসুবিধা পায়। কিন্তু হেঁপাহ থিকেই থাকে।

পেঁপাৰ, আলোচনী, কিতাপ যিয়ে নহওঁক লিখি অভ্যাস কৰাটো সকলোৰে কাম্য হোৱা উচিত। যদি কেনেবাকৈ নতুন লেখক বা প্ৰথম প্ৰকাশ হয়, তেতিয়া হ'লেটো কথাই নাই। এগৰাকী উৎসাহী লেখক বা ব্যক্তিয়ে সদায় নিজৰ লেখাটো, হয় ছপা আকাৰে নহয় পুথিৰ আকাৰত চাব বিচাৰে। এইয়া এক বুজাব নোৱাৰা অনুভূতিৰ মূৰ্ত প্ৰকাশ। কিন্তু আজি কেই শতাংশ মানক বাদ দি হয়তো সকলোৱেই ইয়াৰ আৰঁৰ মুখখনৰ কথা কোনো দিনেই নাভাবে বা সেই গৰাকী ব্যক্তিক সময়ত জনাৰ প্ৰয়োজনো বোধ নকৰে। তেওঁ সদায় আমাৰ পৰা যেন আন্ধাৰতে থাকি যায়। অথচ তেখেতলোকৰ কোনো আপত্তিও নাই কাহানিও। এইয়া আমাৰ একান্ত ব্যক্তিগত অনুভৱ।

আমাৰ সকলোৰে কাম্য আৰু আশা,এটা উন্নত মানৰ জাক- জমকীয়া মঞ্চত বিপুল দৰ্শকৰ সন্মুখত এগৰাকী বিশিষ্ট বা স্বনামধন্য লেখক, সাহিত্যিক বা বিশিষ্ট নেতাৰ জড়িয়তে নিজৰ সেই প্ৰকাশ পাবলগীয়া আচুতীয়া পুথিখন উন্মোচন কৰিবলৈ হাবাথুৰি খাই থাকে। বিশিষ্ট সেই ব্যক্তিজনৰ লগতে উপস্থিত আৰু দুই চাৰিজনক গামোচা, চেলেং বা শৰাই আদিৰে সম্বৰ্ধনা জনাই আপোনাৰ বা আমাৰ মৰমৰ গ্ৰন্থখনি উন্মোচন কৰাৰ ব্যৱস্থা কৰা হয়। মাইকত ঘোষণা কৰা হয়, এইয়া আমাৰ মাজত আজি খন্তেক সময়ৰ পিছতে অমুক লেখকৰ অমুকখন গ্ৰন্থ অসমৰ স্বনামধন্য সাহিত্যিক, সাংবাদিক (ইত্যাদি বিশেষণেৰে বিভূষিত) অমুকৰ দ্বাৰা উন্মোচন কৰা হ'ব। লগে লগে লেখকৰ মনত এক বুজাব নোৱাৰা আনন্দ।

যদিও এজন লেখকে গ্ৰন্থখন যথেষ্ট খৰচৰ বিনিময়ত তাক ছপা ৰূপত কিতাপ আকাৰে পাইছে বা পাই তথাপিও কিন্তু সেই বিশেষ ব্যক্তিজনৰ , মানে যি আপোনাৰ গ্ৰন্থখন বহু কষ্ট কৰি ছপাৰ মুখ দেখুৱাই আমাৰ হাতত দিলেহি, সেইটো কিন্তু সততে উলাই কৰিব পৰা বিধৰ কথা নহয় বুলি আমি অনুভৱ কৰোঁ। লগতে সেইটো কোনো সৰু কথাও নহয়। কৃতজ্ঞতাৰ ভাষাৰে গ্ৰন্থৰ শেষত আমি ছপাশালৰ সন্মানীয় স্বত্বাধিকাৰী বা কৰ্মকৰ্তা গৰাকীৰ শলাগ লৈ সামৰণি মাৰোঁ। যিটো গতানুগতিক বাক্যৰ অৰ্থ বা শাৰী। ইয়াৰ বাহিৰেও অন্য স্বীকৃতিও আমি সুবিধা অনুসৰি দিবলৈ চেষ্টা কৰা উচিত ।

আমাৰ ব্যক্তিগত অনুভৱ সেই সভাখনতেই (যদি সম্ভৱ হয়) লেখকৰ লগতে ছপাশালৰ সেই কৰ্মকৰ্তা গৰাকীকো চিনাকি কৰাই দি এখন গামোচাৰে জানো এটি সম্বৰ্ধনা বা আদৰণি জনাব নোৱাৰি। আচলতে তেওঁৰহে প্ৰাপ্য ।এখন গামোচা কোনো ডাঙৰ বস্তু বা ডাঙৰ কথা নহয়। তেখেতলোকে হয়তো কোনো দিনে সেই বিষয়ে ভবাও নাই। কথাটো হ'ল ব্যক্তিজনক দহজনৰ আগত লেখকে নিজে বুকু ফিন্দাই চিনাকি কৰি দিয়াটোহে। তাতেই তেওঁ লেখকৰ প্ৰতি সদায় কৃতজ্ঞ হৈ থাকিব। যি গৰাকীয়ে আপোনাৰ জীৱনৰ এটা উল্লেখযোগ্য সম্পদ আপোনাৰ হাতত অৰ্পণ কৰিলে তাকো আটোমটোকাৰিকৈ। যিটো বস্তু আজীৱন থাকি যাব আপোনাৰ হাতত জীৱনৰ স্বীকৃতি স্বৰূপে। কিয় আমি তেনেকুৱা এগৰাকী ব্যক্তিক সদায় "গামোচাৰ আৰঁত" ৰাখিব বিচাৰোঁ, কিয় ? কিয় এখন গামোচাৰে সম্বৰ্ধিত কৰি তেওঁৰ মুখখন সকলোৰে আগত চিনাকি কৰি উৎসাহিত কৰিব নোৱাৰোঁ। নিশ্চিত ভাৱে পাৰো, এই কাম আমি সকলোৱে কৰিব পাৰোঁ। মাত্ৰ আমাৰ মাজৰ দুই এজনৰ বাদে কোনোৱে আচলতে কথাটো বিশেষ গুৰুত্ব সহকাৰে ভবা নাই, সমূহীয়াকৈ চিনাকি কৰাই দিয়াৰ কথা। একেবাৰেই সৰু কথা এইটো কিন্তু বহুত ডাঙৰ কথা।

এখন মুকলি মঞ্চৰ চিনাকিৰে এটা উন্নত মানদণ্ডৰ ছপাশালৰ স্বত্বাধিকাৰীক বা যিকোনো ছপাশালৰ পৰা ওলোৱা বহুতো মূল্যৱান গ্ৰন্থৰ কথা। আমি কিয় তেখেতলোকক উলিয়াই আনিব নোৱাৰোঁ। কিয় উৎসাহিত কৰাত আমি কৃপণালি কৰোঁ। এইয়া যেন আমাৰ দৈনন্দিন জীৱনত সদায় ঘটি থকা এটা নাভাবিব লগীয়া কথা। গ্ৰন্থখনৰ আগকথাৰ শেষত গৰাকীৰ নামটো বা ছপাশালৰ নামটো লিখি দিয়েই যেন আমি সদায় আমাৰ দায়িত্বৰ সামৰণি মাৰোঁ।

আমাৰ একান্ত ব্যক্তিগত অনুভৱেৰে এই চেগতে কেইবাখনো (নিজা গ্ৰন্থ) সৰু বৰ গ্ৰন্থ ইতিমধ্যে প্ৰকাশ কৰা মৰিগাঁৱৰ ভাতৃপ্ৰতীম মৰমৰ 'বৃক্ষ প্ৰেছৰ' স্বত্বাধিকাৰী বুবু শইকীয়া আৰু নগাঁৱৰ 'অজন্তা প্ৰেছৰ' স্বত্বাধিকাৰী ভাতৃ প্ৰতীম মৰমৰ কৈলাস ৰাজখোৱাক আন্তৰিকতাৰে শলাগ লোৱাৰ লগতে আনুষ্ঠানিক ভাৱে কৃতজ্ঞতাও জনালোঁ। শেহতীয়াকৈ মৰিগাঁও জিলাৰ বাৰপূজীয়াৰ 'প্ৰিন্টাৰ্চ পইন্ট' প্ৰেছৰ স্বত্বাধিকাৰী ভাতৃ প্ৰতীম মৰমৰ হিৰণময় নাথ (জান্টু)কে ধৰি তিনিওকে পুনৰবাৰ অভিনন্দন, কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইয়াৰ বাহিৰেও আৰু সৰু সুৰা বহু কাম বিভিন্ন সময়ত কোনো কোনো প্ৰেছৰ জৰিয়তে কৰিব লগা হৈছে। সেয়ে সেই সকলকো ইয়াৰ পৰাই ধন্যবাদ কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদন কৰিছোঁ। যিটো ভুল ইতিমধ্যে আমিও বহুবাৰ কৰি আহিছোঁ। আমাৰ অনুভৱৰ কলমত সেই সকলেই 'আমাক ভৱিষৎ কলম লৈ থকা' ৰ কৰ্মক্ষেত্ৰৰ মাৰ্গ-দৰ্শণত নিশ্চিতকৈ সহায়ক হ'ব।

খৰচৰ বিনিময়তহে এখন কিতাপ প্ৰকাশ কৰিব পাৰি। কথাষাৰ সম্পূৰ্ণ সঁচা হ'লেও কিন্তু তাত লাগিব আন্তৰিকতাৰে ভৰা দায়িত্ববোধ আৰু সদিচ্ছাৰ মনোভাৱ। পুংখানুপুংখ ভাৱে কিতাপখন চালি-জাৰি বৰ্ণাশুদ্ধি বা বাক্য গাঁথনিৰ লগতে উপস্থাপন শৈলী আৰু উপযুক্ত আ-অলংকাৰ মানে কাগজ চিনাক্ত,পকাবন্ধা বা কেঁচাবন্ধা,ফটো অংকন,ফিটা, পৰিবেশন আদিৰ লগতে পুথিখনৰ উচ্চ মান নিৰূপণৰ বাবে আই এচ বি এন নম্বৰ (ISBN) যুক্ত চিহ্ন ইত্যাদি কথাবোৰ লেখক বা প্ৰকাশকক বুজাই দিয়া সকলোবোৰ দায়িত্ব পালন দেখোন 'মালিক-পক্ষ' ই কৰি পাঠকৰ পৰা বাঃ বাঃ লয়। কিতাপখন প্ৰেছৰ পৰা সম্পূৰ্ণহৈ হাতত নপৰালৈকে যিটো অৱস্থা সেইটো সেই সময়ত প্ৰসৱ বেদনাত চটফটাই থকা এগৰাকী মাতৃৰ দৰে বুলি ক'লেও হয়তো ভুল নহ'ব। কাৰণ এটি নৱজাতকৰ দৰেই এখন কিতাপৰো জন্ম বুলি আমাৰ ব্যক্তিগত অনুভৱেৰে বিশ্বাস কৰোঁ। এখন কিতাপৰ আগমন আৰু এটি নৱজাতকৰ গৃহাগমনৰ মাজত কোনো পাৰ্থক্য নাই বুলি আমাৰ ধাৰণা।

এই সকলো কামতে গুৰুত্ব দিয়াটো প্ৰেছৰ স্বত্বাধিকাৰ গৰাকীৰেই দায়িত্ব । বেয়া হক্সলে তেওঁৰেই দায়িত্ব। ভাল হ'লেও মাথোঁ শলাগ। সকলো কাম চাই চিতি পাঠকৰ মাজলৈ এখন সম্পূৰ্ণ আৰু পূৰ্ণাংগ সাজপাৰেৰে শুদ্ধ ৰূপৰ কিতাপ ওলিয়াই দিয়াটো বা পৰিবেশন কৰালৈকে কথাবোৰ অত্যন্ত স্পৰ্শকাতৰ বিষয়। তাতেই লেখক বা প্ৰকাশকতকৈও ছপাশালৰ স্বত্বাধিকাৰীয়ে অধিক সন্তুষ্টি লাভ কৰে। কিতাপখন পাঠকৰ হাতত পৰি ভালকৈ চকুফুৰাই নোচোৱালৈকে বা দুই এক মন্তব্য নিজে নুশুনা লৈকে প্ৰেছৰ স্বত্বাধিকাৰৰ শান্তি নাহে। ভয় ভয় লাগি লাগি থকাটোও যেন স্বাভাৱিক কথা।

উন্মোচনত কিতাপখন হাতত লৈয়ে তাৰ অৱয়বৰ ওপৰত সকলোৰে চকু। বাঃ বৰ সুন্দৰ পৰিৱেশন। লগে লগে লেখকৰ বুকু ওফন্দি পৰে। পৰিৱেশনত তৎক্ষণাত এটা মিঠা হাঁহি। থিক সেই মূহুৰ্ততে যদি প্ৰেছৰ স্বত্বাধিকাৰ গৰাকীক এটি সম্বৰ্ধনাৰে ঠাইতে চিনাকি কৰাই দি কয়— 'এখেতেই কিতাপখন কৰিছে।' তাতকৈ তেখেতৰ বাবে আৰু সেই মূহুৰ্তত ডাঙৰ স্বীকৃতি একো হ'বই নোৱাৰে। এইবোৰ সৰু কথা, কিন্তু অত্যন্ত গুৰুত্বপূৰ্ণ আৰু ডাঙৰ কথা। পৰিৱেশনত যদি বেয়া হ'ল তাতেই তৎক্ষণাত দুষাৰ কটু কথা শুনাবলৈও কোনোৱে কুণ্ঠাবোধ নকৰে। যিটো অনুচিত বা মুঠেই গ্ৰহণযোগ্য নহয়। কাৰণ আমাৰ ভেটিৰ ইটা তেওঁলোকহে, যাক আমি দেখা নাপাওঁ কিন্তু তেওঁলোকৰ কাৰণেই ঘৰটো ভৱিষ্যতলৈ মজবুজত কৈ ৰয়।

মুঠতে আমি আশা কৰিম অনাগত দিনত 'গামোচাৰ আৰঁৰ' সেই বিশেষ মানুহজনক সকলোৱে আৱিষ্কাৰ কৰি দুগুণে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰক। তেখেতলোক সন্তুষ্ট হোৱা মানেই আমাৰ কলমৰ কৰ্ম ক্ষেত্ৰৰ পৰিসৰৰো বিস্তৃত হৈ গৈ থাকিব। যিটো কথা আমি ব্যক্তিগত ভাৱে সদায় বিশ্বাস কৰি আহিছোঁ।

এইয়া আমাৰ সকলোৰে ওচৰত অনুৰোধ।

দূৰভাষ ঃ ৭০০২৪-০৬০১৪

এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০ , বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন